কাগজৰ নাও

ASSAM.

মূল ৰচনা :
তৰুণ কুমাৰ ভাদুড়ী
অনুবাদ :
খগেন্দ্ৰ নাৰায়ণ দত্তবৰুৱা

এল বি এচ

KAGAJAR NAO : A novel written by Taroon Coomar Bhaduri and translated by Khagendra Narayan Dutta Barua and Published by LBS Publications, Ambari, Gauhati—1

প্ৰকাশ ক'ৰছে :
এল বি এছ পাব্লিকেশ্যন
আমবাৰী, গুৱাহাটী—১

বেটুপাত : নিৰোদ চৌধুৰী
প্ৰথম প্ৰকাশ : ডিচেম্বৰ '৭৯

মূল্য : দহ টকা।

ছপাইছে :
বিচিত্ৰনাৰায়ণ প্ৰি[illegible]
আমবাৰী, গুৱাহাটী—১

তৰুণ কুমাৰ ভাদুড়ীৰ আন উপন্যাস আৰু ভিন্নস্বৰী বিবিধ ঘটনাৰ অনুবাদ অসমীয়া পঢ়ুৱৈ সমাজে আদৰি লোৱাৰ উৎসাহতে ভাদুড়ীৰ এই উপন্যাস খনৰো অনুবাদ আগবঢ়ালোঁ। আশাকৰো পঢ়ুৱৈ সমাজে এই গ্ৰন্থখনিও মৰমেৰে গ্ৰহণ কৰিব। অনুবাদত মূলৰ সৌন্দৰ্য্য ধৰি ৰাখিবলৈ আপ্ৰাণ চেষ্টা কৰিছোঁ।

খঃ নাঃ দঃ বঃ

॥ এক ॥

ডায়েৰী লিখাটো বহুদিনৰ পুৰনি অভ্যাস। এদিনাখন হঠাতে মনতে কিবা ভাবি লিখা এৰি দিলো। কিয় যে আৰম্ভ কৰিছিলোঁ আৰু এৰি পেলাইছিলোঁ তাৰ কাৰণ আজিও মই নাজানো। আজি ভাব হয়, আজিৰ পৰা বহু বছৰ আগতে ডায়েৰী লিখা আৰম্ভ কৰিছিলোঁ হয়তো প্ৰলোভনত আৰু সেই প্ৰলোভনৰ ভিত্তি আছিল এক সপোন। লিখক হোৱা সপোন দেখিছিলোঁ সকবে পৰা। সেই সপোনক সফল কৰিবলৈ হয়তো ডায়েৰী লিখা আৰম্ভ কৰিছিলো। সেই সপোনক বাস্তৱত প্ৰতিফলিত কৰিবলৈ হয়তো ডায়েৰী লিখা আৰম্ভ কৰিছিলো। কিন্তু যিদিনাখন নিজকে এজন ক্ষুদ্ৰ লিখক হিচাবে ভাবিলোঁ সেইদিনাখনৰ পৰাই প্ৰলোভনৰ ফান্দত পৰিলোঁ মাত্ৰ লিখকসুলভ প্ৰলোভন— এই ভাবি যে হয়তো এদিনাখন এই ডায়েৰীখনেই মোক ভবিষ্যতে লেখাৰ সমল যোগাব। নিলাজৰ দৰে স্বীকাৰ কৰিছোঁ আজি সেইটোৱে হৰ ধৰিছে।

অকল জানো সেয়া সঁচা ?

এৰি দিয়াৰ কাৰণ বোধহয় এই যে ডায়েৰী। ধূলি মাকড়িৰে ভৰি থকা ধূচৰ ম্লান পাতবিলাকে কঠিন সচাঁ কথা কয়। সচাঁ কথা

বোধহয় সকলো সময়তে ভাল নালাগে, সেয়া নিজৰ সম্বন্ধে হওঁক অথবা নিজৰ অতি প্ৰিয়জন সম্বন্ধে হওঁক। হয়তোবা ডায়েৰী লিখা এৰি দিয়াৰ কাৰণ অন্য কিবা আছিল। হয়তো এদিনাখন নিজ ইচ্ছাত লিখা আৰম্ভ কৰিছিলো তেনেকৈ নিজ ইচ্ছাতে লিখা এৰি পেলালো।

কিন্তু ডায়েৰীত জানো সকলো সময়তে মাত্ৰ সচাঁ কথা লিখা থাকে? মই জানো সকলো সচাঁ কথা মোৰ ডায়েৰীত লিখিছোঁ? নিজৰ বা অতি চিনাকি মানুহক যিভাবে আমি চাব খোজোঁ হয়তো সেয়াই আমাৰ ডায়েৰীত লিখা থাকে। যিসকলক ভাল লাগে তেওঁলোকৰ মাথো ভালখিনিয়ে জানো মই ডায়েৰীত লিখি ৰাখিছোঁ? তেওঁলোকৰ বেয়াখিনি জানো বাদ দিছোঁ? মাজে মাজে ভাবো যদি মই দুশ্চৰিত্ৰ, মদপী, লম্পট নাইবা ক্ৰিমিনেল হলোহেঁতেন, মই মোৰ ডায়েৰীত মোৰ জীৱনৰ সেই অন্ধকাৰময় দিনৰ কথা জানো লিখিলোহেঁতেন? আজি ইমান দিনৰ পিচত ডায়েৰীৰ পুৰণি পাতবিলাক লুটিয়াই লুটিয়াই সেই কথা কোৱা হয়তো কঠিন। যিমানদূৰ মনত পৰে মই যিসকলক যেনেকৈ দেখিছিলো বা যেনেকৈ ঘটিছে— ঠিক তেনেকৈ লিপিবদ্ধ কৰিছোঁ। যিসকলৰ সম্বন্ধে মই মোৰ ডায়েৰীত লিখিছোঁ বা যিবোৰ ঘটনাৰ উল্লেখ আছে—সেইবোৰৰ স্মৃতি আজিও মোৰ মণিকোঠাত জমি আছে। অকনো ম্লান হোৱা নাই। সেই কাৰণে ভাব হয় মই কল্পনা নাইবা মিছাৰ প্ৰশ্ৰয় লোৱা নাই।

এদিনাখন কি ভাবি পুৰণি ডায়েৰীখন আলমাৰীৰপৰা উলিয়াই পঢ়িবলৈ বহিলোঁ। বহুতো কথা—মোৰ নিজৰ কথা, আনৰ কথা— ক'ৰবাত আনন্দৰ, ক'ৰবাত দুখৰ। বিভিন্ন মানুহ আৰু বিভিন্ন চৰিত্ৰৰ এক অপূৰ্ব্ব সমাবেশ। নানা ৰঙৰ নানা ঘটনাৰ এক অপৰূপ সমাবোহ। বেলেগ বেলেগ চৰিত্ৰ আৰু বেলেগ বেলেগ ঘটনা। কিন্তু সেইবোৰ চৰিত্ৰ আৰু ঘটনাৰ লগত হয়তো মই নিজে নহলেও মোৰ খুব ওচৰৰ কোনোবা ওতঃপ্ৰোতভাবে জড়িত। যদি

কোনোবাদিনাথন মই মোৰ আত্মজীৱনী লিখিব লগা হয় মই খুব পৰিশ্ৰম কৰিব নালাগে। মোৰ ডায়েৰীয়েই বোধহয় মোৰ জীৱনৰ সকলো কথা কৈ দিব। আত্মজীৱনীত অলপ অহমিকা বা 'ইগজ' থাকে। ডায়েৰীত সেয়া নাথাকে। সেই হিচাবে ডায়েৰী আত্ম-জীৱনীৰ তুলনাত বহু বেছি অনেষ্ট।

এঠাইত দেখিলো লিখিছোঁ, "এই সাংবাদিকতা পুনৰ ভাল নলগা হৈছে। সাংবাদিকতা মোৰ ভাব হয় ঠিক এখন কাগজৰ নাওঁৰ নিচিনা। সৰু ল'ৰা ছোৱালীক মন ভুলোৱা কাগজৰ নাওঁৰ দৰে। বেহাই নাই, দিনৰ পিছত দিন, খবৰৰ কাগজত কাম কৰি পৃথিৱীৰ শিক্ষিত, বয়সীয়াল – শিশুৰ মন ভুলাইছোঁ। তেওঁলোকক মিছা সান্ত্বনা দি মন ভুলাইছোঁ—সৰু শিশুৰে নাকান্দিবৰ বাবে মন ভুলাবলৈ যেনেদৰে কাগজৰ নাওঁ বনাই হাতত দিয়া হয়—আৰু সৰু শিশুৰে কাগজৰ নাওঁ হাতত পায় যেনেদৰে আনন্দত নাচি উঠে, তেনেভাবে কিছুমান মানুহক সাংবাদিক হৈ আনন্দ দান কৰিছোঁ। কিন্তু মন ভুলোৱা এই ক্ষণিক আনন্দ দানৰ মূল্য কিমান-থিনি? সেয়া তো ক্ষণস্থায়ী! পদ্মপত্ৰে জলবৎ। আজি কিবা লিখিলো, পিছদিনাখন কোনোবাই সেই লেখা পঢ়িলে আৰু তাৰ পিছদিনাখন কোনোবাই অন্যদিনৰ কাগজ অহাৰ লগে লগে আগৰ দিনৰ কাগজৰ লিখা পাহৰি গ'ল। ঠিক কাগজৰ নাওঁৰ দৰেই কোনো দাম নাই। পানীত এৰি দিলেই ভিজে, ভিজি ডুব যায়।"

নিজৰ লেখা পঢ়ি পঢ়ি নিজে কেনেভাবে চমকি উঠিলো। কিন্তু লগে লগে সন্দেহৰ এক ক'লা মেঘ মনৰ আকাশত গোট খালেহি। কোনো দামেই জানো নাই মোৰ ইমান দিনৰ সাংবাদিক জীৱনৰ অভিজ্ঞতাৰ? কিমান মানুহক দেখিলোঁ, চিনিলোঁ, নিজৰ কৰিলোঁ। কিমান ঘটনাইতো দেখিলো,বা সেইবোৰ ঘটনাৰ কথা শুনিলো। সেইবোৰৰ জানো কোনো দাম নাই? হয়তো আছে, হয়তো নাই। কিন্তু মই যি দেখিছোঁ, শুনিছোঁ, তেওঁলোকৰ নিজৰ সকলো কথাইতো মোৰ নিজস্ব সম্পত্তি হৈ মোৰ ওচৰত আছে।

আন কোনোবাই তেওঁলোকৰ সেই কথা বা হাঁহি কান্দোন মিহলি ঘটনাৰ কথা নাজানিলে বা নুশুনিলে। সকলো জানো মোৰ মলিয়ন ডায়েৰীখনৰ মাজত সীমাবদ্ধ হৈ থাকিব? এই যে অগণন চৰিত্ৰ আৰু ঘটনাৰ শব্দহীন শোভাযাত্ৰা, এই যে নানা ৰঙৰ স্মৃতিৰ ভিৰ, সেইবোৰৰ কথা জানো আনে নেজানিব? কোনোৱে জানো সেইবোৰ চৰিত্ৰ আৰু ঘটনাৰ সুখত নেহাঁহিব, নাইবা তেওঁলোকৰ দুখত দুইটোপাল চকুপানী নেপেলাব।

সেইদিনাখন কোনো সিদ্ধান্তই কৰিব পৰা নাই। হয়তো কোনোদিনাখনেই নোৱাৰিম। তথাপিও কিয় জানো, সেইদিনাখন ঘণ্টাৰ পিচত ঘণ্টা ডায়েৰীখন লৈ বহিছিলোঁ। মাজে মাজে পাত লুটিয়াইছোঁ আৰু উভটি গৈছোঁ সেই পুৰণি দিনবোৰলৈ। চকুৰ সমুখত সজীৱ হৈ উঠিছে বহু চিনাকি-অচিনাকি মানুহ আৰু তেওঁলোকৰ হাঁহি-কান্দোনভৰা কাহিনী। বহুত চৰিত্ৰ আৰু ঘটনা লিপিবদ্ধ কৰা আছে মোৰ ডায়েৰীত— অপূৰ্ব, বসন্ত, ভাস্কৰ, বৌণক সিং, অতনু, ইডুপুগন্তি, সত্যনাৰায়ণ ৰাও, অঘোৰ সেনশৰ্মা, বাবুভাই, ঠাকুৰ শিবপ্ৰসাদ সিং, ভামন তামন যোশী, কৃষ্ণকুমাৰ মিশ্ৰ, ওমি কাপুৰ, লিওনাৰ্চ এমাৰচন, চিঙ্কিয়া, ব্ৰিজকিশোৰ চতুৰ্বেদী, অৰুণ, সুপ্ৰতীপ, তপন, কল্যাণ, শতাব্দী আৰু বহুতো। এওঁলোকৰ বহুতকে মই জানিছিলোঁ। মই যিসকলক নাজানিছিলোঁ তেওঁলোকৰ কথা মোক অনিমেষে কৈছিল। অনিমেষ মোৰ বাল্যবন্ধু। মোৰ দৰে তেওঁও সাংবাদিক আছিল। আছিল বুলিছোঁ এই কাৰণে আজি যে অনিমেষ ক'ত আছে মই নাজানো। ইমান মানুহৰ ভিৰৰ মাজত হঠাত তেওঁ কৰবাত হেৰাই গ'ল। তেওঁ থকাহেঁতেন হয়তো আজি মই এই ডায়েৰী পঢ়াৰ সময়ত মোৰ বহু ভুল তেওঁ শুধৰাই দিলেহেঁতেন। ক'ত যে আছে মই নাজানো। তেওঁ জানো এতিয়াও শতাব্দীক বিচাৰিছে।

যদি কোনোবাদিনাখন অনিমেষৰ লগত দেখা হয় কম, "তোৰ সাহায্য নোপোৱাহেঁতেন এই ডায়েৰীখন এখন উপন্যাসৰ ৰূপ ধাৰণ

কৰিব নোৱাৰিলেহেঁতেন। এয়া তোৰ আৰু মোৰ মাজত সীমাবদ্ধ থাকিলেহেঁতেন। কিন্তু এয়া তোৰ আৰু মোৰ নিজস্ব সম্পত্তি আছিল, সেয়া আজি মই বজাৰলৈ লৈ আহিছো। তুই খঙ নকৰবতো ?”

“কি যে কৰ তই। তইও জানিছিলি, মই জানিছিলো, এদিনা-খন হয় তই নহলে মই তোৰ এই ডায়েৰী লেখাৰ অভ্যাসক কামত লগালোহেঁতেন।” মই জানো অনিমেষে এই কথাই কলেহেঁতেন।

সেই কাৰণে আগতেই মই কৈছোঁ ডায়েৰী লেখাৰ পিছত লেখক—সুলভ প্ৰলোভনৰ কথা।

o o o

ডায়েৰীৰ এঠাইত লেখা আছে— “লিপি আৰু নীলি। অদ্ভুত চৰিত্ৰ, অদ্ভুত জীৱন, অদ্ভুত সংযোগ। এওঁলোকৰ কথা কোনোদিনা-খনে পাহৰিব নোৱাৰিম। অদৃষ্টৰ এক হাত বাউলিত এওঁলোকৰ জীৱনযাত্ৰাৰ পথ তৈয়াৰ হৈছিল। নেজানো ইয়াৰ শেষ ক'ত। এওঁলোকৰ লগত বহুতেই সাঙোৰ খাই আছে— অপূৰ্ব, বসন্ত, মই আৰু অনিমেষ।” তাৰ পিচত কেইপাতমান একেবাৰে লিখা নাই, কিন্তু সেই বুলি জানো আজিও মই লিলি, নীলি, বসন্ত আৰু অপূৰ্বৰ কথা পাহৰিব পাৰিছো ? মোৰ ডায়েৰীৰ পাত হৈছে মলিন কিন্তু এওঁলোকৰ স্মৃতিতো অলপো ম্লান হোৱা নাই।

তাৰ পিচত আৰু কেইটামান পাত খালি। পাত লুটিয়াওতে লুটিয়াওতে দেখিলো। এঠাইত লেখা আছে “টেন আপ— মাদ্ৰাজৰ পৰা বোম্বে— এদিনাখন ৰাতি।”

o o o

আৰু কেইমিনিটমান পলম হলেই ট্ৰেনখন এৰি দিলেহেঁতেন। প্ৰায় দৌৰীয়ে অতনু ট্ৰেনত জপিয়াই উঠিল। সমুখৰ কম্পাৰ্টমেণ্টত সোমাই তেওঁ প্ৰায় অপ্ৰস্তুত হৈ পৰিল। লাজুক তেওঁ কোনো-

॥ ৬ ॥

দিনাখনে নাছিল, কিন্তু এটা কুপেত এগৰাকী অকলশৰীয়া মহিলাৰ লগত ট্ৰেভেল কৰিবলৈ তেওঁৰ কেনেবা লাগিল। অতনুৰ ব্যস্ততামিহলি প্ৰৱেশ, মহিলাই জানিব পাৰিছিল কিন্তু তেওঁ সেয়া প্ৰকাশ নকৰি খবৰৰ কাগজৰ আঁৰত নিজকে লুকাই ৰাখিছিল।

আমন জিমনকৈ অতনুৱে কলে, "আই এম চৰী আই ওয়াজ ইন এ হাৰি এণ্ড আই হেড নো ৰিজাৰ্ভেচন।"

খবৰৰ কাগজৰ আঁৰৰ পৰা যি উত্তৰ আহিল ইয়াৰ মৰ্ম এই যে মহিলাৰো কোনো ৰিজাৰ্ভেচন নাই। এই কুপেত যিসকল যোৱা আছিল তেওঁলোক অহা নাই। সেই কাৰণে তেওঁ "এ" কম্পাৰ্ট-মেণ্টত সোমাইছে। বি, চি, ডি, ই, এফ সকলো কম্পাৰ্টমেণ্ট 'ফুল', কতো ঠাই নাই। গতিকে এই কম্পাৰ্টমেণ্টত তেওঁৰ যিমানখিনি অধিকাৰ, অতনুৰো সিমানখিনিয়ে অধিকাৰ। ইংৰাজীতে মহিলা গৰাকীয়ে কলে।

স্বস্তিৰ নিশ্বাস পেলাই অতনু বাৰ্থটোৰ এটা কোণত বহিল। মহিলা আনখন খিৰকীৰ মুখত তেতিয়াও খবৰৰ কাগজৰ আঁৰত। ট্ৰেনৰ গতি বাঢ়িছে। এয়া এক অসহনীয় পৰিস্থিতি। অতনুৱে ঠিক কৰিলে যে তেওঁ নিজেই বৰফ ভাঙিব। এক্সকিউজ মি, আপুনি কিমান দূৰলৈ যাব?"

খবৰৰ কাগজৰ আঁৰৰ পৰাই উত্তৰ আহিল, "বোম্বে।"

"ষ্ট্ৰেঞ্জ।"

"হোৱাট ইজ ষ্ট্ৰেঞ্জ— এবাউট মাই গোৱিং টু বোম্বে?" কাগ-জৰ আঁৰৰ পৰা এইবাৰ অলপ কঠিন মাতেৰে উত্তৰ আহিল।

সচাঁতো এই মহিলা বোম্বেলৈ যোৱাটো কিয় ষ্ট্ৰেঞ্জ হব? লাজ পাই অতনুৱে কলে, "নহয়, মানে মইও বোম্বেলৈ যামতো?"

কাগজৰ আঁৰৰ পৰা উত্তৰ আহিল, "হু"। লগে লগে কাগজ-খন বন্ধ কৰি মহিলা গৰাকীয়ে পোনে পোনে অতনুৰ ফালে চালে। চশমাজোৰ নাকৰ ওপৰত ঠিকভাবে ললে যেন তেওঁৰ চকুৱে মুখে এক বিৰক্তিভাব। পিচমুহূৰ্ত্ততে মুখত হাঁহি ফুটি উঠিল।

অতনু যেন বক্কা পৰিল। অতনুৰ ভাব হল মহিলা গৰাকী বঙালী। এইবাৰ ভালকৈ মহিলা গৰাকীক চালে। বয়স বেচি নহলেও চল্লিচৰ ওপৰত। যৌৱন পাৰ হৈ গলেও আজিও সুন্দৰী বুলি কব পৰা যায়। সমুখৰ চুলিত অলপ বগা যেন হৈছো তাতে তেওঁৰ সৌন্দৰ্য্য বাঢ়িছেহে কমা নাই। নাক মুখ চকু সুগঢ়ৰ। সাহস সঞ্চয় কৰি অতনুই ভাবিলে মহিলাক সুধি চাবনেকি?

"আপুনি জানো?" কথা শেষ হোৱাৰ আগতেই দুৱাৰত শব্দ হল, কণ্ডাক্টৰ গাৰ্ড ভিতৰলৈ সোমাই আহি টিকেট বিচাৰিলে। টিকেট হাতত লৈ দুয়োৰো ওপৰত চকু ফুৰাই ক'লে, তেওঁ দুখিত, তেওঁলোকক দিবৰ কাৰণে কম্পাৰ্টমেণ্টত আন ঠাই নাই।

"ইট্ ইজ অলৰাইট," অতনুই কিবা কোৱাৰ আগ:তই মহিলাই উত্তৰ দিলে। "এ" কম্পাৰ্টমেণ্টৰ স্লাইডিং দুৱাৰখন বন্ধ কৰি কণ্ডাক্টৰ আতৰি গল 'বি' কম্পাৰ্টমেণ্টলৈ। তাত ডাঙৰ ডাঙৰ কৈ কৰা তৰ্ক তেওঁৰ কাণত পৰিছেহি।

ইতিমধ্যে মহিলাই বেটৰ পাৰ্চৰ পৰা "হেৰল্ড ৰবীন্স"ৰ 'বেটচী'-খন উলিয়াই ললে। অতনুই মনে মনে হাঁহিলে। মহিলাই কোনখিনি পাইছে? নিজৰ মনতেই অতনুই ভাবিলে মহিলাই হয়তো পঢ়িছে সেইখিনিত ... এঞ্জেলো আৰু চিন্ডিৰ নিবিড় প্ৰেম চলিছে। চিনডিয়ে কৈছে:

"I rolled over to my side, then on by lock. Still holding me she clambered over me, then slowly lowered herself on to me. It was like dipping into a tub of boiling oil.

She began to half moan and scream with the frenzy of her passion. Wildey she shook her head from side to side spilling her long hair into a constant fan. She began slamming into me, harder and harder. I smashed back against her.

"Good," she muttered, "that's so good".

I held my arms straight out from my sides. behind her. As she came back toward me I slapped her viciously,, on hand on each buttock. She jammed into me and came back. I slapped her again and kept it up to the rhythm of her movements.

She began to climb the walls, her moans became half shricks of pain and ecstasy. The roar of the engines as they came to ward the finish began to moent almost drowning her out.

মহিলাৰ কিন্তু কোনো ভ্ৰূক্ষেপেই নাই। তেওঁ মনোযোগ দি পঢ়িছে "বেটচী"। মাজে মাজে তেওঁৰ ওঁঠত দেখা গৈছে হাঁহি। আৰু মাজে মাজে গাল আৰু কাণখন গৰম হৈ উঠিছে আৰু লগে লগে ঘন ঘনকৈ নিশ্বাস পেলাইছে। অতনুই নিলাজৰ দৰে মহিলা গৰাকীৰ ফালে চাই আছে। যেন গিলিহে খাব। এই অৱস্থাত যদি মহিলাই দেখা পালেহেঁতেন তেনেহলে মুখ ওভোটাই নিলেহেঁতেন আৰু অতনুক তেওঁৰ অসভ্যতাৰ কাৰণে গালি শপনি পাৰিলেহেঁতেন তেওঁ একোকে নকৰিলে। এটা সময়ত হঠাতে দীঘল উসাহ লৈ চশমাজোৰ খুলি অতনুৰ ফালে চালে আৰু পিচ-মুহূৰ্ত্তেই আকৌ চশমা পিন্ধি কিতাপত মনোযোগ দিলে।

সেই চশমা খোলা আৰু পিন্ধাৰ সময়ত অতনুৰ বুকুখন ধক্ কৈ উঠিল। কোন এই মহিলা? মুখখন যেন ভীষণ চিনাকি চিনাকি লাগিছে। মনৰ কোনত সন্দেহৰ মেঘ জমা হল। সেয়া তো হবৰ কথা নহয়। এই মহিলাৰ লগত তেওঁৰ কি সম্পৰ্ক হব পাৰে? কোনোদিনাখন হয়তো তেওঁক দেখা নাই বা চিনাকিও নাই। কিন্তু কিয় যেন অতনুৰ ভাব হল এইখন যেন এখন পৰিচিত মুখ। সুধিব নেকি? কিন্তু কি সুধিব?

অন্ধকাৰতে শিল দলিয়াবলৈ ঠিক কৰি অতনুই ক'লে, "আচ্ছা আপুনি জানো ···

দুৱাৰত শব্দ হল। ডাইনিংকাৰৰ বেয়াৰা, "চাব আপলোগোকো খানা।"

"এক ননভেজিটেৰিয়ান" অতনুই ক'লে।

"এক ননভেজিটেৰিয়ান" মহিলাই কলে।

স্লাইডিং দুৱাৰ আকৌ বন্ধ হৈ গ'ল।

"বি" কম্পাৰ্টমেণ্টত তেতিয়ালৈকে তুমুল তৰ্ক আৰম্ভ হৈছে।

নিজৰ ব্ৰীফকেচ খুলি অতনুই জেকুলিন চুছানৰ "ভেলি অৱ দি ডলচ" উলিয়াই লৈছে। কোটৰ পৰা চশমা উলিয়াই অতনু ডুব গল 'ভেলি অৱ দি ডলচ'ত।

"বেটচী" পঢ়ি পঢ়ি স্বাতী ক্লান্ত হৈ পৰিছিল। কিতাপখন বন্ধ কৰি চাওঁতেই চকুত পৰিল অতনুৰ হাতে। "ভেলি অৱ দি ডলচ?" কিছুদিন আগতেই স্বাতীয়ে কিতাখন পঢ়িছে। অতনুই কোনখিনি পঢ়িছে? নিশ্চয় সেইখিনি পাইছে য'ত এন আৰু লিয়ন গভীৰ আলিঙ্গনত আবদ্ধ।

She approached the bed and he took her hands. The towel dropped to the floor, "My lovely Anne," he said softly. His admiration and the natural easy way he appraised her body dissolved her embrassment. He tossed aside the sheet and drew her into his arms. The strength of his body against her own suddenly seemed the most natural feeling in the world. Like the impossible and delirious new sensation of feeling his mouth on hers, kissing her deeply, searchingly she felt herself responding to his embrace with an ordor she had never dreamed she possessed, her mouth demanding more and more. She couldn't kiss him deeply enough. His hands caressed her body, gently then intimately. Yet her emotional excitment dominated all physical sensation. To have him in her arms, to be close, to feel free to kiss his eyelids, his brow, his lips.... to know that he wanted her, that he cared.......

And then it was happening. Oh god, this was the moment. She wanted to please him, but the pain caught her unaware and she cried out. He pulled away immediatly and released her.

"Anne," she could see the surprise in his eyes.

"Go on Lyon," she begged. "It will be alright."

অতনুৰ কিন্তু কোনোফালে ভ্ৰূক্ষেপ নাই। তেওঁ মনোযোগ দি পঢ়িছে "ভেলি অৱ দি ডলচ"। মাজে মাজে ওঁঠত হাঁহি দেখা গৈছে। আৰু মাজে মাজে কাণখন ৰঙা হৈ পৰিছে আৰু সঘনে পেলাইছে নিশ্বাস। বেচ লাগিছিল স্বাতীৰ। নিলাজৰ দৰে অতনুৰ ফালে চাই আছে। যেন গিলিহে খাব। এনে অৱস্থাত যদি

অতনুৱে দেখে ভেতিয়া হ'লে স্বাতী খুব অপ্রস্তুত হৈ পৰিব। কিন্তু অতনুই একো নকৰিলে। এসময়ত হঠাৎ দীঘল নিঃশ্বাস পেলাই চশমাজোৰ খুলি এক মুহূৰ্ত্তৰ কাৰণে স্বাতীৰ ফালে চাই পিচমুহূৰ্ত্তে আকৌ চশমা পিন্ধি "ভেলি অব দি ডলচ'ত মনোযোগ দিলে।

সেই চশমা খোলা আৰু পিন্ধাৰ সময়খিনিত স্বাতীৰ বুকুখন ধকৃকৈ উঠিল। কোন এই ভদ্ৰলোক, মুখখন যেন ভীষণ চিনাকি চিনাকি লাগিছে। মনত সন্দেহৰ মেঘ জমা হল। সেয়াতো হোৱাৰ কথা নহয়। কি তেওঁৰ সম্পৰ্ক হব পাৰে এই অচিনাকি পুৰুষৰ লগত?

কোনোদিন হয়তো তেওঁ দেখা নাই আৰু চিনাকি নাই। কিন্তু কিয় বা স্বাতীৰ ভাব হল এই মুখ তেওঁৰ অতি পৰিচিত মুখ। সুধিব নেকি? কিন্তু কি সুধিব?

অন্ধকাৰতেই স্বাতীয়ে শিল দলিয়াব বুলি ঠিক কৰি হঠাতে সুধিলে, "আচ্ছা আপুনি বাৰু—"

দুৱাৰত আকৌ শব্দ হ'ল। ডাইনিংকাৰৰ বেয়াৰা। "চাব আপ লোগোঁকো খানা।"

"ঠিক হ্যায়, ৰাখ দেও।" দুয়ো একেলগে কলে। স্লাইডিং দুৱাৰ আকৌ বন্ধ হৈ গল।

"বি" কম্পাৰ্টমেণ্টৰ পৰা তৰ্ক কৰা শব্দ অহা নাই, কিন্তু গ্লাচ আৰু বটলৰ ঠুনঠুন আৰু হাঁহিৰ মাজে মাজে পাঞ্জাবী গান—

"সচ্চে জ্ঞানী ধৰম কৰম দে বন্দে

"ৰাম নাম জনতে ৰহন্দে থান্দে গোশালাদে চন্দে

"ক্যায়া ম্যয় ঝুট বোলিয়া.......

"কোইনা কোইনা..........

ট্ৰেনৰ গতি হু হু কৰি বাঢ়ি গৈছে। এসময়ত 'গুডনাইট' বুলি অতনু ওপৰৰ বাৰ্থত গৈ শুই পৰিল। কিন্তু শুব খুজিলেই জানো টোপনি আহিব? একোতেই অতনুৰ টোপনি নাহিল। মনৰ ভিতৰত একে চিন্তা— কোন এই মহিলা? তেওঁক জানো তেওঁ

চিনি পায় ? ইমান চিনাকি কিন্তু ইমান অচিনাকি ? কোন হব পাৰে এই মহিলা ? অতনুৰ হঠাৎ হাঁহি উঠিল। কি যে ভাবিছে তেওঁ ? তেওঁৰ বয়স কমতো হোৱা নাই। এই জুলাই মাহতো পঞ্চাশ পাৰ হৈছে। এই বয়সত এগৰাকী অচিনাকি মহিলা সম্বন্ধে ইমান কৌতুহল কিয় ? নহয়, তেওঁ কোনোদিনাখনে মধ্যবিত্ত সমাজৰ মানদণ্ডত তেওঁ ভাল লৰা নাছিল। জুৱা খেলিছে, মদ খাইছে, ছোৱালী লৈ ফুৰ্ত্তি কৰিছে। এতিয়াও তেওঁৰ নাৰীসঙ্গ অপছন্দ নহয়। তেওঁৰ টকাৰ অভাৱ নাই গতিকে, ছোৱালীৰো অভাৱ নাই। তেওঁতো মাদ্ৰাজৰ পৰা বোম্বেলৈ আহিছে অকল তেওঁৰ পুৰণি বান্ধৱী ইয়াচমীন কোতোৱালৰ লগত দেখা কৰিবলৈ। তাজ ইন্টাৰকন্টিনেন্টালত তেওঁ দুটা 'চুইট' 'বুক' কৰিছে। তেওঁতো হিল্লী-দিল্লী নাৰীসঙ্গ পোৱাৰ কাৰণেই ঘূৰি ফুৰে। কিন্তু কিয় ? তেওঁৰ অতীত জীৱন— তাৰেই বা কিমান দিন হল— সেয়া জানো ইমানেই অসম্পূৰ্ণ ? তেওঁ জানো যৌৱনত একোৱে পোৱা নাই ? তেওঁ পাইছে বহুত, কিন্তু হেৰাইছে তাতকৈ বহু বেছি। ওপৰৰ বাৰ্থত শুই শুই অতনুৱে ভাবিব ধৰিলে। জীৱনত বহু ছোৱালীৰ সম্পৰ্কলৈ তেওঁ আহিছে। কিন্তু আজি হঠাতে ইমান বিচলিত হৈছে কিয় ? হঠাতে দেখা মহিলাৰ প্ৰতি তেওঁৰ ইমান কৌতুহলেইবা কিয় ? ইমান চিন্তাই বা কিয় ? বাৰে বাৰে অতনুৰ ভাব হ'ল কোনোবাদিনাখন হয়তো এই মহিলাক তেওঁ দেখিছে, বা চিনাকি হৈছিল। কিন্তু কেতিয়া, ক'ত, কেনে ভাবে ?

অতনুই মনত পেলাবৰ চেষ্টা কৰে তেওঁৰ অতীত জীৱনৰ কথা। বেচি পুৰণি নহয়, কুৰি পঁচিশ বছৰ আগৰ কথা। বহু ছোৱালীৰ সম্পৰ্কলৈ আহিছে, কিন্তু তাৰ মাজৰ এই মহিলা কোন আছিল ? যদি তেওঁ থাকিলহেঁতেন তেনেহলে তেওঁ জানো অতনুক নিচিনিলেহেঁতেন ? কিমান সময় উকলি গৈছে তেওঁৰ যৌৱন আৰু আজিৰ মাজতে ? এনেকুৱা কি পৰিবৰ্ত্তন তেওঁৰ হৈছে ? কিছুমান পকা

চুলি ? নহয় ? তলৰ বাৰ্থত যি গৰাকী মহিলা শুইছে, তেওঁৰতো চুলি পকিছে। তেনেহলে ?

কিন্তু নিজৰ মনৰ লগত যুদ্ধ কৰাৰ পিছতো অতনু একোতেই তলৰ বাৰ্থত শোৱা মহিলা— স্বাতীক, মনৰ পৰা দূৰ কৰিব নোৱাৰিলে। অতনু আকৌ উভটি গ'ল তেওঁৰ অতীত জীৱনলৈ। এই মহিলাক তেওঁ জানো কোনোবা সময়ত দেখিছে, নে চিনিছে ? হয়তো হয়, হয়তো নহয়। হঠাতে অতনুৰ মূৰতো ঘূৰিবলৈ ধৰিলে। নহয় নহয় এয়াতো অতি পৰিচিত মুখ। কিন্তু ক'ত দেখিছে ? এয়া জানো সেই ছোৱালীজনী ? অতনুই শুই শুই ত্রিশ বছৰ আগলৈ উভটি গ'ল। কিমানে বা বয়স। হয়তো বিশ, বি, এ পাচ কৰিছে মাত্র। অতনুৰ মনত পৰিল তেওঁৰ লগত একে ক্লাচতে পঢ়িছিল। বোধহয় নাম আছিল কুন্তলা। কিন্তু এওঁ জানো সেই কুন্তলা ? কিন্তু এই কুন্তলা যদি সেই কুন্তলা নহয় ? তেনেহলে অতনুৰ সেই কুন্তলা ক'ত ? আৰু তেনেহলে এই মহিলাই বা কোন যাক খুব চিনাকি চিনাকি লাগিছে ?

o o o

প্রথম পৰিচয়তেই অতনুৰ কুন্তলাক ভাল লাগিছিল। কোনো জড়তা নাইবা অহমিকা ছোৱালীজনীৰ নাছিল। বেচ সাবলীল স্বচ্ছন্দ এক ভাব। কেইমাহমানৰ ভিতৰতে তেওঁলোকৰ বন্ধুত্ব প্রেমত পৰিণত হৈছিল। ইউনিভাৰচিটিৰ ছাত্র-ছাত্রী মহলত তেওঁলোকক লৈ বহু জল্পনা-কল্পনা আৰম্ভ হৈছিল। তেওঁলোকক দেখি কোনো কোনোবাই কলে, "মেড ফৰ ইচ্ আদাৰ।" চিনেমা, থিয়েটাৰ, ৰেস্তোৰাঁ সকলো ঠাইতে দুয়োকে দেখা পোৱা যায়। কিমান ৰঙীন সপোন তেওঁলোকে দেখিবলৈ আৰম্ভ কৰিছে। লাহে লাহে দুয়ো ইজনৰ সিজনৰ কাষ চাপি আহিছে, হৈছে ঘনিষ্ঠ, অন্তৰঙ্গ। এখন হাতেৰে গাড়ীৰ ষ্টিয়াৰীং ধৰি আনখন হাতেৰে

কুন্তলাৰ ককালত ধৰি হালি বহুবাৰ চুমা খাইছে। কিন্তু সেই-খিনিলৈ। ইয়াৰ বেছি কুন্তলাই কোনোদিনাখনে অতনুক আগ-বাঢ়িব দিয়া নাছিল। কুন্তলাৰ এই ব্যৱহাৰক নাৰীসুলভ লাজ বুলি ভাবি অতনু আৰু বেছি কুন্তলাক পাবলৈ উতলা হৈ পৰিল।

সেইদিনাখনৰ কথা অতনুৰ আজিও মনত পৰে। চহৰৰ পৰা বহুদূৰলৈ তেওঁলোক আহিছে। সন্ধ্যা কেতিয়া পাৰ হৈ গৈছে, দুয়ো ক'ব নোৱাৰে। হঠাতে কুন্তলাৰ চমক ভাঙিল।

"অতনু প্লীজ গাড়ী ঘূৰোৱা। বহু পলম হৈ গৈছে।" অসহায় ভাবে কুন্তলাই ক'লে।

নির্জন ৰাস্তাৰ একাষত গাড়ী ৰাখি অতনুই কুন্তলাই কিবা ভবাৰ আগতেই সাবট মাৰি ধৰিলে। প্রাণপনে কুন্তলাই নিজকে মুক্ত কৰাৰ কাৰণে চেষ্টা কৰিছে, কিন্তু ইয়াৰ ভিতৰতেই অতনুই ক্ষিপ্র-গতিত কুন্তলাৰ ব্লাউজৰ দুটি বুতাম খুলি পেলাইছে। ক'ব পৰা যেন কুন্তলাই শক্তি পালে। এক ঠেলাত নিজকে আঁতৰাই গাড়ীৰ পৰা নামি চিঞৰি কান্দি কান্দি ক'লে, "তুমি এটা জানোৱাৰ। ইউ আৰ এ বিষ্ট। এতিয়াই যদি উভটি নোযোৱা মই চিঞৰিম।"

কুন্তলা আহি গাড়ীত বহিছিল। ইয়াৰ পিছত ৰাস্তাত দুয়োৰে মাজত কোনো কথা হোৱা নাছিল। কুন্তলাক ঘৰত নমাই থৈ অতনু উভটি আহিছে। ইয়াৰ পিচত কুন্তলাৰ লগত কোনোদিনাখনে দেখা হোৱা নাই। কিন্তু তাৰ পিচত বহু কুন্তলাই তেওঁৰ জীৱনলৈ আহিছে। আজিও আহিছে, পিচতো হয়তো আৰু আহিব।

কিন্তু এই মহিলা জানো সেই কুন্তলা? নিজৰ মনতেই অতনুই হাঁহিলে। নহয়, তেওঁতো এনেকুৱা দেখিবলৈ নাছিল। নহয় এওঁ তেওঁ নহয়। তেনেহলে এওঁক ইমান চিনাকি চিনাকি কিয় লাগিছে?

o o o

ভলৰ বাৰ্থত দুই যাত্ৰীৰ একোতেই টোপনি অহা নাই। ভীষণ চিনাকি চিনাকি লাগিছে মানুহজনক। বয়স বোধহয়

পৰ্কাশমান হব চকুৰে মুখে আভিজাত্যৰ প্ৰতিচ্ছাপ। কিন্তু এজন অচিনাকি, নজনা পুৰুষক লৈ তেওঁৰ ইমান মূৰৰ বিষ কিয়? কিয় বা এই অহেতুক কৌতুহল। একেখন ট্ৰেনতে তেওঁলোক সহযাত্ৰী। কেইঘণ্টামানৰ যাত্ৰা। তাৰ পিচতে নিজ নিজ গন্তব্য স্থানলৈ আঁতৰি যাব আৰু নগৰীয়া জীৱনত নিজ নিজ সংসাৰ আৰু কামৰ মাজত ডুব যাব। কিন্তু বহু চেষ্টা কৰিও স্বাতীয়ে এই সহযাত্ৰীক মনৰ পৰা আঁতৰ কৰিব পৰা নাছিল। ক'ৰবাত যেন এওঁক দেখিছে। বহু পুৰুষক স্বাতীয়ে দেখিছে। তাৰ মাজত যদি এই মানুহজন থকাহেঁতেন স্বাতীয়ে নিশ্চয় চিনিব পাৰিলেহেঁতেন কি এনে পৰিবৰ্ত্তন তেওঁৰ হৈছে? সমুখৰ চুলি সামান্য পকিছে। তথাপিও স্বাতীক আগতে যি সকলে দেখিছে, তেওঁলোকৰ স্বাতীক চিনি পোৱাত আজিও কষ্ট নহয়। তেনেহলে তেওঁৰে জানো এওঁ যাৰ লগত কেইঘণ্টামানৰ কাৰণে পৰিচয় হৈছিল। স্বাতী উভটি গ'ল তেওঁৰ জীৱনৰ কুৰিটা বছৰ পিচলৈ।

o o o

এতিয়াও স্বাতীৰ মনত পৰে সেই ৰাতিৰ কথা। হোটেলৰ ডান্স ফ্লোৰ পোহৰত উদ্‌ভাসিত হৈ আছিল। নিউ ইয়াৰ ঈভৰৰ গ্ৰেণ্ড বল। বেণ্ড হঠাতে থামি গ'ল। ৰাতি বাৰ বজাৰ সঙ্কেত হ'ল আৰু মুহূৰ্ত্তৰ কাৰণে সকলো পোহৰ নুমাই গল। অন্ধকাৰৰ মাজতে স্বাতী কোনফালে যাব ধৰিব পৰা নাছিল। পিচমুহূৰ্ত্ততে কোনোবাই যেন স্বাতীক চুমা খালে। লগে লগে চাৰিওফালে চুমা খোৱাৰ শব্দ আহিল আৰু অজস্ৰ হাতচাপৰি। আকৌ লাইটবোৰ জ্বলি উঠিল।

পোহৰ হওঁতেই সমুখত দেখিলে এক সুপুৰুষ ঠিয় হৈ আছে। স্বাতী বগা পৰি উঠিল। স্বাতীক ভবাৰ কোনো অৱকাশ নিদিয়াকৈ সেই সুপুৰুষজনে স্বাতীৰ ককালত ধৰি ক'লে, "কাম, লেট্‌,

আচভান্স”। বেণ্ডত বাজি উঠিল “ব্লু ডানিউব”। ফ্লোৰৰ একাষত ডান্স কৰি কৰি সুপুৰুষজনে কলে, “মই কুণাল সেন।”

“মোৰ নাম স্বাতী।”

“ডিলাইটেড টু মিট্ ইউ। ইউ আৰ এ ভেৰী চাৰ্মিংলেডী।”

“থেঙ্ক ইউ।”

তাৰ পিচত কিমান সময় যে দুয়োজনে নাচিছিল সেয়া মনত নাই। এক দুৰ্নিবাৰ আকৰ্ষণে চুম্বকৰ দৰে তেওঁলোকক টানিছিল। ডান্স শেষ হৈছে স্বাতীৰ হাতত মৃদু চাপ দি কুণালে কৈছে, “থেঙ্কইউ ফৰ এ লাভলী টাইম। এ ভেৰী হেপী নিউ ইয়াৰ টু ইউ।”

“হেপী নিউ ইয়াৰ টু ইউ।” তাৰ পিছত ভীৰৰ মাজতে দুয়োজনে হেৰাই গৈছে।

সেই ৰাতিটো কুণালৰ স’তে কটোৱা সেই কেইটি মুহূৰ্ত্তই স্বাতীৰ পৃথিবীখনেই যেন ওলট পালট কৰি দিছে। ইয়াৰ পিচৰ প্ৰতি-দিনেই স্বাতী হোটেলৰ ডান্স ফ্লোৰলৈ গৈছে। তেওঁৰ চকুৱে যেন কাৰোবাক বিচাৰিছে। অন্যৰ লগত তেওঁ নাচিছে। কিন্তু তাতে বোধহয় তেওঁৰ শৰীৰ চাবি দিয়া পুতলাৰ দৰে নাচিছে। মন দিয়া নাই। তিনিদিন পিচত থাকিব নোৱাৰি স্বাতী গোৱান বেণ্ড কণ্ডাক্টৰক একাষে মাতি নি সুধিলে, ‘ডেট, হেণ্ডচাম লুকিং টল ম্যান।”

“ও, ইউ মীন কেপ্তেন সেন? হি ইজ এ পাইলট। লিভচ ইন লণ্ডন। কাম ওৱান্স ইন চিক্সছ মান্থচ্। কেচেচ দ্য মোষ্ট বিউটিফুল গাৰ্ল এণ্ড ডেন নেকষ্ট ডে ফুৰ—। বাৰ্ডচ অফ পেচেজ ইউ চী।” বুলি কৈ বৃদ্ধ বেণ্ড কণ্ডাক্টৰে হাঁহিবলৈ ধৰিলে।

তাৰপিচত স্বাতীৰ কুণাল সেনৰ লগত কোনোদিনাই আৰু দেখা হোৱা নাই।

কিন্তু ওপৰৰ বাৰ্থত শোৱা এই ভদ্ৰলোক জ্যানো সেই কুণাল সেন? স্বাতীয়ে ভাবিবলৈ চেষ্টা কৰে আৰু সাদৃশ্য বিচাৰে। নিজে নিজে স্বাতী হাঁহি উঠিল। নহয়, কুণাল দেখিবলৈ এনে

নাছিল। নহয় এওঁ তেওঁ নহয়। তেনেহলে কোন? ইমান চিনাকি চিনাকি কিয় লাগিছে? স্বাতীয়ে ভাবিব নোৱাৰিলে। স্বাতীৰ তন্দ্ৰা আহিল।

o o o

কিন্তু এওঁ যদি কুন্তলা নহয় তেনেহলে কোন? যদি কুন্তলা নহয় তেনেহলে ইমান চিনাকি চিনাকি কিয় লাগিছে? তলৰ বাৰ্থত শোৱা মহিলাৰ চেহেৰা অতনুৰ ওচৰত এক সপোনৰ দৰে হৈ উঠিল। যিমানেই তেওঁ পাহৰি যাব খোজে সিমানেই তেওঁৰ সেই মুখখনৰ কথা মনত পৰে আৰু লগতে তেওঁক মনত পেলাই দিয়ে এনেকুৱা আৰু এখন মুখৰ কথা। তেনেহলে এই মহিলা সেই বলাকা? কিন্তু সেয়াতো বহুদিন আগৰ কথা, প্ৰায় পঁচিশ বছৰ আগৰ কথা। কিন্তু ঘটনাটো অতনুৰ মনৰ জগতত আজিও ছবিৰ দৰে স্পষ্ট হৈ আছে।

পুৰীলৈ অতনু ফুৰিবলৈ গৈছিল। সদায় যোৱাৰ দৰে সেই-দিনাখনো সাগৰত গা ধুবলৈ গৈছিল। তেওঁৰ নিৰ্দ্দিষ্ট ঠাইডোখৰ সেইদিনাখন আগতে দখল কৰি লৈছে। কোনো এখন গাৰ্লচ কলেজৰ ছোৱালীৰ ভিৰ। কেইগৰাকীমানে গা ধুইছে আৰু বাকী-কেইজনী মানে বালিত বহি গল্প কৰিছে। হঠাৎ চিঞৰ "গল গল ডুব গল।" কোনো অহাৰ আগতেই অতনুৱে চুইমিং ট্ৰাঙ্ক পিন্ধি-য়েই উত্তাল ঢৌত জপিয়াই পৰিছিল। এগৰাকী ছোৱালীৰ হাত দুখন পানীত এবাৰ তললৈ যায় এবাৰ ওপৰলৈ উঠে এনেকৈ আছিল। তেওঁক সাবট মাৰি ধৰি পটু অতনুৰ পাৰলৈ উঠাই অনাত বিশেষ কষ্ট হোৱা নাছিল। বেচি পানী খোৱা নাছিল। যেতিয়া জ্ঞান উভটি আহিল তেতিয়া অতনুৰ কোলাত মূৰ থৈ শুই আছে। লাহে লাহে চকু মেলি অস্ফুট মাতেৰে মাতিলে "মা মা।"

"নাই একো হোৱা নাই তোমাৰ, তুমি ঠিক হৈ যাবা", অতনুই সান্ত্বনাৰ মাতেৰে কলে। ছোৱালীজনীৰ দুই চকুৰেদি পানী ওলাব ধৰিলে আৰু মুখত দেখা গল এক করুণ কৃতজ্ঞতাৰ চিহ্ন। তেওঁৰ

মুখখন অতনুৰ মুখৰ ওচৰত। পানীত তিতা শৰীৰ মাজেৰে তেওঁৰ যৌৱন যেন কাটি ওলাই আহিব খুজিছে। অতনুৱে এবাৰ তেওঁৰ মুখ আৰু এবাৰ তেওঁৰ শৰীৰৰ ফালে চাই হাতৰ আঙুলিৰে চকু-পানী মছি দি সুধিলে, "কি নাম তোমাৰ ?"

"বলাকা।"

"বাঃ বৰ সুন্দৰ নাম ?"

তাৰ পিচত কলেজৰ প্ৰিন্সিপাল ছৰমূৰকৈ আহি ছোৱালী-বিলাকক কেম্পলৈ ওভোটাই লৈ গ'ল। অৱশ্যে কিছুদিন পিচত প্ৰিন্সিপালে অতনুক ধন্যবাদ দি এখন চিঠি লিখিছিল।

সেই প্ৰথম আৰু শেষ দেখা অতনুৰ বলাকাৰ লগত। কিন্তু এই মহিলাক দেখি হঠাতে অতনুৰ বলাকাৰ কথা কিয় মনত পৰিল ? এই মহিলাই জানো সেই বলাকা ? নাই সেয়া হব নোৱাৰে। বলাকাৰ বয়স ইমান হ'ব নোৱাৰে। তলৰ বাৰ্থত শোৱা মহিলা বলাকা নহয়। তেনেহলে তেওঁ কোন ? কিয়বা তেওঁৰ মুখে বাৰে বাৰে তেওঁক আন এজনৰ কথা মনত পেলাই দিছে।

o o o

ট্ৰেনৰ জোকাৰণিত স্বাতীৰ তন্দ্ৰা হঠাৎ ভাগি গ'ল। এই মানুহজন যদি কুনাল নহয় তেনেহলে তেওঁ কোন ? কিয় তেওঁৰ মুখখনে বাৰে বাৰে অন্য এক অতি পৰিচিত মুখৰ কথা মনত পেলাই দিছে ? তেনেহলে ওপৰৰ বাৰ্থত যি মানুহজন শুই আছে তেওঁ জানো সেইজন ডাক্তৰ যিজনক জ্ঞান হোৱাৰ পিচত স্বাতীয়ে প্ৰথম দেখিছিল ? সেয়াতো প্ৰায় পোন্ধৰ যোল্ল বছৰ আগৰ কথা। সকলো কথা স্পষ্টভাৱে মনত আছে। বৰদিনৰ বন্ধত ককায়েক-বৌয়েকৰ লগত আউটিঙত ওলাইছিল। জি. টি ৰোডৰ ওপৰতেই এক্সিডেণ্ট হয়। এখন গৰুগাড়ী বচাবলৈ গৈ যিখন গাড়ীত স্বাতী আছিল, সেইখন গৈ এটা কালভাৰ্টৰ লগত খুন্দা খায়। গাড়ীৰ পৰা স্বাতী উফৰি পৰিছিল। তাৰ পিচত একো মনত নাই। যেতিয়া জ্ঞান

হ'ল তেতিয়া স্বাতী হস্পিতালৰ বিচনাত শুই আছে। মূৰত বেণ্ডেজ; বিচনাৰ কাষত ঠিয় হৈ আছে এক সুপুৰুষ ডাক্তৰ। মৃদু হাঁহি মাৰি কলে, "কেনে আছে ?"

চকুৰ ইঙ্গিতত স্বাতীয়ে কলে, "ভালেই"।

"খুব বেচি লগা নাই। দুই এদিনৰ ভিতৰত ভাল হৈ উঠিব।"

তিনিদিন পিচতেই স্বাতীক ডিচচাৰ্জ কৰা হৈছিল। সেই দিনাখন দেখা ডাক্তৰক পুনৰ দেখা নাই। কিন্তু ওপৰৰ বাৰ্থত শুই থকা মানুহজনক দেখি কিয় জানো তেওঁৰ কেই মুহূৰ্ত্তমানৰ কাৰণে দেখা ডাক্তৰক মনত পৰিল ? তেওঁতো তেওঁৰ নামো নাজানে। এই মানুহজনৰ নাম তেওঁ জানে। চুটকেচৰ ওপৰত লেখা আছে 'অতনু বাগচী'। নহয় এখেত কেতিয়াও ডাক্তৰ হব নোৱাৰে। ক'তেবা সেই চেহেৰাৰ সাদৃশ্য। আৰু ডাক্তৰ হলেইতো নামৰ আগত 'ডাঃ' লেখা থাকিলহেঁতেন। স্বাতীয়ে চিন্তা কৰি কৰি শুই থাকিল।

০ ০ ০

ওপৰৰ বাৰ্থত শুই অতনুই কেৱল উচপিচাই আছে। অতনু ইনচোমনিয়া বেমাৰী নহয় কিন্তু কিয় যে তেওঁৰ টোপনি অহা নাই সেই কথা বুজিব পৰা নাই। তলৰ বাৰ্থত শুই থকা মহিলা গৰাকীয়ে জানো ইয়াৰ বাবে দোষী ? কিয় যে তেওঁৰ মুখখনে বাৰে বাৰে তেওঁৰ জীৱনলৈ অহা কেইগৰাকীমান ছোৱালীৰ কোনোবা এগৰাকীৰ কথা মনত পেলাই দিছে। কেইগৰাকীমানৰ কথা তেওঁ ভাবিলে কিন্তু একোতেই তেওঁৰ অঙ্ক নিমিলিল। কুন্তলা, বলাকা আৰু কেইগৰাকীমান ছোৱালীৰ মুখ এই মহিলাৰ মুখৰ লগত মিলাব চেষ্টা কৰিছে কিন্তু অতনুই মিলাব পৰা নাই। নিজৰে হাঁহি উঠিল অতনুৰ। তেওঁৰ নিজৰ জীৱনৰ হিচাবেই য'ত নিমিলে, বাকী-বোৰৰ হিচাব মিলাবতো কথা নহয়। এবাৰ শেষ চেষ্টা কৰি চাব

নেকি ? এয়া তেওঁ কি ভাবিছে। এগৰাকী সম্ভ্ৰান্ত মহিলা সম্বন্ধে তেওঁৰ এনে ধাৰণা কল্পনা কৰি লোৱা উচিত নহয়। কিন্তু বহু চেষ্টা কৰিও অতনুই একোতেই সেই ছোৱালীজনীৰ মুখ আৰু সেই ঘটনাটো মনৰ পৰা আঁতৰাব নোৱাৰিলে। কিন্তু সেই ছোৱালীজনী আৰু তলৰ বাৰ্থত শোৱা মহিলা গৰাকীৰ জানো কিবা সাদৃশ্য আছে ? কোনে জানে ! সেয়াতো প্ৰায় বিশ বাইশ বছৰ আগৰ কথা। কিন্তু স্পষ্ট মনত আছে অতনুৰ। কাৰণ তেওঁৰ জীৱনত সেই এটা ৰাতি, যি ৰাতি আজিও তেওঁৰ মনত অভিশপ্ত বেদনাময় আৰু ট্ৰেজিক ৰাতি বুলি ভাবে। সেই ৰাতিৰ কথা মনত পৰিলেই আজিও মাজে মাজে নিজকে আৰু নাৰী মাংসৰ লোলুপতাক ঘৃণা কৰিবলৈ ইচ্ছা হয়। তেওঁৰ জীৱনৰ প্ৰথম আৰু শেষ ৰাতি যেতিয়া তেওঁ নিজৰ ওচৰতেই নিজেই হেৰাই গৈছিল। নিজৰ ওপৰত নিজৰে লাজ লাগিছিল আৰু নিজকে ধিক্কাৰ দিছিল। সেয়া প্ৰথম আৰু শেষ ৰাতি যেতিয়া তেওঁ নাৰীক মাতৃৰ ৰূপত দেখিছিল। সেয়া প্ৰথম আৰু শেষ ৰাতি যেতিয়া অতনু এজনী ছোৱালীৰ ওচৰত হাৰ মানি মূৰ তল কৰি গুচি আহিছিল।

o o o

যেনেকৈ কৈ থোৱা কথা আছিল ঠিক তেনেকৈ অতনুৱে ছোৱালী জনীক নিৰ্দ্দিষ্ট ঠাইৰ পৰা টেক্সীত তুলি লৈছিল। অতনুৱে জানিছিল কোন ঠাইত ছোৱালীজনীয়ে গাঢ় নীলা শাৰী এখন পিন্ধি দোকান এখনৰ সন্মুখত ঠিয় হৈ থাকিব। ছোৱালীজনীয়েও জানিছিল ঠিক সময়ত ব্ৰাউন ৰঙৰ চুট পিন্ধি এজন ভদ্ৰলোক টেক্সীত সেই দোকানৰ সন্মুখলৈ আহিব। হাতত থাকিব ষ্টেট এক্সপ্ৰেছ ফাইভ ফাইভ ফাইভ চিগাৰেটৰ পেকেট। অতনুই কোনো কথা কব লগা হোৱা নাছিল। দুৱাৰখন খুলি দিওঁতেই ছোৱালীজনী গাড়ীৰ ভিতৰলৈ সোমাই আহিল। অতনুই তেওঁক ভালকৈ চোৱাৰ সুযোগ নাঁপালে।

"গাড়ীখন বাওঁফালে ঘূৰাবলৈ কওঁক", নিৰ্বিকাৰভাৱে ছোৱালী

জনীয়ে কৈছিল ।

"কলৈ যাম আমি", অতনুৱে ছোৱালীজনীৰ হাতত সামান্য স্পৰ্শ কৰি কথাষাৰ কৈছিল,

"মোৰ ফ্লেটলৈ ।"

"কিয়, মোৰ হোটেললৈ বলক ।"

"নাই নহব। মই আন কলৈকো নাযাওঁ। মোৰ লগত ৰাতিটো কটাব লাগিলে মোৰ তালৈকে যাব লাগিব। যদি আপুনি সন্মত নহয় তেনেহলে মই নামি যাম।" বেচ কঠিন মাতেৰে ছোৱালী-জনীয়ে কলে ।

"কলৈ যায় নে নেযায়, তাত আপোনাৰ কি। আপুনি আপোনাৰ প্ৰাপ্য টকা পাব।" অতনুই তৰ্ক কৰাৰ চেষ্টা কৰিছিল।

"আপুনি যদি মোৰ চৰ্ত্ত মানিবলৈ সন্মত নহয় তেনেহলে মোক এৰি দিয়ক। মই গুচি যাম।" হঠাতে ছোৱালীজনীয়ে কান্দি পেলালে ।

"কান্দিবৰ কি আছে, মই আপোনাৰ লগত কেইঘণ্টামান থাকিম। তাৰ কাৰণে টকা দিম। মইতো জোৰকৈ আপোনাক ধৰি অনা নাই। আপুনি নিজৰ ইচ্ছাতেই আহিছে।" বিৰক্তি-ভাবে অতনুই কথা কেইটা কলে ।

"নিজৰ ইচ্ছাত ?" ছোৱালীজনীয়ে কথাষাৰ কৈ অলপ হাঁহিলে। "মোৰ ইচ্ছাৰ কথা এৰি দিয়ক। পেটৰ ইচ্ছাতে এয়া কৰিব লগা হৈছে, নহলে মোৰ দৰ্কাৰ নাছিল। মই বেশ্যা নাইবা কলগাৰ্ল নহয় ।"

"সকলোৱে একে কথাকে কয়", অতনুই চিঞৰি কলে ।

"নিচিঞৰিব। মই সকলো নহয়। ড্ৰাইভাৰ, গাড়ী ঘুমাও", ছোৱালীজনীয়ে লাহেকৈ কলে ।

"নহয় নহয়, মই সেই বুলি কোৱা নাই," অতনুৰ পেটৰ হুইস্কী আৰু নাৰী মাংসৰ ক্ষুধাই তেতিয়া কথা কৈছে। "ড্ৰাইভাৰ, গাড়ী চালাও আগে ।"

চৰ্দ্দাৰজী ড্ৰাইভাৰ হতভম্ব হৈ কলে, "বাদচাহো চাহু কি কৰক্ পয়ন্দা। সজ্জে কি খবেৰ তুচী দচো।"

অতনুই হাঁ'হি কলে, "চৰ্দ্দাৰজী খবেৰ (বাওঁকালে)।"

কিছুদূৰ যোৱাৰ পিচত ছোৱালীজনীয়ে কলে, "এইবাৰ গাড়ী ৰবলৈ কওঁক আৰু টেক্সী এৰি দিয়ক।"

"কিন্তু মই উভটি যাম কেনেকৈ ?" অতনুই সুধিলে।

"ইয়াৰ পৰা মোৰ ফ্লেটলৈ খোজকাঢ়ি যাব লাগিব। উভটি যোৱাৰ কাৰণে টেক্সী মই অনাই দিম, কিন্তু কোনোদিন কোনো টেক্সী ড্ৰাইভাৰ নাইবা কোনো ক্লায়েণ্টে দিনৰ ভাগত মোৰ ফ্লেট বিচাৰি নাপাব।"

"কিন্তু কিয় ?" অতনুই কলে।

"কাৰণ আগতেই মই আপোনাক কৈছোঁ, মই বেশ্যা নাইবা কলগাৰ্ল নহয়। মই মাত্ৰ পেটৰ কাৰণেই এয়া কৰিছোঁ।

"সকলোৱে আগতে এই কথা কয়।"

"মই জানো নামি যাম ? আপোনাক আগতেই কৈছো মই সকলো নহয়।"

এটা দহমহলা ঘৰৰ সমুখত টেক্সীখন ৰ'ল। ছোৱালীজনীয়ে নিজেই টকা দি টেক্সীখন এৰি দিলে।

"আহক" বুলি অতনুৰ হাতত ধৰি গলিৰ পিচত গলি ঘূৰি ঘূৰি এটা বিৰাট ঘৰৰ সমুখত ৰ'লহি।

"এয়া মোৰ ঘৰ।" ছোৱালীজনীয়ে কলে।

"গোটেই ঘৰতো ?" অতনুই কলে।

"মোৰ দৰিদ্ৰতাক উপহাস নকৰিব। আহক ওপৰলৈ।" বুলি কৈ ওপৰলৈ উঠিবলৈ ধৰিলে। অতনু পিছে পিছে উঠিবলৈ ধৰিলে। ছোৱালীজনী চিৰিৰে উঠিছে আৰু পিছে পিছে গৈ থকা অতনু উত্তেজিত হৈ পৰিছে। এটা ফ্লেটৰ সমুখত বৈ ছোৱালীজনীয়ে কলিংবেল টিপিলে। সোলা দাঁত উলিয়াই নেপালী চাকৰনী এগৰাকীয়ে দুৱাৰ খুলি দিলে। সুন্দৰ ড্ৰয়িংৰুম।

"আপুনি ভিতৰলৈ আহক। মই দহমিনিটমানৰ ভিতৰতে আহিছোঁ।

"মই দহমিনিটমান অপেক্ষা কৰিব লাগিব।"

"প্লীজ, মই এতিয়াই আহিছোঁ।"

অতনু ড্ৰইংৰুমত বহিল। পাঁচতলাৰ ফ্লেট। ড্ৰইংৰুমৰ সংলগ্নত বেলকনী। অতনু বেলকনীলৈ গৈ ঠিয় হল। বেলকনীৰ পৰাই দেখা যায় ড্ৰইংৰুমৰ লগত সংলগ্ন বেডৰুমটো। অতনু বেলকনীৰ পৰা উভটিব খোজোতেই শোৱা কোঠাত চকু পৰিল। খিৰিকীৰ ফালে পিঠি দি আয়নাৰ সমুখত বহি মূৰ আচুৰিছে। আয়নাত ছোৱালী-জনীৰ মুখখন স্পষ্টকৈ দেখা পালে। এখন বিষাদে ঘেৰা দুখ আৰু কাৰুণ্যৰ এক বেদনাময় ছবি। অতনু ড্ৰইংৰুমলৈ উভটিব খুজি পুনৰ থমকি ৰ'ল। কৰপৰা যেন এটা শিশুই কান্দি উঠিল। পিচমুহূৰ্ত্ততে নেপালী চাকৰনীজনীয়ে এবছৰমান বয়সৰ শিশু এটা কোলাত লৈ কোঠালৈ সোমাই আহিল। ভীত হৰিণীৰ দৰে ছোৱালীজনীয়ে ইফালে সিফালে চাই দৌৰি গৈ শিশুটিক নিজৰ কোলাত লৈ কান্দোন বন্ধ কৰিবৰ কাৰণে সোঁহাতখনেৰে মুখত চেপি ধৰিলে। কান্দোন বৈ গ'ল। আকৌ ইফালে সিফালে চাই, ছোৱালীজনী বিচনাত বহি নিজৰ স্তন উলিয়াই শিশুটোক গাখীৰ খুৱাব ধৰিলে। অতনুৰ চকুত পৰিল কণমান. আঙুলিকেইটাৰে শিশুটোৱে স্তনত খামুচি ধৰিলে আৰু ছোৱালীজনীৰ মুখত পৰিতৃপ্তিৰ আভা।

অতনু ড্ৰইংৰুমলৈ উভটি আহি পাৰ্চৰ পৰা টকা পাঁচশ উলিয়াই টেবুলৰ ওপৰত থৈ মূৰ তল কৰি লাহে লাহে ফ্লেটৰ পৰা ওলাই ৰাষ্টা পালেহি। ঘৰটোৰ ফালে এবাৰলৈও উভটি নেচালে।

০ ০ ০

কিন্তু তলীৰ বাৰ্থত শুই থকা এই মহিলাৰ লগত সেই ছোৱালী-জনীৰ কি সম্পৰ্ক? কিয় যে এই মহিলাক দেখি অতনুৰ সেই

ছোৱালীজনীৰ কথা মনত পৰিল নিজেই বুজিব নোৱাৰিলে। কোনো সাদৃশ্যই চেহেৰাত নাই। সেই ছোৱালীজনী ক'ত বা হেৰাই গল। আৰু তেওঁৰ সেই শিশুটো? সি বা ক'ত? কোনে জানে? অতনুৰ কেনেকুৱা যেন গোলমাল হৈ গৈছিল। নানা চিন্তা মূৰত আহি সোমাইছিলহি। "বি" কম্পাৰ্টমেণ্টৰ পৰা তেতিয়া চিঞৰ-বাখৰৰ শব্দ ভাহি আহিছে।

স্লাইডিং দুৱাৰ খুলি অতনু কোঠাৰ পৰা কৰিডৰলৈ ওলাই আহিল

॥ দুই ॥

"বি" কম্পার্টমেণ্টত ভাস্কৰ অতীষ্ঠ হৈ উঠিছিল। এই গোলমাল, চিঞৰ-বাখৰ এনে ধৰণৰ লেহেৰা ইতৰ কথা আৰু সস্তীয়া ৰসিকতাত কোনোদিনাখনে তেওঁ অভ্যস্ত নাছিল। কিন্তু উপায় নাছিল। তেওঁৰ ভাগ্যত এই "বি" কম্পার্টমেণ্টেই লেখা আছিল। আন সময়ত হোৱাহেঁতেন এই ট্ৰেনৰ "বি" কম্পর্টেমেণ্টত নগলহেঁতেন। কিন্তু দুদিন পিচত যে বোম্বেত তেওঁ 'ওৱানমেন শ্ব' কৰিব লাগিব আৰু তাৰ পিচদিনাখনেই দিল্লীলৈ যাব লাগিব। এই ট্ৰেইনৰ এই কম্পার্টমেণ্টৰ বাহিৰে তেওঁৰ যোৱা আন কোনো উপায় নাছিল।

ভাস্কৰে মাদ্ৰাজ একজিহিবিশ্যন সাফল্যৰ কথা ভাবিছিল। আর্ট একজিহিবিশ্যনলৈ তেওঁ মুঠতে ছয়টা মূৰ্ত্তি পঠিয়াইছিল। এটা আছিল 'নট ফৰ ছেল'। বাকী পাঁচোটাই অকল প্ৰশংসাই পোৱা নহয় বিক্ৰীও হৈ গৈছিল। এজন শিল্পী, এজন ভাস্কৰে ইয়াতকৈ কি বেছি আৰু আশা কৰিব পাৰে? কিন্তু ভাস্কৰ অতি সোনকালে কলিকতালৈ উভটি যাব খোজে। তেওঁৰ জীৱনৰ শ্ৰেষ্ঠ কীৰ্ত্তি তেওঁ অসম্পূৰ্ণ কৰি ৰখা আছে। সেয়া তেওঁ শেষ কৰিবই লাগিব। দিনৰ পিচত দিন ধৰি তেওঁ ষ্টুডিঅ'ত কাম কৰিছে, তথাপিও সেই ষ্টেচু শেষ কৰিব পৰা নাই। এইবাৰ তেওঁ শেষ কৰিব সেই ষ্টেচু আৰু

সেয়াই হব তেওঁৰ শিল্পী জীৱনৰ শ্ৰেষ্ঠ কীৰ্ত্তি। বহু ভাবি তেওঁ ঠিক কৰিছিল শেষ হলে ষ্টৈচুৰ নাম দিব "দি ৰমেন"।

ভাস্কৰে যেতিয়া এইবোৰ ভাবি আছিল, এনে সময়তে ডাইনিং-কাৰৰ বেয়াৰা আহি সুধিছিল, "চাহাব আপলোগোকা খানা।" ভাস্কৰে অৰ্ডাৰ দিব খোজোঁতেই সন্মুখৰ বাৰ্থত থকা চৰ্দাৰ বৌনক সিঙে ক'লে, "কোই নই। তু ভাগ যা মুণ্ডা। চাডে ফুল খানা চানা হ্যায়।"

"হামাৰা অৰ্ডাৰ," বুলি ভাস্কৰে কব খুজিছিল। কিন্তু তাৰ আগতেই বৌনক সিং উঠি ভাস্কৰৰ হাতত ধৰি কলে, "আৰে বাবু, মেৰে পাচ বহুত খানা হ্যায়। চাৰ তন্দুৰী মুৰ্গী, পৰটা, কবাব আউৰ দো বোতল স্কচ্ হুইস্কী। চব খানা খায়েঙ্গে।"

নিজে হিন্দী, বঙালী, ইংৰাজী মিহলি কৰি ভাস্কৰে প্ৰতিবাদ কৰি উঠিল। "চৰ্দাৰজী আপ কেন ইতনা কষ্ট কৰতা। হাম লোগ চব খানা বোলায়গা।" বুলি কৈ ভাস্কৰে আন দুজন সহযাত্ৰীৰ ফালে সমৰ্থনৰ আশাত চালে।

সন্মুখৰ বাৰ্থত বহি থকা "ই এচ ৰাওৱে কলে," প্লীজ ডোণ্ট ওৰী মিঃ সিং, উই উইল কল ফৰ আৱাৰ ডিনাৰ।"

মিঃ ৰাওৰ কাষত আছিল অঘোৰনাথ সেনশৰ্মা। বয়স ষাঠিৰ ওপৰত। তপা মূৰ। তেওঁ ভাস্কৰৰ ফালে চালে। তেওঁ কলে, "আপুনি অলপ বেছি কৰিছে। ভদ্ৰলোকে যেতিয়া সকলোৰে খোৱাৰ বন্দোবস্ত কৰিছে, তেতিয়া বেলেগে খোৱাৰ অৰ্ডাৰ দিয়াৰ কি দৰকাৰ?"

"মই ভদ্ৰলোকক চিনি জানি নাপাওঁ। তেওঁৰ আতিথ্য কিয় মই স্বীকাৰ কৰিম? আৰু এখেতেও আমাক চিনি নাপায়, সেই কাৰণে আমাৰ খোৱাৰ বন্দোবস্ত কৰাৰ কথা নুঠে।"

"ঠিক আছে। তেখেতে যেতিয়া কৈছে," অঘোৰবাবুই দাড়ি চলিয়াই কলে।"

"ঠিক আছে। তেখেতে যেতিয়া কৈছে মই বাৰু অৰ্ডাৰ

নিদিলো, কিন্তু সেই বুলি কাৰো লগত গাত পৰি কথা কোৱা মোৰ অভ্যাস নাই।”

“আপোনালোকৰ নিচিনা মানুহৰ কাৰণেইতো বঙালী জাতিৰ এই অবনতি। একোৱেই কৰিব নোৱাৰিলে। সকলো সময়তে অহঙ্কাৰ।” অঘোৰ বাবুৰ খং উঠিল।

শান্ত স্বভাৱৰ ভাস্কৰৰো খং উঠিল। বেচ ডাঙৰ মাতেৰে কলে, “কিন্তু আপোনালোকৰ নিচিনা মানুহ থাকোতেও বা কি হল? আপোনালোক থাকোতেও জাতিটোৱে কিয় জীৱন যুদ্ধত সাফল্য লাভ কৰিব নোৱাৰিলে?”

“আনৰ কথা নাজানো। মই সাফল্য লাভ কৰিছো, আৰু যিসকলে আমাৰ নিচিনা মানুহৰ অনুসৰণ কৰিব তেওঁলোকেও সাফল্য লাভ কৰিব।” অঘোৰবাবুৰ মাত সপ্তমত।

“কেনেকৈ? অইন মানুহৰ টকাৰে ডিনাৰ খায়?” ভাস্কৰে তাচ্ছিল্যৰ সুৰত কলে।

অঘোৰবাবু জ্বলি পকি উঠিল, “আপুনি বৰ বৰ কথা কৈছে! জানে, আপোনাৰ দৰে দহজন মানুহক মই কিনিব পাৰো।”

“ব্লেকৰ টকা আছে বোধহয়?”

এইবাৰ অঘোৰবাবুৰ ধৈৰ্য্যৰ সীমা চেৰাই গল। তেওঁ পাঞ্জাবীৰ হাত কোচাই ভাস্কৰৰ ফালে খেদি গল। ভাস্কৰে মিচিকিয়াই হাঁহি আছে।

চৰ্দাৰ বৌনকসিং আৰু মিঃ ৰাও সচেষ্ট হৈ কৈ উঠিল, “আৰে বাঙ্গালীবাবু, তুম লোগ লড়তা ক্যাউ হ্যায়।” দুয়োকে আঁতৰাই চৌটত বহুৱাই বৌনকসিঙে স্কচৰ বটল খুলিলে।

অঘোৰবাবুই বত্রিশ দাঁত উলিয়াই হাঁহি হাঁহি কলে, “আৰে হাম নহী লড়তা। ইয়ে ছোকৰা ফালতু বাত বোলতা।” গিলাচত ঢেলিয়া প্ৰথম মুখ দিছে অঘোৰবাবুই।

বৌনকসিঙে ভাস্কৰৰ ফালে গিলাচ এটা আগবঢ়াই দিলে। ভাস্কৰে সেয়া প্ৰত্যাখান কৰি চিগাৰেট এটা জ্বলাই ললে।

"আৰে তুম পিতা নহী।" বৌনকসিঙে সুধিলে।

"পিতা হ্যায়, আজ নহী পিয়েগা।" ভাস্কৰে বেচ কক্ষ ভাবেৰেই উত্তৰ দিলে।

"হামকো মালুম হ্যায় তুচী কুওঁ নহী পিতা আজ।"

"কিউ?"

"তুমকো ঘৰ কা ইয়াদ আতা হ্যায়।"

"নহী।"

"আৰে নহী ক্যায়া বোলতা। হামকো মালুম হ্যায়, বাঙ্গালী বাবুকো ক্যায়া মাংতা হ্যায়।"

"ক্যায়া মাংতা হ্যায় চৰ্দ্দাৰজী?" ভাস্কৰে সুধিলে। অদ্ভুত উচ্চাৰণ কৰি বৌনকসিঙে এটি কবিতা গাই শুনালে যিটো শুনি সকলোৱে হোঁ হোঁৱাই হাঁহিলে।

মিঃ ৰাওৰ প্ৰায় নিচা লাগিছিল। তেওঁ কলে, "চৰ্দ্দাৰজী, ইউ ফৰগেট ওৱান মোৰ থিং। ওৱান বেঙ্গলী এ পোৱেট, টু-বেঙ্গলীজ এ ড্ৰামা ক্লাব এণ্ড থ্ৰী বেঙ্গলীজ এ পলিটিকেল পাৰ্টি।" নিজৰ ৰসিকতাত নিজেই হাঁহিলে আৰু মিঃ ৰাওৱে হাউ হাউ কৈ কান্দিবলৈ ধৰিলে।

"আয় তুচী বোন্দা কুঁয়ু বাদচাহো," বৌনকসিঙে ৰাওৰ লুঙীত টানি দিলে।

"হোৱাট এবাউট ফাই ফুড। আই এম চেণ্ট পাৰচেণ্ট ভেজি-টেৰিয়ান?" কান্দিব ধৰিলে মিঃ ৰাওৱে।

"আৰ তুচী ফিকৰ না কৰ বাদচাহো। চাডে কুল ব্ৰেড বাটৰ হ্যায়।" বৌনকসিঙে কলে।

"ইউ আৰ এ ওৱান্দাৰফুল চ্যাপ" মিঃ ৰাও চীটৰ ওপৰত বহি পৰিল।

বৌনকসিঙে হাতত গিলাচ লৈ ভাঙ্গৰা নাচিবলৈ আৰম্ভ কৰিলে। ভাস্কৰৰ অসহ্য লাগিছিল, কিন্তু উপায় নাই। 'মানুহজন লাউড্, কিন্তু মনতো বেচ পৰিস্কাৰ। বৌনকসিঙে গাই গৈ আছে—

"সচ্চে জ্ঞানী ধ্যানি ধৰ্ম কৰম দে বন্দে
ৰামনাম ঞ্যায় জপতে ৰহন্দে খান্দে গোঁচলাদে চন্দে
ক্যায়া ম্যায় ঝুট বোলিয়া
কোইনা ও কোইনা।"

মিঃ ৰাও আৰু অঘোৰবাবুৰ লুঙী আৰু ধুতী তেতিয়া প্ৰায় খুলি যোৱা অৱস্থা। অঘোৰবাবুৰ হাতত এখন মুৰ্গীৰ ঠেং আৰু ৰাওৰ হাতে-মুখে ব্ৰেড আৰু বাটাৰ। নীৰৱ, অসহায়, সাক্ষীৰ দৰে ভাস্কৰে সকলো চাই আছিল। এসময়ত মিঃ ৰাওৰ লুঙী খুলি মাটিত পৰি গ'ল আৰু তেওঁ আণ্ডাৰওৱাৰ পিন্ধিৰেই ৰৌনকসিঙক সাবট মাৰি ধৰি কলে, "চৰ্দ্দাৰজী, ইউ আৰ এ ওৱাণ্ডাৰফুল মেন। ইউ মাষ্ট বী এ ভেৰী হ্যাপি পাৰচন।"

হঠাতে ইংৰাজীত ৰৌনকসিঙে কলে, "ইয়েচ আই এম এ ভেৰী হেপী পাৰচন। নো ওৱান ইজ মোৰ হেপী থ্যান মী।" বুলি কৈ ৰৌনকসিং তেওঁৰ নাচ বন্ধ কৰি ধপকৈ নিজৰ ব্যুৰ্থত বহি পৰিল।

মুহুৰ্ত্তৰ কাৰণে ভাস্কৰ আৰু ৰৌনকসিঙৰ দৃষ্টি বিনিময় হল। তাৰপিচতেই ৰৌনকসিঙে মুখ ওভোতাই ললে। কিন্তু ভাস্কৰৰ চকুক ফাকি দিব নোৱাৰিলে। ৰৌনকসিঙৰ চকুৰ কোনত পানী। ভাস্কৰে এক দৃষ্টিৰে তেওঁৰ ফালে চাই আছে।

হঠাতে ভাস্কৰৰ হাতত ধৰি ৰৌনকসিঙে কলে, "ইউ ডোণ্ট বিলিভ মী বাঙ্গালী বাবু। আই এম এ ভেৰী হেপী পাৰচন।"

"আই বিলিভ ইউ।"

"নো ইউ ডোণ্ট। বাট আই টেল ইউ আই এম হ্যাপী।
আই হ্যাভ লটচ অব মানী।"

"ইফ মানী মেকচ ইউ হ্যাপী দেন ইউ আৰ হ্যাপী।" বুলি কৈ ভাস্কৰ ঘূৰি বহিল।

"ইফ ইট্ ডাজনট দেন হোৱাট ডাজ ?" ৰৌনক সিঙে ভাস্কৰৰ ফালে চালে।

ভাস্কৰে অইন ফালে মুখ কৰি আছে। মাত্ৰ কলে, "আই ভোণ্ট নো।"

ৰৌনক সিঙে খিৰিকীৰ বাহিৰলৈ চাই কলে, "আই অলচো ভোণ্ট নো।" ৰৌনক সিঙৰ চকুপানী ওলাই গালেৰে বৈ আহিল। ভাস্কৰ, মিঃ ৰাও, অঘোৰ নাথ সেন শৰ্মা সেয়া কোনোৱে দেখা নাপালে।

০ ০ ০

ট্ৰেনৰ গতি বাঢ়ি গৈ আছে। এটাৰ পিচত এটা ষ্টেচন পাৰ হৈ গৈ আছে। ৰৌনক সিঙে বাহিৰলৈ চাই আছে। সন্ধ্যাৰ পিচৰ ট্ৰেন যাত্ৰাক তেওঁ খুব ভয় কৰে। যিমানদূৰ সম্ভৱ ৰাতিৰ ট্ৰেনত তেওঁ নাযায়। যেতিয়াই যাব লগা হয়, এক অজানা আতঙ্কত তেওঁ বিচলিত হৈ পৰে। যেনেকৈ আজি তেওঁ বিচলিত হৈছে। কোনো উপায় নাছিল। কালিলৈ তেওঁ বোম্বে পাবই লাগিব। প্লেনত কোনো ঠাই নাছিল। বাকী আন ট্ৰেনবো সেই অৱস্থা। নিৰুপায় হৈ তেওঁ এই ট্ৰেন আপ ধৰিব লগা হৈছে। আজি বহুদিন পিচত তেওঁ ৰাতিৰ ট্ৰেনত উঠিছে। সেই কাৰণে তেওঁ আজি ভয় খাইছে। ৰৌনক সিঙে ভাবিবৰ চেষ্টা কৰে। কিমান দিন আগতে তেওঁ ৰাতি ট্ৰেনত যাত্ৰা কৰিছিল। বোধহয় আজিৰ পৰা ২৭ বছৰ আগতে। দেশ দুভাগ হৈছে। পঞ্জাবত তেতিয়া জুই জ্বলিছে, তাৰ লেলিহান শিখাই গোটেই দেশকে গ্ৰাস কৰিছে। মানুহ জানোৱাৰত পৰিণত হৈছে। সেই ১৯৪৭ চনৰ আগষ্ট মাহত ৰৌনক সিঙে বিয়া কৰাই লাহোৰৰ পৰা অমৃতসৰলৈ উভতিছে। কিমান খিনিয়ে বা বয়স তেওঁৰ—বাইশ নে তেইশ। আৰু পৰমজীত কৌৰ তেওঁৰ সদ্য বিবাহিত সুন্দৰী স্ত্ৰী? খুব বেচি বয়স সোতৰ নহলে ওঠৰ। তেওঁৰ মুখখনো ভালকৈ ৰৌনক সিঙে দেখা নাই। ট্ৰেন যেতিয়া লাহোৰ ষ্টেচন এৰে ৰৌনক সিঙে ভাবিছিল কিমান সময়ৰে

ৰা কথা ? কালিলৈ ৰাতিপুৱাই অমৃতসৰ পাবগৈ। এবাৰ "আকাল তথত্" — অমৃতসৰৰ স্বৰ্ণ মন্দিৰলৈ যাব লাগিব। তাৰ পৰা "কড়া প্ৰসাদ" লৈ ঘৰলৈ আহিব। সেইদিনাখন ৰাতি দেউতাকে বিৰাট ভোজৰ আয়োজন কৰিছে। সেই ভোজ শেষ হোৱাৰ পিচতেই তেওঁতো.তেওঁৰ পৰমা সুন্দৰী স্ত্ৰী পৰমজীত কৌৰক নিবিড়ভাৱে পাব।

ট্ৰেনত সকলোৱে টোপনি গৈছে—তেওঁৰ আত্মীয়সকল। কিন্তু ৰৌনক সিং সাৰ পাই আছে। তেওঁ বহু ৰঙীন সপোন দেখিবলৈ ধৰিলে। বহু সুখ্যাতি তেওঁৰ স্ত্ৰীৰ সৌন্দৰ্য্যৰ সম্পৰ্কে শুনিছে। তেওঁ পুনৰ ৰ'ব নোৱাৰা হৈছিল।

ৰৌনক সিঙৰ তন্দ্ৰা আহিছিল। এক জোকাৰণিত তেওঁৰ পাতল টোপনি ভাঙি গ'ল। টোপনি ভাঙওতেই তেওঁৰ চকু পৰিল পৰমজীতৰ মেহেদী লগোৱা হাতৰ ফালে। ফুলৰ পাপৰিৰ দৰে লাগিছিল পৰমজীতৰ আঙুলিবিলাক। কিন্তু পিচ মুহূৰ্ত্ততে কি যেন হৈ গ'ল। হঠাতে ৰৌনক সিঙৰ খিৰিকীৰ বাহিৰলৈ চকু গল। এয়া কি ? দুয়োফালে পোহৰ আৰু পোহৰ। তেনেহলে অমৃতসৰ পালেনেকি ? উঁহু পোৱা নাই। গাড়ীতো মাজ পথতে ৰৈ গৈছে। ৰৌনক সিঙৰ ভাব হ'ল—যেন হাজাৰ হাজাৰ জ্বলন্ত মচাল গাড়ীখনৰ ফালে দৌৰি আহিছে। চাৰিওফালে চিঞৰ-বাখৰ। ওচৰৰ কম্পাৰ্টমেণ্টৰ পৰা শুনা গ'ল আৰ্তনাদ আৰু বুকুফটা কান্দোন। ক'ৰপৰা যেন ভাহি আহিল "আল্লাহ হো আকবৰ, নাৰায়ে তক্দীৰ।" ৰৌনক সিঙে হাতৰ ঘড়ীলৈ চালে। ৰাতি বোধহয় দুটা। তাৰ পিচত নিমিষতে ঘটি গ'ল ঘটনা। তৰোৱাল, বন্দুক, চুৰী, লাঠি লৈ এদল মানুহ তেওঁলোকৰ কম্পাটমেণ্টত উঠিলহি। মুহূৰ্ত্ততে ঘটি গ'ল ঘটনাটো। কোঠাত তেজ আৰু তেজ। কম্পাটমেণ্টৰ লাইটবিলাক হঠাতে নুমাই গ'ল। অন্ধকাৰৰ মাজতে ৰৌনক সিঙে চকামকাকৈ দেখা পালে এদল 'জানোৱাৰে পৰমজীতক আগুৰি ধৰিছে। কাপোৰ ফলাৰ শব্দ হল আৰু ৰৌনক সিঙে স্পষ্টভাৱে শুনিবলৈ পালে পৰম-

জীৱৰ সেই মৰ্মান্তিক আৰ্তনাদ। একোকে ভালকৈ দেখা নাছিল বৌনক সিঙে। ক'ৰপৰা যে তেওঁ ইমান শক্তি পালে তেওঁ নিজেই বুজিব নোৱাৰিলে, কিন্তু হঠাৎ "যো বোলে চেয় নিহাল, বাজ কৰেগা খালচা, অকি ৰহেনা কোই" বুলি চিঞৰি বৌনক সিং তুৰ্কস্তৰ মাজত জপিয়াই পৰিল। পিচ মুহূৰ্ত্তে বৌনক সিঙে মূৰৰ্ত এটা ভীষণ আঘাত পালে। বোধহয় কোনোবাই বন্দুকৰ কুণ্ডাৰে মূৰত মাৰিলে। মূৰৰ পাগুৰি তেজেৰে ৰঙা হৈ পৰিল। বৌনক সিং অজ্ঞান হৈ পৰিল।

তিনিদিন পিচত বৌনক সিঙে যেতিয়া জ্ঞান ঘুভোটাই পালে তেতিয়া তেওঁ মিলিটাৰী হস্পিতালত। তেওঁ নিস্বঃ। তেওঁৰ থি পিয় সেয়া হেৰাইছে। তেওঁ এতিয়া লাখ লাখ পাঞ্জাৰী হিন্দু আৰু শিখ সৰ্বহাৰাৰ মাজৰ এজন। ৰাতিৰ ভিতৰতেই সৰ্দাৰ বৌনক সিং শৰণাৰ্থী বিফিউজী হৈ গ'ল। তেওঁৰ নিজৰ দেশ পঞ্চনদীৰ দেশতেই শৰণাৰ্থী হৈ গ'ল। অমৃতসৰতো হিন্দুস্থানতেই আছে। কিন্তু বৌনক সিঙে ভাবিলে স্বৰ্ণ মন্দিৰৰ চহৰত তেওঁৰ কি আছে? তেওঁ পুনৰ অমৃতসৰলৈ নাযায়। হঠাতে বৌনক সিঙে উচুপি উচুপি কান্দি পেলালে। তাৰ পিচত তেওঁ নিজকে কঠিন কৰি ললে। এবাৰ তেওঁ যাব তেওঁৰ কৈশোৰ আৰু যৌৱনৰ লীলাভূমি অমৃতসৰলৈ। যাব। মাত্ৰ এবাৰ। তাৰ পিচতেই তেওঁ অমৃতসৰ এৰি যাবগৈ। আৰু কোনো দিনাখনে তেওঁৰ জন্মভূমি পাঞ্জাবলৈ উভতি নাযায়। তেওঁৰ সকলো খঙ ঘনীভূত হ'ল এটা বিশেষ সম্প্ৰদায়ৰ ওপৰত। কিন্তু ক'ত সেই সম্প্ৰদায়। বৌনক সিঙে গম পোৱা নাছিল, সকলো হিন্দু—মানে যিসকল ৰক্ষা পৰিছিল তেওঁলোকে পশ্চিম পাঞ্জাব এৰি গুচি গৈছে আৰু সেই বিশেষ সম্প্ৰদায় যিসকল ৰক্ষা পাইছিল তেওঁলোকে পূব পাঞ্জাব এৰি তেওঁলোকৰ ইপ্সিত পাকিস্তানলৈ গুচি গৈছে।

কিন্তু অমৃতসৰত বৌনক সিঙৰ বাল্যবন্ধু আচলামতো আছে। একেলগে তেওঁলোক ডাঙৰ হৈছে। বৌনকে প্ৰথমতে খুন কৰিব

আচলামক। আৰু যদি আচলাম বিবাহিত হলহেঁতেন তেনেহলে বোধহয় বৌণকে কৃপাণ দি তেওঁক খুন কৰি তেওঁৰ বিবিক ধৰ্ষণ কৰিলেহেঁতেন। নহয় নহয়, তেওঁ জানো সেয়া পাৰিব? পুনৰ বৌনক সিঙে হাউ হাউকৈ কান্দিব ধৰিলে।

প্ৰায় এমাহমান পিচত যেতিয়া বৌনক সিং অমৃতসৰ পালেহি তেতিয়া সেই পুণ্যভূমিৰ চেহেৰাই সলনি হৈ গৈছে। চহৰৰ মুছলমান বস্তি উজাৰ হৈ গৈছে।

অমৃতসৰ ষ্টেচনৰ বাহিৰলৈ আহি বৌনক সিঙে চিৰকালৰ অভ্যাসৰ দৰে বৃদ্ধ চুলতান টাঙ্গাৱালাক বিচাৰিলে। কতো তেওঁক দেখা নাপালে। চুলতান মিয়াৰ টাঙ্গাখন বৌনকে ভালদৰে চিনি পায়। সন্মুখৰ ফালে চন্দ্ৰ আৰু তাৰা আৰু এফালে গুৰু নানকৰ ছবি আঁকা আছিল। এখন টাঙ্গা তেওঁৰ ফালে আগুৱাই আছিল। বৌনক সিঙ দৌৰি দৌৰি গৈ, "আৰে চুলতান মিয়াঁ।"

টাঙ্গাৰ ওপৰত বহি থকা টাঙ্গাৱালাই হো হো কৈ হাঁহি কলে, আমি সৰ্দাৰ দৰবাৰা সিং টাঙ্গাদা মালিক। আও বাদচাহো কিথে জান্দা।"

"চুলতান কিথথে?"

টাঙ্গাৱালা দৰবাৰ সিঙে এক অশ্লীল ইঙ্গিত কৰি ডিঙিৰ ওপৰত হাত বুলাই কলে, "চুলতান মিয়া খতম্। ওদা টাঙ্গা চাঙে কুল।" মানে চুলতান মিয়া কতল হৈছে, কিন্তু টাঙ্গাখন মোৰ হাতত। বৌনক সিঙৰ মনৰ বিদ্বেষৰ জুই পুনৰ জ্বলি উঠিল। টাঙ্গাত উঠি বহি নিজৰ ঘৰৰ ঠিকনা কলে।

বৌনক সিঙৰ ঘৰৰ সন্মুখত টাঙ্গাখন ৰলহি। ঘৰ শূন্য। সন্মুখত পুলিচ গাৰ্ড। ঘৰত কোনো নাই। যিসকল ঘৰত আছিল সকলোৱে তো সেই ৰাতি ট্ৰেনত আছিল। হঠাতে ওচৰৰ ঘৰত বৌনক সিঙৰ চকু গল। তাতেইতো আচলামৰ ঘৰ। তাতো একো নাই। প্ৰায় সমতল ভূমি। কেইডালমান পোৰা কাঠ ঠিয় হৈ আছে। টাঙ্গাৱালাক বিদায় দি বৌনক সিঙে গুৰবচন সিঙৰ ঘৰলৈ গৈ শব্দ কৰিলে।

বৃদ্ধ গুৰবচন সিঙে তেওঁক দেখা পাই 'পুত্ৰ' বুলি কান্দিবলৈ ধৰিলে।

যেতি কথা নোকোৱাকৈ বৌনক সিঙে আচলাম আহমেদৰ কথা সুধিলে। বৃদ্ধ গুৰবচন সিঙে যি ক'লে তাতে বুজা গল যে এদিনাখন ৰাতি হাজাৰ হাজাৰ মচাল জ্বলাই "হৰ হৰ মহাদেব" বুলি এদল মানুহ আহি আচলাম আহমদক খুন কৰিলে। সেইদিনাখন ৰাতি আম্বালাৰ পৰা বিয়া কৰাই নতুন বৈণীয়েক গুলচনক লৈ উভতি আহিছিল। গুলচনক ট্ৰেনৰ পৰা নমাই প্ৰায় ২০ জন মানুহে ধৰ্ষণ কৰে আৰু তাৰ পিচত নগ্ন অৱস্থাত পুণ্যভূমি অমৃতচৰৰ পথত ঘুৰোৱা হৈছিল। যেতিয়া পথৰ ওপৰতেই এক শিখ যুৱকে গুলচনক ধৰ্ষণ কৰিব খোজে, সেই যুৱকৰ পৰা কৃপাণ কাঢ়ি আনি নিজৰ বুকুত বহুৱাই দিয়ে।

সকলো কথা শুনি বৌনক সিং পুনৰ হাউহাউকৈ কান্দি পেলালে আৰু মুচলমানৰ বিৰুদ্ধে তেওঁৰ সকলো দ্বেষ এক নিমিষতে কৰ্পূৰৰ দৰে নাইকীয়া হৈ যায়।

সেই মুহূৰ্ত্তে চৰ্দাৰ বৌনক সিং মানুহ হল। এই তেজৰ সলনি তেজ, হিংসাৰ সলনি হিংসা জানো সভ্য সমাজৰ নিয়ম ? এই জঙ্গলৰ নিয়মলৈ জানো মানুহ জীয়াই থাকিব ? নহয়, সেয়া বৌনক সিঙে নোৱাৰে। তেওঁ জীয়াই থাকিব খোজে ভৱিষ্যতৰ কালে চাই। অতীতৰ কথা ভাবি মৰিব নোখোজে।

ভৱিষ্যতৰ কথা ভাবিয়েই এদিনাখন বৌনক সিং দিল্লী চহৰলৈ আহিছিল। অমৃতসৰৰ ঘৰ পানীৰ দামত বিক্ৰী কৰি দি সেই টকাৰে এটা লেদ-মেচিন কিনি দিল্লীৰ পৰা কিছু দূৰৈৰ ফৰিদাবাদৰ ওচৰত সৰু এটি টিনৰ চেডৰ তলত নাট-বল্টুৰ কাৰখানা আৰম্ভ কৰে। ৰাতিপুৱাৰ পৰা ৰাতিলৈকে অক্লান্ত পৰিশ্ৰম। কিন্তু বৌনক সিং নাহাৰে। তেওঁ আকৌ গঢ়ি তুলিব তেওঁৰ নতুন পৃথিবী সেয়া যিমান সৰুই নহওঁক কিয় ? নতুন নতুন বন্ধু-বান্ধৱ গোট খালে ! বেছি ভাগেই তেওঁৰ দৰে শৰণাৰ্থী। সকলোৰে অনুৰোধত বৌনক

সিঙে পুনৰ বিবাহ কৰিলে। তেওঁৰ একেবাৰে ইচ্ছা নাছিল। কিন্তু গোটেই জীবন জানো তেওঁ নাট-বল্টুই বনাব? তেওঁৰ ইচ্ছাৰ বিৰুদ্ধেই তেওঁ বিয়া কৰালে সুদৰ্শন কৌৰক। তেওঁতকৈ শিক্ষিতা। সুদৰ্শনে তেওঁক উৎসাহ যোগায়। তেওঁ আৰু ডাঙৰ হব লাগিব। শিল্পপতি— ইণ্ডাষ্ট্ৰীয়ালিষ্ট। তেওঁ বহু ডাঙৰ কাৰখানা তৈয়াৰ কৰিব লাগিব। তেওঁলোকৰ ডাঙৰ ঘৰ হব লাগিব। বৌনক সিঙে সপোন দেখে। সপোন দেখিবলৈ ভাল লাগে। কিন্তু সুদৰ্শনে সপোন নেদেখে। কঠিন বাস্তৱৰ লগত তেওঁ যুদ্ধ কৰিব লাগিব। তেওঁৰ শিক্ষা আৰু ৰূপ লৈ বৌনক সিঙক সাহায্য কৰিবলৈ আগবাঢ়ি আহিল। বৌনকক বহু ডাঙৰ ডাঙৰ অফিচাৰৰ লগত চিনাকি কৰাই দিলে। ৰ-মেটেৰিয়াল- কেঁচামালৰ পাৰমিট এওঁলোকৰ পৰাই পোৱা যায়। তেওঁৰ সৰু ঘৰটোলৈ প্ৰায় এইবোৰ মানুহৰ সমাগম হবলৈ ধৰিলে। বৌনকৰ এইবোৰ ভাল লগা নাছিল— অলপো ভাল লগা নাছিল, কিন্তু সুদৰ্শনে তেওঁক বুজাইছিল ডাঙৰ হবলৈ হলে এইবোৰ কৰিবই লাগিব। হয়তো হব। তেওঁৰ স্ত্ৰী শিক্ষিতা, তেওঁ নিশ্চয় এইবোৰ বুজে।

বছৰ নোঘূৰোতেই সুদৰ্শনৰ কোলালৈ ছোৱালী এটি আহিল। চখ কৰি বৌনকে নাম থলে প্ৰীতম। বৌনকৰ ডাঙৰ হবলৈ প্ৰায় পাঁচ বছৰ লাগিছিল। পাঁচ বছৰৰ ভিতৰতেই তেওঁ এগৰাকী শিল্পপতি হল। চাইকেলৰ পৰা স্কুটাৰ, স্কুটাৰৰ পৰা ফিয়াট আৰু ফিয়াটৰ পৰা মাৰ্চেডিজ এইয়া হল তেওঁৰ উন্নতিৰ সোপান। স্ত্ৰীৰ প্ৰৰোচনাত ইংৰাজীও কিছু শিকিলে, আৰু শিকিলে স্কচ খাবলৈ আৰু বলডান্স দিবলৈ। তেওঁৰ ঘৰত ককটেললৈ নিমন্ত্ৰিত হোৱা দিল্লীৰ অভিজাত সমাজত তেতিয়া প্ৰায় 'ষ্টেটাচ চিম্বলৰ' পৰ্য্যায়ত পৰিছে।

সেই সময়তেই বৌনক সিঙে জীৱনৰ দ্বিতীয় আঘাত পালে। এদিনৰ কাৰণে বৌনক সিং দিল্লীৰ বাহিৰলৈ গৈছিল। পিচদিনাখন ৰাতিপুৱা উভটি আহি দেখে যে ঘৰত সুদৰ্শন নাই। পাঁচ বছৰ

বয়সৰ ছোৱালী প্ৰীতম স্কুললৈ গৈছে। চাকৰক সুধিলে, "বিবিজী কিথৰে!"

নেপালী চাকৰে যি কলে তাৰ মৰ্ম এয়া, বিবিজী কালি সন্ধিয়া কাপুৰ চাহেবৰ লগত পাটিলৈ গৈ উভটি অহা নাই। কাপুৰ চাহেবক বৌনক সিঙে চিনি পায়। যিবোৰ ভাণ্ডৰ ভাণ্ডৰ অফিচাৰে তেওঁক সাহায্য কৰিছিল, তাৰ ভিতৰত কাপুৰ অন্যতম। নিজৰ বেডৰুমলৈ গৈ বৌনকে সুদৰ্শনৰ চিঠি পাইছিল।

"মই আতৰি গলোঁ। এজন অশিক্ষিত মানুহৰ লগত ঘৰ কৰা অসম্ভৱ। ছোৱালীজনী থাকিল। মানুহ যদি কৰিব পৰা ভাল। আৰু যদি নোৱাৰা কোনো অনাথ আশ্ৰমত থৈ দিবা— দৰ্শন।"

"দৰ্শন" এই নামেৰে বৌনকে স্ত্ৰীক মাতিছিল। পাঁচ বছৰীয়া ছোৱালীক অনাথ আশ্ৰমত থোৱা নাযায়। বৌনকে জানিছিল দৰ্শন কাৰ লগত গৈছে কিন্তু তেওঁৰ ইচ্ছা আৰু প্ৰবৃত্তিও নহল কাপুৰৰ ঘৰলৈ যাবলৈ। এবাৰ ভাবিছিল কৃপাণ লৈ গৈ দুয়োজনক কাটি পেলাবলৈ। কিন্তু তাৰ পিছত ভাবিলে কি দৰকাৰ? যি হবৰ সেয়াতো হলেই।

বৌনকে ভাবিছিল তেওঁ অকল ভবিষ্যতলৈহে চাব, কিন্তু কিয় জানো কব নোৱাৰাকৈ অতীতলৈ উভটি গল। খুব বেচি অতীত নহয়— মুঠেই পাঁচ-ছয় বছৰৰ অতীত। কিন্তু তাৰ পিছৰ পাঁচবছৰৰ অতীত। তেওঁৰ নিজৰ অতীত জীৱন— ১৯৪৭ চন পৰ্য্যন্ত সেয়াতো এক দুঃস্বপ্ন। কিন্তু পিচৰ পাঁচ বছৰ সেয়াতো সপোনৰ দৰে সুন্দৰ আছিল। তেনেহলে সেয়া কিয় দুঃস্বপ্নত পৰিণত হল? আৰু ভবিষ্যত? বৌনক সিঙে তেওঁৰ সকলো আত্মবিশ্বাস হেৰাই পেলালে। মাত্ৰ কেইদিনমানৰ কাৰণে। প্ৰীতমক তেওঁ মানুহ কৰিব লাগিব। দৰ্শনৰ ছায়া যেন নপৰে। বৌনকে অদম্য উৎসাহৰে কাম আৰম্ভ কৰিলে। আন কথাত টকা, আৰু সৰহ টকা উপাৰ্জনৰ নিচাত তেওঁ ডুব গল। বাৰ বছৰ পিচত তেওঁ এদিনাখন জানিবলৈ পালে যে তেওঁ পদ্মশ্ৰী উপাধি পাইছে। প্ৰীতমক খবৰ দিবলৈ তেওঁ

অফিচৰ পৰা উৰ্দ্ধশ্বাসে গাৰী চলাই ঘৰলৈ আহিলে। "প্ৰীতম" বুলি চিঞৰি ড্ৰইং ৰুমত সোমাবলৈ গৈ থমকি ৰ'ল। হঠাতে যেন তেওঁ প্ৰীতমক দেখিলে। চমকি উঠিল চুটপেণ্ট পিন্ধা প্ৰীতমক দেখা পায়।

"হেল্ল পপ," প্ৰীতমে কলে।

"প্ৰীতম।"

"ইয়েচ ওল্ডমেন", প্ৰীতমৰ চকু চঞ্চল ; হাতত চিগাৰেট।

"প্ৰীতম।" ৰৌনক সিং চিঞৰি উঠিল, "ইউ আৰ এ শিখ, ইউ কাণ্ট স্মোক।"

"টু হেল টইদ দী শিখ ক্ৰেপ পপ। আই এম নট স্মোকিং। আই এম অন এ ট্ৰিপ, ইউ নো গ্ৰাচ, এচিদ, স্পীড, জয়েণ্ট। ডোণ্ট মেক ওৱাৰ, মেক লাভ।" প্ৰীতম অনিশ্চিত পদক্ষেপেৰে ৰৌনকৰ ওচৰলৈ আগুৱাই আহিল। তেনে সময়তে ৰৌনকৰ চকু গ'ল চোফাৰ তললৈ। আমেৰিকান হিপ্পি অলপ লৰচৰ কৰি পুনৰ শুই পৰিল আৰু বিৰবিৰাই কলে, "গেট দ্যাট চন অব এ বীচ আউট অফ মাই চাইট।"

ৰৌনক সিঙে নিজকে চম্ভালিব নোৱাৰিলে। গুলিবিদ্ধ বাঘৰ দৰে গৈ প্ৰীতমৰ গালত এক পূৰ্ণহতীয়া চৰ বহুৱাই দিলে। প্ৰীতম ঘূৰি মাটিত পৰি গল। তাৰ পিচত ফিকফিকৈ হাঁহি কলে, "ইজ দ্যাট অল ওল্ড ম্যান ?"

পুনৰ ৰৌনক সিঙে যেনেকৈ পালে তেনেকৈ ভৰিৰে লাঠি আৰু চৰ দিলে প্ৰীতম আৰু আমেৰিকান হিপ্পিটোক। আৰু যেতিয়া মাৰি মাৰি ক্লান্ত হৈ পৰিল, তেতিয়া ৰৌনক সিঙে নিজৰ বেডৰুমলৈ গৈ স্কচৰ বটল খুলি আধা বটল নীট খাই বিচনাত শুই পৰিল।

পিচদিনাখন টোপনিৰ পৰা উঠি ৰৌনক সিঙে প্ৰীতমক পুনৰ দেখা নাপালে। লগতে সেই আমেৰিকানটোও।

ৰৌনক সিঙে জানিছিল তেওঁলোক নাথাকে।

০ ০ ০

খিৰিকীৰ কাষৰ পৰা ৰৌনক সিং আঁতৰি আহিল। ৰাতি বহু হৈছে। পুনৰ তেওঁৰ ভয় লাগিছে। ৰাতি কৰা যাত্ৰাৰ আতঙ্ক তেওঁ কেতিয়াও পাহৰিব নোৱাৰে। ৰৌনক সিঙে ভাবিবৰ চেষ্টা কৰে ক'ত আছে তেওঁৰ "দৰ্শন"। সেই ডাঙৰ অফিচাৰ মিঃ কাপুৰ নিশ্চয় এতিয়া দিল্লীত জয়েণ্ট চেক্ৰেটাৰী হৈছে। ভালে থাওঁক দৰ্শন। তাতৈক বেছি ৰৌনকক একো নালাগে। কিন্তু প্ৰীতম? আজি মাদ্ৰাজৰ পৰা বোম্বেলৈ তেওঁ আহিছে প্ৰীতমৰ চিঠি পায়। প্ৰীতম যেতিয়া ঘৰ এৰি যায়গৈ তেতিয়া তেওঁৰ বয়স যোল্ল নাইবা সোতৰ। আজি আঠ বছৰে ৰৌনকে তেওঁক বিচাৰিছিল কিন্তু কতো হলে বিচাৰি পোৱা নাছিল। তেওঁৰ অতীত, বৰ্ত্তমান, ভবিষ্যত সকলোতে শূন্য। ৰৌনকে বিচাৰিছিল প্ৰীতম সুখত থাওক, ভালে থাওক। যিদিনাখন তেওঁ দিল্লীৰ পৰা মাদ্ৰাজ আহিছিল সেইদিনাখনে তেওঁ প্ৰীতমৰ পৰা প্ৰায় আঠ বছৰ পিচত বোম্বেৰ পৰা চিঠি পাইছিল। মাদ্ৰাজত কাম শেষ কৰি নিজৰ ইচ্ছাৰ বিৰুদ্ধে এই ৰাতিৰ ট্ৰেনত ৰৌনক সিং বোম্বেলৈ আহিছিল।

চিঠিত লেখা আছিল—"পপ্, আই এম ডাইং। কাম এণ্ড টেক মি এওৱে।" চিঠিত বোম্বেৰ এক অখ্যাত পাৰাৰ ঠিকনা আছিল।

কি হৈছে প্ৰীতমৰ? যদি টকাৰে তেওঁক ৰক্ষা কৰিব পাৰি তেনেহলে ৰৌনক সিঙে তেওঁক বচাব। কিন্তু কি হৈছে প্ৰীতমৰ? তেওঁ জানো শেষ হৈ গৈছে এল, এচ, ডি, মাৰিজুৱানা, ব্ৰাউন স্পীড? ৰৌনক সিং বোম্বেলৈ আহিছে সেই ৰাতি "টেন আপত"। দৰ্শনে তেওঁক এৰি গৈছে তাত কোনো দুখ নাই। কিন্তু প্ৰীতম? তেওঁতো তেওঁৰ 'জীগৰৰ টুকুৰা'। কালিলৈ তেওঁৰ লগত দেখা হব। নিজৰ অজানিতে তেওঁৰ মুখত হাঁহি ফুটিল।

"চাডেকুল আওঁ", ৰৌনক সিঙে হঠাতে ভাস্কৰৰ হাতত ধৰি নিজৰ ওচৰলৈ টানি আনিলে।

"কি হল চৰ্দাৰজী?" ভাস্কৰ গৈ চৰ্দাৰজীৰ কাষত বহিল।

মানুহজনক ভাস্কৰৰ বেয়া লগা নাছিল। যি মানুহজনে ইমান সময় কম্পার্টমেণ্টত হৈ-চৈ লগাই আছিল হঠাতে কেনে যেন নীৰৱ হৈ প'ল।

"তুম লোগ বোলা না হাম্ বাহোত হেপী আদমী হ্যায়? ইয়েচ আই এম ভেৰী হেপী ম্যান।"

"নহী হম্ বোলা ইফ্ মনি ক্যান মেক ইউ হেপী দেন ইউ আৰ হ্যাপী", ভাস্কৰে উত্তৰ দিলে।

"নহী বাবু, আৰে পয়চা তো ৰণ্ডী (বেশ্যা) ভী কামাতা হ্যায়। হাম পয়চে কী বাত নহী কৰতা। হাম সচমুচ বহোত খুচ হ্যায়। আই এম বিয়ালী ভেৰী হ্যাপী।" সৰ্দাৰজীয়ে ভাস্কৰৰ হাত দুখন চেপি ধৰিলে।

"চৰ্দাৰজী ইফ ইউ আৰ হ্যাপী, আই এম অলচো ভেৰী হ্যাপী।" ভাস্কৰৰ মাতত সহানুভূতিৰ বেশ।

"পৰ বাবুজী তুমতো পুছাই নহী, হাম্ কিউ হ্যাপী হ্যায়।" বৌনক সিঙে হাঁহি হাঁহি কলে।

"আৰে হামাৰ ভুল হোগয়া চৰ্দাৰজী।" ভাস্কৰে হাঁহিৰ ছলেৰে উত্তৰ দিলে।

"হাম বম্বে জাতা হমাৰী লড়কী সে মিলনে। বাহোত চাল নহী দেখা উচকো, প্ৰীতম মেৰী লড়কী হ্যায়। ভেও বম্বই ৰহন্দী হ্যায়।" চৰ্দাৰজীৰ মাত অলপ কঁপি উঠিল।

"কিত্তনা চাল চৰ্দাৰজী?" ভাস্কৰে সুধিলে।

"কমচে কম সাত আঠ চাল হোগা।"

"ইতনা দিন? সৰ্দাৰজী তুম তোমাৰ লড়কীকো হামাৰা ভালপোৱা দেনা।" ভাস্কৰৰ হাত তেতিয়াও চৰ্দাৰজীৰ হাতৰ মুঠিত।

"জৰুৰ দেগা", বুলি চৰ্দাৰজীয়ে নিজৰ পাৰ্চ খুলি এখন সৰু কাগজ উলিয়াই ভাস্কৰক দেখুৱাই সুধিলে, "বম্বাই কা ইয়হ এড্ৰেচ আপকো মালুম হ্যায়?"

ঠিকনাটো দেখি ভাস্কৰৰ অলপ চিন্তা হল। বোম্বেৰ কোলাবাৰ ওচৰৰ এক অখ্যাত পাৰাৰ এক গলিৰ ঠিকনা। ভাস্কৰে জানে নানা দেশৰ নানা ৰকমৰ হিপ্পী আৰু ক্লাবাৰ চাইল্ডৰ কুখ্যাত এক গলি।

"নহী চৰ্দাৰজী হম তো নহী চিন্‌তা। কিন্তু টৈক্সীৱালা আপকো পৌছা দেগা।" প্ৰসঙ্গটো ভাস্কৰে এৰাই গ'ল। কথা ঘূৰাবৰ কাৰণে কলে, "আচ্ছা চৰ্দাৰজী, আপকা লড়কীকা স্বামী মানে হাজবেণ্ড কেয়া কৰতা হ্যায় ?"

হোঁ হোঁকৈ ৰৌনক সিঙে হাঁহি কলে, "আৰে উচকা তো শাদীহী নহী হুৱা।"

মুহূৰ্ত্তৰ কাৰণে ভাস্কৰৰ মনত সন্দেহ জাগিল। কিন্তু নিজৰ অজানিতে মুখৰ পৰা প্ৰশ্নটো ওলাই গল, "চৰ্দাৰজী লড়কী কী চাদী নহী হুৱাঁ, ফিৰ কিউ নহী মিলা লড়কী চে আপ সাত-আঠ চাল ?"

"হামচে ইয়হ চৱাল নহী পুছো। হামাৰা পাচ জবাব নহী হ্যায়। ডোণ্ট আচক্ মি দিচ্ কোৱেশ্চন। আই হেভ নো আনচাৰ। ডোণ্ট মেক মী আনহেপী।"

"আই এম চৰী চৰ্দ্দাৰজী" ভাস্কৰ অপ্ৰস্তুত হ'ল।

ৰৌনকসিঙে কিবা কোৱাৰ আগতে মিঃ ৰাও আৰু অঘোৰ বাবু উঠি বহিল। চলং পলংকৈ বহাৰ পৰা উঠি মিঃ ৰাও ভেণ্ড খালি গিলাচটো জোকাৰি জোকাৰি কৰে, "চৰ্দাৰজী হোৱেৰ ইজ মাই ড্ৰিঙ্ক !

অঘোৰবাবুই নিজৰ ধুতি পিন্ধি পিন্ধি চিঞৰি কৰে, "ৰা বাব্বা সকলো মাল নিজেই খাই শেষ কৰিলে। এই অধমৰ কাৰণেতো অলপ ৰাখিবা। নিজৰ মানুহৰ কাৰণে অলপো সহানুভূতি নাই।"

দুয়োৰে গিলাচত হুইস্কী বাকী দি ৰৌনকসিঙে ভাস্কৰৰ হাতত ধৰি কলে, "হামলোগ থোড়া কৰিডৰ মে জায়। ইয়ে শালালোগ চাৰা ৰাত হাল্লা কৰেগা।"

○ ○ ○

ভাস্কৰ আৰু বৌনকসিং কৰিডৰত ঠিয় হলহি। অলপ দূৰৈত 'এ' কম্পাৰ্টমেণ্টৰ সমুখত অতনু ঠিয় হৈ আছে। 'বী' কম্পাৰ্ট-মেণ্টৰ স্লাইডিং দুৱাৰ ভেতিয়ালৈ বন্ধ হৈ গৈছে।

"আই আইও হামকো কোন চালা চালা বোলা ? বাও চিঞৰি অঘোৰবাবুৰ সমুখত ঠিয় হ'ল, "হম উচকো মাৰ্ডাৰ কৰেগা।"

"খালে এই চালাই আকৌ মাহলামী আৰম্ভ কৰিলে" বুলি কৈ অঘোৰবাবু অলপ দূৰলৈ আঁতৰি গল।

"ইউ বাঙ্গালী তুম হামকো চালা বোলতা।" বাও অঘোৰ বাবুৰ আৰু ওচৰলৈ আহিল।

"আৰে বাবা হাম নহী বোলা" অঘোৰবাবু ভয়ত আৰু অলপ আঁতৰি গ'ল।

"আই আইও তুম নহী বোলা তো কোন বোলা" বাওয়ে প্ৰায় অঘোৰবাবুক মাৰিবলৈ উদ্যোত হ'ল।

নিচাত দুয়োজন টলং পলং কৰিছে। বহু কষ্ট কৰি অঘোৰ বাবুই কলে, "ভগবান বোলা হোগা।"

"ভগবান বোলা। গড ইউজ বেড লেঙ্গুৱেজ। মে বী ইউ আৰ ৰাইট। ইফ আই এম হিজ চালা দেন হু ইজ হিজ ওৱাইফ। মে বী ইউ আৰ ৰাইট। আই চিটেড গড্। হাম ভগৱান কো বুদ্ধু বনায়া।" বুলি কৈ হোঁ হোঁ কৈ হাঁহি ধপচকৈ ফ্লোৰত পৰিল আৰু লগে লগে টোপনি আহিল। তেওঁৰ হুইস্কী গৈ পৰিল অঘোৰবাবুৰ গাত আৰু গিলাচ পৰিল মাটিত।

"চালা মাল খাই তাল চম্ভালিবই যদি নোৱাৰিলে তেনেহলে মাল খোৱাৰ দৰকাৰ কি? টলং টপংকৈ অঘোৰবাবুই কথাখিনি কলে।

"আই আইও কোন হামকো ফিৰ চালা বোলা ?" ফ্লোৰত পৰি থকা অৱস্থাৰ পৰাই বাওৱে বিৰবিৰালে।

"গড, ভগৱান বোলা," বুলি কৈ অঘোৰবাবুও বাওৰ ওচৰত কৈ সৰি পৰিল।

গাড়ীৰ ক্ৰমাগত জোকাবনিত মিঃ ই এচ ৰাও মানে ইডুপুগেত্তী সত্যনাৰায়ন ৰাওৰ নিচা নাইকীয়া হৈ আহিছিল। এসময়ত টোপনি আঁতৰি গ'ল। মুখত কিবা ঠাণ্ডা ঠাণ্ডা লগা যেন লাগিছে। গিলাচৰ পৰা এটুকুৰা বৰফ পৰি মুখৰ কাষত গলিব ধৰিছে। মুখত হাত দিলে ইডুপুগেত্তী সত্যনাৰায়ন ৰাওৱে। কিবা এক অদ্ভুত অনুভূতি। পিচত মনত পৰিল, সুদূৰ তিৰুপতিত মানস কৰি মূৰ খুৰাই পেলাইছিল। মনে মনে সত্যনাৰায়ন ৰাওৱে হাঁহিলে। তেওঁতো কোনো দিনাখন ধৰ্মভীৰু নাছিল। অৱশ্যে তেওঁৰ স্ত্ৰীৰ কথা সুকীয়া। মহালক্ষ্মী ৰাতিয়ে দিনে পূজা লৈয়ে ব্যস্ত। সত্য সাইবাবাৰ বাবৰী চুলিৰ সৈতে ছবি তেওঁৰ হায়দৰাবাদৰ ঘৰৰ সকলোতে আছে। মহালক্ষ্মীৰ কথা চিন্তা কৰোতে সত্যনাৰায়ণ ৰাও বিচলিত হৈ পৰিল। মহালক্ষ্মী বোম্বেৰ কেন্সাৰ হস্পিতালত পৰি আছে। ব্ৰেষ্ট কেন্সাৰ। কালিলৈ তেওঁৰ অপাৰেশ্যন হব। সেই কাৰণেই তেওঁ আহিছে।

অলপ বেচি বয়সত সত্যনাৰায়ণ ৰাওৱে বিয়া কৰাইছিল। মনে বিচৰাৰ দৰেই জীৱন সঙ্গিনী পাইছিল। সুন্দৰ চেহেৰা মহালক্ষ্মীৰ। বুকুখনেই তেওঁৰ আটাইতকৈ কাম্য আৰু লোভনীয় আছিল সত্যনাৰায়ণৰ বাবে। এক অৱচেশ্যন তেওঁৰ আছিল। ইয়াৰ কোনো কাৰণ সত্যনাৰায়ণে বিচাৰি পোৱা নাছিল। কোনে জানে হয়তো মাকৰ সুডৌল বিৰাট বুকুৰ পৰাই তেওঁৰ এই অৱচেশ্যন। সত্যনাৰায়ন ৰাওৱে মনত পেলাবৰ চেষ্টা কৰে। বহুদিন তেওঁ মাকৰ স্তনৰ গাখীৰ খাইছিল। মাজে মাজে মাকৰ স্তনৰ ভৰত তেওঁৰ নিশ্বাস বন্ধ হব খুজিছিল। সৰু সৰু হাত দুখনেৰে তেওঁ মাকৰ স্তন ধৰি ৰাখিব পৰা নাছিল। সেই কাৰণে যেতিয়া বিয়াৰ পিচত প্ৰথম মহালক্ষ্মীৰ বুকু দেখা পালে দুহাতেৰে বুকুখন ধৰি "মম্মী" বুলি চিঞৰি উঠিছিল। পিচত লাজ পাই কৈছিল, "মহা-লক্ষ্মী ইউ আৰ এ বিউটিফুল গাৰ্ল।"

বিয়াৰ দুমাহ পিচত এদিনাখন ৰাতি মহালক্ষ্মীৰ বুকুত হাত

বুলাই থাকোতে হঠাতে সত্যনাৰায়ণ ৰাও যেন চমকি উঠিল। ৰাও কালৰ বুকুখনৰ ওপৰত তেওঁৰ হাতখন বৈ গ'ল।

কনভেণ্ট শিক্ষিতা মহালক্ষীয়ে সুধিলে, "ৰহ্ হোৱাই ডিড ইউ ষ্টপ। হোৱাট হেপেণ্ড?

"নাথিং ডার্লিং" কৈ পুনৰ সত্যনাৰায়ণে হাত বুলাব ধৰিলে। কিন্তু হঠাতে আকৌ তেওঁৰ হাতখন থমকি ৰয়হি। বুকুৰ এটা বিশেষ দিশত ভাব হয় যেন এটি লাম্প, এটুকুৰা মাংসৰ সৰু চপৰা যেন ক্ৰমাগত ঠেলি উঠি আহিছে। ভাল লগা নাছিল সত্যনাৰায়ণ ৰাওৰ।

মহালক্ষীয়ে এইবাৰ কলে, "হোৱাট ইজ বদাৰিং ইউ ডার্লিং?"

বুকুৰ ওপৰত ফুলি উঠা মাংসখিনিত হাত দি সত্যনাৰায়ণ ৰাওৱে কৈছিল, "দীচ লম্প বদাৰচ মী।"

"ইউ হেভ্‌ল ইট টু মাচ। ছাট ইজ হোৱাই।" খিলখিলাই হাঁহি হাঁহি মহালক্ষীয়ে কৈছিল।

মহালক্ষীৰ ইচ্ছাৰ বিৰুদ্ধে সত্যনাৰায়ণ ৰাওৱে তেওঁক বোম্বেৰ ডাক্তৰৰ ওচৰলৈকে লৈ গৈছিল। বাইওপ্সী কৰাৰ পিচত ডাক্তৰে কৈছিল, "দীচ ইজ মেলিগন্যাট। ইন প্লেন লেঙ্গুৱেজ, কেন্সাৰ অফ দি ব্ৰেষ্ট।" ডাক্তৰৰ ক্লিনিকতেই মহালক্ষী অজ্ঞান হৈ পৰিছিল আৰু সেই মুহূৰ্ত্ততে ইড়পুগেণ্ডী সত্যনাৰায়ণ ৰাওৰ বিবাহিত জীবনৰ নিৰ্মম ভাবে ইতি পৰিছিল।

বোম্বেৰ কেন্সাৰ হস্পিতালত মহালক্ষীক ভৰ্ত্তি কৰোৱা হল। "কাৰ্চিনোমা অফ্ দি লেফট্ ব্ৰেষ্ট"ৰ চিকিৎসাৰ কাৰণে। মিঃ ৰাও মাদ্ৰাজলৈ উভটি আহিল। প্ৰায় তিনি মাহ আগৰ কথা। কালিলৈ তেওঁৰ অপাৰেশ্যন। অপাৰেশ্যন কৰিব বিখ্যাত চাৰ্জন ডঃ কেণ্টীন-ৰালাই। সেই কাৰণে মিঃ ৰাও বোম্বেলৈ আহিছে।

মহালক্ষীক হস্পিতালত ভৰ্ত্তি কৰাই যিদিনাখন সত্যনাৰায়ণ ৰাও মাদ্ৰাজলৈ উভটি আহিল, সেইদিনাখনে তেওঁৰ ভাব হল তেওঁৰ দৰে নিঃসঙ্গ মানুহ পৃথিবীত আন কোনো নাই। গোটেই

ঘৰত্তে ঘূৰি ফুৰি মহালক্ষ্মীয়ে অঁৰা সত্য সাইবাবাৰ সকলো ছবিৰ সম্মুখত মদৰ নিচাত হুকহুকাই কান্দিছে আৰু কৈছে, "হোৱাই-হোৱাই দীজ টু মী? হোৱাট হেভ্ আই ডন?"

সচাঁকৈয়েতো ইডুপুগেণ্ডী সত্যনাৰায়ণ ৰাৱে জীৱনত অন্ততঃ সজ্ঞানে কাৰো ক্ষতি কৰা নাই বা নিজেওতো কোনো পাপ কৰ্ম্ম নাই। কোনোদিনাখনে তেওঁ ধৰ্মভীৰু নাছিল, কিন্তু কোনো ধৰ্মৰো তেওঁ বিৰুদ্ধাচাৰণ কৰা নাই। তেওঁতো তেওঁৰ স্ত্ৰীক ধৰ্মৰ কথাতো সম্পূৰ্ণ স্বাধীনতা দিছিল। বন্ধুসকলে আচৰিত হৈ কৈছিল, সত্য-নাৰায়ণে কেনেকৈ এগৰাকী ধৰ্মভীৰু মহিলাক বিয়া কৰাইছে?

গৰ্ব কৰি বুকু ফুলাই সত্যনাৰায়ণ ৰাৱে কৈছিল, "এ পাৰফেক্ট মেৰেজ। কমপ্লিট কো একজিচটেন্ট। আই আইও, আই এম এ ভেৰী হেপী পাৰ্চন।"

কিন্তু বেচিদিন সত্যনাৰায়ন ৰাও হেপী হৈ থাকিব নোৱাৰিলে। যিদিনাখন বোম্বেত তেওঁ গম পালে যে তেওঁৰ স্ত্ৰীৰ বেশ্যাৰ হৈছে সেইদিনাখন তেওঁ ভাঙি পৰিছিল। বন্ধুসকলে তেওঁক লৈ গল আৰু জীৱনত প্ৰথম সেইদিনাখন তেওঁ মদত ধৰিলে। কিছুদিন পিছতেই তেওঁ হল মদাহী। বন্ধুসকলে তেওঁক এৰি গল, কিন্তু তেওঁ মদ এৰিব নোৱাৰিলে। মাত্ৰ কেইমাহমানৰ তেওঁৰ বিবাহিত জীৱন। সত্য-নাৰায়ণ ৰাৱে ভীষণ ভাবে মহালক্ষ্মীৰ অভাৱ অনুভব কৰিব ধৰিলে। এদিন মদৰ নিচাত মহালক্ষ্মীক পাহৰিবলৈ গৈ নিজৰ অজানিতে বোম্বেৰ ফোৰাচ ৰোডলৈ গল।

কিছুদিন পিছত মাদ্ৰাজলৈ উভটি আহি ইডুপুগেণ্ডী সত্যনাৰায়ণ ৰাৱে গম পালে তেওঁৰ চিফিলিচ হৈছে।

তেওঁৰ অতি পৰিচিত ডাক্তৰ বন্ধু ডঃ মূৰ্ত্তিয়ে কলে, "The primary lesion or chancre has appeared"।

সত্যনাৰায়ণ ৰাওৱে সকলো বুজিলে, কিন্তু তেওঁৰ মহালক্ষ্মী যদি জীয়াই নাথাকে তেনেহলে তেওঁৰেই বা জীয়াই থাকি লাভ কি? ডাক্তৰ সকলে বাজে কথা কয়। মহালক্ষ্মী অপাৰেশ্যনৰ পিছত

হয়তো বাচিব এবছৰ, দুবছৰ খুব বেচি তিনি বছৰ। কিন্তু সত্য-নাৰায়ণ ৰাওৱে কেতিয়াও মহালক্ষীক তেওঁৰ বাওঁফালৰ স্তনবিহীন বুলি ভাবিব নোৱাৰে। আৰু কেন্সাৰ বাওঁফালৰ পৰা সোঁ স্তনলৈ যোৱাত কিমান দিন ?

কিন্তু মহালক্ষী যদি ভাল হৈ সুস্থ হৈ উভটি আহে তেওঁ জানো তেওঁৰ ওচৰলৈ যাব। চিফিলিচৰ বেমাৰী তেওঁ। নহয় নহয়, কোনো কালে তেওঁ মহালক্ষীৰ ওচৰলৈ নাযায়। যদি মহালক্ষী সম্পূর্ণ সুস্থ হৈ উভটি আহেও, তেনেহলেও তেওঁৰ বিচনাৰ ওচৰলৈ কেতিয়াও নাযায়। সত্যনাৰায়ণ ৰাৱে সপোনতো ভাবিব নোৱাৰে যে তেওঁৰ কোনো সন্তান পঙ্গু নাইবা অঙ্গহীন হব ।

যিয়ে যি কৈছে সত্যনাৰয়ণ ৰাওৱে তাৰে চিকিৎসা কৰিছে। কোনো ফল পোৱা নাই। কলেজৰ বন্ধু ভেনুগোপাল ৰাও আহি কলে, "তুমি তিৰুপতিলৈ যোৱাগৈ। মূৰৰ চুলি মানস কৰি খুৰাই পেলাবা। তুমি সুস্থ হবা।

নাস্তিক মানুহ ইডুপুগণ্ডি সত্যনাৰায়ণ ৰাও। তথাপিও ভেনু-গোপালৰ কথা শুনি তিৰুপতিলৈ গৈছিল চুলি খুৰোৱাৰ মানস কৰিবলৈ। গোটেই দেহত তেতিয়া চকা চকা দাগ। কেকোঁৱা চুলি খুৰাই তেওঁ বোম্বেলৈ আহিছিল। কালিলৈ মহালক্ষীৰ অপাৰেশ্যন। অপাৰেশ্যন কৰি যদি মহালক্ষী জীয়াই থাকে তেনেহলে সত্যনাৰা-য়ণ ৰাও জীয়াই থাকিবৰ চেষ্টা কৰিব। ডা: কেণ্টীনৱালাই কৈছে মহালক্ষী অপাৰেশ্যনৰ পিচত বাচিব কিন্তু সুস্থ হৈ যদি গম পায় যে তেওঁৰ স্বামীৰ চিফিলিচ হৈছে ? তেতিয়া ?

সত্যনাৰায়ণ ৰাও অকল অপাৰেশ্যন থিয়েটাৰৰ ওচৰলৈ যাব। যদি ডা: কেণ্টীনৱালাই কয় যে মহালক্ষী সুস্থ হব তেতিয়া সত্য-নাৰায়ণ ৰাওৱে তেওঁৰ দুইলাখ টকাৰ ইনচুৰেন্স পলিচী, যিখন তেওঁৰ স্ত্ৰীৰ নামত এচাইন কৰা আছে, তেওঁৰ স্ত্ৰীক কেচত থৈ পোনে পোনে মেৰীন ড্ৰাইভত সাগৰত জপিয়াই আত্মহত্যা কৰিব। তেওঁ সাতুৰিব নেজানে। ঢেউৱে তেওঁক আৰব সাগৰলৈ লৈ যাব।

সত্যনাৰায়ণ ৰাওৰে ৰাওকালৰ বন্ধ বিহীন স্ত্ৰীৰ কথা ভাবিব পৰা নাছিল।

আকৌ টোপনি গল ইডুপুগেত্তী সত্যনাৰায়ণ ৰাও।

ৰাওৰ মুখৰ কাষত বৰফৰ টুকুৰা গলি গলি তাৰ পানী অঘোৰ বাবুৰ মুখত লাগিছেহি। মুখত ঠাণ্ডা লাগোতেই অঘোৰবাবুৰ নিচা ভাঙি গৈছিল। অঘোৰবাবুই বিৰবিৰাই কলে, চালাইঁতে মাল খাই লোক বৰফৰ মাজত পেলাই থৈ গৈছে। কিন্তু পিচ মুহূৰ্ত্তত্তে অঘোৰবাবুৰ টোপনি ভাঙি গল। কাপোৰ-কানি চম্ভালি বাৰে বাৰে ওপৰৰ বাৰ্থ লৈ যাবলৈ চেষ্টা কৰিছে, কিন্তু নিচাৰ কোৰত ওপৰলৈ উঠিব পৰা নাই। তেওঁৰ খং উঠিল চৰ্দাৰ বোনকসিং আৰু ভাস্কৰৰ ওপৰত। তেওঁলোক তেওঁতকৈ বয়সত সৰু, তথাপিও ভদ্ৰতা নাই। তেওঁৰ বয়স দেখি অন্তত তলৰ এটা বাৰ্থ তেওঁক দিয়া উচিত আছিল। অঘোৰবাবু তলৰ বাৰ্থৰ এটা কোনত পৰিল। ট্ৰেন ঠিক সময়ত গৈ আছেতো? পলম হলেই হল, কালিলৈ সন্ধ্যা আঠ বজাৰ আগতে নেপালে তেওঁৰ সকলো আঁচনি অথলে যাব।

কলিকতাৰ পৰা মাদ্ৰাজলৈ অহাতো তেওঁৰ বিফল হৈছে। ইংৰাজী টেক্স বুক ছপোৱাৰ টেণ্ডাৰ তেওঁ পোৱা নাই। আন এখন টেণ্ডাৰ—সেয়া বহু টকাৰ—বোম্বেত তেওঁ দিছে। তাৰ ওপৰত তেওঁৰ ভৱিষ্যত বহুখিনি নিৰ্ভৰ কৰিছে। আজি কেইবছৰমানৰ পৰা তেওঁতো অকল টেক্স বুক ছপোৱাৰ কামকেই কৰিছে। লাভ বেচি, লোকচান কম। সাহিত্যৰ জগত তেওঁ সম্পৰ্ক বহুদিন আগতেই এৰি দিছে। এইবোৰ সাহিত্যিকক তেওঁ একেবাৰে দেখিব নোৱাৰে। প্ৰকাশকৰ কাৰণেই নাম কৰি নিজকে কিবা বুলি ভাবে। সকলো মদপী। মাত্ৰ পইচা আৰু পইচা। বহুতেতো পইচা লৈও কিতাপ দিয়া নাই। বহু টকা আগধন তেওঁ দিছে, সেইকাৰণে তেওঁৰ পৰা চুক্তি অনুসাৰে হিচাব লবলৈ বহুতে সাহস নকৰে। হিচাব চালেই বুজিব তেওঁলোক সকলো অঘোৰবাবুৰ

ওচৰত খনী। কিন্তু তেওঁৰে বা ইমান ক'ত পাব? সেই কাৰণে তিনিহাজাৰ সংস্কৰণ বুলি পাঁচ হাজাৰ ছপাই তেওঁ ক্ষতিপূৰণ কৰিব লগীয়া হয়। কিছুমান লিখকে কিন্তু হিচাব বুজি পায়। সেই-কাৰণে মাজে মাজে তেওঁলোকক টকা দি থাকিবলগীয়া হয়। কিন্তু যিসকল কলিকতাৰ বাহিৰত থাকে তেওঁলোকক ঠগাবলৈ সহজ। তেওঁৰ সকলো চুক্তিত থাকে যে যদি কোনো গোচৰ হয় কলিকতাতে হব। বাহিৰৰ এনে কোন লেখকৰ সময় অথবা অৰ্থবল আছে যে কলিকতালৈ আহি আদালতত যুঁজিব পাৰিব? কিন্তু কোনোবাই যদি কৰে।

বাৰ্থৰ এটা কোনত বহি অঘোৰবাবুই হাঁহিলে। এই চৰজান্তা সাহিত্যিক, যিসকলে মানুহৰ মনৰ কথাৰ খবৰ ৰাখে, তেওঁলোকে তেওঁলোকৰ প্ৰকাশকৰ মনৰ কথা গম নাপায়।

বৰিচালৰ পৰা শৰনাৰ্থী হৈ অঘোৰবাবু এদিনাখন কলিকতালৈ আহিছিল। লোটা-কম্বলে সম্বল আছিল। কেইদিনমান শিয়ালদহ ষ্টেচনত পৰি থাকি অঘোৰবাবুই ভাবিলে কিবা এটা নকৰিলে এই চহৰত জীয়াই থকা টান হব। বৰিচালত তেওঁৰ পিতৃপুৰুষৰ কিতাপৰ দোকান আছিল। এদিনাখন অঘোৰবাবু যে কলেজ ষ্ট্ৰীটত বটতলাৰ নভেল আৰু চটৰ তলত ছুইডেন আৰু ডেনমাৰ্কৰ পৰা অনা পৰ্নো উপন্যাস আৰু ছবিৰ কিতাপ লৈ বহি গ'ল। কেইমাহমানৰ ভিতৰত অঘোৰবাবুই বেচ পয়চা উপাৰ্জন কৰিলে। সৰু এটা প্ৰেছও কিনিলে। প্ৰেচৰ পৰা আৰেলি টকা পইচা লৈ তেওঁ চৌৰঙ্গীৰ এখন চাইনীজ হোটেললৈ অহা-যোৱা কৰিবলৈ ধৰিলে। সেই হোটেলতে তেতিয়াৰ দিনৰ কিছুমান সাহিত্যিকৰ আড্ডা আছিল। তেওঁলোকৰ লগত অঘোৰবাবুৰ পৰিচয় হ'ল। "মই খুব দুখীয়া। ঠিয় হবৰ চেষ্টা কৰিছো। আপোনালোকে যদি সাহাৰ্য্য কৰে মই ঠিয় হব পাৰিম। এটা কথা ক'ব পাৰো। আপোনালোকক মই কেতিয়াও নঠগাও। কেইজনমানে কিতাপ দিম বুলি প্ৰতিশ্ৰুতি দিলে। কথামতে তেওঁলোকে কিতাপ

দিলেও। অঘোৰবাবুৰ কপাল ফুলিল।

পাঁচ বছৰৰ ভিতৰতেই অঘোৰবাবুই দুটা ঘৰ সজালে। এটা গড়িয়াত আনটো নিউ আলিপুৰত। নতুন নতুন লেখকসকলৰ লগত অঘোৰবাবুৰ পৰিচয় হ'ল। সকলোৰে ইংৰাজীত কথা কয় আৰু তেওঁলোকৰ লগত থাকে ধুনীয়া ধুনীয়া ছোৱালী।

সদায় অহাৰ দৰে তেওঁ চাইনীজ হোটেললৈ আহে আৰু নতুন সাহিত্যিক সকলক অধ্যয়ন কৰে, পিচত তেওঁ সোনাগাছিলৈ যায়। তাত ফুলকুমাৰী তেওঁৰ কাৰণে অপেক্ষা কৰি থাকে।

অঘোৰবাবু নিচাৰ কোবত পুনৰ মেজত পৰি গল। ৰবৰৰ টুকুৰাডোখৰ গলি গলি মূৰত লাগিলহি।

কালিলৈ বোম্বেত টেণ্ডাৰ খুলিব। যদি তেওঁৰ টেণ্ডাৰ ৰিজেক্ট হৈ যায়, তেতিয়া কি হব? অঘোৰবাবুৰ মূৰত পুনৰ ঠাণ্ডা লাগিল।

"যি হয় হব। চালাহতে যদি মোৰ টেণ্ডাৰ একচেপ্ত নকৰে চালাহতক মই চাই লম।" অঘোৰবাবুই বিৰবিৰালে।

"আই আই, কৌন হামকো চালা বোলা," মিঃ ৰাওৰে টোপনিতে কৈ উঠিল।

॥ তিনি ॥

চাওঁতে চাওঁতে ট্ৰেনখন আৰকোনাম ষ্টেচন পাৰ হৈ গ'ল। বাহিৰত অন্ধকাৰ। কৰিডৰত ভাস্কৰৰ কাষত ৰৌনক সিং ঠিয় হৈ ভাবিছিল তেওঁৰ অন্ধকাৰময় জীৱনৰ কথা। কৰিডৰৰ স্তিমিত পোহৰত ভাস্কৰৰ চিগাৰেটভালক এক অগ্নিবিন্দু যেন লাগিছিল। অলপ দূৰৈত অতনুৱে পাইপ জ্বলালে—আৰু হঠাতে ভয় খাই এটা কুকুৰে ঘেউ ঘেউ কৈ উঠিল।

"চী" কম্পাৰ্টমেণ্টৰ বন্ধ দুৱাৰৰ ফালে চাই ৰৌনক সিঙে কলে, "চালা কুত্তা।" তেওঁৰ চিন্তাৰ সোঁতত বাধা পৰোতেই ৰৌনক সিঙৰ সকলো খঙ গৈ কুকুৰটোৰ ওপৰত পৰিল।

"কৌন চালা কুত্তা চৰ্দাৰজী— ?" ভাস্কৰে মৃদুভাবে হাঁহি প্ৰশ্ন কৰিলে।

"ৰৌনক সিঙে আঙুলিৰে "চী" কম্পাৰ্টমেণ্টলৈ দেখুৱাই দিলে। ওচৰলৈ গৈ ৰিজাৰ্ভেচন কাৰ্ডখন চালে। লেখা আছে—"ঠাকুৰ শিৱপ্ৰসাদ সিং, মিনিষ্টাৰ ফৰ ইণ্ডাষ্ট্ৰিজ এণ্ড পাৰ্টি।"

ৰৌনক সিঙক ভাস্কৰে দুৱাৰৰ কাষলৈ টানি নি কাৰ্ডখন দেখুৱাই কলে, "চৰ্দাৰজী, বহ পাৰ্টিমে কেয়া চালা কুত্তাভী হ্যায় ?"

দুয়োজনেই হোঁ হোঁকৈ হাঁহি দিলে।

ঠাকুৰ শিৱপ্ৰসাদ সিঙৰ সৰু পমেৰেনিয়ান "ৰবী" আকৌ ঘেউ ঘেউকৈ উঠিল। "নহী ৰবী চিল্লানা নহী। ব্যাড মেনাৰ্চ্। চব লোগ চোস্তা হ্যায়।" ঠাকুৰ চাহেবে ৰবীক নিজৰ কোলাত তুলি লৈ মৰম কৰিব ধৰিলে। কোলাত উঠি ৰবীয়ে অস্ফুট স্বৰত শব্দ কৰিব ধৰিলে। বৰ প্ৰভুভক্ত কুকুৰ ৰবী। কিমানেই বা বয়স —মাত্ৰ ছমাহ। যেতিয়া ঠাকুৰ শিৱপ্ৰসাদ সিঙে আনিছিল তেতিয়া ৰবীৰ বয়স এমাহ আছিল। লৈ ঠিক অহা নাছিল, বোম্বেৰ নাম কৰা শিল্পপতি ব্যবুভাইয়ে তেওঁক কুকুৰটো দিছিল। বাবুভাইক ঠাকুৰ চাহেবে নিজৰ ৰাজ্যত এটা বিৰাট পলীথিনৰ ফেক্টৰীৰ লাইচেন্স যোগাৰ কৰি দিছিল।

কুকুৰটো দিয়াৰ সময়ত বাবুভাইয়ে কৈছিল, "চাহাব বহোত বঢ়িয়া কুত্তা হ্যায়। কভী মালিককো নহী ছোড়তা। আপকা এম, এল, এ, আপকো ধোকা দেকে দল বদল কৰ ডিফিট কৰ চকতা, পৰ ইয়ে কুত্তা কভী আপকো নহী ছোড়েগা।" হেঁা হেঁাকৈ বাবুভাইয়ে হাঁহিছিল। তাৰ পিচত "ভাবীজী কহাঁ হ্যায়" বুলি পোনে পোনে গেষ্ট হাউচৰ ঠাকুৰ চাহেবৰ ছুইটৰ বেডৰুমলৈ সোমাই গৈছিল।

"ভাবীজী" অৰ্থাৎ ঠাকুৰ চাহেবৰ স্ত্ৰী ভাগ্যবতী দেবী তেতিয়া পূজা কৰি উঠিছে। ৰূপৰ থালত কিছুমান পেৰা আৰু নাৰিকলৰ টুকুৰা লৈ বাবুভাইৰ ওচৰলৈ আহি সামান্য হাঁহিৰে কলে, "লেও প্ৰসাদ লেও।"

প্ৰসাদ মুখত লগাই লৈ বাবুভাই পকেটৰ পৰা এডাল মুক্তাৰ হাৰ ৰূপৰ থালত লৈ কলে, "ভাবীজী ভগবানকে লিয়ে।"

মালিকৰ বকনি খাই এসময়ত ৰবী শুই পৰিল। ঠাকুৰ চাহেবে কৈছিল "ব্যাড ম্যানাৰ্চ, চব লোগ চোস্তা হ্যায়।" তেওঁৰ কোলাতে উঠি অলপ সময় কুঁই কুঁই কৰি ৰবী শুলে, কিন্তু তেওঁৰ মালিক ঠাকুৰ শিৱপ্ৰসাদ সিঙৰ আজি ৰাতি কোনোমতে টোপনি নাহিল। তেওঁৰ জীৱনৰ এক চৰম সন্ধিক্ষণত তেওঁ উপস্থিত। কি তেওঁ কৰিব,

কি তেওঁৰ কৰ্ত্তব্য, সেয়া একোতেই তেওঁ স্থিৰ কৰিব পৰা নাছিল। তেওঁৰ অভিন্ন হৃদয় বন্ধু বাবুভাই আজি ভীষণ বিপদত পৰিছে। তেওঁ তেওঁৰ জীৱনত যেতিয়াই কোনো বিপদ নাইবা সঙ্কটত পৰিছিল, বাবুভাই মুক্তহস্তে আগুৱাই আহিছিল। অকল জানো সেয়াই? বাবুভাইৰ দেউতাক চন্দ্ৰভাইয়েও স্বাধীনতা সংগ্ৰামৰ সময়ত ঠাকুৰ চাহেবৰ পাৰ্টিক কিমান সাহায্য কৰিছিল। তেওঁৰ নিজৰ ৰাজনৈতিক জীৱনত বাবুভাইৰ অৱদানো জানো কম। তেওঁ কি আছিল আৰু আজি কি হৈছে? পমেৰেনিয়ান ৰবী তেতিয়া সুখনিদ্ৰাত গুৰ গুৰ গুৰ কৰিছে। কুকুৰৰ গাত হাত বুলাই বুলাই ঠাকুৰ চাহেবৰ মনত পৰিল সেইবোৰ দিনৰ কথা। কিমান দিনৰে বা কথা? বোধহয় ত্ৰিশ পয়ত্ৰিশ বছৰ হব, কিন্তু ঠাকুৰ চাহেবৰ আজিও মনত আছে।

o o o

১৯৪২ চনৰ কথা। সৰু চহৰত সৰু উকীল আছিল ঠাকুৰ শিবপ্ৰসাদ সিং। চহৰৰ পৰা অলপ দূৰৈত বাবুভাইৰ চিমেণ্টৰ কাৰখানা আছিল। এটা সাধাৰণ কথালৈ বাবুভাই আৰু চৰকাৰৰ মাজত মোকৰ্দ্দমা হয়। চহৰলৈ আহি বাবুভাইয়ে ঠাকুৰ চাহেবকো উকীল কৰি ললে। কেচ চলি থাকোতেই ঠাকুৰ চাহেবৰ লগত বাবুভাইৰ সম্বন্ধ নিবিড় হৈ আহে। ঠাকুৰ চাহেবৰ বাপেকে খাদী পিন্ধিছিল, গতিকে ঠাকুৰ চাহেবেও খাদী পিন্ধিছিল। বাবুভাইয়ে প্ৰায় তেওঁৰ দেউতাক চন্দুভাইৰ বদান্যতা আৰু স্বাধীনতা সংগ্ৰামত তেওঁৰ অৱদানৰ কথা লৈ গল্প কৰে। ঠাকুৰ চাহেবে মন দি শুনিছিল আৰু বাবুভাইৰ পৰিবাৰৰ প্ৰতি তেওঁৰ শ্ৰদ্ধাত মূৰ দোঁ খাই গৈছিল?

অৱশেষত এদিনাখন মোকৰ্দ্দমাত বাবুভাইৰ জয়ী হল। আনন্দিত হৈ ঠাকুৰ চাহেবক তেওঁ বেছ কিছু টকা দিলে আৰু তেওঁক নিযুক্ত কৰিলে তেওঁৰ ফেক্টৰীৰ লীগেল কণচালটেণ্ট। মাহিলী

টকা দিয়া হল। মোকৰ্দ্দমা এনে বিশেষ জটিল নাছিল কিন্তু বাবু-ভাই তাকে প্ৰেষ্টিজ ইছু হিচাবে ধৰিছিল। গতিকে তেওঁ যেতিয়া জয়ী হল তেওঁ সকলো কৃতিত্বই ঠাকুৰ চাহেবক দি নিজকে ঋণী কৰি ৰাখিলে।

সেয়া যে বন্ধুত্ব হৈছিল সেয়া আজিও টিকি আছে। অৱশ্যে এতিয়া বাবুভাইয়ে ঠাকুৰ চাহেবৰ ওচৰলৈ সাহায্য বিচাৰি আহিব লগা হয়। পুৰণি দিনৰ কথাত মনত পেলাই তেওঁ যিমান পাৰে বাবুভাইক সাহায্য কৰে। বাবুভাইয়ে তেওঁৰ ঋণ শোধ কৰে ভাগ্য-বতী দেৱীক খুচী কৰি। ঠাকুৰ চাহেবে কেতিয়াও একো নিবিচাৰে। বাবুভাই আহিলেই কয়, 'বাবুভাই, তোমাক ভাবীজীয়ে বিচাৰিছিল।'

বাবুভাই পোনে পোনে অন্দৰ মহললৈ গৈ পুনৰ উভতি আহি ঠাকুৰ চাহেবক কৈছিল, "ভাইচাব আপুনি কেনেকুৱা মানুহ। ভাবীজীয়ে ছোৱালীৰ বিয়াত জোৱাইৰ কাৰণে এখন ফিয়েট গাড়ী বিচাৰিছে আৰু আপুনি নহব বুলি কৈছে? মোক কলেইতো হয়।"

"নহয় বাবুভাই, মই এইবোৰ কথালৈ মূৰ ঘমাব খোজা নাই। মোৰ মূৰৰ ওপৰত বহু দায়িত্ব, তাৰ উপৰি মই ছোৱালীৰ বিয়াত যৌতুক দিয়াত একেবাৰে বিশ্বাস নকৰো। পাৰ্টিৰ এটা আইডি-ওলজি আছেতো।" ঠাকুৰ চাহেবে মূৰৰ টুপীটো ঠিক কৰি কলে।

"ইয়াৰ মাজত আপুনি কিয় থাকিব? মই আৰু ভাবীজীয়ে সকলো ঠিক কৰি লম।" বাবুভাইয়ে নিৰ্বিকাৰ ভাবে কলে।

"সেয়া তোমালোকে ভালকৈ বুজিবা, মোক নেটানিবা।" ঠাকুৰ চাহেবৰ ভিতৰ মাত একেবাৰে নিৰ্লিপ্ত।

দুদিন পিচত ঝকঝকীয়া পাৰ্ল গ্ৰে ৰঙৰ ফিয়াট আহিল। ঠাকুৰ চাহাবে চাবলৈকে নগল। চেক্ৰেটেৰিয়টলৈ যোৱাৰ সময়ত স্ত্ৰী ভাগ্যবতী দেৱীক মাত্ৰ কলে, "আৰে, মই পাহৰিয়েই গৈছিলো। বাবুভাইক কৰা তেওঁৰ ইমপোৰ্ট লাইচেন্সখন হৈ গৈছে।"

॥ ৫২ ॥

১৯৪২ চনৰ আগষ্টত আৰম্ভ হৈছিল দেশব্যাপী "ভাৰত ত্যাগ" আন্দোলন। কথাবোৰ ঠাকুৰ চাহেবৰ আজিও মনত আছে। তাৰিখ বোধহয় ১০ আগষ্ট। কোৰ্টৰ সমুখত বিৰাট জনতাৰ ভিৰ। চাৰিওফালৰ পৰা চিঞৰিছে, "ইনকিলাব জিন্দাবাদ" "বন্দে মাতৰম্" কৰো ইয়া মৰো"। জনতা কোৰ্টলৈ আগুৱাই আহিছে। হঠাৎ পুলিচৰ গাড়ী উপস্থিত আৰু আৰম্ভ হল লাঠি-চাৰ্জ। ঠাকুৰ চাহেবে ভিৰ ঠেলি পলাই যাব খুজিছিল। হঠাতে কোনোবা এজনে পুলিচ কনষ্টেবলৰ হাতৰ পৰা লাঠি কাঢ়ি দলিয়াই দিলে। লাঠিডাল শূন্যত ঘূৰি ঘূৰি আহি ঠাকুৰ চাহেবৰ মূৰত পৰিলহি। ঠাকুৰ চাহেব অজ্ঞান হৈ মাটিত পৰি গ'ল। আৰু তেওঁ খাদীৰ কাঁপোৰ কানি তেজত ভিজি গ'ল। যেতিয়া জ্ঞান ওভোতাই পালে, তেতিয়া ঠাকুৰ চাহেব জেলৰ হস্পিতালত। মূৰত বেণ্ডেজ। পিচত গম পালে তেওঁ ডি, আই, আৰত বন্দী। ঠাকুৰ চাহেবৰতো মুখ শুকাই গল। এতিয়া কি হব? কি হব তেওঁৰ স্ত্ৰী, পুত্ৰ, কন্যাৰ? তেওঁলোকেতো নাখায় মৰিব।

সাতদিন পিচত ভাগ্যবতী দেৱী তেওঁক জেললৈ দেখা কৰিবলৈ আহিল। লগত বাবুভাই। খাদী চিল্কৰ শাড়ী ভাগবতী দেৱীয়ে পিন্ধিছে। বাবুভাইয়ে মুক্তকণ্ঠে ঠাকুৰ চাহেবৰ প্ৰশংসা কৰি কলে, "আজি যদি মোৰ দেউতা জীয়াই থাকিলহেঁতেন তেখেত কিমান আনন্দিত হলহেঁতেন। স্বাধীনতা সংগ্ৰামৰ যোদ্ধাসকলৰ প্ৰতি তেওঁৰ বিৰাট শ্ৰদ্ধা আছিল। মই তেওঁৰেই লৰাতো, আপুনি একো নাভাবিব। দেশে আপোনাক মাতিছে। সেই মাতত আপুনি আপোনাৰ সৰ্বস্ব ত্যাগ কৰি সহাঁৰি দিছে। এয়াতো ইতিহাসত সোণালী আখৰেৰে লেখা থাকিব।"

"কিন্তু বাবুভাই মইতো—"

ঠাকুৰ চাহাবে কিবা কোৱাৰ আগতেই ভাগ্যবতী দেৱীয়ে হাঁহি কলে, "তুমিতো কোনোদিনাখনে মোক কোৱা নাছিলা যে তুমি স্বাধীনতা সংগ্ৰামত জপিয়াই পৰিবা। জানা তোমাৰ কাৰণে

আমাৰ কিমান গৰ্ব। যিদিনাখন তুমি গ্ৰেপ্তাৰ হলা সেইদিনাখন আমাৰ ঘৰত মানুহৰ কিমান ভিৰ। সকলোৱে চিঞৰিছিল” ৰকীল চাহাব কি জয়। “ৰকীল চাহাব জিন্দাবাদ” মোক মালা পিন্ধাই কৈছিল, “আপ সচমুচ ভাগ্যৱতী হ্যাঁয়”। জানা তুমি জীৱনত মই কেতিয়াও ইমান আনন্দত বোৱা নাছিলো। কোনোবাই কোনোবাইতো মোৰ ভৰিত ধৰি প্ৰণামো কৰিলে।”

ঠাকুৰ চাহাবে স্ত্ৰীৰ কথা শুনি প্ৰথমতে অলপ অভিভূত হৈ পৰিছিল। এওঁলোকে এইবোৰ কি কৈছে তেওঁ একোকে বুজিব পৰা নাই। পিচত নিজকে দ্ৰুত ভাবে চম্ভালি লৈ কলে, “বাবুভাই, বাপুৰ আদেশ মই কেনেকৈ অমান্য কৰো। এই নৃশংসতা মই কেনেকৈ সহ্য কৰো। সেই কাৰণে মই “কৰো” ইয়া মৰো বুলি আন্দোলনত জপিয়াই পৰিলো। মোৰ যদি সৰ্বস্ব যায় যাওঁক। মই কোনো আকচোচ নকৰো। দেশেই যদি নাথাকে তেনেহলে মই থাকি লাভ কি ?”

“ভাই চাহেব, আপুনি একো নাভাবিব। মইতো আছোঁ, দেশও থাকিব আপুনিও থাকিব আৰু সকলো থাকিব। আপোনাৰ এই স্বাৰ্থত্যাগ, এই সেৱা দেশে জানো কেতিয়াবা পাহৰিব ?” বাবুভাইৰ উচ্ছাসৰ লগতে ইন্টাৰভিউ শেষ হল, আৰু ঠাকুৰ চাহেব বেৰকলৈ উভটি গ’ল।

সেয়া ১৯৪২ চনৰ কথা। তেতিয়া ঠাকুৰ চাহেবৰ বয়স ২৫। এজন ত্ৰীকলেচ উকীল দেশসেৱাৰ ত্ৰীক পাই গল।

তিনি বছৰ পিচত, ১৯৪৫ চনৰ এদিনাখন বাতিপুৱা ঠাকুৰ শিৱপ্ৰসাদ সিঙে জেলৰ পৰা মুক্তি পালে। জেলৰ বাহিৰত বিৰাট জনতা ফুলৰমালা লৈ তেওঁৰ কাৰণে অপেক্ষা কৰি আছে। মাজে মাজে শুনা গৈছিল গগনভেদী শ্লোগান ‘ইনকিলাব জিন্দাবাদ’। ঠাকুৰ চাহেব জিন্দাবাদ। দেশকে সপুত জিন্দাবাদ।” ধীৰ পদ-ক্ষেপেৰে ঠাকুৰ চাহেব আগুৱাই গল বাবুভাইৰ অপেক্ষামান বিৰাট ক্ৰাইচলাৰ গাড়ীৰ কাষলৈ। বাবুভাইৰ পিন্ধনত বগা খাদীৰ ধুতি,

পাঞ্জাবী আৰু জহৰ কোট । ঠাকুৰ চাহেবৰ হাতত কিছুমান কিতাপ, "মই এক্সপেৰিমেণ্ট উইথ ট্ৰুথ", "লেটাৰ টু এ ডটাৰ", "লাইফ ডিভাইন", "ডিচকোভাৰী অফ ইণ্ডিয়া ।" বাবুভাইয়ে হঠাতে ঠাকুৰ চাহেবক সাৱট মাৰি ধৰিলে। দুজনৰ চকুত পানী জনতাই আকৌ চিঞৰিলে, "ঠাকুৰ চাহেব জিন্দাবাদ, দেশকে সপুত জিন্দাবাদ।"

গাড়ীত বহি প্ৰথমতেই ঠাকুৰ চাহেবে কথা কলে, "বাবুভাই সকলো নেতাই জানো মুকলি হৈছে ?"

"ওঁ, সকলোৱে মুক্তি পাইছে। শুনিছো এই বছৰতে প্ৰভিন্সিয়াল এচেম্বলীৰ ইলেকচন হব, আৰু তাৰ পিচতেই প্ৰত্যেক ৰাজ্যতে গভৰ্ণমেণ্ট হব । আপোনাৰ পৰ্টিও ইলেকচনত নামিব আৰু তাৰ কাৰণে প্ৰাৰ্থী নিৰ্বাচন কৰাৰ কাৰণে পাৰ্টিৰ পাৰ্লামেণ্টৰী বোৰ্ডৰ মিটিং পৰহিলৈ দিল্লীত হব ।"

বাবুভাই সক সক কৰি কলে ।

"তেনেহলে কালিলৈ মইতো দিল্লীলৈ যাব লাগিব ?" ঠাকুৰ চাহেবে প্ৰশ্ন কৰিলে।

নাই আপুনি যোৱাৰ কোনো দৰকাৰ নাই। মই দিল্লীত গৈ আপোনাৰ টিকেটৰ সকলো ব্যৱস্থা কৰি আহিছো, আৰু লগতে আৰু আপোনাৰ খাটিৰত ইলেকচন ফাণ্ডত পাঁচলাখ টকা দি আহিছোঁ। তথাপিও মোৰ ভাব হয় দিল্লী গলে ভাল হব। বলক কালিলৈ আপুনি আৰু মই যাওঁগৈ ।" বাবুভাই গাড়ীখন জনতাৰ ভিৰ ঠেলি উলিয়াই কথাবাৰ কলে।

যিঠাইত গাড়ীখন আহি ৰ'লহি ঠাইডোখৰ ঠাকুৰ চাহেবৰ অচিনাকি যেন লাগিল। চহৰৰ শেষ প্ৰান্তত নতুন এক কলোনী হৈছে। আগতেতো ইয়াত জঙ্গল আছিল। আচৰিত হৈ ঠাকুৰ চাহেবে চাইছে । বাবুভাইয়ে কলে, "নামক ভাইচাহাব।"

"ইয়াত কিয় বাবুভাই ? আমি ঘৰলৈ নাযাওঁ জানো ?"

"এয়াতো আপোনাৰ ঘৰ।" গাড়ী ৰ'ত যি ঠাইত বৈছিল তাৰ

সন্মুখত এটা বিৰাট ঘৰ। ঘৰৰ ওপৰত পাৰ্টিৰ পতাকা উৰিছে। ঠাকুৰ চাহেবৰ আচৰিত হোৱা সময়। এয়া ভোজবাজী নেকি ?

"বাবুভাই এই ঘৰ মোৰ কেতিয়াৰ পৰা হল ? ঠাকুৰ চাহেবৰ চকুৰে মূখে বিস্ময়।

"ঠাকুৰ চাহেব, আপুনি এতিয়াও নাচমঞ্চ হৈ আছে। আপুনি দেশৰ কাৰণে ইমানখিনি ত্যাগ কৰিলে, দেশে জানো তাৰ সলনি আপোনাৰ কাৰণে একো নকৰিব ? এই ঘৰ আপোনাৰ। দেশ আৰু দেশৰ আবাল-বৃদ্ধ-বনিতা জনতাই আপোনাক দিছে তেওঁলোকৰ কৃতজ্ঞতাৰ "টোকেন হিচাবে।" বাবুভাইয়ে অম্লানবদনে নিজৰ দানৰ কথা নোকোৱাকৈ কথাষাৰ কলে।

তাৰ পিচদিনাখন বাবুভাই আৰু ঠাকুৰ চাহেব দিল্লীলৈ গ'ল। ঠাকুৰ চাহেবক কিবা কৰিবই লাগিব। সকলো বাবুভাইয়ে কৰিব। সন্ধ্যাবেলা পাৰ্লামেণ্টাৰী বোৰ্ডৰ শেষ মিটিং আৰু তাতেই নিৰ্ণয় হব ঠাকুৰ চাহেবৰ চহৰৰ পৰা প্ৰাৰ্থী কোন হব— ঠাকুৰ চাহেব, নে সত্তৰ বছৰৰ বৃদ্ধ পণ্ডিত ৰামনাৰায়ণ পাণ্ডে— যিজনে জীৱনৰ বাইশ বছৰ কাল জেলত কটাইছিল আৰু তাৰ বেছি ভাগেই সুদূৰ আন্দামানত। ঠাকুৰ চাহেব বেচ চিন্তিত। যদি পাৰ্টিয়ে পণ্ডিতজীকেই প্ৰাৰ্থী ঠিক কৰে ? আশা-নিৰাশাৰ মাজতে ঠাকুৰ চাহেব ৰ'ব লগা হল।

নেতাসকলৰ লগত নিজে দেখা কৰিলে কেনে হয় ? ভাবি থাকোতেই বাবুভাই হোটেলৰ কমলৈ সোমাই আহিল। টেবুলৰ ওপৰত এটা ডিম্পল স্কচৰ বটল থৈ বাবুভাই কলে, "ঠাকুৰ চাহেব, আপুনি অলপ বিশ্ৰাম কৰক মই মিটিংৰ খবৰ লবলৈ যাওঁ। এঘণ্টামানৰ ভিতৰতেই উভটি আহিম।"

"কিন্তু বাবুভাই, এয়া কি ? মইতো জীৱনত কেতিয়াও এইবোৰ খোৱা নাই। তাৰ উপৰি ৰ.পুজীৰ নচা-বন্দী আন্দোলনও। মানুহে গম পালেতো মোৰ ৰাজনৈতিক জীৱনৰ ইতি হৈ যাব।" ঠাকুৰ চাহেবৰ কথাত আতঙ্কৰ সুৰ।

এয়া প্ৰথমবাৰ বাবুভাই ঠাকুৰ চাহেবক ডাঙৰ মাতেৰে চিঞৰি উত্তৰ দিলে, "ঠাকুৰ চাহেব, বেচি বাজে কথা নকব। আপোনাৰ পাৰ্টিৰ ডাঙৰ ডাঙৰ নেতাকে মই চিনি পাওঁ। তেওঁলোকৰ মাজেৰে যিসকলে বাপুজীৰ নশা-বন্দী আন্দোলনত আস্থা ৰাখে সেইওঁলোকৰ নাম মই অ ঙু‘লত গনিব পাৰো। আৰু আপোনাৰ ৰাজনৈতিক জীৱন? সেয়াতো গঢ়িম মই। আপুনি একো কৰিব নালাগে। আপুনি জানে আপোনাৰ কন্সটিটুয়েন্সীও কিমান আদিবাসী ভোটাৰ আছে? তেওঁলোকক মদ নিদিয়াকৈ আপুনি ভাবিছে আপুনি ইলেক্সনত জিকিব বুলি? আপুনি মোৰ প্ল্যানত বাধা নিদিব। আপুনি ইলেক্সনত জিকিবই। এম, এল, এ হব। তাৰ পিচত মিনিষ্টাৰ হব। কিমান ফৰেন ডিপ্লোমেটে আপোনৰ লগত দেখা কৰিবলৈ আহিব নাইবা আপোনাক পাৰ্টিলৈ মাতিব, আৰু আপুনি বেৰসিকৰ দৰে তেওঁলোকৰ লগত গঙ্গাজল খাব?"

"বাবুভাই তুমি এইবোৰ কি কৈছা? মই মিনিষ্টাৰ হম?" ডিম্পল স্কচৰ বটলটোত হাত বুলাই বুলাই ঠাকুৰ চাহেবে কলে।

"নহলে মই জানো ঘোৰাৰ ঘাঁহ কাটিছোঁ? ঠাকুৰ চাহেব আপুনি ঠাকুৰ ৰাজপুত। মইতো শুনিছো আপোনালোকে বাচ্ছা জন্মিলেই শৰাব খুৱায়। তেনেহলে আপোনাৰ ইমান কিয় কিন্তু কিন্তু? সকলো ব্যবস্থাতো মইয়ে কৰিম। আপুনি ভাবিবৰ কি আছে?" বাবুভাই চিঞৰি চিঞৰি কথাখিনি কলে।

ৰাতি এঘাৰটা বজাত বাবুভাই পাৰ্টিৰ টিকেট পোৱা বুলি ঠাকুৰ চাহেবক খবৰ দিবলৈ উভটি আহিছিল। পণ্ডিত ৰামনাৰায়ণ পাণ্ডে টিকেট পোৱা নাছিল। তেওঁ উভটি আহি দেখে ঠাকুৰ চাহেব উলঙ্গ হৈ হোটেলৰ কমৰ বিচনাত পৰি আছে।

তাৰ পিচৰ ইতিহাস খুব বেচি নহয়। ঠাকুৰ চাহেব ইলেকচনত জিকিল। কেনেকৈ জিকিল সেই কথা ঠাকুৰ চাহেব আৰু বাবুভাইয়ে জানিছিল। কিমান বেৰেল মদ বাবুভাইয়ে আদিবাসীৰ মাজত বিলাইছিল, কিমান টকা যে তেওঁ খৰচ কৰিছিল সেই হিচাব ঠাকুৰ

চাহেবে নাজানিছিল আৰু জানিবলৈ আগ্ৰহো নাছিল। জানিলেই বা কি হব। টকা পইচাতো হাতৰ মৰলা। ঠাকুৰ ৰামকৃষ্ণইতো কৈছিল টকা মাটি, মাটি টকা— কিনদী লুকব। মুঠ কথা তেওঁ ইলেকচনত জিকিছে।

তেওঁ ইলেকচন জিকাৰ কাৰণে বহু মানুহে তেওঁক অভিনন্দন জনাবলৈ তেওঁৰ ঘৰলৈ আহিছিল। ফুলৰ মালাৰে ঠাকুৰ চাহেবৰ ঘৰৰ এয়াৰ কণ্ডিচন ড্ৰইংৰুম ভৰ্ত্তি হৈ গৈছিল। তেতিয়া ঠাকুৰ চাহেবে তেওঁৰ তিনিবছৰ জেল জীৱনৰ কথা ভাঙৰ ডাঙৰ কৈ কৈছে। এনে সময়তে পণ্ডিত ৰামনাৰায়ণ পাণ্ডে সোমাই আহিল। লাঠি ঠুকঠুক কৰি আগুৱাই আহি বৃদ্ধ পাণ্ডেজীয়ে ঠাকুৰ চাহেবক আলিঙ্গন কৰি কলে, "ঠাকুৰ চাহেব মুবাৰক হো।"

"ধন্যবাদ পণ্ডিতজী" ঠাকুৰ চাহেবে তেওঁৰ ভৰি ছুই প্ৰণাম কৰিলে।

"খুচ ৰহোঁ" বুলি কৈ পুনৰ লাঠি ঠুকঠুক কৰি বৃদ্ধ পণ্ডিত ৰাম-নাৰায়ণ পাণ্ডে উভটি গল নিজৰ সৰু ঘৰলৈ আৰু মহাত্মা গান্ধীৰ ছবিৰ সন্মুখত গীতা খুলি বহিল। তেওঁৰ জলদগম্ভীৰ মাত ওচৰৰ মানুহে শুনিবলৈ পালে—

ধৰ্ম্মক্ষেত্ৰে কুৰুক্ষেত্ৰে সমবেতা যুযুৎসবঃ
মামকাঃ পাণ্ডবাশ্চৈব কিম কুৰ্বত সঞ্জয়।।

তাৰ পিচত নিজেই দুহাতেৰে চাপৰি বজাই পাণ্ডেজীয়ে আৰম্ভ কৰিলে ৰামধুন—

"ৰঘুপতি ৰাঘৱ ৰাজাৰাম পতিত পাৱন সীতাৰাম
ঈশ্বৰ আল্লাহ তেৰা নাম সবকো সন্মতি দে ভগবান
ৰঘুপতি ৰাঘৱ ৰাজাৰাম পতিত পাৱন সীতাৰাম
জয় ৰঘুনন্দন জয় সীয়াৰাম
জানকীবল্লভ সীতাৰাম
ৰঘুপতি ৰাঘৱ ৰাজাৰাম।"

প্ৰাৰ্থনা শেষ হোৱাৰ পিচত পণ্ডিতজীয়ে গুদা দাইল আৰু কটী

খাই শুলে। দাইলত আকৌ নিমথ নাই। সেই যে লবন সত্যাগ্ৰহৰ পিচত গান্ধীজী নিমখ খোৱা এৰি দিছিল সেই তেতিয়াৰ পৰা পণ্ডিতজীয়েও নিমখ খোৱা এৰি দিছিল।

শোৱাৰ লগে লগে পণ্ডিতজীৰ টোপনি আহিল। তেওঁ গভীৰ টোপনিত শুই পৰিল, কোনো ভাবনা নাই। চিন্তা নাই। মুখত শিশুৰ দৰে নিৰ্মল হাঁহি।

কিন্তু ঠাকুৰ শিবপ্ৰসাদ সিঙৰ চকুত টোপনি নাই। নতুন ঘৰ, নতুন বিছনা। এইবোৰ কেনেকুৱা যেন। তেওঁৰ জীৱন ওলট-পালট হৈ গৈছে। তেওঁ ভাবিবই পৰা নাছিল যে কোনোবা-দিনাখন তেওঁ এম এল এ হব। বাবুভাইয়ে কৈছে তেওঁ মিনিষ্টাৰ হব। পিচদিনাখন বাকী থকা ইলেকচন শেষ হব আৰু তাৰ পিচতেই মিনিষ্ট্ৰী গঠিত হব। ঠাকুৰ চাহেব যে কেনেকৈ মিনিষ্ট্ৰীলৈ আহিব সেয়া তেওঁ নিজেই বুজিব পৰা নাছিল। বাবু ভাইয়ে জানো যাদু জানে? এৰা হয়তো জানে—পইচাৰ যাদু।

দুদিন পিচত ৰাজধানীৰ গবৰ্ণমেণ্ট হাউচত শিবপ্ৰসাদ সিঙে মিনিষ্টাৰ হিচাবে শপত গ্ৰহণ কৰিলে। ইংৰাজ গবৰ্ণৰৰ লগত হাত মিলালে।

তাৰ দুবছৰ পিচত ১৫ আগষ্টত ভাৰতবৰ্ষ স্বাধীন হল। নতুন কৈ পুনৰ মন্ত্ৰীসভা গঠিত হ'ল। এইবাৰো ঠাকুৰ চাহেব মন্ত্ৰী হল। এইবাৰ কিন্তু শপত ললে ভাৰতীয় গবৰ্ণৰৰ সমুখত ৰাতি বাৰটা বাজি এক মিনিট যোৱাত। তেতিয়া দিল্লীত ডোমিনিয়ন পাৰ্লা-মেণ্টত পণ্ডিত জৱহৰলাল নেহেৰুৱে কৈছে—

"Long years ago we made a trust with destiny and now the time comes when we shall redeem owe pledge not wholly or in full measure, but very substantially. At the stroke of midnight hour when the world sleeps India will awake to life and freedom. A moment comes which come but rarely in history when we step out from the old to the new, when an age ends and when the soul of a nation long suppressed finds uturance."

গবৰ্ণমেণ্ট হাউচৰ পৰা ওলাই ঠাকুৰ চাহাবে দেখিলে সেই মাজ নিশাৰ উৎসৱ। বঙ্গদেশ, পাঞ্জাব আৰু দিল্লীৰ সংঘৰ্ষ আৰু লাখ লাখ শৰণাৰ্থীৰ বুকু ভঙা কান্দোনৰ ধ্বনিত সেই স্বাধীনতাৰ উৎসৱক ম্লান কৰিব পৰা নাছিল। "ইনকিলাব জিন্দাবাদ," "ভাৰতমাতা কি জয়" চিঞৰত আকাশ বতাহ কঁপি উঠিছিল।

জনতাৰ উল্লাস আৰু জয়ধ্বনি যেতিয়া গবৰ্ণমেণ্ট হাউচৰ সন্মুখত স্বাধীন ভাৰতৰ মন্ত্ৰীসকলক অভ্যৰ্থনা জনাইছে, তেতিয়া ৰাজধানীৰ পৰা ৫০ মাইল দূৰৈত ঠাকুৰ চাহেবৰ জন্মস্থান, সেই সৰু চহৰৰ এটা সৰু গলিত পণ্ডিত ৰামনাৰায়ণ পাণ্ডে প্ৰাণ ত্যাগ কৰিলে। মুখত সেই নিৰ্মল হাঁহি। ডাক্তৰে কৈছিল, "ডায়েড পীচফুলি ইন শ্লীপ। সেই সৰু চহৰখনতো মাজনিশা জনতাৰ বিৰাট শোভাযাত্ৰা ওলাই-ছিল। জনতাৰ "ইনকিলাব জিন্দাবাদ," "ভাৰত মাতা কি জয়" আৰু "মহাত্মা গান্ধী কি জয়"ৰ জয়ধ্বনিৰ মাজত পণ্ডিতজীৰ মৰা দেহ কান্ধত লৈ মুষ্টিমেয় শ্মশানযাত্ৰীৰ "ৰাম নাম সত্য হ্যায়, সত্য বোলো মুক্ত হ্যায়" কোনোৱে শুনিবলৈ নাপালে। স্বাধীনতাৰ মাদকতাত তেতিয়া সকলো মত্ত।

এয়া যে পণ্ডিত নেহেৰুৱে কিছু সময় আগতে কৈছিল "When we step out from the old to new..."—পণ্ডিত ৰামনাৰায়ণ পাণ্ডেৰ পৰা ঠাকুৰ শিৱপ্ৰসাদ সিং।

আহিল ২৬ জানুৱাৰী ১৯৫০। ভাৰতবৰ্ষ হল ৰিপাব্লিক। লৰ্ড লুই মাউণ্টবেটনে তেওঁৰ দেশ তেওঁৰ ঠাইলৈ গুচি গৈছে আৰু তেওঁৰ ঠাইত গবৰ্ণৰ জেনেৰেল হৈছিল মিঃ আৰ ৰাজগোপালাচাৰী। আৰু তাৰ পিচত প্ৰথম ৰাষ্ট্ৰপতি হল ডঃ ৰাজেন্দ্ৰ প্ৰসাদ। নিজৰ প্ৰদেশত পুনৰ মন্ত্ৰী হল ঠাকুৰ শিৱপ্ৰসাদ সিং। ১৯৫২ ৰ পৰা ১৯৭২ সকলো নিৰ্বাচনতেই জয়ী হল ঠাকুৰ চাহেব। কিন্তু দেশৰ ৰাজ-নীতিৰ ৰঙ তেতিয়া সলনি হৈছে। আৰু তাৰ লগত ঠাকুৰেও সমানে উটুৱাই নিছে। যেতিয়াই দৰকাৰ হৈছে তেওঁ তেওঁৰ মন্ত্ৰীত্ব বজাই ৰাখিবলৈ দল সলনি কৰিছে, কিন্তু প্ৰত্যেকবাৰতেই বাবু

ভাইৰ উপদেশ তেওঁ লৈছিল। যেনেকৈ তেওঁৰ দল সলনি কৰোতে সময় লোৱা নাই তেনেদৰে উভটি আহোতেও সময় লগা নাই। তেওঁৰ পাৰ্টিও তেওঁক সসন্মানেৰে ওভোতাই লৈছে। তেওঁৰ ভাগ্য পৰিবৰ্ত্তনৰ লগে লগে বাবুভাইৰো ভাগ্য পৰিবৰ্ত্তন হৈছে। বাবুভাই এতিয়া কোটিপতি। যিমানবাৰেই ডেলিগেচনৰ লগত তেওঁ বিদেশলৈ গৈছে, তাৰ দুদিন আগতে সেইবোৰ দেশত উপস্থিত হৈছিল আৰু ঠাকুৰ চাহেবৰ চুইজাৰলেণ্ডৰ নাম্বাৰত একাউণ্টত টকাৰ ৰাশি ফুলি উঠিছে।

ৰবীক টোপনি অনাওতে ঠাকুৰ চাহেবৰ তন্দ্ৰা আহিছিল। হঠাৎ তেওঁৰ টোপনি ভাগি গল। তেওঁৰ অভিন্নহৃদয় বন্ধু বাবুভাইৰ আজি ভীষণ বিপদ। তেওঁক সাহায্য কৰিবলৈ তেওঁ দিল্লীলৈ আহিছে। উটকামণ্ডত কন্ফাৰেন্স আছিল, দেশৰ কমাৰ্চ আৰু ইণ্ডাষ্ট্ৰী মিনিষ্টাৰসকলৰ— সেই কাৰণে ঠাকুৰ চাহেব তালৈ গৈছিল। বাবুভাই আহি তাত লগ ধৰিছেহি। বাবুভাইৰ কথা শুনি ঠাকুৰ চাহেব চিন্তিত হৈ পৰিছিল কিন্তু ভাগি পৰা নাছিল। পাঁচকোটি টকাৰ টেণ্ডাৰ পাই বাবুভাইৰ কোম্পানীয়ে নদীৰ ওপৰত ব্ৰীজ সাজিছিল। দুমাহৰ ভিতৰতে তাৰ দুটা স্পেন খহি গৈছে। বিধান সভাত তুমুল বিতৰ্ক হৈছে। আৰু বিপক্ষৰ নেতাসকলে অভিযোগ কৰিছে যে ডাঙৰ ডাঙৰ চৰকাৰী অফিচাৰ আৰু মিনিষ্টাৰৰ লগত জোট পকাই তেওঁলোকক টকা ভেটি দি ব্ৰীজ বনোৱাৰ সময়ত চাব-ষ্টেণ্ডাৰ্ড চিমেণ্ট ব্যৱহাৰ কৰিছিল সেই কাৰণে এই দুৰ্ঘটনা হৈছে। যিসময়ত দুৰ্ঘটনা ঘটে সেই সময়ত দুখন বাছ ব্ৰীজৰ ওপৰেদি গৈছিল। স্পেন ভঙাৰ লগে লগে দুয়োখন বাছ নদীৰ গৰ্ভত পৰি যায় আৰু প্ৰায় আশীজন মানুহৰ জীবন্ত সলিল সমাধি হয়। এই বিষয়লৈ খবৰ কাগজতো লেখালেখি হয়। সেই কাৰণে চৰকাৰে তদন্তৰ কাৰণে গোটেই বিষয়তো চি, বি, আইৰ হাতত এৰি দিছে। এই তদন্ত বন্ধ কৰিব লাগিব। এই তদন্ত বন্ধ নহলে অকল বাবুভাই আৰু ঠাকুৰ চাহেবে নহয়, আৰু বহুতো ডাঙৰ ডাঙৰ নেতা আৰু

অফিচাৰো বিপদত পৰিব। কিন্তু বাবুভাই ইয়াৰ বাহিৰেও আন এটা বিষয়ত চিন্তিত হৈ পৰিছিল। কেচু খান্দোতে যদি সাপ ওলোৱাৰ দৰে তেওঁ স্মাগলিঙৰ কথাটোও যদি ওলাই পৰে। বাবুভাই সাধাৰণতে স্মাগলিং নকৰে, কিন্তু ঠাকুৰ চাহেব আৰু আন আন বহু মন্ত্ৰীৰ স্ত্ৰী-কন্যা-পুত্ৰৰ কাৰণে বিদেশী বস্তুৰ প্ৰতি ইমান লোভ যে তেওঁলোকৰ চখ মিটাবলৈ বাবুভাই মাজে মাজে ডুবাইৰ পৰা কিছু পাৰফিউম, চিগাৰেট, ব্লেড, পেন্টি, হেয়াৰড্ৰায়াৰ, টেপ ৰেকৰ্ডাৰ, ব্ৰেচীয়াৰ আনিব লগা হয়। কিছুমান মিনিষ্টাৰৰ ল'ৰা আৰু ছোৱালীয়েতো অকল বিদেশী কণ্ট্ৰাচেপটিভহে ব্যৱহাৰ কৰে।

ঠাকুৰ চাহেবৰ হাতদুখনত ধৰি উঠীত বাবুভাইয়ে কৈছিল, "ঠাকুৰ চাহেব, আজি পৰ্য্যন্ত আপোনাৰ পৰা মই একোকে বিচৰা নাই। এইবাৰ সময় হৈছে আপুনি মোক সাহায্য কৰিব পাৰে।"

"কোৱা বাবুভাই, তুমি কি বিচাৰিছা। মই আজি যি সেয়া সকলো তোমাৰ কাৰণে। তোমাৰ ঋণ মই কোনোদিনাখনে শোধ কৰিব নোৱাৰিম।" ঠাকুৰ চাহেবে কৈছিল।

বাবুভাইয়ে সকলো কথা ঠাকুৰ চাহেবক কলে। ঠাকুৰ চাহেব দিল্লী যোৱাৰ কাৰণে মুহূৰ্ত্ততে সাজু হৈ ওলাল।

"মাদ্ৰাজৰ পৰা দিল্লীৰ প্লেনৰ টিকেট কাটি আনো?" বাবুভাইয়ে সুধিলে।

"বাবুভাই প্লেনত মই নাযাওঁ। প্লেনত যাবলৈ মোৰ ভীষণ ভয় লাগে। মই ট্ৰেনতে যাম। ইয়াৰপৰা মাদ্ৰাজলৈ ব'লা, তাৰপৰা টেন আপ ধৰি বোম্বেলৈ যাম। বোম্বেৰ পৰা দিল্লী।"

"পলম হৈ নাযাব ঠাকুৰ চাহেব?" বাবুভাইয়ে সুধিলে।

"বাবুভাই, যিমান দিন আমাৰ দেশত আই চি এচ আৰু তেওঁলোকৰ বঙা ফিটা আছে—কোনো কামেই ইমান সোনকালে নহয়।"

ওপৰৰ বাৰ্থত বাবুভাই নাক বজাই শুইছে। এতিয়া তেওঁৰ কোনো চিন্তা নাই। তেওঁৰ সকলো চিন্তা এতিয়া ঠাকুৰ চাহেবৰ চিন্তা। তলৰ বাৰ্থত ৰবীও মোটা কম্বলৰ তলত শুই শুৰ শুৱাইছে।

ৰবীক নজগোৰাকৈ ঠাকুৰ চাহেব উঠি বহিল। তেওঁৰ মূৰত বহু চিন্তা। বাবু ভাইৰ কথা লৈ দিল্লীত তেওঁ কাক ধৰিব। এনেকুৱা কোন আছে তেওঁৰ কথা শুনি বাবুভাইক বচাব। শেষত হিতে বিপৰীত নহয়তো? নাই দৰকাৰ নাই চাচা আপন প্ৰাণ বাচা। বাবুভাইক বচাবলৈ গৈ তেওঁৰ যদি নিজৰ বদনাম হয়? ঠাকুৰ চাহেবৰ মন সন্দেহত দুলি উঠিল। তেওঁ যে বাবুভাইক কথা দিছে। কিন্তু কথা দিছে বুলিয়েতো তেওঁ নিজকে ফাচী কাঠত ওলোমাব নোৱাৰে ঠাকুৰ চাহেব কাৰণে বাবুভাই বহুত কৰিছে, কিন্তু ঠাকুৰ চাহাবে জানো বাবুভাইৰ কাৰণে একোৱেই কৰা নাই? তেওঁ তেওঁৰ ঋণ সাধ্যমতে শোধ কৰিছে। অৱস্থা বুজি তেওঁ ব্যৱস্থা কৰিব। অৱশ্যে এনে তেওঁ একো নকৰে যাতে তেওঁৰ ৰাজনৈতিক জীৱনৰ কোনো ক্ষতি নহয়।

ঠাকুৰ চাহাবে আৰু ভাবিব নোৱাৰিলে। তেওঁৰ মূৰ হঠাতে গৰম হৈ উঠিল। তেওঁ স্লাইডিং দুৱাৰ ঠেলি বাহিৰলৈ ওলাই আহিল। মূৰত ঠাণ্ডা বতাহ লগাওতে কিছু সুস্থবোধ কৰিলে। কিন্তু বাবুভাই চিন্তাই তেতিয়াও মূৰত জট পকাইছে। ঠাকুৰ চাহেব মনে মনে এই সিদ্ধান্তলৈ আহিল যে, দেশখন ডেমোক্রেচী ডেমো-ক্রেচী বুলিয়েই গল। আৰে ডেমোক্রেচী ভোগ কৰাৰ ক্ষমতাতো লাগে। ক'ত সেই যোগ্যতা দেশৰ মানুহৰ। এই ডেমোক্রেচী নথকাহেঁতেন দেশখনে আৰু সোনকালে উন্নতি কৰিব পাৰিলে-হেঁতেন। এইবোৰ বিৰোধী পাৰ্টি, এই বাকস্বাধীনতা, এই ফ্ৰীদম অফ দি প্ৰেছ—এইবোৰেতো দেশক ডুবাইছে। হঠাতে তেওঁৰ খঙ কিছুমান খবৰৰ কাগজৰ ওপৰত পৰিল। তেওঁৰ হাত থকা হলে তেওঁ এইবোৰ কাগজৱালাক চাই ললেহেঁতেন। দিনৰ পিচত দিন তেওঁলোকে তেওঁৰ ওপৰত জুলুম কৰিছে। যি ইচ্ছা তাকে লিখিছে আৰু তেওঁ একোকে কৰিব পৰা নাই। তেওঁৰ মুখ্যমন্ত্ৰীও একেবাৰে "নিনকমপুপ"। কাগজৱালাক একেবাৰে জোকাব খুখুজে। অথচ যেতিয়া কাগজত তেওঁৰ নিজৰ বিৰুদ্ধে কিবা ওলায় তেওঁ নিজৰ মুখ্যমন্ত্ৰীৰ কোঠাত বহি কাগজখন ফালি চিঞৰি উঠে, "চালো বহোত হাৰামী হ্যায়।"

"চব চালা ব্লাডী হামবাগ।" ঠাকুৰ চাহেবৰ নিজৰ অজানিতে কথাষাৰ মুখৰপৰা ওলাই গ'ল।

॥ চাৰি ॥

"ডি" কোম্পাৰ্টমেণ্টত তৰ্কৰ তুমুল ধুমুহা বৈছে। ৰামৰ গ্লাচটো হাতত নচুৰাই নচুৰাই ব্যঙ্গ কৰি প্ৰাচীন সাংবাদিক ভামন তামন যোশীয়ে কলে, "আই টেল ইউ, চী ইজ এ ব্লাডী হামবাগ। প্ৰোগ্ৰেচিভ মাই লেফট্ ফুট।" যোশীৰ কটাক্ষৰ লক্ষ্য আছিল শ্ৰীমতী ইন্দিৰা গান্ধী। "ডি" কম্পাৰ্টমেণ্টত ভামন তামন যোশী, কৃষ্ণকুমাৰ মিশ্ৰ, ওমি কাপুৰ আৰু অনিমেষ লাহিড়ী সকলো নামি সাংবাদিক। তেওঁলোক সকলোৱে দিল্লীৰ পৰা বাঙ্গালোৰলৈ আহিছিল অল ইণ্ডিয়া কংগ্ৰেছ কমিটিৰ মিটিং ৰিপোৰ্ট কৰিবলৈ। এই মিটিঙতে হৈছিল কংগ্ৰেছৰ বিভাজনৰ বীজ ৰোপণ, যেতিয়া শ্ৰীমতী গান্ধী অধুনা-বিখ্যাত অৰ্থনৈতিক অৱস্থাৰ ওপৰত তেওঁৰ "ষ্ট্ৰে থাইচ" ৰাখে! তেওঁক পৰাস্ত কৰিবলৈ তেতিয়া তেওঁৰ ইচ্ছাৰ বিৰুদ্ধে পাৰ্লামেণ্ট বোৰ্ড শ্ৰীসঞ্জীৱ ৰেড্ডীক ৰাষ্ট্ৰপতিৰ পদৰ প্ৰাৰ্থী মনোনীত কৰে। ঠিক তেতিয়াই কংগ্ৰেছৰ বিভাজন হোৱা নাছিল, কিন্তু সাংবাদিকৰ মাজত বিভাজন তেতিয়াই হৈছিল। এদল হল নিজলিঙ্গপ্পা আৰু চিণ্ডিকেটৰ সমৰ্থক আৰু বাকীবোৰ হ'ল ইন্দিৰা গান্ধী বা ইণ্ডিকেটৰ সমৰ্থক। সেই কাৰণে কৰ্ণাটকবাসী যোশীয়ে ইন্দিৰা গান্ধীক আক্ৰমণ কৰিলে, কৃষ্ণকুমাৰ মিশ্ৰ মনে মনে থাকিব

নোৱাৰিলে। পানৰ লগত এসোপা চুণ মুখত সুমুৱাই কলে "তুম ক্যায়া বলতা হ্যায় ম্যান। ইণ্ডিয়া নীডচ ইন্দিৰা এণ্ড নট ফচিল লাইক গপ্পা। মাই শ্লোগান ইজ জি, এম, জী।"

"সেয়া আকৌ কি মিশ্ৰজী?" অনিমেষে চিগাৰেটত হোপা দি ইংৰাজীত সুধিলে।

খিৰিকীৰ চাটাৰ দাঙি পিক পেলাই মিশ্ৰই কলে, "গপ্পা মাষ্ট গো।"

যোশীৰ মেজাজ সপ্তমত। তেওঁ ভাবিছিল যদি এই যুদ্ধত নিজলিঙ্গপ্পা হেৰাই যায় তেনেহলে তেওঁৰ ৰাজনৈতিক জীৱনৰ ক্ষতি তো হবই, তাৰ লগত বহুতো কান্নাডিগাবেই বিপদত পৰিব। বেলগাওঁ লৈ বহুদিনৰ পৰাই মহাৰাষ্ট্ৰ আৰু কৰ্ণাটকৰ যুদ্ধ চলি আছে। কৰ্ণাটকবাসীৰ—তেওঁলোক লিঙ্গায়েৎ নাইবা ভক্কালিগা সম্প্ৰদায়ভুক্ত হওঁক নাইবা ব্ৰাহ্মণ হওঁক—এই ধাৰণা বদ্ধমূল আছিল যে নিজলিঙ্গপ্পা কংগ্ৰেছৰ মহাৰথীৰ মাজত থাকিলে বেলগাওঁ কৰ্ণাটকৰ থাকিবই। এই আশাতেই সিদিনাখন নিজলিঙ্গপ্পা প্ৰেচিডেণ্ট হল তাৰ কেইদিনমান পিচতেই যোশীয়ে বেলগাওঁত এডোখৰ মাটি কিনিছিল। এতিয়া এই ক্ষমতাৰ যুদ্ধত যোশীৰ হিচাব অনুযায়ী মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী বসন্তৰাও নায়কে ইন্দিৰা গান্ধীক সমৰ্থন কৰিব আৰু তাৰ পুৰস্কাৰ হিচাবে বেলগাওঁ মহাৰাষ্ট্ৰলৈ যাবগৈ। তেতিয়া কি হব কন্নাডিগা দৰ—আৰু বিশেষত যোশীৰ মাটিৰ কি হব? তেওঁ কোনো কালেই মহাৰাষ্ট্ৰৰ বাসিন্দা হব নোৱাৰিব। সাংবাদিক হিচাবে যোশীৰ নাম আৰু মহাৰাষ্ট্ৰৰ বিদ্বেষৰ কথা কাৰো অজানা নহয়।

যোশীৰ ৰামৰ গ্লাচ তেতিয়া খালি। বটলৰ পৰা ৰাম ঢালি সদাহাস্যময় ওমি কাপুৰক কলে, "কপুৰনীৰ তোপেন ডুৰা"। নিজৰ ভাষাত পানী বিচাৰি লাজ পাই কলে, "আই এম চৰি, আই ওৱাণ্ট চাম ওৱাটাৰ।"

"আৰে হাম পানী দেগা" কৃষ্ণকুমাৰ মিশ্ৰই গ্লাচত পানী ঢালি

চালি হাঁহি কলে, 'যোশী, তুম বহোত নাৰাজ হোগয়া।"

"তুম ফালতু বোলেগা আউৰ হম নাৰাজ নেহী হোগা ইয়ে ক্যায়চা বাত।" যোশীয়ে বিৰক্তিৰে কলে।

"আৰে হাম ফালতু বাত ক্যায়া বোলা। তুম গপ্পাকো চাপোর্ট কৰতা, হম মেডামকো চাপোর্ট কৰতা। ইচমে ফালতু ক্যায়া হ্যায়।" মিশ্ৰই যোশীৰ হিন্দীৰ অনুকৰণ কৰি কথা কলে।

মেডাম ফালতু হ্যায়", যোশীয়ে খণ্ডত কলে।

"গপ্পা ফালতু হ্যায় আউৰ মেডাম চণ্ডী হ্যায়" মিশ্ৰই আৰু এখন পান আৰু ৰাম পেগ ডিভিত ঢালি হাত কোচাই যোশীৰ ফালে আগুৰাই আহিল।

কাপুৰ আগুৰাই আহিল। দুয়োজনকে ঠেলা মাৰি বাৰ্থত বহুৰাই, কাপুৰ অনিমেষৰ ফালে আগুৰাই আহি কলে, 'এই দাদা, তুচী কই গল কৰো।'

অনিমেষ বেচ কিছুদিনৰ পৰা ওমি কাপুৰক জানে। এনেকুৱা এজন প্ৰাণখোলা নিৰ্মলহৃদয়ৰ মানুহ এই পৃথিৱীত বিৰল। ১৯৬৪ চনৰ পাকিস্তানৰ লগত যুদ্ধৰ সময়ত অনিমেষ আৰু ওমি কাপুৰে একেলগে ফ্ৰণ্ট লাইনৰ পৰা নিজৰ কাগজৰ কাৰণে ৰিপোটিং কৰিছিল। মানুহ হিচাবে ওমি কাপুৰৰ তুলনা নাই। ডেৰা-বাবা-নানক, খেমকৰণ সকলো চেক্টৰতেই ওমি কাপুৰ আৰু অনিমেষে একেলগে কভাৰ কৰিছিল। মানুহজনৰ এটাই দোষ। ভীষণ মদপী। যেতিয়া ওমি কাপুৰ চণ্ডীগড় ক্লাবলৈ আহে বাৰম্যান শ্যামলালে কৈছিল, "চেম্পিয়ন পিনেৱালা আগয়া।" ৰাতি এবাৰ বজাত ওমি কাপুৰৰ লগত শ্যামলালৰ বাজি লাগিছিল। শ্যামলালে এক নিশ্বাসত সাত পেগ ৰাম বিনা পানীৰে খাব পাৰিছিল। ওমি কাপুৰে ছয় পেগ খোৱাৰ পিচত শ্যামলালক কোম্পানী দিয়াৰ কাৰণে দুই পেগ আৰু খাইছিল। ৰাতি কিন্তু দুয়োজনকে গাড়ীৰ পিচত বহুৱাই দি অনিমেষে ঘৰত থৈ আহিছিল

হঠাতে অনিমেষে হাঁহি দিলে। এদিনাখনৰ কথা মনত পৰে।

সন্ধ্যাবেলা ওমি কাপুৰ আৰু অমিমেষ চণ্ডীগড় ক্লাবলৈ আহিছিল। প্ৰাচ লৈ সকলো বাৰত বহি আছে, এনে সময়তে এৱাৰ বেইভ চিগ্‌নেলৰ চাইৰেন বাজিল। অনিমেষ ওমি কাপুৰ আৰু সকলোৰে নিজৰ নিজৰ প্ৰাচলৈ ট্ৰেন্সত সোমালগৈ।

আধা ঘণ্টা এক ঘণ্টা হৈ গল। পাকিস্তানৰ মিৰাজ প্লেন উভটি গ'ল। কিন্তু চণ্ডীগড়ত অল ক্লিয়াৰ চিগনেল শুনা নগল। ঘৰৰ কামোবত সকলোৰে অতিষ্ঠ ।

ট্ৰেন্সৰ পৰা হঠাতে ওমি কাপুৰে কৈ উঠিল, শ্যামলাল দো নম্বৰ ট্ৰেন্স—পাঁচ ড্ৰিংক ভেজ দো।" হাঁহি হাঁহি সকলোৰে পেট বিষাইছিল। চাইৰেন বেয়া হোৱা কাৰণে এয়া হৈছিল।

সদায় ৰাতি ওমি পলম কৈ ঘৰলৈ আহে। আৰু সদায় ঘৈণীয়েকক কিবা নহয় কিবা এটা অজুহাত দেখুৱায়। তেওঁৰ স্ত্ৰী প্ৰকাশে কোনোদিনাখনে একো নকয়। হাতত ধৰি ওমিক টেবুলত বহুৱাই দি কৰুণ স্বৰেৰে মিনতি কৰি কৈছিল, "ৰাত বহোত হো গই হ্যায় ভাবলিং, আভ খানা খালো।"

আৰু এদিনাখনৰ ৰাতিৰ কথা অনিমেষৰ মনত পৰে। সেই দিনাখন ৰাতি বাৰবজাৰ সময়ত চণ্ডীগড় ক্লাবত হৈ চৈ আৰম্ভ হ'ল। বাৰ কাউণ্টাৰৰ তলত এদাল সাপ শ্যামলালে দেখা পালে। সেয়া এক অদ্ভুত দৃশ্য। কেইবাজনো আধামাতাল আৰু বদ্ধমাতালে সাপডালৰ পিচত দৌৰাদৌৰি আৰম্ভ কৰিলে। আৰু সাপডালেও কেতিয়াবা কাৰ্পেটৰ তলত, কেতিয়াবা কিচেনত আৰু কেতিয়াবা টয়লেইলৈ পলাইছে। প্ৰায় দু-ঘণ্টা যুদ্ধৰ পিচত বদ্ধমাতাল ওমি কাপুৰে সাপডাল তেওঁৰ ষ্টুলৰ তলত দেখা পালে। সকলোৰে বাধা দিয়া সত্বেও ওমিয়ে হঠাতে, এটা চোডাৰ বটল সাপডালৰ মূৰ লক্ষ্য কৰি মাৰি পঠিয়ালে। বটলটো ফটাৰ লগে লগে সাপটোৰ মূৰটোও থেতেলা খাই যায়। তাৰপিচত কোনো কথা নকোৱাকৈ অনিমেষৰ ওচৰলৈ আহি কলে, "দাদা হমকো ঘৰ ছোড় দো।"

ঘৰ পাই কলিংবেল টিপাৰ লগে লগে প্ৰকাশে দুৱাৰ খুলি দিলে। উচ্ছাসিত হৈ ওমিয়ে কলে, "প্ৰকাশ আজ ক্লাবমে এক সাপ নিকাল আয়া। উচকো ম্যায়নে মাৰা। উচীলিয়ে দেৰ হোগয়ী। মাফ কৰনা।"

মোৰ ফালে চাই সেই করুণ স্বৰেৰে প্ৰকাশে কলে, "ভাই চাহেব কোই বাত নহী। ৰোজ মেৰে ঘৰমে ভী এক সাপ ৰাত দো বাজে আতা হ্যায়। ম্যায় উচকো মাৰতী নহী। উচকে লিয়ে দৰওৱাজা খোল দেতী হুঁ।"

ওমিয়ে চলচলীয়া চকুৰে অনিমেষৰ ফালে চাই ভিতৰলৈ সোমাই গ'ল। অনিমেষৰ দুখ লাগিল। তেওঁৰ মনত পৰিল সৰুতে পঢ়া সেই বাঘ আৰু গৰখীয়াৰ গল্পটো। সদায় মিছা কথা কোৱাৰ কাৰণে আজি তেওঁ কোৱা কঠিন সত্যকো প্ৰকাশে বিশ্বাস নকৰিলে। অকল সেয়াই নহয়, প্ৰকাশে যি কলে তাৰ মানে অনিমেষে বেচ বুজিব পাৰিলে। মোৰ ঘৰতো ৰাতি দুই বজাত এটা সাপ আহে। সেয়া মই নামাৰো। তাৰ কাৰণে মই ঘৰৰ দুৱাৰ খুলি দিও। মানে ওমিকেই প্ৰকাশে সাপৰ লগত তুলনা কৰিলে।

ওমিকাপুৰ আগতে যেনেকুৱা আছিল এতিয়াও তেনেভাবেই আছে। নহয়, সেয়া কলে ভুল কোৱা হব। তেওঁৰ জীৱনত এটি পৰিবৰ্ত্তন হৈছে। তেওঁ এতিয়া মাজৰাতি মিছা কথা কব নালাগে। কাক বা মিছা কথা কব। যিজনক কৈছিল তেওঁতো নাই। এবছৰ মান আগতে প্ৰকাশৰ নিজৰ ঘৰৰ বাগানত সাপৰ কামোৰত মৃত্যু হয়।

কিন্তু নিজৰ জীৱনৰ ইমান ডাঙৰ ট্ৰেজেদীৰ পিচতো ওমিকাপুৰে তেওঁৰ ৰসিকতা আৰু চেন্স অফ হিউমাৰ হেৰোৱা নাই। যোশী আৰু মিশ্ৰক বাৰ্থত জোৰ কৰি বহুৱাই দি কলে, "দাদা তুচী কোই গল কৰো।"

অনিমেষে হাঁহি ওমিৰ ফালে চাই কলে, "মগৰ হম ক্যায়া বোলেগা। ঝগড়া যোশী আউৰ মিশ্ৰকা নহী। ঝগড়া নিজলিঙ্গপ্পা

আউৰ ইন্দিৰা গান্ধীকা হ্যায়। বহোত বড়া ঝগড়া হ্যায়, হাম ক্যায়া বোলেগা।”

“আৰে দাদা তুম তো দিপ্লোমেটকে মাফিক বোলতা হ্যায়।” ওমিয়ে গ্লাচৰ বাম খিনি ডিঙিত ঢালি দিলে।

“নহী ওমি হম ইচমে ক্যায়া বোলেগা ?” সহজ কথাখিনি ভাবি হঠাতে অনিমেষৰ কেনেকুৱা বিতৃষ্ণা লাগিল। পৃথিবীত কিমান সমস্যা আছে কিমান মানুহৰ। তেওঁলোকে জানো নিজৰ দেশৰ ৰাজনৈতিক পৰিস্থিতিৰ সমাধান বিচাৰে ? সাংবাদিক হিচাবে অনিমেষে নিজৰ ৰাজনৈতিক সমস্যা সম্বন্ধে বহু চিন্তা কৰে। দিনৰ পিচত দিন, সপ্তাহৰ পিচত সপ্তাহ, মাহৰ পিচত মাহ, বছৰৰ পিচত বছৰ সেয়া লৈ তেওঁ লিখে নিজৰ কাগজত। কিন্তু তেওঁৰ নিজৰ জীৱনৰ সমস্যা, সেয়ালৈতো কোনোৱে চিন্তা নকৰে। কোনোৱে চিন্তা নকৰে বুলি জানো তেওঁৰ নিজৰ কোনো সমস্যা নাই ? আছে, বহু সমস্যা আছে। অনিমেষে বুজিব নোৱাৰে, নিজৰ যিবোৰ তেওঁৰ একো নহয়, তেওঁলোকে তেওঁক ভাল পায়, আৰু যিসকল তেওঁৰ খুব নিজৰ তেওঁলোকে তেওঁক ঘৃণা কৰে।

অনিমেষ অতীতলৈ উভটি যাবৰ চেষ্টা কৰে। অতীতৰ কথা মনত পৰিলে তেওঁৰ ভীষণ কষ্ট হয়। তেওঁৰ দেউতাকে বিচাৰিছিল তেওঁৰ দৰে তেওঁৰ লৰাও একাউন্টচ ডিপাৰ্টমেণ্টত সোমাওঁক। অনিমেষে সেয়া নকৰিলে। ১৯৪২ ৰ আন্দোলনত সোমাই পৰিল আৰু কিছুদিন জেলত থাকি যেতিয়া অনিমেষ ঘৰলৈ আহিল—তেতিয়া তেওঁৰ দেউতাকে প্ৰমোচন পাইছে আৰু ৰায় বাহাদুৰ হৈছে। সেই তেতিয়াৰ পৰা দেউতাকৰ লগত তেওঁৰ সম্পৰ্ক নাইকিয়া হ’ল।

কিন্তু শতাব্দী ? শতাব্দীয়ে কিয় তেওঁক ভুল বুজিলে ? শতাব্দীয়ে জানি শুনিয়েই অনিমেষক বিয়া কৰাইছিল। খুব ধনী পৰিবাৰৰ ছোৱালী শতাব্দী। শতাব্দীৰ দেউতাকে কোনোদিনা ধনে

অনিমেষক পছন্দ কৰা নাছিল। সাংবাদিক বা লেখকসকল হয়তো নিঃস্ব সম্প্ৰদায়ৰ মানুহ বুলি তেওঁ ভাবিছিল। সময় সলনি হৈছে কিন্তু শতাব্দীৰ দেউতাক কুঞ্জবাবু সলনি নহয়। এতিয়াও নামৰ আগত ৰায়বাহাদুৰ লিখিবলৈ তেওঁ গৰ্ব অনুভব কৰে। তেওঁ একেবাৰেই বিশ্বাস কৰিব নোখোজে যে, আজিৰ যুগত সাংবাদিকসকলেও দুই তিনি হাজাৰ টকা দৰমহা পাব পাৰে। যেতিয়াই শতাব্দীয়ে কৈছে—"বাট ডেডী হি গেটচ টু ফাইভ" কুঞ্জ বাবুই পাইপত টান দি কৈছিল—"বুবুল তোক লৰাজনে ব্লাফ দিছে। খবৰৰ কাগজৰ মানুহে মাহে আঢ়ৈহাজাৰ টকা দৰমহা পায়, মই বিশ্বাস নকৰো। টু ফাইভ, মাই ফুট। মাষ্ট বী টু হানড্ৰেড এণ্ড ফিফটি।"

তথাপিও অনিমেষ আৰু শতাব্দীৰ বিয়া হৈছিল। এই বিয়াৰ শতাব্দীৰ পৰিয়ালৰ কোনো নাছিল। শতাব্দীয়ে কোনো আকচোচ কৰা নাই। অনিমেষৰ ফ্লেট, ফাৰ্নিচাৰ আৰু ওৱেল ষ্টকড্ বাৰ সকলো ভাল লাগিছিল শতাব্দীৰ। পিচদিনাখনেই দুয়োজনে হনিমুনৰ কাৰণে কাশ্মীৰলৈ গুচি গৈছিল। প্ৰথম ৰাতিয়েই অনিমেষে তেওঁৰ জীৱনৰ প্ৰথম আঘাত পাইছিল। এসময়ত একেলগে বিচনাত শুৱাৰ সময়ত অনিমেষে জানিব আৰু বুজিব পাৰিছিল যে শতাব্দী "ফ্ৰিজিড"। সেই ৰাতি নিজৰ ভাগ্যকে দোষ দিছিল। কোনো অভিযোগ কৰা নাছিল। তেওঁ শতাব্দীক একোকে কোৱা নাছিল। নাস্তিক অনিমেষে সেই ৰাতি মনে মনে কৈছিল, "ভগবান এনে কিয় আৰু কেনেকৈ হয়? মই কি দোষ কৰিছো?" কোনো উত্তৰ অনিমেষে পোৱা নাছিল। অৱশ্যে কোনো উত্তৰ তেওঁ আশাও কৰা নাছিল।

কিন্তু গোলমাল আৰম্ভ হল কলিকতালৈ উভটি অহাৰ পিচতেই। শতাব্দী ব্যস্ত থাকে তেওঁৰ পাৰ্টি, ৰামি আৰু ব্ৰীজলৈ। ৰাতি যেতিয়া অনিমেষ ঘৰলৈ উভটি আহে, তেতিয়া শতাব্দী হয় বৃদ্ধ মাতাল নহলে জুৱাত হাৰি ভীষণ বেয়া মেজাজত থাকে। ৰাতিৰ পিচত

ৰাত্তি অনিমেষে শতাব্দীক বিব্ৰত কৰি নাইটী পিন্ধাই কোলাত লৈ বেডৰুমলৈ লৈ গৈছে। শতাব্দীৰ নগ্ন শৰীৰ দেখি তেওঁৰ খঙ উঠিছে, কান্দোন আহিছে কিন্তু মুখ ফুটাই এষাৰ কথাও কোৱা নাই। সেই অভিশপ্ত বিবাহিত-জীৱনকে অনিমেষে মানি লৈছিল। কেতিয়াও শতাব্দীয়ে এই অভিযোগ কৰা নাছিল যে অনিমেষ অন্য কোনো ছোৱালীৰ ওচৰলৈ গৈছে— তেওঁ যিমান ৰাতিয়ে ঘৰলৈ উভটি নাহওক কিয়। এতিয়াও অনিমেষে ভাবে তেওঁৰ জীৱন হয়তো এনে ভাবে পাৰ হৈ গলহেঁতেন যদি হঠাতে এদিনাখন ৰাতি দহবজাত সুচৰিতা তেওঁৰ ঘৰলৈ নাহিলহেঁতেন। সুচৰিতা আৰু অনিমেষ বাল্যবন্ধু। একেলগে বহুবছৰ একেখন ঠাইতে আছিল। হয়তো অনিমেষতকৈ দুইবছৰমান ডাঙৰ হব। অনিমেষে সুচৰিতাক চাৰুবাইদেউ বুলি মাতিছিল সেই সুচৰিতাই এদিনাখন ৰাতি দহ-বজাত অনিমেষৰ ফ্লেটত উপস্থিত হলহি। শতাব্দী তেতিয়া চোফাৰ ওপৰত আধাশোৱা-আধাবহা অৱস্থাত থাকি চিগাৰেট এভাল মুখত লৈ আছে। কল বজাওতেই অনিমেষ উঠি গৈ দুৱাৰ খুলি দিছে। দুৱাৰ খুলি তেওঁ আচৰিত।

"চাৰু বাইদেওঁ তুমি? ইমান দিন পিচত?" অনিমেষৰ সন্মুখত এক অপূৰ্ব সুন্দৰী মহিলা। পিন্ধনত বগা কাপোৰ। অনিমেষৰ বুজাত অসুবিধা নহল যে তেওঁৰ চাৰুবাইদেও বিধবা।

"ওঁ মই। চিনিব পাৰিছ? তোৰ অফিচলৈ গৈ তোৰ ঘৰৰ ঠিকনা লৈছিলোঁ। মই কালিলৈ দিল্লী যাম। মোৰ জীৱনত সকলো শেষ হৈ গৈছে। ভাবিলো যোৱাৰ আগতে তোৰ লগত দেখা কৰি যাওঁগৈ। তইতো একো খবৰ নাৰখ। মইয়ে বিচাৰি আহিলো। শুনিছো তোৰ পৰিবাৰ বোলে ধুনীয়া। মোক জানো নেদেখুৱাবি?

তেতিয়াও চোফাত শুই থকা শতাব্দীক সুচৰিতাই দেখা নাছিল। অনিমেষ তেওঁৰ আৰু শতাব্দীৰ মাজত ব্যৱধান হৈ ঠিয় হৈ আছিল। হঠাতে অনিমেষৰ কি যেন হল। দৌৰি

গৈ বাইচি জুবি কান্দি চাকৰাইদেউক সাৰট মাৰি ধৰিলে। এক নিমিষতে সুচৰিতাই শতাব্দীক দেখা পাই সকলো বুজি পাইছিল।

"বাজে কথা নকৰিবি। তোৰ কি অৱস্থা। তই মোক পাহৰি যাবৰ চেষ্টা নকৰিবি। তোৰ পৰিবাৰক চাওঁ।" সুচৰিতাই অনিমেষৰ মুখত হাত দি কৈছিল।

চোফাৰ পৰা শতাব্দীৰ মাত শুনা গ'ল, "ডাৰলিং এই বীচ্‌টো কোন? মই মোৰ নিজৰ বিচনা খালি কৰি দিম নেকি? তাত মোৰ আপত্তি নাই। ইউ ক্যান শ্লিপ উইথ হাৰ। তুমি তেওঁৰ লগত শুব পাৰা। মইতো একোকে নোৱাৰিলো।"

"শতাব্দী তুমি মনে মনে থাকিবা। তুমি ড্ৰাঙ্ক হৈছা। অনিমেষ চিঞৰি কলে।

কথাৰ জড়তাৰে শতাব্দীয়ে কলে, "মই জানো মই ইয়ুচলেছ। মোৰ দ্বাৰাতো একোকে নহল। কিন্তু তাৰ মানে এয়া নহয় যে তুমি আমাৰ ঘৰলৈ অন্য ছোৱালী লৈ আহিবা?"

"মই এতিয়াই যাওঁগৈ। মই কোনো আন ছোৱালী নহয়। তুমি মোক নাজানা। মই অনিমেষৰ চাকৰাইদেউ" সুচৰিতাই অনিমেষৰ ইচ্ছাৰ বিৰুদ্ধে কথা কেইষাৰ কৈ কোঠাৰপৰা ওলাই গ'ল।

"বাট অল দি চেম, ইউ আৰ এ বীচ্‌।" শতাব্দীয়ে বিৰবিৰাই কলে।

পুনৰ অনিমেষ ৰব নোৱাৰা হল, দৌৰি গৈ শতাব্দীৰ গালত এক চৰ বহুৱাই দি কলে, "উইল ইউ চাট আপ?"

"আই উইল চাট আপ"— বুলি শতাব্দী চোফাৰ পৰা কাৰ্পেটৰ ওপৰত বাগৰি পৰিল। পিচদিনাখন ৰাতিপুৱা আৰু অনিমেষে শতাব্দীক দেখা নাপালে। তেওঁ ঘৰ এৰি গুচি গৈছিল। অনিমেষে জানিছিল এয়া হব। অনিমেষে বহু বিচাৰিও তেওঁৰ চাকৰাইদেউকো বিচাৰি নাপালে। এমাহমান পিচত শতাব্দীৰ উকীলৰ নোটীচ পাইছিল। বিনা দ্বিধায় অনিমেষে লিখি দিছিল তেওঁৰ ডাইভোৰ্চত কোনো আপত্তি নাই।

॥ ৭২ ॥

কিছুদিনৰ পিচতেই শতাব্দীৰ ডাইভোৰ্চ এপ্লিকেচন কোৰ্টত মঞ্জুৰ হৈ গ'ল। অনিমেষৰ বিৰুদ্ধে অভিযোগ এডাল্‌ট্ৰী—ব্যাভিচাৰ। তাৰ পিচতেই তেওঁ বদলি হয় দিল্লীলৈ। সেয়া কিমান বছৰ আগৰ কথা। আজি ক'ত বা অনিমেষ আৰু ক'ত বা শতাব্দী, আৰু কত বা চাৰুবাইদেউ? সকলো অনিমেষৰ মনত আছে, কিন্তু তেওঁ সকলো পাহৰি যাব খোজে। পাহৰি যোৱা আৰু পাহৰি থকাতোৱে ভাল। মনত ৰাখিব খুজিলেই যন্ত্ৰণা পোৱা যায়। সেই বুলি জানো সকলো পাহৰিব পৰা যায়? আৰু পাহৰিব নোৱাৰি কাৰণেইতো অনিমেষৰ আজি সকলো কথা মনত পৰিছে। আৰু মনত পৰিছে বুলিয়েইতো মনত ইমান কষ্ট পাইছে।

অনিমেষ হঠাতে অন্যমনস্ক হৈ পৰিল। ওমি কাপুৰে জ নিছিল অনিমেষৰ বেদনা ক'ত। সেই কাৰণে কলে, "আৰে দাদা কুছ তো বোলো।"

অনিমেষে হাঁহিবৰ চেষ্টা কৰি কলে, "হাম ক্যাঁয়া বোলেগা। তুম যোশীকো পুছো।"

ওমিয়ে যোশীৰ কাণে চাই সুধিলে, আচ্ছা যোশীজী, নিজ-লিঙ্গপ্ৰাকা মিনিং ক্যায়া হ্যায়?"

যোশীয়ে কিবা কোৱাৰ আগতে কৃষ্ণকুমাৰ মিশ্ৰই কলে, "আৰে হাম বোলতা। নিজলিঙ্গপ্ৰা মতলব যো আপনা লিঙ্গ পপ্‌ কৰকে"—

মিশ্ৰৰ কথা শেষ হোৱাৰ আগতেই যোশীয়ে চিঞৰি উঠিল, "মিশ্ৰ, মাই লাষ্ট ৱাৰ্ণিং। তুম ফালতু মজাক কৰতা। হি ইজ মাই লীডাৰ। নিজলিঙ্গাপ্ৰাকা মতলব যো সত্যকে উপৰ ৰহতা। আউৰ তুমহাৰা লীডৰ কোন হ্যায়?

"হামাৰা লীডৰ ইন্দিৰা গান্ধী"— মিশ্ৰই কলে।

"চী ইজ এ চণ্ডী"— ভামন ভামন যোশীয়ে আৰু চিঞৰি কলে।

"নো চী ইজ এ ৰণচণ্ডী— লড়াইমে তুম চবকো খতম কৰ দেগা।

মিশ্ৰই খণ্ডত যোশীৰ ফালে আগবাই যাব খোজতেই হঠাত নিচাত্তে মাটিত পৰি গল। ওমি আৰু অনিমেষে তেওঁক উঠাবলৈ গল। মিশ্ৰই নিজেই উঠি কলে, "নহী দাদা হম্ ঠিক হ্যায়। যোশীজী চৰী। হম লড়াইমে হাৰ গয়া"— বুলি কৈ পাণৰ পিক খিৰিকীৰে পেলাই বাহিৰলৈ চাই থাকিল।

·আকাশত অসংখ্য তৰাৰ মেলা। একদৃষ্টিৰে কৃষ্ণকুমাৰ মিশ্ৰই আকাশৰ ফালে চাই থাকিল সচাঁকৈয়েতো জীৱন যুদ্ধত তেওঁ হাৰিছে। পৰাজিত সৈনিক তেওঁ হাৰি পলাই অহা নাই ঠিক, কিন্তু শেষলৈ তেওঁ হাৰি গৈছে। মিশ্ৰজীয়ে ভাবিবলৈ চেষ্টা কৰে, এই জীৱন সংগ্ৰামৰ ব্যূহ ৰচনাত তেওঁ কৰবাত ভুল কৰিছিল। বেচি বয়সত মিশ্ৰই বিয়া কৰাইছিল। সেয়া জানো তেওঁৰ ভুল হৈছিল? নহয়, সেয়া কেনেকৈ হব? তেওঁৰ বিবাহিত জীৱনতো সুখৰেই আছিল। বিয়াৰ দুই বছৰ পিচত তেওঁৰ স্ত্ৰী পুষ্পাৰ কোলালৈ আহিছিল এটি শিশু। ভীষণ মৰমলগা দুৰন্ত লৰা আছিল। সেই কাৰণে মৰমতে নাম ৰাখিলে চঞ্চল। চঞ্চলৰ জন্মৰ পিচতেই মিশ্ৰই গম পাইছিল ইয়াৰ পিচত পুনৰ পুষ্পা মা হব নোৱাৰিব। তেওঁৰ আৰু পুষ্পাৰ কোনো দুখ নাছিল। বেচি বয়সত সন্তান হোৱাৰ পিচত পুনৰ তেওঁলোকে সন্তান বিচৰা নাছিল।

কিন্তু মিশ্ৰ দম্পতীৰ জীৱনত এদিনাখন হল বজ্ৰাঘাত। পাঁচ-বছৰৰ লৰা চঞ্চলক এদিনাখন স্কুলৰ পৰা অজ্ঞান অৱস্থাত লৈ অহা হল। ডাক্তৰে চাই কলে, "ব্লু বেবী"। একোকে বুজিব নোৱাৰিলে কৃষ্ণকুমাৰ মিশ্ৰ আৰু পুষ্পাই। জীৱনৰ সকলো সঞ্চয় বিক্ৰী কৰি মিশ্ৰই চঞ্চলক বিলাতলৈ লৈ গ'ল। এমাহৰ ভিতৰতে সকলো শেষ। বিলাতৰ স্পেচিয়েলিষ্ট সকলে কলে, "চায়নেটিক কনজেনিটাল হাৰ্ট ডিজিচ।"

যেতিয়া মিশ্ৰ খালি হাতে এলাহাবাদলৈ উভতি আহিল, পুষ্পাই তেতিয়া অলপো কন্দা নাছিল। নিশ্চল শিলৰ দৰে হৈ পৰিছিল পুষ্পা। তাৰ তিনি দিন পিছত মিশ্ৰই তেওঁৰ স্ত্ৰী পুষ্পাক

বাটীৰ পগল্গা কাটেকত থৈ আহিছিল। তেওঁৰ স্ত্ৰীৰ শেষ কথা মিশ্ৰৰ কাণত আজিও বাজে, "তুম হাৰ গয়ে, তুম হাৰ গয়ে।"

সেইদিনাখনেই মিশ্ৰই বুজিব পাৰিলে, জীৱন যুদ্ধত তেওঁ হাৰিছে।

মিশ্ৰই আয়নাৰ খিৰিকিখন পেলাই দিলে। অনিমেষে দেখিলে মিশ্ৰৰ দুচকুত পানী। সদাহাস্যময় ওমিকাপুৰ ধপকৈ নিজৰ ছিটত বহিল। তেওঁৰ চকুতো পানী। ডামন ডামন যোশী তেতিয়া বেল গাওঁত তেওঁৰ কিনা মাটিৰ কথা চিন্তা কৰি কৰি শুই পৰিছে। মিশ্ৰ হাৰিছে। তেওঁ জিকিছে। অনিমেষৰ চকুত পানী নাই।

কাকো একো নোকোৱাকৈ অনিমেষ হঠাতে দুৱাৰ ঠেলি বাহিৰলৈ ওলাই আহিল। 'ডি' কম্পাৰ্টমেণ্টৰ স্লাইডিং দুৱাৰখন বন্ধ হৈ গ'ল।

বাহিৰলৈ আহি চিগাৰেট এটা জ্বলাইছেহে, ভাব হল কোনোবাই তেওঁৰ কান্ধত হাত এখন থৈছে।

"অনিমেষ তুমি? কলৈ যোৱা?" উভটি চাওঁতেই ভাস্কৰক দেখা পাই অনিমেষ আচৰিত।

"আৰে ভাস্কৰ? তুমি কলৈ? এয়াতো আচৰিত কথা। একেখন ট্ৰেনতে আমি গৈ আছো অথচ কোনোৱে জানিব পৰা নাই। মই বাঙ্গালোৰলৈ গৈছিলো অল ইণ্ডিয়া কংগ্ৰেছ কমিটিৰ মিটিং কভাৰ কৰিবলৈ। ভাবিলো উভতি যোৱাৰ সময়ত মাদ্ৰাজ বোম্বে ঘূৰি দিল্লীলৈ যাম। তুমি কলৈ যাবা?"

"মই মাদ্ৰাজলৈ গৈছিলো। প্ৰদৰ্শনী আছিল। পৰহিলৈ বোম্বেত এখন প্ৰদৰ্শনী আছে। সেয়া শেষ কৰি কলিকতালৈ উভটি যাম।"

"তোমাৰ সেই ষ্টেচুৰ কি হল? কেতিয়া শেষ হব?"

"ক'ত শেষ হব, তুমিয়েটো জোৰ কৰি মাদ্ৰাজলৈ পঠিয়ালা। ইয়ালৈকে নহাহেঁতেন সেই ষ্টেচু কেতিয়াবাই শেষ হলহেঁতেন। মাজে মাজে কলিকতালৈ আহি মোক জ্বলাই আৰু উধাও হৈ যোৱা। আকৌ কেতিয়াকৈ কলিকতালৈ আহিবা?"

"মই কালিলৈ আবেলিৰ ফ্লাইটত দিল্লীলৈ যাম আৰু তাৰ পিচদিনাখনে কলিকতা। বৰ ক্লান্ত হৈ পৰিছোঁ। তুমাহমানৰ ছুটি লৈ কলিকতাত থাকিম। ভাল নলগা হৈছে এই সাংবাদিক জীৱন।

"এই জীৱন যাত্ৰাত আমি সকলোৱে শ্ৰান্ত-ক্লান্ত পথিক অনিমেষ। ক্লান্ত শ্ৰান্ত হৈ কোনোবা পথৰ মাজতে বৈ যায় আৰু কোনোবাই হয়তো পৰিশ্ৰান্ত হৈও যাত্ৰা শেষ কৰে। হয়তো যাত্ৰাৰ শেষত তেওঁলোক লৰি যায়গৈ। পুনৰ মুঠে। কিন্তু সেই বুলিয়েতো যাত্ৰা মাজ পথত বন্ধ কৰিব পৰা নাযায়।" ভাস্কৰে গম্ভীৰ স্বৰেৰে কলে।

"তুমি হয়তো ঠিক কৈছা ভাস্কৰ, কিন্তু মই আৰু নোৱাৰা হৈছো। আই এম এ টায়াৰ্ড ওল্ড ম্যান।" অনিমেষে কলে।

"কোনে কৈছে এই কথা? অনিমেষ লাহিড়ী? যিয়ে জীৱনক এক সময়ত ধুমুহাৰ লগত তুলনা কৰিছিল? নহয় নহয় অনিমেষ, এয়া তুমি কি কৈছা?" ভাস্কৰে অনিমেষৰ হাত তুখনত ধৰিলে।

"সেই অনিমেষ লাহিড়ী, সেই সাংবাদিক, সেই সাহিত্যিক মৰি গৈছে ভাস্কৰ।"

অনিমেষৰ মাত খুব করুণ শুনালে।

"কোন, অনিমেষ লাহিড়ী সাংবাদিক আৰু সাহিত্যিক?" "এ" কম্পাৰ্টমেণ্টৰ সন্মুখৰ কৰিডৰৰ পৰা অতনুৰ মাত শুনা যায় আৰু পিচমুহূৰ্ততে দৌৰি আহি অনিমেষক সাবট মাৰি ধৰি কয়, "আৰে অনিমেষ তুমি? হোৱাট এ চাৰপ্ৰাইজ। হোৱাট এ কোইণচিডেন্স। একেখন গাড়ীতে আমি — কোনোৱে নাজানো?"

"সেই কথাই ভাস্কৰে কৈছিল" — বুলি অনিমেষে ভাস্কৰৰ লগত তেওঁৰ বহুদিনৰ পুৰণি বন্ধু অতনুক পৰিচয় কৰাই দিলে।

"কিমান দিন পিচত দেখা হল কোৱাছোন?" অতনুই সুধিলে।

"প্ৰায় পঁাচবছৰ মানতো হবই—আৰু বেচি হব পাৰে। কৰপৰা আহিছা?" অনিমেষে সুধিলে।

"নকৰা ভাই। আমাৰ কোম্পানীয়ে কিছুমান ইঞ্জিনিয়াৰ লব, —মাদ্ৰাজত ইন্টাৰভিউ আছিল। কোম্পানীয়ে ইন্টাৰভিউৰ বোৰ্ডৰ চেয়াৰমেন কৰি পঠিয়াইছিল। পোন্ধৰটা পোষ্ট, আৰু প্ৰাৰ্থী আছিল প্ৰায় এশ।"

ট্ৰেনৰ গতি কমিল। বোধহয় কোনো ষ্টেচনৰ ওচৰ পাইছেহি। এইবাৰ ভাস্কৰে কলে, "এইবাৰ শুব লাগিব।"

অতনুই অনিমেষৰ হাতহুখনত ধৰি কলে, "মইও যাওঁ। বহু ৰাতি হল।

অনিমেষ কবিতবত অকলে। বাহিৰত ঘন অন্ধকাৰ। অনি-মেষে পকেটৰ পৰা আৰু এটা চিগাৰেট উলিয়াই জুলাৰ খুজিলে। হঠাতে ট্ৰেনখন জোকাৰ এটি মাৰি বৈ গল। অনিমেষৰ হাতৰ পৰা লাইটাৰতো ছিটিকি পৰিল।

॥ পাঁচ ॥

ট্ৰেনৰ হঠাতে হোৱা জোকাৰণিত 'হ' কম্পাৰ্টমেণ্টত অকণৰ টোপনি ভাগি গল। টোপনি আহিছিল মাত্ৰ। এনেয়ে কলিকতাৰ পৰা দীঘল যাত্ৰা, তাৰ পিচত ঘণ্টাৰ পিচত ঘণ্টা অপেক্ষা কৰাৰ পিচত ইণ্টাৰভিউটো মতা—তাৰউপৰি বন্ধুসকলৰ আগ্ৰহত বোম্বে হৈ কলিকতালৈ উভতি অহাৰ প্লেন, সকলো মিলি অকণৰ মেজাজ গৰম হৈ আছিল। তাৰউপৰি কেঁচা টোপনি ভাঙি যোৱাত তেওঁৰ মেজাজ একেবাৰে সপ্তমত। বিচনাৰ পৰা উঠি বিৰক্তিৰে কলে, "সকলো বোগাচ।"

"কি অ' কি বোগাচ?" ওপৰৰ বাৰ্থৰ পৰা সুপ্ৰতিমে কলে।

"সকলো বোগাচ। জীৱনটোও বোগাচ, জীয়াই থকাও বোগাচ আৰু এই ইণ্টাৰভিউ বোগাচ।" অকণে উত্তৰ দিলে।

"ঠিকেই কৈছা। চাকৰীৰ কাৰণে ঘুৰিঘূৰি, ব্যৱসায় কৰাই ভাল আছিল।" আন এটা বাৰ্থৰ পৰা তপনে কলে।

"ব্যৱসায় কৰিবলৈ পইচা লাগে, সেই পইচা কৰপৰা আহিব? তাওৰ চাকৰীৰ লোভ দেখুৱাই দেউতাক কৈ কাষ্ট ক্লাচত আহিছোঁ। কিন্তু সেই বুলি জানো দেউতাই ব্যৱসায়ৰ কাৰণে টকা দিব? আন এটা বাৰ্থৰ পৰা কল্যাণে কলে।

"মোৰ কেমিষ্ট্ৰী আৰু ফিজিক্স ভালকৈ পঢ়া আছে, বোতল তৈয়াৰ কৰি নম্বালক বিক্ৰী কৰিলেই ভাল ব্যৱসায় হলহেঁতেন," তপনে হাঁহি হাঁহি কলে।"

"বেয়া কোৱা নাই তই তপন। আইডিয়া বেয়া নাছিল। মোৰতো ভাব হয় এই ইন্টাৰভিউ একেবাৰে বোগাচ। নিজৰ মানুহ ঠিক কৰাই আছে। মাত্ৰ মানুহক দেখুৱাবৰ কাৰণে লৌকিকতা। যিহেতু ডাঙৰ কোম্পানী, সেই কাৰণে ছেকেণ্ড ক্লাচৰ ভাড়া দিছে। নেদেখিলি জানো এই ইন্টাৰভিউ বোৰ্ডৰ চেয়াৰ-মেনজনক। মাত্ৰ কেইটিমান সাধাৰণ প্ৰশ্ন কৰিয়েই শেষ। "থেঙ্ক ইউ ভেৰীমাচ, ইউ মে গো।" সকলো বোগাচ।" বিতৃষ্ণাৰ সুৰেৰে অৰুণে কথাবোৰ কলে।

"তোৰ চিন্তা কি? তইতো প্ৰিভিলেজড্। তই হলি মাইনৰিটী কমিউনিটিৰ মানুহ। তাৰওপৰি চিৰকাল ফাষ্ট ক্লাচ ফাষ্ট। তোক কোনে ঠগায়? তই ধৰি ল তোৰ চিলেকশ্যন হৈ গৈছে" কল্যাণে কলে।

"থ থ তইঁতৰ ডাঙৰ কথা। মাইনৰটী, চেকুলাৰিজম, নেচনেল ইন্টিগ্ৰেশ্যন সকলো বোগাচ। মই মাইনৰিটী কমিউনিটিৰ মানুহ বুলি নহয়, নিজৰ অধিকাৰৰ বলত ঠিয় হব খোজো। সকলো দেখিছো"—অৰুণে কলে।

"খণ্ড কৰিছ কিয়? আজিৰ দিনত প্ৰগতিবাদ প্ৰোগ্ৰেচিভিজমৰ দামতো আছে। বিংশ শতাব্দীৰ স্বাধীন ভাৰতৰ যুৱ-সম্প্ৰদায় আমি। আমিতো প্ৰোগ্ৰেচিভ হোৱাৰ দাবী কৰিব পাৰো"—সুপ্ৰতীম ওপৰৰ পৰা নামি কলে।

"কিহৰ মাইনৰিটী আৰু মেজৰিটি? আজিৰ মেজৰিটিয়েইতো মাইনৰিটী হৈ গৈছে। যিসকল সৰ্বহাৰা তেওঁলোকেতো মেজৰিটি, কিন্তু আচলতে তেওঁলোকেই মাইনৰিটী। তেওঁলোকৰ কথা কোনেও নাভাবে।"

"গৰিবী হটাও শ্লোগান দিলেই গৰিবী আঁতৰি নাযায়।" তপনে যুক্তি দেখুৱালে।

কিন্তু আমি মানে আজিৰ যুব সম্প্ৰদায়—যিসকল প্ৰোগে-চিভ—”সুপ্ৰতীপৰ কথা শেষ নহ'ল, অৰুণে হঠাৎ বোমাৰ দৰে ফাটি কলে, “প্ৰোগ্ৰেচিভিসম, প্ৰগতিবাদ, মাইফুট, সকলো বোগাচ।”

“কিয় তই কথাই কথাই বোগাচ বুলি কৰ?” সুপ্ৰতীমে সুধিলে।

“কম?” অৰুণে কলে।

“ক'না। তেতিয়াৰ পৰাতো চিঞৰিয়ে আছ।” সুপ্ৰতীমে কলে।

“তেনেহ'লে শুন। মই খৃষ্টিয়ান। মোৰ কোনো ভনী নাই। যদি থকাহেঁতেন, ক তইঁতৰ মাজত কাৰ সাহস হলহেঁতেন বিয়া কৰাবলৈ—খৃষ্টিয়ান হিচাবে নহয়, এগৰাকী গুণী সুন্দৰী ছোৱালী হিচাবে?” অৰুণে জোৰ কৰি কথাষাৰ কলে।

সুপ্ৰতীম ভাওৰ মানুহৰ লৰা। কলে, “লেফ্‌ট টু মাইচেলফ, মই নিশ্চয় কৰালোহেঁতেন। কিন্তু খৃষ্টিয়ান ছোৱালীক বিয়া কৰোৱাহেঁতেন দেউতাইতো ত্যজ্যপুত্ৰ কৰিলেহেঁতেন। সম্পত্তিৰ এটা পইচাও নিদিলেহেঁতেন। তেতিয়া খৃষ্টিয়ান ছোৱালী বিয়া কৰাই নাথাই মৰিলোহেঁতেন।

“সকলো বোগাচ এও দেৰাৰ এওচ ইয়োৰ প্ৰগতিবাদ এও অল ড্যাই ৰাবিচ।” অৰুণে কলে।

“কিন্তু তই যিয়ে নকও কিয় অৰুণ, মাইনৰিটী কমিউনিটিৰ মেম্বৰ হিচাবে তোৰ কিছুমান প্ৰিভিলেজ আছে যি আমাৰ নাই।” কল্যাণে তৰ্ক কৰে।

“ক তই আমাৰ কি প্ৰিভিলেজ আছে?” অৰুণে সুধিলে।

“তোৰ এই প্ৰিভিলেজ তই আমাৰ বন্ধু?” তপনে হোঁ হোকৈ হাঁহি দিলে।

অৰুণো সেই হাঁহিত যোগ দিলে, কিন্তু পিচ মুহূৰ্ত্তে ভাব হল তেওঁ জানো সচাঁই প্ৰিভিলেজচ্‌ মানুহ? কি তাৰ প্ৰিভিলেজও? কি প্ৰিভিলেজ লৈ তাৰ জন্ম হৈছিল? সকতে দেউতাক হেৰুৱাইছে।

সেয়াই বোধহয় অৰুণৰ প্ৰিভিলেজ। কিন্তু আজিও বুজিব পৰা নাই সকলে দেউতাকক হেৰোৱা কাৰণে যি অযাচিত সহানুভূতি, অনু-কম্পা আৰু কৰুণা তেওঁ পাইছে সেয়া প্ৰিভিলেজ নে কাচ? যেতিয়াই অলপ ডাঙৰ হৈ কিছু বুজিব পাৰিছে তেতিয়াই কেৱল শুনিছে—"আহা বেচাৰা, পুওৰ থিং।"

"এইয়া বোধহয় তেওঁৰ আটাইতকৈ প্ৰিভিলেজ যে তেওঁৰ দেউতাকক কোনোবাই খুন কৰিছিল। গীৰ্জাঘৰত যেতিয়া ঢং ঢং কৰি ঘণ্টা বাজিছিল, যীশুৰ জন্মোৎসৱৰ পবিত্ৰ দিন। ২৪-২৫ ডিচেম্বৰ মাজৰাতি তেওঁৰ বাপেকক খুন কৰা হৈছিল। কৰবাত যেন ৰহস্য লুকাই আছে। তেতিয়া বোধহয় অৰুণৰ বয়স এবছৰ। সৰুতে অৰুণে বহুবাৰ মাকক সুধিছিল বাপেকৰ সম্বন্ধে, কিন্তু প্ৰতি-বাৰতেই তেওঁৰ মাকে আকাশৰ ফালে চাই কৈছিল—"তোৰ দেউ-তাৰক ভগৱানৰ পুত্ৰ যীশুৱে নিজৰ ওচৰলৈ লৈ গৈছে।"

"কিন্তু মা, যীশুৱে জানো কোনোদিনাখনে দেউতাক আমাৰ ওচৰলৈ লৈ নাহিব?" অৰুণে মাকক সুধিছিল।

"নাই অ' সোণ, যীশুৱে যিসকলক ভাল পায় তেওঁলোকক তেওঁৰ ওচৰলৈ লৈ যায়"—লিলিয়ে চকুপানী মচি মচি কলে।

"তেনেহলে যীশুৱে জানো আমাক ভাল নাপায়?"

অৰুণৰ প্ৰশ্নত লিলি বিব্ৰত হয়। "কিয় সোণ?"

"তেওঁ যদি আমাক ভাল পালেহেঁতেন তেনেহলে তেওঁ মোকো তেওঁৰ ওচৰলৈ লৈ গলহেঁতেন।" শিশুসুলভ সৰলতা অৰুণে প্ৰশ্ন কৰে।

লিলিয়ে অৰুণৰ মুখত চেপি ধৰিছিল। অৰুণে একো বুজিব পৰা নাছিল। মাত্ৰ মাকৰ মুখলৈ চাই আছিল।

লাহে লাহে অৰুণ ডাঙৰ হবলৈ ধৰিলে আৰু তেওঁৰ সন্দেহো বাঢ়ি গল। তেওঁ শুনিছে সেই কথা আৰু অনুকম্পা—"আহা, বেচাৰা পুওৰ থিং।" কৰবাত যেন এয়া শুনিছিল তেওঁৰ বাপেকৰ মৃত্যুৰ পিচত মাকে কলিকতা এৰি পাটনালৈ গুচি আহে।

মেট্ৰিক পৰীক্ষা দিয়াৰ সময়ত অৰুণ ফৰ্ম লৈ মাকৰ ওচৰলৈ আহি কলে। মা, ফৰ্মখন ভৰ্ত্তি কৰি দিয়া।"

"কিয় তই ভৰ্ত্তি কৰিব নোৱাৰ?" লিলিয়ে প্ৰশ্ন কৰে।

"নাই নোৱাৰো, কাৰণ মই ডিটেল নাজানো" – বেচ টানকৈ অৰুণে উত্তৰ দিয়ে। লিলিয়ে ফৰ্মখন ভৰ্ত্তি কৰাই দিয়ে। ফাদাৰ্চ নামৰ আগত লেখে "লেট বি. কে, ৰায়।" ফাদাৰ্চ প্ৰফেচন "প্ৰাইভেট বিজিনেচ।" যিদিনাখন বোৰ্ড অফিচত অৰুণে টকা জমা দি আহে সেইদিনাখনেই ৰাতি মাকক প্ৰশ্ন কৰে, "মা তোমাক মই বহুবাৰ প্ৰশ্ন কৰিছো কিন্তু প্ৰত্যেকবাৰেই তুমি এৰাই গৈছা। কোন মোৰ দেউতা? কি তেওঁৰ হৈছিল? মোক এটা উত্তৰ দিয়াছোন। এয়া লেট বি. কে, ৰায় বুলিলেই তো সকলো কথা কোৱা নহয়।"

"তই শুনিবি অৰুণ"— মাকে সুধিলে।

"অ মা, মই সকলো শুনিম, তুমি কোৱা।" অৰুণে অলপ খঙ কৰিয়েই কলে।

"তেনেহলে শুন। তোৰ দেউতাৰৰ নাম বসন্ত ৰায়। তেওঁক খুন কৰা হৈছিল। কিয়? তই মোক নুসুধিবি। মাত্ৰ এইখিনিয়ে জানি থ, তেওঁক খুন কৰিছিল তেওঁৰেই ঘনিষ্ঠ বন্ধুই। ইয়াতকৈ বেচি তোক মই কব নোৱাৰিম। এইখিনি কৈয়ে লিলি দৌৰি গৈ বিচনাত পৰি হুকহুকাই কান্দিছিল।

"কিন্তু মা, দেউতাৰ বন্ধুৱে কিয় দেউতাক খুন কৰিছিল—" অসহিষ্ণু হৈ অৰুণে শুধিলে।

"অৰুণ তোৰ ভৰিত ধৰিছো, তই মোক পুনৰ প্ৰশ্ন নকৰিবি। মই কব নোৱাৰিম। তোৰ দেউতা নাই, কিন্তু মইতো আছো। মই তোক পঢ়াম, ডাঙৰ কৰিম।" লিলিয়ে কান্দি কান্দি কথাখিনি কলে।

লিলিক বিচনাৰ পৰা তুলি অৰুণে কলে, "মা, মই কোনোদিন তোমাক এই বিষয়ে প্ৰশ্ন নকৰো, তুমি মোক ক্ষমা কৰিবা। ওঁ মা,

মই ভাঙৰ হম। কিন্তু মা তুমি মাত্র মোক এটা কথাৰ উত্তৰ দিয়া। প্ৰত্যেক মাহতে তুমি মোটা টকাৰ মনিঅৰ্ডাৰ পোৱা, সেয়া কোনে পঠিয়াই ?

"তোৰ জেঠাবাই।"

"কিন্তু মইতো কোনোদিনাখন শুনা নাছিলো, মোৰ দেউতাৰ কোনো ডাঙৰ ভাই আছে। তেনেহলে এই জেঠা কৰপৰা আহিল ?" অৰুণে সোধে।

"তেওঁ তোৰ দেউতাৰৰ কোনো নহয়। মোৰো একো নহয়। তোৰ দেউতাৰৰ অন্তৰঙ্গ বন্ধু তেওঁ। তোক নিজৰ লৰাৰ দৰে ভাবে। তেওঁ সকলো জানে, তেওঁৰ পৰা দান লোৱাত মোৰ কোনো লাজ নাই।" কান্দোনত লিলি ভাঙি পৰিল।

"তেনেহলে তেওঁ ইমান দূৰৈত কিয় ?"

"তেওঁ দূৰে দূৰে থাকিব খোজে।"

"আমাৰ লগত জানো তেওঁ দেখা কৰিবও নোখোজে ?"

"যিদিনাখন তোৰ লগত দেখা কৰিবৰ সময় হোৱা বুলি ভাবিব, সেইদিনাখন তেওঁ নিজে তোৰ লগত দেখা কৰিবলৈ আহিব।"

"মা তুমি এনেভাবে কৈছা যেন তেওঁ ভগবান।"

"তই তেনেকৈ কব পাৰ অৰুণ। তেওঁ মোৰ ওচৰত ভগবান। তেওঁ নথকাহেঁতেন তই আৰু মই আজি কলৈকে গলোহেঁতেন নাজানো।

"মা, এয়া তুমি কি কৈছা ? তুমি খ্ৰীষ্টিয়ান হৈ এজন মানুহক তোমাৰ ভগবান বুলি স্বীকাৰ কৰিছা ? তোমাক তো সকলোৱে হিদেন বুলিব।"

"অৰুণ মোৰ ভগবান হেৰাই গৈছে।"

"তুমি কি কৈছা মা ? তুমিতো প্ৰত্যেক ডিচেম্বৰত খ্ৰীষ্টমাহৰ সময়ত কলিকতালৈ যোৱা। মোক লৈ নোযোৱা। তাত মোৰ কোনো আপত্তি নাই। কিন্তু ইয়াতো চাৰ্চ আছে। তালৈকেওতো

তুমি যাব পাৰা। কিন্তু তুমি নোযোৱা। তুমি কলিকতালৈ যোৱা। কলিকতাৰ যীশু জানো পাটনাৰ যীশুতকৈ ভাল ?

"নহয় অৰুণ, যীশু সকলোতে এক।"

"তেনেহ'লে মা ?

"তই ভাবিছ মই কলিকতালৈ খ্ৰীষ্টমাহৰ কাৰণে যাওঁ ?

"তেনেহ'লে কিয় যোৱা মা ?

"শুনিবি ?"

"শুনিম।"

"আজিৰ পৰা বহু বছৰ আগতে যীশুৰ জন্ম হৈছিল মাজনিশা, তেনেকৈ এদিন বৰদিনৰ ৰাতি তোৰ দেউতাৰা খুন হৈছিল। সেই মাজৰাতি মই প্ৰত্যেক বছৰতোৰ দেউতাৰাৰ কবৰৰ ওচৰলৈ যাওঁ। কেইটিমান ফুল আৰু মোমবাত্তি দিবলৈ।"

"কিন্তু মা তুমি চাৰ্চলৈ নোযোৱা ?

"নাই, মই চাৰ্চলৈ নাযাওঁ।"

"কিয় মা ? তোমাৰ ভগবানে তোমাক সাহায্য কৰা নাই ?"

"অৰুণ তোক মই আগতেই কৈছোঁ, মোৰ ভগবান হেৰাই গৈছে।"

"মা ভগবান নেহেৰায়। মানুহ হেৰাই যায়।"

"মোৰ ভগবান, মোৰ নিজৰ বিশ্বাস, মই নিজেই হেৰাই গৈছোঁ অৰুণ। মই মাত্ৰ তোৰ কাৰণে জীয়াই আছো। যিদিনা খন তই মানুহ হবি, তাৰপিচত মোৰ প্ৰয়োজন মোৰ নিজৰ ওচৰতেই হেৰাই যাব।"

"আৰু মোৰ প্ৰয়োজন মা ?"

"কিয়, তই মানুহ হবি।"

"মানুহৰ জানো মা থাকিব নালাগে ?"

মাজে মাজে প্ৰায়েই অৰুণ আৰু লিলিৰ মাজত এনেকৈ কথা কটাকটি হয়। লাহে লাহে অৰুণ ডাঙৰ হৈছে, ক্ৰমিকভাৱে ইঞ্জিনিয়াৰিং পৰীক্ষা পাচ কৰিছে, চাকৰিৰ কাৰণে ঘূৰি ফুৰিছে আৰু

বহু ইণ্টাৰভিউৰ দৰে আৰু এটা ইণ্টাৰভিউ দি ট্ৰেন আপত মাদ্ৰাজৰ পৰা বোম্বেলৈ আহিছে। পাঁচবছৰ দিল্লীত মাকে বহু টকা খৰচ কৰি পঢ়ুৱাইছে। অৰুণে মাকক বহুত বুজোৱাৰ পিচত কলিকতালৈ উভটি অহাত সন্মত কৰাইছে। পাটনাৰ পৰা ২২।২৩ বছৰ পিচত কলিকতালৈ উভতি আহিছে।

কিন্তু সেইদিনাখনৰ পিচত অৰুণে পুনৰ তেওঁৰ মাকক কোনো দিনাখন দেউতাকৰ কথা সোধা নাই। হয়তো চিৰকাল তেওঁৰ কাৰণে সেই অধ্যায়টো ৰহস্য হৈয়েই থাকিব।

অৰুণৰ চিন্তাৰ সোতত বাধা পৰিল তেওঁৰ তিন বন্ধুৰ অট্ট-হাঁহিত। তেওঁ যেন ইমান সময়ে অন্য এক পৃথিৱীত ঘুৰি ফুৰিছিল। হাঁহিৰ শব্দত হঠাৎ চমকি উঠিল।

"কি অ' জীয়াই আছতো?" কল্যাণে সুধিলে।

"নহয়, বোধহয় সি বোগাচ সপোন দেখিছে।" সুপ্ৰতিমৰ কথাত সকলোৱে হাঁহি দিলে।

অৰুণ হঠাতে ঠিয় হৈ দুৱাৰৰ ফালে আগুৱাই আহিল। "কি অ' কলৈ যাৱ?"

"ৰাতিৰ অন্ধকাৰত বোগাচ পৃথিবীৰ ৰূপ চাই আহোগৈ" —হাঁহি হাঁহি কথা কৈ অৰুণ কম্পাৰ্টমেণ্টৰ বাহিৰলৈ ওলাই আহি কৰিডৰত ঠিয় হলহি। "হুঁ" কম্পাৰ্টমেণ্টৰ স্লাইডিং দুৱাৰ বন্ধ হৈ যায়গৈ। "দেউতাৰ মৃত্যুৰ ৰহস্য মই বিচাৰি উলিয়াবই লাগিব"—মনে মনে অৰুণে ভাবিলে।

০ ০ ০

কলিকতালৈ অহাৰ পিচৰ পৰাই লিলিৰ মনতো কেনেকুৱা যেন আশঙ্কাত কঁপি উঠিল। এয়া জানো ভাল হল? কিন্তু যদি কোনোবাদিন ক'ৰবাত তেওঁৰ লগত লিলিৰ দেখা হয়, তেনে-হলে কি হব?' তেওঁৰ কথা শুনি অৰুণে পুনৰ কোনো প্ৰশ্ন বাপেকৰ সম্বন্ধে কৰা নাছিল। কিন্তু সেই বুলি জানো অৰুণে

কোনোদিন বাপেকৰ সম্বন্ধে নাজানিব? আৰু যেতিয়া জানিব পাৰিব, তেতিয়া লিলি কেনেকৈ লৰাৰ সন্মুখত ঠিয় দিব?

দুদিন পিচত অৰুণ কলিকতাৰ পৰা উভতি আহিব। অলপ খুৰাখুৰি কৰিলেই তাৰ দৰে বুদ্ধিমান লৰাৰ পক্ষে ২০।২২ বছৰ আগৰ ইতিহাস বিচাৰি উলিওৱাৰ অসুবিধা নহয়? তেতিয়া? তেতিয়া কি হব?

তেওঁ কি কব? তেওঁ জানো কব পাৰিব যে তেওঁৰ বাপেক…।

লিলিয়ে আৰু ভাবিব নোৱাৰে। কান্দোনত ভাঙি পৰিল। স্লিপিং পিল দুটা খালে। ৰাতিটো তাৰ হল যেন বিভীষিকা তেওঁৰ টোপনি নাহিল, ৰাতিৰ পিচত ৰাতি তেওঁ নোশোৱাকৈ আছে। স্লিপিং পিলৰ ডোজ বাঢ়ি গৈ আছে। আজিও তেওঁৰ টোপনি অহা নাই। দুটা পিল খাইও একো নহল। আৰু দুটা পিল খালে। আধাঘণ্টাৰ ভিতৰতে তেওঁৰ টোপনি আহিব ধৰিলে। জাগি থকা আৰু শুই থকাৰ মাজত যিখিনি সময়ৰ ব্যৱধান তাৰ মাজতেই লিলিৰ সকলো কথা মনত পৰিল। ছবিৰ দৰে তেওঁৰ চকুৰ আগত ভাঁহি উঠিল। দুই এবাৰ উঃ আঃ কৰি লিলি টোপনি গল।

টোপনি অহাৰ আগমুহূৰ্ত্ততে লিলিৰ মনত পৰিল বহুবছৰ আগৰ তেওঁৰ বিয়াৰ কথা। কিমান বন্ধুবান্ধৱ, আত্মীয়স্বজন সেই সন্ধ্যাবেলাত তেওঁৰ আৰু বসন্তৰ বিয়াত আহিছিল। লিলিৰ আজিও মনত পৰে সেই দিনৰ টুকুৰাটুকুৰ কথা—"হোৱাট এ লাভলি কপল্।" মেড ফৰ ইচ আদাৰ।" বিয়াৰ পিচত কিমান মানুহে তেওঁলোকক শুভকামনা জনাবলৈ আহিছিল।

সেই সন্ধ্যা লিলি আৰু বসন্তৰ বিয়াত বেথালহেম চাৰ্চ অৰ ইষ্ট ইণ্ডিয়াত ময়ো আছিলো। বসন্ত মোৰ বন্ধু, তেওঁ জোৰকৈ মোক টানি লৈ গৈছিল। লিলিক মই আগতে জনা নাছিলো। ৰবকৰ দৰে বগা পোচাকত লিলিক দেখি মই আচৰিত হৈ গৈছিলোঁ। ইমান সুন্দৰী যে কোনো ছোৱালী হব পাৰে সেই

ধাৰণা মোৰ নাছিল। ঘন নীলা চুট পিন্ধি সুপুৰুষ বসন্তকো সুন্দৰ লাগিছিল। ঠিকেই কৈছিল— "মেড ফৰ ইচ আদাৰ।"

গীৰ্জাৰ মিনিষ্টাৰ ৰেভাৰেণ্ড ভিনচেন্ট সেন মোক একাষলৈ মাতি নি কলে, আপোনাৰ বন্ধু লাকী। এনে সুন্দৰী ছোৱালীৰ বিয়া আমাৰ চাৰ্চত আগতে হোৱা নাছিল।

"থেঙ্ক ইউ" ৰেভাৰেণ্ডক কৈছিলো।

কথা শেষ হোৱাৰ আগতে ৰেভাৰেণ্ড সেন সন্মুখৰ দুৱাৰৰ ফালে আগুৱাই গল, কাৰণ ব্ৰাইডল মাৰ্চৰ প্ৰচেশ্যন আৰম্ভ হৈছে। আমি সকলো ঠিক হলো। গান আৰম্ভ হল—

The voice that breathed o'er Eden.
That earliest wedding day,
The primal marriage blessing
It hath not passed away.
Be present Holy Father
To give away this bride
As eve thou gavest to Adam
Out of his own pierced side."

প্ৰাৰ্থনাৰ পিচত ৰেভাৰেণ্ড সেনে তেওঁ গুৰুগম্ভীৰ মাতেৰে কলে—

"Basanta Kumar Roy wilt thou have this Woman to be thy wedded wife to live together, according to God's Commandments in the holy estate of matrimony? With thou love her, comfort her, honour and keep her in Sickness and in death and forsaking all other keep thee only unto her so long as ye both shall live?"

বসন্তই মূৰ তল কৰি কলে, "আই উইল।" সেই প্ৰশ্নই ৰেভাৰেণ্ড সেন লিলিকো কলে, লিলিয়ে কলে, "আই উইল।"

তাৰ পিচৰ দুয়োজনে বেলেগ বেলেগ কৈ প্ৰতিজ্ঞা কৰিলে যে দুয়োজনে দুয়োজনৰ সুখ-দুখত আমৰণ একেলগে জীৱন কটাব।

আকৌ ৰেভাৰেণ্ড সেনৰ কণ্ঠ শুনা গল, "I now pronounce them to be husband and wife in the name

of the Lord Jesus christ, Amen. What God hath Joined together let no man put asunder."

লিলিৰ সকলো কথা মনত পৰিল। তেওঁলোকৰ সুখৰ সংসাৰ হৈছিল। কিন্তু কিছুদিন পিচত কৰবাত কিবা এটা যেন হৈ গল। লিলিৰ সুখৰ সংসাৰ ভাঙি চুৰমাৰ হৈ গল। বসন্ত কেনেকুৱা যেন সলনি হৈ গল। প্ৰায়ে পলম কৈ ঘৰলৈ আহে। যিমান সময় ঘৰত থাকে মেজাজ প্ৰায় সপ্তমত। লিলিৰ লগত ভাল ব্যৱহাৰ কৰাতো দূৰৈৰ কথা, বেচি ভাগ সময় কথাই নকয়। লিলিৰ জীৱন হৈ উঠিল দুৰ্বিসহ আৰু বিষাদময়। নানা জনৰৱ লিলিৰ কাষলৈ আহিল। প্ৰায়ে বসন্ত অফিচলৈ নাযায়। এদিনাখন এক বন্ধুৱে আহি কলে যে বসন্ত অইন এজনীৰ লগত পাৰ্ক আৰু হোটেলত বহি থাকে। প্ৰথমতে লিলিৰ বিশ্বাস হোৱা নাছিল।

এদিনাখন বসন্ত বহু ৰাতি ঘৰলৈ আহে। মদৰ নিচাত ষেতিয়া ঘৰলৈ আহে লিলি তেতিয়া ঠিক থাকিব নোৱাৰি খুব শান্ত, ধীৰ মাতেৰে সুধিলে; "এটা কথাৰ উত্তৰ দিবা।"

"মই জানো তুমি কি সুধিবা" – বসন্তই কলে।

"কি সুধিম মই?"

"এয়া কৰাতো, মই ইমান ৰাতি কিয় ঘৰলৈ আহো।"

"নহয়, সেয়া ঠিক নহয়।

"তেনেহ'লে জানিব খোজাতো মই কলৈ যাওঁ?"

"নহয়, সেয়াও নহয়।"

"তেনেহ'লে?"

"মই মাত্ৰ সুধিব খোজো, তোমাৰ কি হৈছে? মই তোমাৰ এনে কি ক্ষতি কৰিছো যে তুমি মোৰ লগত এনে ব্যৱহাৰ কৰা? মোৰ প্ৰয়োজন জানো এই কেইদিনতে শেষ হৈ গ'ল? মোক ইমান উপেক্ষা কৰিছা কিয়?"

চলং পলং কৈ বিচনাখনত ধৰি বসন্তই কলে, "লাগে লাগে

এদিনাখন বুজিবা। এতিয়া মোৰ বুজোৱাৰ সময় বা শক্তি একোৱে নাই আৰু কলেও তুমি নুবুজা, কাৰণ তুমি বুজিব নোৱাৰিবা।

"কিয় নোৱাৰিম? মই কেছুৱা নেকি?"

"নহয়, কেছুৱা নহয়। বুজিলেও সহ্য কৰিব নোৱাৰিবা।"

ভাবপিচত একো কথা নোকোৱাকৈ চুটকেচ এটাত কাপোৰ কানি ভৰাই ওলাই গৈছিল। যোৱাৰ আগতে কৈছিল, "মই কেইদিনমানৰ কাৰণে বাহিৰত যাওঁগৈ। আলমাৰীত টকা আছে। দৰকাৰ হলে লবা।"

আলমাৰী খুলি ৰীতিমত লিলি ভয় খাই গৈছিল। একেলগে ইমান টকা তেওঁ কোনোদিনাখন দেখা নাছিল। বুকুখন এক অজানা আশঙ্কাত ঢুক ঢুক কৈ কঁপি উঠিল। ইমান টকা বসন্তই কত পালে? আৰু ইমান ৰাতি বসন্তই বা কলৈ গ'ল?

লিলি বাহিৰলৈ ওলাই আহিল। বাহিৰত বৰষুণ। চাৰিও-ফালে অন্ধকাৰ। একোৱেই দেখা নাযায়। বসন্ত তেতিয়া বহুখিনি আগবাঢ়ি গৈছে। বিচনাত পৰি লিলিয়ে বাউচি জুৰি কান্দি-বলৈ ধৰিলে।

বাহিৰত তেতিয়া বৰষুণ আৰু ধুমুহাৰ তাণ্ডবলীলা।

০ ০ ০

সেই ধুমুহা-বৰষুণৰ মাজত যেতিয়া বসন্ত আহি ঘৰটোৰ সন্মুখত বলহি, তেতিয়া ৰাতি বাৰটা। তেওঁৰ কাপোৰ কানি তিতি জপজপীয়া হৈছে। লাহে লাহে তেওঁ খিৰিকীত তিনিটা টোকৰ মাৰিলে।

দূৰৈত চাৰ্চত ঘণ্টাধ্বনি হল। যীশুৰ জন্ম ঘোষণা হল ঘণ্টা ধ্বনিৰ মাজত।

"সাজু?" ফিচফিচাই বসন্তই কলে।

"সাজু হৈ আছোঁ। কিন্তু ভীষণ ভয় লাগিছে" —উত্তৰ দিলে।

"ভয় কিহলৈ, মই আছোঁ।"

"কিন্তু টকা পইচা?"

"মই যোগাৰ কৰিছোঁ।"

"কেনেকৈ?"

"অফিচৰ কেচ ভাঙি।"

"মোৰ বুকুখন কঁপিছে।"

"আৰু পলম কৰিলে নহব। অলপ পিচতেই ট্ৰেনখন এৰি দিব।" এবাৰ শব্দ এটা কৰি দুৱাৰখন খোল খাই গল। দুয়ো গেট খুলি বাহিৰলৈ ওলাব, এনে সময়তে আন এখন খিৰিকী খোল খাই গল। আৰু তিনিবাৰ গুলীৰ শব্দ হল। বসন্ত ঘূৰি স্থিৰনিস্বল হৈ মাটিত পৰি গ'ল। নাৰীকণ্ঠৰ তীক্ষ্ণ এটা চিঞৰৰ বাতিৰ ঘন কলা অন্ধকাৰ ভেদ কৰি গল।

o o o

ৰাতিপুৱা লিলি হচপিটালত গৈ মৃতদেহ চিনাক্ত কৰিব লগাত পৰিছিল। বসন্তক তেনে অৱস্থাত দেখি লিলি চিঞৰি উঠিছিল। কিন্তু তাৰ পিচত একেবাৰে মনে মনে থাকিল। কিয় যে বসন্তৰ ঘনিষ্ঠ বন্ধু অপূৰ্বই খুন কৰিলে, লিলিয়ে একো গম নাপালে।

আৰু অপূৰ্ব। তেওঁ নিজে থানালৈ গৈ পুলিচক খুন কৰা বুলি কৈছে।

"কিন্তু কিয়?" দাৰোগাই অপূৰ্বক সুধিছে।

"এনেয়ে।"

"এনেয়ে জানো কোনোবাই কাৰবাক খুন কৰে?"

"কোনোৱে হয়তো নকৰে কিন্তু মই কৰিছো।" স্থিৰ ধীৰ কণ্ঠেৰে অপূৰ্বই কৈছিল।

"সেয়া মই বিশ্বাস কৰিব লাগিব নেকি?"

"বিশ্বাস কৰা নকৰা আপোনাৰ কথা। মোৰ যি ক'বলগীয়া মই কলো। মই যে খুন কৰিছোঁ সেয়া স্বীকাৰ কৰিছোঁ। লিখিব লাগে লিখি লওঁক।"

"কিন্তু কিয়?"

"মোক পুনৰ নুসুধিব। মই নকওঁ।" বুলি কৈ অপূৰ্বই নিঃশব্দে হাত দুখন আগবঢ়াই দিছিল হাত কেৰেয়া পিন্ধিবৰ কাৰণে।

॥ ছয় ॥

এই নাটকৰ যবনিকা হয়তো ইয়াতেই শেষ হলহেঁতেন। কিন্তু সেয়া নহল। তেনেহলে মোৰ ডায়েৰীত লিলি নীলিৰ নাম নাথাকিলহেঁতেন। এজন সাংবাদিকৰ জীৱনত এনে ঘটনা এটা সাধাৰণ খুনৰ পৰ্য্যায়তে পৰে, তাৰ বেচি নহয়। অপূৰ্বৰ হাতত বসন্তৰ খুন সেই পৰিধিতে পৰে। কিন্তু সেয়া নহয় বুলিয়েই মোৰ ডায়েৰীৰ পাতত এই ঘটনা উঠিছে আৰু মোৰ সেই কাৰণে সকলো কথা মনত আছে। অপূৰ্ব মোৰো বন্ধু আছিল। কলেজত তেওঁৰ লগত পঢ়িছিলো।

নীলি আৰু বসন্তৰ কথা মইও জানিছিলো আৰু অপূৰ্বইও জানিছিল। বহুবাৰ চেষ্টা কৰিছিলো সুযোজনে সুয়োজনক কবলৈ। এক সংকোচে বাৰে বাৰে বাধা দি ছিলহি। মাত্ৰ এদিন—এবাৰৰ কাৰণে অপূৰ্বই এটা কথা কৈছিল। হুইস্কীৰ গ্লাচটো নচুৱাই নচুৱাই কৈছিল।

"জান জীৱনত এটা বৰ ডাঙৰ ভুল কৰিছোঁ।"

"কি আকৌ এনে ভুল কৰিলি"—হাঁহিৰ ছলেৰে কথা এবাৰ খুজিছিলো।

"এটা নহয়, আচলতে দুটা ভুল জীৱনত কৰিছোঁ।"—অপূৰ্বই কৈছিল।

"দুটা ভুল আকৌ কি ?"

"প্ৰথম ভুল বিয়া কৰায়। বিয়া নকৰালে ভালেই হলহেঁতেন।"

"কি যা-ভা কৈছ ?"

"নহয় ঠিকেই কৈছো, নীলিক বিয়া কৰাই বৰ ডাঙৰ ভুল কৰিছিলো। বোধহয় মই তেওঁৰ যোগ্য নহওঁ। "এই কথাৰ উত্তৰ মই দিয়া নাছিলো।

"কিন্তু তাতোকৈ ডাঙৰ ভুল কৰিছিলো— দ্বিতীয়টো।

"সেয়া আকৌ কি ?"

"বসন্তক নীলিৰ লগত পৰিচয় কৰাই দি। মোৰ জীৱনৰ আটাইতকৈ ডাঙৰ ভুল। ইয়াৰ কি ঋণ যে দিব লাগিব মই নাজানো।" এই কথাৰো মই উত্তৰ দিয়া নাছিলো। কিন্তু মোৰ উত্তৰৰ অপেক্ষা নকৰি অপূৰ্বই সুধিছিল, ' কি মনে মনে থাকিলি যে ?"

"নহয় মানে ঘটনাতো মই ভালদৰে বুজা নাই।"

"চা, তই সকলো জান। তই জানিও নজনাৰ ভাও ধৰিছ মই মনত কষ্ট পাম বুলি ভাবি।"

"নহয় অপূৰ্ব তই .মাক ভুল বুজিবি "

"ভুল তোক বুজা নাই। তই মোক সক কৰিব খোজা নাই সেইকাৰণে হয়তো কোৱা নাই। কিন্তু কিয় এনে হল কব পাৰ ?"

"কি বুলি অপূৰ্বক সান্ত্বনা দিম বুজিব পৰা নাই। ইয়াৰ পৰিণতি যে ক'ত হব সেয়া ভাবি মোৰ ভয় লাগিছিল।

হঠাতে অপূৰ্ব ঠিয় হৈ মোৰ পিঠিত জোকাৰি কৈছিল, "ইয়াৰ কিবা এটা বিহিত ব্যৱস্থা কৰিব লাগিব। এনেকৈ মই জীয়াই থাকিব নোখোজো।"

"কি কৰিব খোজ তই ? মোৰ দ্বাৰা যদি কিবা সাহায্য হব কবি।"

"নাই নাই, তই আৰু কি সাহায্য কৰিবি। আই উইল' চেটল ইট মাইচেলফ। আৰু কি বিহিত কৰিম— সেয়া

জনাইছেঁতেনটো কথাই নাছিল।” চলং পলং কৈ অপূৰ্ব ওলাই গৈছিল। বহু সময় সি যোৱাৰ ফালে চাই আছিলো।

ইয়াৰ ছুদিন পিচত মাজনিশা ঘটনাটো ঘটি গল। মই ৰাতিপুৱাতেই খবৰ পাইছিলো। অপূৰ্বৰ লগত দেখা কৰিবলৈ থানালৈ গ:লো। অপূৰ্বই মোৰ লগত দেখাকে নকৰিলে। আকৌ তাৰ ঘৰলৈ গৈছিলো। নিশ্চল শিলৰ দৰে নীলি বহি আছে। এটা কথাও নীলিয়ে মোক নকলে। মোৰ প্ৰশ্নৰ উত্তৰত মাত্ৰ মুক্তাৰ দৰে কেইটোপালমান পানী তেওঁৰ গালেদি বৈ আহিছিল।

পৰিচিত এক বেৰিষ্টাৰ বন্ধুক লগতলৈ অপূৰ্বৰ লগত দেখা কৰিবলৈ গৈছিলো। এইবাৰ অৱশ্যে অপূৰ্বই দেখা কৰিছিল। মুখত মৃদু হাঁহি লৈ ওলাইছিল। বেচ ভাগুৰকৈ কৈছিলো, “থানাত তই কি যা-তা কৈছ।

“যা-তা একো কোৱা নাই। যি সঁচা তাকেই কৈছো।”

“যি কৈছ সকলো জানো সঁচা?”

“সঁচা নহয়। বসন্তক জানো মই কুকুৰৰ দৰে গুলি কৰি মৰা নাই?”

“এয়াই জানো সঁচা? ইয়াৰ পিচত জানো একোৱেই নাই?”

“হয়তো আছে। হয়তো নাই। কিন্তু তাত মোৰ প্ৰয়োজন নাই?”

“তই নিজৰ স্বপক্ষে একোকে নকৰি?”

“মই নিজকে ডিফেণ্ড নকৰো।”

বেৰিষ্টাৰ বন্ধুই কৈছিল, “সেয়া কেনেকৈ হ’ব? এজন মানু-হৰ পক্ষে এনে প্ৰোভোকেচন, ইয়াতকৈ উত্তেজনাৰ বিষয় আন কিবা থাকিব পাৰে নেকি? আপোনাৰ স্ত্ৰীৰ লগত কোনোবাই অবৈধ সম্পৰ্ক চলাই থাকিব, তাৰ পিচত তেওঁক ঘৰৰ পৰা পলুৱাই লৈ যাব তাত আপোনাৰ একোকে কৰিবৰ নাথাকিব— নহয়, এয়া কেতিয়াও নহয়?”

"আপুনি মনে মনে থাকক। মোৰ বেৰিষ্টাৰ উকিলৰ প্ৰয়োজন নাই।" তাৰ পিচত মোৰ কাণে চাই কৈছিল, "তই তেওঁক যাবলৈ ক।"

মূৰ তল কৰি বেৰিষ্টাৰ বন্ধু গুচি গৈছিল। বেভিয়া অপূৰ্বক অকলে পাইছিলো। তাৰ হাত দুখনত ধৰি বহু মিনতি কৰিছিলোঁ।

"তই কিয় এনে কৰিছ? তোৰ স্বপক্ষেতো বহুতো কথা কোৱাৰ আছে।"

"কি কোৱাৰ আছে? এয়া কম নেকি পৃথিৱীৰ মানুহক যে মোৰ পৰমা সুন্দৰী স্ত্ৰী মোৰেই এক বিশ্বস্ত বন্ধুৰ লগত গোপন প্ৰেম কৰিছিল?"

"কলে জানো ভুল কোৱা হব?" খঙ কৰিয়েই উত্তৰ দিছিলো। কিন্তু তাৰ পিচত অপূৰ্বই যি কথা কৈছিল, সেয়াই মোক আচৰিতে নহয় ৰীতিমত অভিভূত কৈ পৰিছিলো।

কৈছিল, "চা নীলি আজিও মোৰ স্ত্ৰী। হয়তো সকলো দোষ মোৰেই। হয়তো নীলিয়েই মোৰ পৰা একোকে পোৱা নাই। তেওঁক হয়তো বঞ্চনা কৰিছো। বসন্তৰ জীৱনতো শেষ হৈ গল। হয়তো মোৰ জীৱনও শেষ হৈ যাব। সেই বুলি জানো নীলিৰ জীৱটোও শেষ কৰি দিম? সকলোৰে আগত কম মই নিৰ্দ্দোষ বুলি? মোৰ স্ত্ৰীয়ে মোৰ লগত প্ৰতাৰণা কৰিছে আৰু বন্ধুই কৰিছে বিশ্বাসঘাটকতা আৰু প্ৰবঞ্চনা? এইবোৰ কোৱাৰ পিচত জানো নীলিয়ে বাহিৰত মুখ দেখুৱাব পাৰিব? জান, কোনেও যাতে একো জানিব নোৱাৰে সেইকাৰণে মই নীলিৰ চুটকেচতো বাহিৰৰ পৰা আনি ঘৰৰ ভিতৰত থৈছিলো। আৰু এয়াও জান যে মই ইম্পোটেণ্ট?

"তেওঁৰ মুখ দেখুৱা জানো উচিত? স্তম্ভিত হৈ উত্তৰ দিছিলো। "কি দৰকাৰ তেওঁক বচোৱাৰ?"

"প্লীজ, প্লীজ— এই কথা নকবি। নীলি ইজ এ'চুইট গাৰ্ল। নীলি বৰ ভাল ছোৱালী"— বুলি কৈ চেললৈ উভতি গৈছিল।

সেইদিনাখন ৰাতি নীলি মোৰ ওচৰলৈ আহিছিল। কান্দোনত ভাঙি পৰি মোক কৈছিল, "মই কি কৰিব লাগিব কওঁক। মই নিজে গৈ কোর্টত কম সকলো দোষ মোৰেই। তেওঁ নিৰপৰাধ। সকলো মোৰ কাৰণেই হৈছে।"

"কব পাৰিবা তুমি কোর্টত যে স্বামীৰ বন্ধুৰ লগত প্রেম কৰিছিলা আৰু ৰাতিৰ অন্ধকাৰত গোপন অভিসাৰৰ কাৰণে ওলাই গৈছিলা কব পাৰিবাতো ? লাজত মূৰ দাঙিব পাৰিবা। খঙত মোৰ শৰীৰ জ্বলি উঠিছিল।

কিছুসময় এক দৃষ্টিৰে মোৰ ফালে চাই কলে, "ওঁ পাৰিম।"

"কিন্তু কি লাভ হব ? অপূর্বই যেতিয়া নিজেই স্বীকাৰ কৰিছে তেওঁৰ অপৰাধ। তাৰ পিচত আমাৰ কৰিবলগীয়া একো নাই ?

"সেই বুলি জানো মানুহজনে নিজৰ জীৱনটো শেষ কৰি দিব— আৰু পৃথিৱীৰ কোনোৱে সত্য কথা নাজানিব ? আৰু মই—মই জানো নিজৰ পাপৰ প্রায়শ্চিত্তৰ সুযোগো নাপাম ?

নীলিক সান্ত্বনা দি কৈছিলো, ঘটনাটো কিছু পৰিমাণে পোহৰলৈ আহিব। তেতিয়া অন্ততঃ কিছু কথা জানিব পাৰিব আৰু বাকীখিনি ধাৰণা কৰি লব।"

"মই কোর্টলৈ যাম ?

"নোৱাৰা, অপূর্বই বাৰে বাৰে মোক অনুৰোধ কৰিছে তুমি যেন কোর্টলৈ নোযোৱা।' তেওঁ কৈছে তুমি যাতে তেওঁৰ শেষ অনুৰোধ ৰাখা।" নীলিৰ চকু পানী সৰসৰকৈ পৰিবলৈ ধৰিলে।

কিন্তু কোর্টত অপূর্বই যি কলে, মই কিয়, বহুতেই ঘটনাটো কিছুপৰিমাণে যিসকলে জানিছিল আচৰিত হৈ গৈছিল। শেষ পর্য্যন্ত অপূর্বই উকীল লবলৈ মান্তি নহয়। কোনো সাক্ষীকে কোনো প্রশ্ন কৰা নাই। আচামীৰ ব্যৱহাৰত প্রবীন চেচন জজও চিন্তিত হৈ পৰিছিল। তেওঁ নিজেই কেইটিমান প্রশ্ন অপূর্বক কৰিছিল।—

আপোনাৰ কিবা কবৰ আছে ?

"নাই মোৰ একো কবৰ নাই। মই দোষী। মই বসন্তক খুন কৰিছো।"

"কিয় ? কোনো হিংসা, কোনো বিদ্বেষ, কোনো ক্ৰোধ— কি কাৰণে ?"

"এনেয়ে কৰিছো। খুনৰ কাৰণেই খুন কৰিছো। এ মাৰ্ডাৰ ফৰ মাৰ্ডাৰচ চেক।"

জজ চাহেব বৈ গৈছিল। তাৰপিচতেই সেই প্ৰশ্নতো কৰিছিল "আপোনাৰ বক্তব্য অনুসাৰে আপুনি যেতিয়া বসন্তক বাহিৰত গুলি কৰে, তেতিয়া আপোনাৰ স্ত্ৰী ক'ত আছিল ?"

নিৰ্বিকাৰ ভাবে অপূৰ্বই কলে, "মোৰ স্ত্ৰী ? মোৰ স্ত্ৰী মোৰ ওচৰতেই শুই আছিল। মই উঠি অহা তেওঁ গমেই পোৱা নাছিল।"

"আপুনি যেতিয়া গুলি কৰি উভতি যায় তেতিয়া ?"

"তেতিয়াও তেওঁ শুই আছিল। বৰষুণ ধুমুহাৰ কাৰণে তেওঁ একোকে শুনা নাছিল।"

"কিন্তু আপোনাৰ স্ত্ৰীৰ কাপোৰ-কানি কিয় ভিজা আছিল ?

"গুলি কৰাৰ পিচত মই মোৰ স্ত্ৰীক জগাই দি কওঁ যে বসন্তক মই খুন কৰিছো। শুনিয়েই তেওঁ বাহিৰলৈ দৌৰি আহে। তেতিয়া তেওঁ বৰষুণত ভিজে।"

"ঘৰৰ ভিতৰত চুটকেচ এটাত আপোনাৰ স্ত্ৰীৰ কিছুমান কাপোৰ পেক্ কৰি ৰখা আছিল, তেওঁ কোনো কৰবালৈ যাব খুজিছিল ?"

"ওঁ, পিচদিনাখন আমি কেইদিনমানৰ কাৰণে বাহিৰলৈ যোৱাৰ কথা আছিল। মই ৰাতিয়ে তেওঁক চুটকেচত কাপোৰ আদি ভৰাই থবলৈ কওঁ।"

কোৰ্টৰ সকলো মানুহ অপূৰ্বৰ কথা শুনি চমকি উঠিছিল। মই হতভম্ব হৈ গৈছিলো। বিস্মিত। জজ চাহাব হৈছিল নিকত্তৰ ইয়াতকৈ সহজ গোচৰ তেওঁ কোনোদিনাখনে পোৱা নাই।

চৰকাৰী উকীলেও ইমান সহজ গোচৰ তেওঁ কোনোদিনাখনে পৰিচালনা কৰা নাছিল।

অপূৰ্ব্বৰ ফাচীৰ হুকুম হল। কিছুদিন পিচত হাইকোৰ্টৰ পৰা 'কনফাৰ্ম' হৈ আহিল। ফাচীৰ আগদিনাখন অপূৰ্ব্বই মোৰ লগত দেখা কৰিব খুজিছিল। দেখা কৰিবলৈ গৈছিলোঁ। মুখত সেই মিঠা হাঁহি। কেইখনমান কাগজ মোৰ ফালে আগবাই দিলে। সেয়া ২৭ জুন। তেওঁৰ ফাচী ২৫ জুন ৰাতিপুৱা। বসন্তৰ মৃত্যুৰ ছমাহ পিচত ঠিক একেদিনাখন।

"কি এইবিলাক?" মই সুধিছিলো।

"একো নহয়। কেইখনমান দৰকাৰী কাগজপত্ৰ। নীলিৰ কাৰণে টকা পইচাৰ বন্দবস্ত কৰি গলো। মই নিবিচাৰো তেওঁৰ যাতে কোনো কষ্ট হয়।"

"তই কি কৈছ অপূৰ্ব, তই কি·········?"

"ৰবি।" তাৰ পিচতে মোক অপূৰ্বই সেই কথাষাৰ কৈছিল, "শুন, মইতো গলোৱেই। তই দেখা শুনা কৰিবি নীলি আৰু কেছুৱাটোৰ যেন কোনো কষ্ট নহয়—কোনো অভাব নহয়।"

মই যেন আকাশৰ পৰা পৰিলো।—"কেছুৱা? কাৰ কেছুৱা?"

অম্লান হাঁহি মাৰি অপূৰ্বই কলে, "কিহৰ আকৌ কেছুৱা? নীলিৰ কেছুৱা, মানুহৰ কেছুৱা, এই পৃথিবীৰ কেছুৱা"—বুলি হৈ। হাঁ কৈ অপূৰ্বই হাঁহিছিল।

"কিন্তু মইতো····।"

"তই নাজান নহয়। এটা কথা ৰাখিবি?"

"নিশ্চয় ৰাখিম।"

"কথা দিলি?"

"কথা দিলো?"

"পৃথিৱীৰ কোনোৱে যেন নাজানে যে নীলিৰ সন্তান মোৰ সন্তান নহয়। কোনোৱে যেন নাজানে বসন্তৰ কথা। কোনোৱে যেন নাজানে যে সি বসন্তৰ সন্তান। সকলোৱে যেন জানে

সি মোৰ সন্তান। মানুহে কব সি খুনীৰ সন্তান। কওঁক, কিন্তু নীলি যেন গোটেই জীৱন এই গ্লানি লৈ জীয়াই নাথাকে। তেওঁ বসন্তৰ সন্তানৰ মাতৃ।”

মই থিৰেৰে থাকিব নোৱাৰা হলো। চিঞৰি উঠি কলো, নহয় অপূৰ্ব নহয়। এয়া মই একোতে নোৱাৰিম। ইমান ডাঙৰ মিছা কথা মই কেনেকৈ কম আৰু গোটেই জীৱন মই সত্যক কেনেকৈ মনেগঢ়া এটা মিছা কথাৰে ঢাকি ৰাখিম? এয়া অসম্ভৱ, তই মোক অন্য কিবা কথা ক, মই সকলো পাৰিম, কিন্তু এয়া নোৱাৰিম।”

ইতিমধ্যে অপূৰ্ব চেলৰ কালে আগুৱাই গৈছে। দূৰৈৰ পৰা কাণত পৰিল তাৰ কথা—“নহয়, তই পাৰিবই লাগিব। মোৰ শপত থাকিল। নীলিৰ শপত বল আৰু বল নীলিৰ সন্তানৰ শপত।”

পিচদিনাখন সূৰ্য্য উঠাৰ আগতে অপূৰ্বৰ ফাঁচী হৈ গল। যেতিয়া অপূৰ্বৰ বোধহয় ফাঁচী হৈছে তেতিয়া হচপিতালৰ এটা কোঠাত পৃথিৱীৰ বুকুত এটা নতুন মানুহৰ জন্ম হল—নীলিৰ কেঁচুৱা, মানুহৰ কেঁচুৱা, এই পৃথিৱীৰ কেঁচুৱা।

o o o

সেইদিনাখন আবেলিৰ পৰা আকাশত কলা মেঘ পুঞ্জীভূত হৈ উঠিল। তাৰপিচত আৰম্ভ হল ধুমুহা আৰু লগে লগে ধাৰাসাৰ বৰষুণ। ঘন কলা অন্ধকাৰত চিমেট্ৰীৰ ৰূপ ভয়াবহ হৈ উঠিল। শাৰী শাৰী কবৰ। কোনোবাটো সৰু কোনোবাটো ডাঙৰ। কিমান চিনাকি মানুহ চিৰনিদ্ৰাত শুই আছে— পৃথিৱীৰ সুখ-দুখৰ চাৰিবেৰৰ বাহিৰত। হু হু কৈ বতাহ কবৰস্থানৰ ওপৰেদি বৈ গৈছে। কবৰস্থানৰ সোঁহাতত দুটা কবৰ ওচৰাওচৰিকৈ আছে।

অন্ধকাৰৰ মাজতে লিলি কবৰৰ সন্মুখত আঠুকাঢ়ি বহিছে। ধুমুহাৰ কাৰণে মোমবাতি নুমাই গৈছে। বহু চেষ্টা কৰিও জলাব পৰা নাই। এটা সময়ত জুইবাহঁৰ সকলো কাঠি শেষ হৈ গল।

ওচৰৰ কবৰৰ সমুখতো নীলিয়ে চেষ্টা কৰিছে মোমবাতি জ্বলাবলৈ। ইজনে সিজনক চিনি নাপায়। প্ৰায় ২২/২৩ বছৰ পিচত অদৃশ্যৰ এক অদ্ভুত পৰিস্থিতিত তেওঁলোক একেটা চিমে-ট্ৰীলৈ আহিছে। এসময়ত হয়তো ইজনে সিজনক জানিছিল। অন্তত লিলিৰ নাম নীলিয়ে শুনিছিল, আৰু নীলিৰ নাম লিলিয়ে শুনিছিল। কিন্তু সেয়াতো বহু বছৰ আগৰ কথা।

ধুমুহাৰ গতি কমি আহিছে। হতাশৰ সুৰত লিলিৰ ওচৰত থকা নীলিক কলে, "তোমাৰ জুইবাঁহটো অলপ দিবানে ?" একো কথা নোকোৱাকৈ নীলিয়ে জুইবাহটো আগুবঢ়াই দিছিল। এইবাৰ মোমবাতি জ্বলিল। দুয়োটা কবৰৰ ওপৰত মোমবাতিৰ ক্ষীণ পোহৰ পৰিল। দুয়োজনে কবৰৰ ওপৰত ফুল থৈ প্ৰিয়-জনৰ উদ্দেশ্য প্ৰাৰ্থনা জনাই ঠিয় হল।

সেই সময়তে নীলিয়ে হঠাতে প্ৰশ্ন কৰিলে, "এটা কথা সুধিব খোজো, একো নেভাবিব।

"নাই নাই, কি সুধিব খোজে সোধক ? "লিলিয়ে কলে।

"আপুনি কাৰ কাৰণে ইয়ালৈ আহে ? এখেত কোন ?" নীলিয়ে প্ৰশ্ন কৰিলে।

অলপ সময় মনে মনে থাকি লিলিয়ে কলে, "এখেত মোৰ স্বামী।"

"আপোনাৰ স্বামী ?"

"হয়, মোৰ স্বামী।"

"আৰু এটা কথা সুধিম—" নীলিয়ে আকৌ প্ৰশ্ন কৰে।

"কি হৈছিল তেখেতৰ ?" বাহিৰত ঘন অন্ধকাৰ।

লিলি এইবাৰ মনে মনে থাকিল। ওঁঠ দুটা কঁপি উঠিল। কিবা যেন লিলিয়ে কব খোজে, কিন্তু কিহবাৰ এক অব্যক্ত বেদ-নাই যেন তেওঁৰ সকলো কথা বন্ধ কৰি ৰাখিছে।

"মোক ক্ষমা কৰা। তোমাৰ মনত কষ্ট দিব খোজা নাছিলো।" নীলি অপ্ৰস্তুত হৈ পৰিল।

"নহয়, নহয়, । হঠাত বুকুখন যেন কেনেকৈ উঠিল। মোৰ স্বামী—।" লিলিয়ে উচুপিব ধৰিলে ।

থাওঁক। মই জানিব নোখোজো। বলা উভটি যাওঁ। কথা এবাবৰ কাৰণে নীলিয়ে কলে।

"মোৰ স্বামীক খুন কৰা হৈছিল-" এইবাৰ স্পষ্ট মাতেৰে লিলিয়ে কলে।

"খুন" বুকুখন কঁপি উঠিল নীলিৰ ।

"হয়, খুন"— লিলিৰ মাত যেন দূৰৈৰ পৰা শুনা গল ।

আকাশত পুনৰ মেঘ জমা হল। বতাহ আৰু জোৰে ববলৈ ধৰিলে। বৰষুণ পৰিল। কবৰস্থান আকৌ কলা অন্ধকাৰে আবৰি ধৰিলে। বৰষুণৰ সেই শব্দ আৰু বতাহৰ চন্‌চন্ শব্দত কবৰস্থানৰ গছৰ পাতত এক অদ্ভুত শব্দ হৈছিল । যেন শ শ বুভুক্ষ অশৰীৰী আত্মাই ফুচফুচাই কথা কৈছে । তুয়োভাল মোমবাতি দপ্‌কৈ নুমাই গল।

"আৰু এটা প্ৰশ্ন কৰো ?" নীলিয়ে সুধিলে । তেওঁৰ বুকুখন যেন কেনেকুৱা কৰিছে। নীলি তেতিয়া প্ৰায় গেটৰ ওচৰ পাইছিল।

"কি কথা"—লিলিৰ মাত আবেগত প্ৰায় ৰুদ্ধ হৈছিল ।

"তোমাৰ স্বামীৰ নাম কি ?"

স্পষ্ট মাতেৰে লিলিয়ে উত্তৰ দিছিল, "তেওঁৰ নাম বসন্ত ।"

বতাহৰ কোবত একোকে শুনা নগৈছিল। লিলি তেতিয়া প্ৰায় গেটৰ বাহিৰত। তেওঁৰ মূৰটো যেন ঘূৰাই গৈছিল। পৰো নপৰোকৈ গেটৰ বাহিৰলৈ ওলাই আহিল। দূৰৈৰ পৰা লিলিৰ মাত শুনিবলৈ পালে। "শুনা।"

"কি কৈছা ?" নীলিৰ মাত দূৰৈৰ পৰা ক্ষীণ হৈ ভাহি আহিল।

"কতা, তুমিতো নকলা। তুমি কাৰ কাৰণে আহিছা ? তেওঁ তোমাৰ কোন ?"

"তেওঁ মোৰ স্বামী।"

"কি হৈছিল তেওঁৰ ?"

"খুনৰ অপৰাধত ফাঁচী হৈছিল।"

"কি নাম তেওঁৰ আছিল?"

কোনো উত্তৰ নাই। নীলি তেতিয়া বৰষুণত তিতি দৌৰিছে। লিলি গেটৰ পৰা ওলাই অহাৰ আগতে তেওঁ বহুদূৰ আঁতৰি গৈছে।

পিচদিনাখন মই খবৰ পাইছিলো—নীলিয়ে ৰাতি বিষ খাই আত্মহত্যা কৰিছে।

নীলি, বসন্ত, অপূৰ্ব সকলো শেষ হৈ গ'ল। কিন্তু মোৰ ডায়েৰীতো শেষ হোৱা নাই। আৰু বহুতবে কথা মোৰ ডায়েৰীত লেখা আছে। এটা নাম ময়লা ডায়েৰীৰ পাতত জলজলকৈ লেখা আছে। এইটো এটা তাৰিখৰ তলত লিখিছো, "ভাস্কৰ"। আচৰিত মানুহ। ভাস্কৰৰ দৰে মানুহ বোধহয় পৃথিৱীত নাই। হয়তো নহব। কিন্তু কি করুণ ট্ৰেজেডী। এনে ট্ৰেজেডীৰ কথা মই শুনা নাই আৰু দেখাও নাই। কি জানো, ইয়াতকৈ ট্ৰেজেডী, ইয়াতকৈও হৃদয় বিদাৰক ট্ৰেজেডী হয় নে নহয়?"

ভাস্কৰৰ ট্ৰেজেডীৰ কথা মই ভালকৈ জানো, কাৰণ সেই ট্ৰেজেডী বন্ধ কৰিবলৈ মই বহু চেষ্টা কৰিছিলো। মোৰ চেষ্টা বিফল হৈছিল তাৰ কাৰণে মোৰ কোনো অনুশোচনা বা অনুতাপ নাই। মোৰ অনুশোচনা আৰু দুখ এই কাৰণেই যে এই ট্ৰেজেডীৰ চাকনৈয়াত এক বিৰাট প্ৰতিভাৰ অন্ত পৰিছিল। এনেকুৱা এক প্ৰতিভা যিজনৰ ওচৰত বহু কিবা আশা কৰিব পৰা গৈছিল। এনে এক প্ৰতিভাই এই পৃথিৱীক বহু কিবা দিব পাৰিলেহেঁতেন। মোৰ আৰু এটা দুখ যে এই পৃথিবীৰ বুকুত এক সুন্দৰ মানুহ—এক সুন্দৰ শিল্পীৰ কাৰণে কোনো ঠাই নহ'ল।

ভাস্কৰ আছিল 'ভাস্কৰে'ই। তেওঁৰ নাম চাৰিওফালে বিয়পি পৰিছিল। মোৰ লগত প্ৰথম পৰিচয় হয় দিল্লীত—তেওঁ যেতিয়া প্ৰথম ৱানমেন এগ্‌জিবিশ্যন কৰিবলৈ আহে। তেওঁৰ ভাস্কৰ্য্যৰ অনুপম কীৰ্ত্তি দিল্লীৰ বিদগ্ধ মানুহক চমকিত কৰিছিল আৰু শ শ প্ৰশংসাৰ মাজত মইও আছিলো এজন। সকলোৱে অভিনন্দনৰ

পালা শেষ হোৱাৰ পিচত স্মিত হাঁহি লৈ ভাস্কৰ যেতিয়া সকলোৰে পৰা বিদায় লৈ গাড়ীত উঠিছে তেতিয়া মই আগুৱাই গৈছিলো। তেতিয়াও তেওঁৰ মুখত মিঠা হাঁহি। আগুৱাই গৈ পৰিচয় দি সুধিছিলো, "কি খুব আনন্দিত তো ?"

"হয়, নিশ্চয় আনন্দিত ?" ভাস্কৰে আচৰিত হৈ মোৰ ফালে চাই কৈছিল। এনে সম্ভাষণ তেওঁ বোধহয় ঠিক আশা কৰা নাছিল।

"আনন্দিততো হ'বই। কিন্তু আনন্দ কিহৰ—মানুহৰ সন্তুষ্টি আৰু প্ৰশংসাৰ কাৰণে ? আত্মসন্তুষ্টি নে আপোনাৰ 'ৰিকগ্‌নিচন' হল বুলি ?"

"চাওঁক মানুহৰ সন্তুষ্টি আৰু প্ৰশংসা পোৱাৰ কাৰণে জানো মই কলিকতাৰ পৰা দিল্লীলৈ আহিব লাগে ? কলিকতাত মানুহ নাই জানো ?"

"নহয়, মানুহ নাথাকিব কিয় ? কথাতে কয় নহয়—ঘৰকা মুৰগী দাল বৰাবৰ।"

"নহয়,"—এইবাৰ দৃঢ় মাতেৰে ভাস্কৰে কলে—"শিল্পৰ সেৱা নকৰিলেও মোৰ হয়। গতিকে মানুহে কি কলে বা নকলে তাত মোৰ ভাবনা নাই।"

"মোৰ উত্তৰ এতিয়াও পোৱা নাই। আনন্দ কিহৰ আপুনি নকলেতো ?"

"চাওঁক দিনৰ পিচত দিন পৰিশ্ৰম কৰি মূৰ্ত্তি এটা তৈয়াৰ কৰো। প্ৰত্যেকটো মূৰ্ত্তিৰ পিচত আছে ইতিহাস, আইডিয়া আৰু পৰিশ্ৰম। মানুহে চালে। কাৰোবাৰ ভাল লাগিল আৰু কাৰোবাৰ ভাল নালাগিল। কিন্তু স্বীকৃতিতো পালো। আপুনি যে কলে, "ৰিকগ্‌-নিচন"—প্ৰায় সেয়াই। যদি এই ষ্টেচুবিলাক দুই এজন মানুহেও ভাল পায় সেয়াই যথেষ্ট। মোৰ নাম নজনাকৈও কোনোবাই যদি কয় 'বা বৰ সুন্দৰ মূৰ্ত্তিতো'—তেনেহ'লেই যথেষ্ট।"

"এই উত্তৰে মই আশা কৰিছিলো।"

"ডাঙৰীয়া সেয়া আপুনি আগতে কলেহেঁতেন— "হোঁ-হোঁ, কৈ ভাস্কৰে হাঁহিছিল ।"

"আৰু এটা কথা ।"

"কি কথা ?"

"ইয়াৰ পিচত প্ৰদৰ্শনী ক'ত হব ?"

"পিচৰ প্ৰদৰ্শনী ?" ভাস্কৰে আচৰিত হৈছিল ।

"কিয় এয়া শেষ নেকি ?"

"ওঁ, নহয় । এয়া আৰম্ভণী ।"

"তেনেহ'লে ?"

ইয়াতকৈ আৰু ভাল, ডাঙৰ, আৰু সুন্দৰ হব ।" হঠাতে ভাস্কৰৰ গাড়ীখন ওলাই গৈছিল । সেয়াই আমাৰ মাজত বন্ধুত্বৰ সূত্ৰপাত ।

ডায়েৰীৰ পাতত আকৌ লেখা আছে— "কিন্তু মই কোনো-দিনাখনে পাহৰিব নোৱাৰিম সেই সুন্দৰ মানুহজনক । সেই অকৃত্ৰিম বন্ধুক মাজে মাজে এতিয়াও ভাবো ভাস্কৰৰ লগত পৰিচয় নোহোৱাহেঁতেন ভাল । তেনেহ'লে তেওঁৰ জীৱনৰ ট্ৰেজেডীৰ ঘূৰ্ণীপাকত মই এনে সোমাই পৰিব নালাগিলহেঁতেন । কেতিয়া যে মই আৰু ভাস্কৰ আপুনিৰ পৰা তুমি আৰু তুমিৰ পৰা তই হৈছিলো সেয়া মোৰ মনত নপৰে ।" ডায়েৰীতো কাষত থৈ সেইবোৰ কথা ভাবিবলৈ চেষ্টা কৰিলোঁ ।

মই যেতিয়াৰ কথা কৈছো তেতিয়া ছোৱালী কলেজত ভাস্কৰক লৈ লটাৰী খেল হয়— ভাস্কৰ কাৰ ভাগ্যত পৰিব এই নিৰ্ণয় কৰিবলৈ । লটাৰীত অদিতৰ নাম কোনোদিনাখনে উঠা নাছিল । কিন্তু কৰবাত কোনোবাই আৰু এটা যেন লটাৰী কৰিছিল । সেই অদৃষ্টৰ লটাৰীত অদিতিৰ নাম উঠিছিল । সেই কাৰণে সকলো এৰি সকলোকে নিৰাশ কৰি ভাস্কৰে অদিতিক ভাল পাই-ছিল । বহুতেই আচৰিত হৈছিল ।ময়ো হৈছিলোঁ । লগতে মোৰ ভয়ো হৈছিল । ইয়াৰ পৰিণতি যে ক'ত আৰু কেনেভাবে

হব সেয়া মই জনা নাছিলো এক অজানা আশঙ্কাত মোৰ বুকু-খন কঁপি উঠিছিল ।

এদিনাখন ভাস্কৰক অকলে পাই কথা এবাৰ সুধিছিলো। মোৰ কথা শুনি ভাস্কৰে উকৰাই দিলে। কলে, "তোৰ ইমান চিন্তা কিহৰ ? মই সৰু লৰা নেকি ? আৰু অদিতিওতো সৰু নহয়। যি কৰিছোঁ দুয়োজনে ভাবিচিন্তিয়ে কৰিছোঁ।"

"হয়তো ভাবিচিন্তিয়ে কৰিছে। কিন্তু ইয়াৰ পৰিণতি কি হব ভাবি চাইছে?" মই কৈছিলোঁ।

"পৰিণতি। পৰিণতি আকৌ কি ? পৰিণতি বিয়া। মই অদিতিক বিয়া কৰাম।"

"হয়তো কৰাবি। কিন্তু যদি বাধা দিয়ে ?"

"কিহৰ বাধা ?

"কি পাহৰি যায়, অদিতি যে খ্রীষ্টীয়ান। দুয়োফালৰ পৰা আপত্তি হব পাৰে।"

"উঠিব পাৰে কিয়, আপত্তি হৈছেই। কিন্তু মইতো অদিতিক বিয়া কৰাম— তেওঁৰ ধৰ্মক নহয়। তেওঁও মোক বিয়া কৰাব, মোৰ ধৰ্মক নহয়।"

"মই সকলো বুজি পাওঁ। তই যি ভাল পাৱ তাকে কৰ। মই বাধা নিদিও।"

"তই কিয় বাধা দিবি। তোৰ পৰাইতো আটাইতকৈ বেছি সাহাৰ্য্য আৰু সহানুভূতি আমি আশা কৰো।"

"সেয়া পাবি। সেই বিষয়ে মোৰ ফালৰ পৰা কোনো কৃপ-নালি নহব।"

"মই জানো," বুলি ভাস্কৰে মোক সাবটি ধৰিলে।

তাৰ পিচত যেতিয়াই ভাস্কৰৰ ঘৰলৈ গৈছিলো তেতিয়াই তাত অদিতিক পাইছিলোঁ। তেওঁ যেন এক নতুন অসাধাৰণ প্ৰেৰণা দিছিল। ভাস্কৰৰ উৎসাহ আৰু কাম কৰাৰ শক্তি যেন নাই। তেওঁৰ প্ৰত্যেকটো কীৰ্ত্তিয়ে পাইছে যশ। চাৰিওফালে তেওঁৰ

শিল্পৰ সুখ্যাতি হৈছে। এদিনাখন ভাস্কৰৰ ষ্টুডিওলৈ গৈ দেখোঁ যে এক অদ্ভুত দৃশ্য। ঘৰৰ কাষৰ খিৰিকীৰ ওচৰত অদিতি ঠিয় হৈ আছে। ৰাতিপুৱাৰ ৰ'দ খিৰিকীৰ মাজেৰে বেঁকাকৈ আহি অদিতিৰ মুখত পৰিছেহি, আৰু ভাস্কৰে হাতুৰী, ছেনী লৈ শিল কাটি কাটি অদিতিৰ মূৰ্ত্তি তৈয়াৰ কৰিছে। সুধিলো, "হঠাতে আকৌ কি চখ হল ?

"কি কৈছ তই। ইমানদিনৰ ভুল শুধোৰাই লৈছোঁ।"

"কিহৰ ভুল ?"

সন্মুখত ইমান সুন্দৰ প্ৰতিমা থাকোতে মই চাবজেক্ট বিচাৰি ফুৰিছিলোঁ ? এয়াই হব মোৰ জীৱনৰ আটাইতকৈ সৰ্বশ্ৰেষ্ঠ কীৰ্ত্তি।

- "দ্যা উইমেন।"

"দাদা চাওঁকছোন। ঘণ্টাৰ পিচত ঘণ্টা কোনোবা জানো এনেদৰে থাকিব পাৰে ?" অদিতিয়ে অভিযোগৰ সুৰত ক'লে।

"কি কৰিবা। মূৰত যেতিয়া ইয়াৰ বাহিৰে কোনো গতি নাই। তাৰউপৰি এয়াই যদি তাৰ শ্ৰেষ্ঠ কীৰ্ত্তি হয় তেনেহ'লে তোমাৰ সহযোগিতা তেওঁৰ একান্ত প্ৰয়োজন।"

"সেয়াতো বুজিলোঁ, কিন্তু বেচি ভাগ সময়তো মোৰ কালে চাই থাকে আৰু মই কিবা কলে কয় — মনে মনে বহি থাকিবা, একেবাৰে লৰচৰ নকৰিবা।

সকলোৰে একেলগে হাঁহি দিছিলোঁ। ভাস্কৰে ক'লে, "মাত্ৰ এমাহ কষ্ট কৰা, তাৰ পিচত চাবা কি জিনিচ বনাইছোঁ। তুমি অমৰ হৈ থাকিবা।"

"দৰকাৰ নাই মই অমৰ হৈ থকাৰ। এতিয়াইতো মৰিব ধৰিছোঁ।" অদিতিয়ে হাঁহি কলে।

ভাস্কৰে যেন পাগল হৈ উঠিছিল। খোৱা নাই-বোৱা নাই, বিশ্ৰাম নাই, টোপনি নাই— মূৰ্ত্তিতো শেষ কৰিবলৈ সেয়া এক অমানুষিক পৰিশ্ৰম আৰু সাধনা। দিনৰ পিচত দিন।

ঘণ্টাৰ পিচত ঘণ্টা। চিজেল আৰু হেমাৰৰ সেই টুং টাং শব্দ ষ্টুডিওৰ পৰা ভাঁহি আহিছিল। মাজে মাজে অদিতি অধৈৰ্য্য হৈ উঠিছে। ক্লান্তি আৰু পৰিশ্ৰমত শৰীৰ ভাঙি পৰিছে। কোনো কোনো সময়ত ওলাইছে চকুপানী। কান্দোনত ভাঙি পৰি কৈছে, "ভাস্কৰ, মই ঠিয় হৈ থাকিব নোৱাৰা হৈছোঁ। আৰু কিমান দিন। নাই আৰু নোৱাৰোঁ।"

"প্লিজ অদিতি, সোণজনী। আৰু কেইটিমান দিন।"

"কিন্তু মই যে নোৱাৰো ভাস্কৰ। "বুলি কৈ অদিতি অজ্ঞান হৈ পৰি গৈছে। দৌৰি গৈ ভাস্কৰে তুলি দিছে। অদিতি তুমি মোক ক্ষমা কৰা। খুব কষ্ট হৈছে, তোমাৰ?"

নহয়, মই ঠিক আছোঁ। তুমি কাম আৰম্ভ কৰা।"—চকুপানী মচি অদিতি বহিছে আৰু ভাস্কৰে পুনৰ কাম আৰম্ভ কৰিছে।

ইয়াৰ ভিতৰতে এদিন মাদ্ৰাজৰ পৰা ভাস্কৰে আৰ্ট এগজিবিশ্যনৰ কাৰণে নিমন্ত্ৰণ পালে। ভাস্কৰ একোতে যাব নোখোজে মই আৰু অদিতিয়ে বহু বুজাইছোঁ। কিন্তু ভাস্কৰৰ সেই এক কথা— "এই ষ্টেচু শেষ নকৰাকৈ তেওঁ কলৈকো নাযায়।"

"কিন্তু ইমান ডাঙৰ সুযোগ তুমি এৰি দিবা?"

"জীৱনত এনে সুযোগ আৰু আহিব।" জোৰকৈ ভাস্কৰে কৈছিল। অদিতি আৰু মই মাদ্ৰাজৰ ওৱান-মেন এগজিবিশ্যনলৈ যোৱাৰ কাৰণে ভাস্কৰক বুজাইছিলোঁ। শেষত ভাস্কৰ যাবলৈ সন্মত হল। কিন্তু আকৌ তেওঁৰ সেই একে কথা, "মোৰ ষ্টেচু যে অসম্পূৰ্ণ হৈ থাকিব, তাৰ কি হব?"

"উভটি আহি কৰিবি। প্ৰায়তো শেষ হৈ আহিলেই। আৰু কেইদিনৰে বা কাম বাকী।" ভাস্কৰক বুজাইছোঁ।

"আচল কামেই বাকী। চকুই হোৱা নাই। চকু নহলে ষ্টেচুৰ কোনো মানেই নহয়, একো এক্সপ্ৰেশ্যন নহব। চকু বাদ দি সেয়া তো এটা শিলৰ স্তুপ।"

"সেয়া তো তোমাৰ বাওঁহাতৰ কাম। উভটি আহি এদিনতে কৰিবা।" অদিতিয়ে মিনতি কৰিছিল।

অৱশেষত ভাস্কৰ যাবলৈ সন্মত হল। তেওঁক ষ্টেচনলৈ থবলৈ মই আৰু অদিতি গৈছিলোঁ। ভাস্কৰে স্পষ্টকৈ আমাক কৈছিল আমাৰ কথা ৰাখিবলৈহে তেওঁ যাবলৈ ওলাইছে। তেওঁৰ নিজৰ ইচ্ছা নাছিল।

"সচাঁকৈয়ে কৈছো, অকল তইঁতৰ কাৰণে যাবলৈ ওলাইছো? নহলে মই নগলোহেঁতেন।"

"বাৰু আমি কোৱা কাৰণে যাবলৈ ওলাইছা, হৈছেতো?" অদিতিয়ে কৈছিল। ট্ৰেনখন লাহে লাহে চলিবলৈ ধৰিলে।

"ওঁ, তোমাৰ কথামতেই যাবলৈ ওলাইছোঁ। কিন্তু চকু দুটা যে শেষ নহল।"

"সেয়া হব তুমি চিন্তা নকৰিবা। উভটি আহিয়েই কৰিবা।" হাত জোকাৰি জোকাৰি অদিতিয়ে বিদায় জনালে।

দুদিন পিছত ৰাতিপুৱা অদিতি মোৰ ওচৰলৈ দৌৰি আহিছে। কেইবাখনো কাগজ মোৰ সন্মুখত পেলাই দি কৈছে, "দেখিছে দাদা, প্ৰত্যেকখন কাগজতে তেওঁৰ বিষয়ে কেনে সুন্দৰকৈ লিখিছে। সকলো কাগজতে তেওঁৰ সুখ্যাতি আৰু প্ৰশংসা কৰি লিখিছে।"

"মই জানিছিলো অদিতি। ভাস্কৰ যে দিগ্বিজয়ী শিল্পী। যদি নগলহেঁতেন তেনেহলে কিমান ক্ষতি হলহেঁতেন?"

"আপুনি জোৰ কৰা কাৰণেই তেওঁ যাবলৈ সন্মত হৈছিল।"

"নহয়, আচলতে তোমাৰ আগ্ৰহতেই তেওঁ যাবলৈ সন্মত হৈছিল। তোমাৰ কথা জানো তেওঁ পেলাব পাৰে?"

"কি যে কয় আপুনি।" লাজত অদিতিৰ গালদুখন গোলাপী হৈ উঠিছিল।

অধীৰ আগ্ৰহত মই আৰু অদিতি ভাস্কৰ উভটি অহালৈ বৈ আছিলো। কেইদিনমান পিচতে তেওঁ উভটি অহাৰ টেলিগ্ৰাম পাইছোঁ। ভাস্কৰক অভ্যৰ্থনা জনাবলৈ মই আৰু অদিতিয়ে কিমান

জল্পনা-কল্পনা কৰিছিলো। খবৰৰ কাগজৰ পৰা বাৰে বাৰে ফোন কৰিছে তেওঁ অহাৰ সময় বিচাৰি। ঠিক কৰিছিলো মই আৰু অদিতি যাম ষ্টেচনলৈ ৰজনীগন্ধা ফুলৰ স্তবক লৈ। বন্ধুগৰ্বত মোৰ বুকু ফুলি উঠিছিল, কিন্তু অদিতিৰ আনন্দ আৰু গৰ্ব মোতকৈ বহু বেছি আছিল।

০ ০ ০

নীলি, বসন্ত, অপূৰ্ব আজি কোনো নাই। মোৰ ডায়েৰীত তেওঁলোকৰ কাৰণে ৰথা নিৰ্দিষ্ট ঠাই শেষ হৈ গৈছে। কিন্তু ডায়েৰীত বহু ঠাই আগুৰি আছে মোৰ কথা আৰু বহুতৰে কথা— নীলিৰ কেছুৱা, মানুহৰ কেছুৱা আৰু এই পৃথিৱীৰ কেছুৱাৰ কথা। নীলিৰ কথাও এঠাইত শেষ হৈছে, কিন্তু সেই কথা পিচত হব— মোৰ নিজৰ কথাও পিচত।

॥ সাত ॥

"এক" কম্পাৰ্টমেণ্টত মিষ্টাৰ জাষ্টিচ জগন্নাথ প্ৰসাদ চতুৰ্বেদীৰো টোপনি অহা নাছিল। মাত্ৰ দুমাহ হল তেওঁ হাইকোৰ্টৰ জজ হৈছিল। তেওঁৰ দেহ মন আচলতে ভালেই থাকিব লাগে, কিন্তু কৰবাত যেন এক চঞ্চলতা জাষ্টিচ চতুৰ্বেদীয়ে কৰিছিল। ডিষ্ট্ৰিক চেছন জজৰ পৰা মাত্ৰ দুমাহ আগতে তেওঁৰ পদোন্নতি হৈছিল। কিমান মানুহে তেওঁক অভিনন্দন জনাইছিল। সকলোৱে জানিছিল যে জগন্নাথ প্ৰসাদ চতুৰ্বেদী জজ হৈছিল দুটি কাৰণত— এক তেওঁৰ আইনৰ গভীৰ জ্ঞানৰ কাৰণে আৰু দ্বিতীয় তেওঁৰ দৰে সৎমানুহ আজি কালি পোৱা বৰ কঠিন। ডিষ্ট্ৰিক জজ হিচাবে দিয়া ৰায় আজি পৰ্য্যন্ত হাই কোৰ্ট নাইবা চুপ্ৰীমকোৰ্টত আপীলত খাৰিজ হোৱা নাছিল।

চতুৰ্বেদীৰ স্ত্ৰী গীতাদেবীও মাজে মাজে স্বামীৰ সততা সম্বন্ধে তেওঁৰ লগত কৌতুক কৰে।

"আজি কিমান পূণ্য যোগাৰ কৰিলা কোৱাচোন," তেওঁ মাজে মাজে হাঁহিৰ ছলেৰে কয়।

"পূণ্য যোগাৰ কৰিব নালাগে গীতা, কৰ্মৰ ফলত পূণ্য আপুনিয়েই যোগাৰ হয়।"

"নতুন গাড়ীৰ বাবদ এতিয়া পাঁচহাজাৰ টকা বাকী আছে, জানাতো ?"

"নাজানিম কিয় ? তিনিমাহমানৰ ভিতৰতে শেষ হব। টকাতো হাতৰ মলি। আজি আছে কালিলৈ নাই। জানাইতো ঠাকুৰে কৈছিল, টকা মাটি, মাটি টকা।"

"তেনেহ'লে বাগানৰ পৰা পাঁচবস্তা মাটিকে মটৰ কোম্পানীলৈ পঠিয়াই দিয়া। তোমাৰ গাড়ীৰ দেনা শেষ হৈ যাব।" গীতাদেবীয়ে স্বামীৰ ভিভিৰ টাই খুলি খুলি কথাখিনি কলে।

আইনৰ সৰ্বোচ্চ আদৰ্শ— "এশ দোষী মুক্তি পাওক, কিন্তু এজন নিৰ্দোষীও যেন শাস্তি নাপায়।" এয়া জাষ্টিচ চতুৰ্বেদীৰ জীৱনৰ বেদমন্ত্ৰ। তেওঁ নিজে মনে মনে এই দৃঢ় বিশ্বাস যে তেওঁ কেতিয়াও কোনো অবিচাৰ কৰা নাই।

কিন্তু এদিনাখন তেওঁৰ এই আত্মবিশ্বাসত ফাট মেলিলে। ডিষ্ট্ৰিক এণ্ড চেছন জজ হিচাবে যিদিনাখন তেওঁ শেষ ৰায় দিলে সেই ৰাতিয়েই তেওঁৰ স্ত্ৰীৰ হঠাৎ হাৰ্ট-এট্যাক হল। হাই-কোৰ্টৰ জজ হিচাবে শপত লোৱাৰ ঠিক এমাহ পিচত তেওঁৰ স্ত্ৰীৰ মৃত্যু হয়। নিঃসন্তান জাষ্টিচ চতুৰ্বেদী অথৈ সমুদ্ৰত পৰিল। নিজকে খুব অকলশৰীয়া অনুভৱ কৰিব ধৰিলে। তেওঁৰ পৃথিৱী আছিল তেওঁৰ কোৰ্ট, তেওঁৰ লাইব্ৰেৰী আৰু তেওঁৰ স্ত্ৰী। পূজা অৰ্চনা তেওঁ কৰা নাছিল, কিন্তু তেওঁৰ ভগৱানত অটল বিশ্বাস আছিল। সদাশিৱ আপোনভোলা মানুহ তেওঁ। জীৱনত কাৰো অন্যায় কৰা নাই। তেওঁ আছিল অজাতশত্ৰু। তেওঁৰ সত্যতা সম্বন্ধে কোনোৱে আজিলৈকে প্ৰশ্ন কৰা নাই। তেনেহলে ঈশ্বৰ তেওঁৰ প্ৰতি ইমান নিৰ্ম্মম কিয় হল ? তেওঁৰ স্ত্ৰীৰ মৃত্যুৰ পিচত এই চিন্তাই তেওঁক মানসিক যন্ত্ৰনা দিছিল। কি অন্যায়, কি পাপ, কি ভুল তেওঁ জীৱনত কৰিব পাৰে। তেওঁ বেচ গম পাইছিল এনে চিন্তা লৈ অন্ততঃ তেওঁৰ পক্ষে কোৰ্ট বহি গোচৰ শুনা

নাইবা তাৰ ওপৰত ৰায় দিয়া সম্ভৱ নহব। অন্ততঃ উচিত নহয়। তেওঁ এমাহৰ ছুটী লৈ উত্তকামণ্ডলৈ গৈছিল।

কিন্তু উটীলৈ গৈও তেওঁ একোতে মনৰ শান্তি পোৱা নাছিল। উটীৰ পৰা মাদ্ৰাজ আৰু মাদ্ৰাজৰ পৰা টেন আপত বোম্বে হৈ দিল্লী যোৱাৰ প্ৰায় সাতদিনমান আগতে এদিনাখন আবেলি জাষ্টিচ চতুৰ্বেদীৰ মনৰ আকাশত সন্দেহৰ কলা মেঘ জমা হল। এক আচৰিত অবিশ্বাস্য সংযোগৰ কথা হঠাতে তেওঁৰ মনত পৰিল। ব্ৰেণ্ডীৰ গ্লাচতো হাতত লৈ চুৰট লগাই জাষ্টিচ চতুৰ্বেদীয়ে ভাবিছিল সেই আচৰিত সংযোগৰ কথা। তেওঁ হঠাতে উভটি গল ডিষ্টীক এণ্ড চেচন জজ হিচাবে দিয়া তেওঁৰ শেষ ৰায়। কোৰ্টত ভৰ্ত্তি মানুহ। তেওঁৰ ৰায়ৰ শেষ পৃষ্ঠাৰ অন্তিম পেৰা পঢ়িছিল।

"আই ফাইনড্ একুউচড্ সুৰজ টু বী গিলটী অফ এন ওফেন্স আণ্ডাৰ চেক্সন হাণ্ড্ৰেদ এণ্ড টু অব দি ইণ্ডিয়ান পেনাল্ কোড এণ্ড চেনটেন্স হিম টু ডেথ। হি ছেল বী হেঙ্গদ বাই দি নেক আনটিল হি দাইজ, চাবজেক্ট টু দি কনফাৰমেচন বাই দি হাইকোৰ্ট।"

চশমাজোৰ খুলি ৰুমালেৰে মচি পুনৰ পিন্ধি নিজৰ চেম্বাৰলৈ যোৱাৰ কাৰণে ঠিয় হৈ ডিষ্ট্ৰিক এণ্ড চেচন জজ জগন্নাথ প্ৰসাদ চতুৰ্বেদী খোজ দিছে মাত্ৰ, ঠিক সেই সময়তে তীক্ষ্ণ এক আৰ্তনাদ কোৰ্টৰুমৰ বুকু ভেদী শুনা গ'ল—"নহী নহী জজ চাহাব চব ঝুট হ্যায়, ম্যায়নে খুন নহী ক্যায়া, ম্যায়নে খুন নহী ক্যায়া।" পিচ মুহূৰ্ত্ততে পাগলৰ দৰে আচামী সুৰজে হাঁহিব ধৰিলে। জগন্নাথ প্ৰসাদ চতুৰ্বেদী তেওঁৰ চেম্বাৰলৈ যোৱাৰ আগমুহূৰ্ত্তত মুহূৰ্ত্তৰ কাৰণে আচামী সুৰজৰ ফালে চালে। এমুখ দাড়ি, ৰঙা চকু আৰু শুনিব পালে "নহী জজ চাহাব ম্যায়নে খুন নহী ক্যায়া, চব ঝুট হ্যায়, চব ঝুট হ্যায়।" ৰবীন্দ্ৰ নাথৰ ভক্ত জগন্নাথ প্ৰসাদ চতুৰ্বেদীৰ সেই মুহূৰ্ত্তত মনত পৰিল "ক্ষুধিত পাষাণ"ৰ কথা। তাতো আছিল মেহেৰ আলীৰ চিঞৰ—"তফাৎ যাওঁ, চব ঝুট হ্যায়।" তেওঁ নিজৰ চেম্বাৰলৈ সোমাই গল। কপালত বিন্দু বিন্দু ঘাম।

আৰ্দালীক পানী আনিবলৈ দি চিগাৰেট এটা জ্বলাই ললে। জীৱনত এনে অভিজ্ঞতা এই প্ৰথম।

ডিষ্ট্ৰিক এণ্ড চেচন জজ হিচাবে এনে ধৰণৰ গোচৰ তেওঁ বহু দেখিছে। খুব সাধাৰণ গোচৰ। গাওঁৰ সুন্দৰী ছোৱালী বিন্তাৰ প্ৰাণিপ্ৰাৰ্থী আছিল সেই গাওঁৰেই দুই যুবক সুৰজ আৰু মোহন। দুয়োজনেই অৱস্থাপন্ন। কিন্তু বিন্তাৰ মন আছিল সুৰজৰ ফালে। হোলীৰ মেলাৰ সময়ত বিন্তাক লৈ সুৰজ আহিছিল। সুৰজ অকলে আহিছিল, কিন্তু মোহনৰ লগত কেইবাজনো মানুহ আছিল। তেতিয়া সন্ধ্যা হওঁ হওঁ, বিন্তা নাগৰদোলাত উঠি আছে, ঠিক সেই সময়তে মোহন বন্ধু-বান্ধবলৈ সুৰজৰ সমুখত ঠিয় হলহি। প্ৰথমে তৰ্কবিতৰ্ক, তাৰপিচত লাঠি চলোৱা আৰম্ভ হল। সুৰজৰো হাতত লাঠি আছিল, কিন্তু তেওঁৰ স্পষ্ট মনত পৰে তেওঁ লাঠি দঙাৰ আগতে মোহন বিন্তাক ধৰিবলৈ নাগৰদোলাৰ ফালে আগুৱাই যায়। সুৰজৰ লাঠিৰ কোব পৰাৰ আগতেই যিখন দোলনাত বিন্তা বহিছিল সেয়াই মোহনৰ মূৰত প্ৰচণ্ড আঘাত কৰে আৰু লগে লগে মোহন মাটিত পৰি যায়গৈ। মাজ পথতে সুৰজৰ লাঠি ৰৈ গৈছিল আৰু তেওঁ মোহনৰ ফালে দৌৰি গৈছিল। কিন্তু কেই-খনমান বলিষ্ঠ হাতে তেওঁক সাবট মাৰি ধৰে, আৰু কোনোবাই যেন কৈছিল—"তুমনে মাৰ ডালা উচে।" সুৰযে একোকে বুজিব নোৱাৰিলে: মাত্ৰ কৈছিল— নহী নহী চব ঝুট হ্যায়, ম্যায়নে খুন নহী ক্যায়া।" কোৰ্টত কিন্তু সকলোৰে কলে যে, সুৰযে মোহনক লাঠিৰে মূৰত মাৰিছিল আৰু তাৰ আঘাতত মোহনৰ মৃত্যু হৈছে। সুৰজৰ কোনো সাক্ষী কোৰ্টলৈ অহা নাছিল। দিনৰ পিচত দিন পুলিচৰ সাক্ষীবোৰে কৈছে, মোহনৰ মৃত্যু হৈছে সুৰজৰ লাঠিৰ কোবত। সিহঁতে কৈছে, সিহঁত সকলো প্ৰত্যক্ষদৰ্শী। এজন এজন কৈ সাক্ষী উইটনেচ বক্সৰ পৰা নামিছে আৰু সুৰজে চিঞৰিছে— "জজ চাহেব ইয়ে চব ঝুট হ্যায়, ম্যায়নে খুন নহী ক্যায়া।"

ডিষ্ট্ৰিক এণ্ড চেচন জজ জগন্নাথ প্ৰসাদ চতুৰ্বেদীৰো অলপ

সন্দেহ হৈছিল, কিন্তু তেওঁ কি কৰিব। আইনৰ হাতত তেওঁ বন্দী। যিবোৰ সাক্ষী আৰু সাক্ষ্য তেওঁৰ সমুখত আছিল, তাতে কোনো সন্দেহেৰে অৱকাশ নাছিল যে সুৰজেই অপৰাধী। সেই কাৰণে তেওঁ শুনালে তেওঁৰ ৰায়, "হি চেল বী হেঙ্গড বাই দি নেক আন্টিল হী ডাইজ।"

ঠিক সেই সময়তে সুৰজে চিঞৰি উঠিছিল, "নহী নহী জজ চাহাব, চব ঝুট হ্যায়, ম্যায়নে খুন নহী ক্যায়া, ম্যায়নে খুন নহী ক্যায়া,—" আৰু তাৰ পিচতে পাগলৰ দৰে অট্টহাঁহি মাৰি কৈছিল, ঠিক হ্যায় জজ চাহাব হম ফাঁচি চড়েগা, মগৰ তুমকো ভী শান্তি নহী মিলেগা।"

তেনে সময়তে জগন্নাথ প্ৰসাদ চতুৰ্বেদীৰ চেম্বাৰৰ দুৱাৰ বন্ধ হৈ গৈছে। কপালৰ ঘাম মচি এক গিলাচ পানী খাই চেম্বাৰত থকা ইজিচেয়াৰত শুই পৰিল। কিন্তু তেওঁৰ কানলৈ ভাঁহি আহিল সুৰজৰ সেই চিঞৰ— "নহী নহী জজ চাহাব, চব ঝুট হ্যায়, ম্যায়নে খুন নহী ক্যায়া।"

পানী খাই চিগাৰ লৈ জগন্নাথ প্ৰসাদ চতুৰ্বেদী নিজৰ চেম্বাৰৰ ইজিচেয়াৰত শুই পৰিল। হঠাতে তেওঁৰ বীডাৰ পিল্লেই কান্ধত জোকাৰি দি কলে, "চাৰ ইট ইজ লেট— প্লীজ গো হোম।"

চতুৰ্বেদীয়ে ঘড়ীৰ ফালে চাই দেখিলে সন্ধ্যা ছটা বাজিছে। ঠিয় হৈ কলে, আই এম চৰী পিল্লে। আই এম গোয়িং হোম।".

নিজৰ ঘৰ পাই জগন্নাথ প্ৰসাদ চতুৰ্বেদীৰ কিবা এক আচৰিত লাগিল। সমুখৰ লনত বহু মানুহ গোট খাইছেহি। কি ঘটনা? গাড়ী ৰখাই ঘৰত সোমোৱাৰ আগতে চিভিল চাৰ্জন ডাঃ সেন আগুৱাই আহি কলে, আই এম চৰী চাৰ, মিচেচ চতুৰ্বেদী ইজ ইন দী হচপিতাল, চী হেজ এ হাৰ্ট এটাক।"

সেই ৰাতিয়ে খবৰ পাইছিল যে তেওঁ হাইকোৰ্টৰ জজ হৈছে। ডাক্তৰৰ অনুমতি লৈ তেওঁৰ স্ত্ৰীক দিল্লীলৈ নি উইলিংডন হচপিটালত ভৰ্ত্তি কৰিলে। তেওঁক দেখা পাই তেওঁৰ স্ত্ৰীয়ে শুকান হাঁহি

মাৰিলে। ইফালে সিফালে চাই মিষ্টাৰ জাষ্টিচ চতুৰ্বেদীয়ে তেওঁৰ স্ত্ৰীৰ হাত দুখন নিজৰ হাতত লৈ কলে, "গীতা, মই জজ হোৱাতো বোধহয় অপয়া মুহূৰ্ত্তত হৈছিলো। মোৰ একেবাৰে ভাল লগা নাই। যিদিনাখনে মই জজ হোৱা খবৰ পাইছিলো সেইদিনাখনেই তুমি অসুখত পৰিলা! মোৰ একেবাৰে ভাল লগা নাই।"

"তুমি কি যে কোৱা। মই কিমান দিনৰ পৰা সপোন দেখিছিলো তুমি হাইকোৰ্টৰ জজ হবা-তাৰ পিচত চুপ্ৰীমকোৰ্টৰ জজ। এইবোৰ সকলো তোমাৰ পুণ্যৰ ফল।"

"মই কোনো পুণ্যৰ্জ্জন কৰা নাই গীতা। যদি সেয়া হলহেঁতেন মই জজ হোৱাৰ দিনাখন তুমি অসুখত নপৰিলাহেঁতেন। মই নিশ্চয় কৰবাত কিবা পাপ কৰিছোঁ।" জাষ্টিচ চতুৰ্বেদীয়ে কলে।

"সেয়া হবই নোৱাৰে। আচ্ছা, এইবাৰ তোমাৰ গাড়ীৰ দেনা শোধ কৰিব পাৰিবা, নহয় জানো?" গীতাদেবীয়ে কষ্ট কৰি কলে।

ওঁ, গীতা, বোধহয় হব।" জাষ্টিচ চতুৰ্বেদীৰ দুইচকুত পানী।

"চৰী চাৰ, ইউ ডোণ্ট মাইণ্ড—" বুলি কৈ ডাক্তৰে জাষ্টিচ চতুৰ্বেদীক বাহিৰলৈ উলিয়াই লৈ গ'ল। হাৰ্টৰ বেমাৰীৰ পক্ষে "ইমোচ্‌নাল চিচুয়েচন" মাৰাত্মক হব পাৰে।

"আই এম চৰী ডক্টৰ" বুলি জাষ্টিচ চতুৰ্বেদী ওলাই গল।

সেইদিনাখন কোৰ্টত জাষ্টিচ চতুৰ্বেদীয়ে আপীল শুনিছিল। খুনৰ গোচৰ আপীল। খুব সাধাৰণ খুনৰ গোচৰ। দুই পক্ষৰ উকীলক কৈছিল কোৰ্ট শেষ হোৱাৰ আগতে তেওঁ ৰায় দিব। তেতিয়া বোধহয় আবেলি চাৰি বাজিবলৈ পাঁচমিনিট বাকী। জাষ্টিচ চতুৰ্বেদী কোৰ্টলৈ আহি কলে, "আই কনফৰ্ম ডি ডেথ চেনটেন্স।" আচামীৰ আপীল খাৰিজ হৈ গল। হাইকোৰ্টৰ জজ হিচাবে এয়া তেওঁৰ প্ৰথম ৰায়। সেই কাৰণে তেওঁ প্ৰাচীন পদ্ধতি অনুসাৰে মৃত্যুদণ্ড দি ৰঙা চিয়াহীৰে তেওঁৰ নাম চহী কৰি কলমৰ নিবটো ভাঙি দিলে।

ৰায় দি উঠি চেম্বাৰলৈ যোৱাৰ পথতে তেওঁৰ ৰীডাৰে আহি খবৰ দিলেহি মিচেচ চতুৰ্বেদীৰ পাঁচমিনিট আগতে হস্পিতালত মৃত্যু হৈছে। ৰীডাৰক পানী এগিলাচ আনিবলৈ কৈ চতুৰ্বেদীয়ে চিগাৰ লগালে।

কোনে কি কৈছিল জাষ্টিচ চতুৰ্বেদীৰ মনত নাই। বহু মানুহৰ ভিৰৰ মাজত তেওঁ দেখিলে তেওঁৰ চিতাখন দাউ দাউকৈ জ্বলি উঠিল। ৰাতি বাৰবজাত তেওঁ উভটি আহিল তেওঁৰ বুকুখন হাঁহাকাৰ কৰি উঠিল। তেওঁ বাকী জীৱন কেনেকৈ কটাব? তেওঁ শুবৰ চেষ্টা কৰিলে কিন্তু একোতেই টোপনি নাহিল। ৰাতি এক বজাত উঠি ব্ৰেণ্ডী খালে। আকৌ শুবৰ চেষ্টা কৰিলে। তন্দ্ৰাৰ দৰে আহিছিল। হঠাৎ তেওঁ শুনিবলৈ পালে,— "নহী নহী জজ চাহাব, চব ঝুট হ্যায়, ম্যায়নে খুন নহী ক্যায়া।" আৰু তাৰ পিচমুহূৰ্ত্তে শুনিবলৈ পালে পাগলৰ দৰে হাঁহি আৰু এক তীক্ষ্ণ আৰ্তনাদ। এখন দাড়ি-গোফে ভৰ্ত্তি মুখ আৰু ৰঙা-ৰঙা দুটি চকু তেওঁৰ সন্মুখত ভাঁহি উঠিল।

তন্দ্ৰাৰ মাজতে জাষ্টিচ চতুৰ্বেদীয়ে সুৰজৰ সেই চেহেৰা দেখিবলৈ পালে, যি চেহেৰা তেওঁ ডিষ্ট্ৰিক জজ হিচাবে তেওঁ শেষ ৰায় দিয়াৰ আগতে দেখিছিল। মাজে মাজে টোপনি আহিছে। কিন্তু প্ৰতিবাৰে তেওঁ ঘুমন্ত চকুৰ সন্মুখত সেই মুখখন ভাঁহি উঠিছে আৰু তেওঁ শুনিবলৈ পাইছে— "নহী নহী জজ চাহাব, চব ঝুট্ হ্যায়, ম্যায়নে খুন নহী ক্যায়া।"

তাৰ পিচদিনাখন চীফ জাষ্টিচৰ লগত কথা হৈ মিষ্টাৰ জাষ্টিচ জগন্নাথ প্ৰসাদ চতুৰ্ব্বেদী চুটি লৈ ওটকামণ্ডলৈ গৈছিল। যিদিনাখন তেওঁ চুটী লৈছিল সেইদিনাখনে কোনোবাই তেওঁক কৈছিল সুৰজে হাইকোৰ্টত আপীল কৰিছে। ওটকামণ্ডলৈ তেওঁ শান্তি আৰু বিশ্ৰামৰ কাৰণে গৈছিল। কিন্তু তেওঁ জানো পাইছিল শান্তি আৰু বিশ্ৰাম? আজি ট্ৰেন আপত মাদ্ৰাজৰ পৰা বোম্বেলৈ আহি মিষ্টাৰ জাষ্টিচ জগন্নাথ প্ৰসাদ চতুৰ্ব্বেদী তাকেই

ভাবিছিল। ওটীত তেওঁ ভালে আছিল। কিন্তু ওটী এবাৰ প্ৰায় সাত দিনমান আগৰ পৰা আকৌ আৰম্ভ হল সেই দুঃস্বপ্নৰ। সেই দুস্বপ্নৰ মাজতেই আহে দাড়ি গোফে ভৰা আৰু ৰঙা চকুৰে সুৰজ আৰু চিঞৰি কয়, "নহী নহী জজ চাহাব, চব ঝুট হ্যায়, ম্যায়নে খুন নহী ক্যায়া।"

মাজে মাজে জাষ্টিচ চতুৰ্বেদী চমকি উঠিছে। এয়া কি অদ্ভুত সংযোগ। যিদিনাখন তেওঁ ডিষ্ট্ৰিক এণ্ড চেচন জজ হিচাবে শেষ ৰায় দিলে সেইদিনাই তেওঁৰ স্ত্ৰীৰ হাৰ্ট-এটেক হল। যিদিনাখন তেওঁ হাইকোৰ্টৰ জজ হিচাবে প্ৰথম ৰায় দি এক খুনৰ গোচৰৰ আচামীৰ ফাচীৰ "কনফাৰ্ম" কৰিলে সেইদিনাখনে তেওঁ স্ত্ৰীৰ মৃত্যু হয়।

তেওঁৰ আত্ম বিশ্বাস, তেওঁৰ আইনৰ জ্ঞান আৰু ইমানদিনৰ অভিজ্ঞতা সকলো যেন সন্দেহৰ মেঘে আগুৰি ধৰিলে। মিষ্টাৰ জাষ্টিচ চতুৰ্বেদী আৰু এটা ব্ৰেণ্ডী লৈ চিগাৰ লগাই হোটেলৰ বেলকনিত বহিলহি। বাগিছাত সন্ধ্যা নামি আহিছে। একদৃষ্টিৰে বাগিছাৰ ফালে চাই থাকিল। হঠাতে বাগিছাৰ পৰা তেওঁৰ কাণলৈ ভাঁহি আহিল, "নহী নহী জজ চাহাব, চব ঝুট হ্যায় ম্যায়নে খুন নহী ক্যায়া।" দুয়োখন কাণ চেপি ধৰি তেওঁ কোঠালৈ সোমাই আহিল। কপালত বিন্দু বিন্দু ঘাম।

দুৱাৰত কোনোবাই যেন টোকৰ মাৰিলে। অভ্যাসমতে কলে, "কাম ইন" কিন্তু যি মুহূৰ্ত্তত কোঠাৰ দুৱাৰ খোল খালে, জাষ্টিচ চতুৰ্বেদী চিঞৰি উঠিল, "কোন হ্যায়, ভাগ যাও। গাৰ্ড, পাকড়ো পাকড়ো।" তেওঁৰ ভাব হল তেওঁৰ সন্মুখত ঠিয়হৈ সুৰজ। তাৰ চকু ৰঙা, গালেমুখে দাড়ি। চিঞৰি চিঞৰি হাঁহি হাঁহি যেন সি কৈছে, "নহী জজ চাহাব, চব ঝুট হ্যায়, হাম খুন নহী ক্যায়া।"

"ক্যায়া হুৱা চাহাব, আপ ঠিক হ্যায় না ?" ৰুম চাৰ্ভিচ বেয়াৰা ইয়াচীনে সুধিলে। তাৰ মুখত দাড়ি দেখি মিঃ জাষ্টিচ চতুৰ্বেদীৰ মূৰটো আচন্ত্ৰাই ধৰিছিল। হঠাত তেওঁৰ মনত পৰিল, তেওঁৱেতো ইয়াচীনক বৰফ আৰু চোডা আনিবলৈ কৈছিল।

"নহী বেয়াৰা, হাম ঠিক হ্যায়, তুম্ যাও। বুলি কৈ ক্লান্ত হৈ এখন ইজী চেয়াৰত তেওঁ বহিল। এই খুনৰ আচামী সুৰজে জানো তেওঁক পাগল কৰিব? তেওঁৰ জীৱনত এনেকুৱাতো আগতে হোৱা নাই। তেনেহলে কি হৈছে? আকৌ সন্দেহ হল তেওঁৰ? বাৰু, তেওঁ জানো ভুল ৰায় দিছিল? সেই ভুল ৰায়ৰ পাপৰ কাৰণেই জানো তেওঁৰ স্ত্ৰীৰ হাৰ্ট এটেকত মৃত্যু হয়? ইয়াকে জানো "ডিভাইন জাষ্টিচ" বুলি কয়?

যদি সুৰজৰ আপীল হাইকোৰ্টত মানি লৈ তেওঁক মুক্তি দিয়ে তেনেহলে কি হব? তেনেহলে জানো এই মানে নহব জানো তেওঁ তেওঁৰ জীৱনত প্ৰথম ভুল ৰায় দিছিল, আৰু এজন নিৰ্দোষীক ফাঁচীৰ হুকুম দিছিল? সেয়া জানো পাপ নহব? আৰু সেই পাপৰ ফলত জানো তেওঁৰ স্ত্ৰীৰ হাৰ্ট এটেকৰ ফলত মৃত্যু হৈছে? আৰু হাইকোৰ্টে যদি তেওঁৰ ৰায় বাহাল ৰাখে তেনেহলে এয়া মানে হব যে, তেওঁ আইনমতে ঠিকেই ৰায় দিছিল। কিন্তু আইনেই জানো সকলো? আইনজ্ঞই সকলোৱেতো কয়, "আইন এটা গাধ"— "ল ইচ এন এছ।" ঠিক আছে সেই বাৰু নহল। তেওঁৰ ৰায়ে বাহাল থাকিল। আৰু এদিনাখন ৰাতিপুৱা সুৰুজৰ ফাঁচি হল, তাতেই জানো তেওঁৰ শান্তি হব? এই যে মাজে মাজে তেওঁ সুৰজক দেখা পায়, সেয়া জানো বন্ধ হৈ যাব? হয়তো তাৰ পিচতে তেওঁৰ টোপনিত দুঃস্বপ্নৰ দৰে দাড়ি মুখে ভৰা, ৰঙা চকুৰ সৈতে সুৰজ আহিব "নহী নহী জজ চাহাব, সব ঝুট হ্যায়, ম্যায়নে খুন নহী ক্যায়া।" আইনত তো এনেকুৱা উদাহৰণো আছে যে— যাৰ পৰা প্ৰমাণ হৈছে আৰু যিজনক ফাঁচী দিয়া হৈছিল তেওঁ আচল অপৰাধী নহয়েই আমেৰিকাৰ "কোৰ্ট অব লাষ্ট ৰিচৰ্ট'ত এনেকুৱা বহু কেচ আছে।"

তেনে অৱস্থাত তেওঁৰ কি হব? আত্মগ্লানিত তেওঁ জানো নুভুগিব? ইয়াৰ প্ৰায়শ্চিত কত আৰু কেনে ভাবে কৰিব?

তেওঁৰ ছুটী শেষ হোৱাৰ আগতে মিষ্টাৰ জাষ্টিচ চতুৰ্বেদীয়ে ঠিক কৰিলে যে তেওঁ দিল্লীলৈ উভটি যাব । দিল্লীলৈ উভটিবৰ কাৰণে তেওঁ মাদ্রাজৰ পৰা বোম্বেলৈ টেন আপত আহিছে । বোম্বেৰ পৰা প্লেনত যাব ।

কিন্তু যিমানেই ৰাতি হৈ আহিছে, তেওঁৰ মনৰ চিন্তাও দুঃশ্চিন্তাত ভৰি উঠিছে। তেওঁ একোতেই তেওঁৰ স্ত্রী গীতা আৰু আচামী সুৰজক মনৰ পৰা আঁতৰ কৰিব নোৱাৰিলে। বাৰে বাৰে তেওঁৰ মনত পৰিছে হস্পিতালৰ সেই দৃশ্য। তেওঁৰ স্ত্রীয়ে কৈছিল— "মই জানিছিলো তুমি এদিনাথন হাইকোৰ্টৰ জজ হবা আৰু তাৰ পিচত চুপ্রীমকোৰ্টৰ জজ— এয়া মোৰ সপোন।" কিন্তু তাৰ পিচতেই তেওঁৰ মনত পৰিছে সুৰজৰ দাড়ি-গোফে ভৰ্ত্তি মুখ আৰু চিএৰ— "নহী নহী জজ চাহাব, চব ঝুট হ্যায়, ম্যায়নে খুন নহী ক্যায়া।"

বহু চেষ্টা কৰিও মিষ্টাৰ চতুৰ্বেদী শুব নোৱাৰিলে। টেন আপ গাৰীৰ চকাৰ শব্দৰ লগে লগে তেওঁ শুনিবলৈ পাইছিল এক অট্টহাস্য আৰু সেই কথা— "নহী নহী জজ চাহাব, চব ঝুট হ্যায়, ম্যায়নে খুন নহী ক্যায়া।"

এসময়ত নিজৰ বাৰ্থৰ পৰা তেওঁ উঠি বহিল। তেওঁ ভাবিব ধৰিলে, তেওঁ জানো গোটেই জীৱন সুৰজৰ স্মৃতিলৈ জীয়াই থাকিব ?

মিষ্টাৰ জাষ্টিচ চতুৰ্বেদীয়ে আকৌ এটা চিগাৰ লগালে। তেওঁ নিজৰ চুটকেচ খুলি ব্রেণ্ডীৰ বটল উলিয়াবলৈ যাব, এনে সময়তে তেওঁৰ সন্মুখৰ ছিটত থকা মিষ্টাৰ লিওনাৰ্ড এমাৰচন আৰু তেওঁৰ স্ত্রী চিন্থিয়া এমাৰচনে একেলগে কলে, "প্লীজ, ক্যান উই অফাৰ ইউ এ ড্রিংক। এ ফ্রেন্স কোনিয়াক, পাৰহেপচ।"

মিষ্টাৰ জাষ্টিচ চতুৰ্বেদীয়ে অলপ ভাবিলে, তাৰ পিচত ভাবিলে এওঁলোকৰ লগত কিছু সময় কটালে তেওঁৰ আত্মগ্লানি আৰু দুঃস্বপ্ন হয়তো কমিব। সেই কাৰণে তেওঁ নিজৰ অভ্যাস আৰু নীতিৰ বিৰুদ্ধে কলে, " ও কে, আই উইল হেভ ওৱান ড্রিংক— এণ্ড এ ফ্রেন্স কোনিয়াক এট দ্যাট "

মিষ্টাৰ জাষ্টিচ চতুৰ্বেদীয়ে গম পোৱা নাছিল যে মিষ্টাৰ এমাৰচন বোম্বেত এক ইউৰোপীয় দেশৰ কন্সাল জেনাৰেল।

কোভালাম বীচত কেইদিনমান কটাই লিওনাৰ্ড এমাৰচন আৰু চিম্থিয়া এমাৰচন মাদ্ৰাজ হৈ বোম্বেলৈ উভটি'ছিল। এমাৰচনৰ মন ভাৰাক্ৰান্ত। তিনি বছৰমান হল তেওঁ ভাৰতবৰ্ষলৈ আহিছিল আৰু এইখিনি সময়ৰ ভিতৰতে তেওঁ দেশখনক ভাল পাইছিল। চাকৰীৰ বাকী জীৱন এই দেশত কটাব পালেও তেওঁ সুখী হলহেঁতেন। কিন্তু সেয়া হবৰ উপায় নাই কাৰণ মিষ্টাৰ এমাৰচনে বহু ভাবি চিন্তি চাই এই সিদ্ধান্তত উপনীত হৈছিল যে চাকৰী ইস্তাফা দি দেশ এৰি যাব। বোম্বে পায়েই তেওঁৰ এম্বচেডৰলৈ ত্যাগ-পত্ৰ পঠিয়াই দিব। ইয়াৰ বাহিৰে তেওঁৰ কোনো উপায় নাছিল। তেওঁৰ দাম্পত্যজীৱন দুৰ্বিসহ আৰু অসহনীয় হৈ উঠিছিল। ভাৰতবৰ্ষলৈ অহাৰ আগতেই তেওঁ চিম্থিয়াক বিয়া কৰাইছিল। বিয়াৰ তিনিদিন পিচতেই তেওঁ বুজিব পাৰিছিল যে তেওঁৰ বিবাহিত জীৱনৰ কোনো মানে নাই, তেওঁৰ যৌনজীৱন মূল্যহীন হৈছিল। তেওঁৰ স্ত্ৰী 'ফ্ৰিজিড'—এই ভাবি তেওঁ নিজৰ মনক দিছিল সান্ত্বনা আৰু ভাগ্যক দিছিল দোষ, কিন্তু এই ভুলো তেওঁৰ ভাঙি গল ভাৰতবৰ্ষলৈ অহাৰ কেইদিনমান পিচত।

সেইদিনাখন কিবা কাৰণত কনচুলেটৰ ছুটী হৈছিল। ঘৰলৈ উভতি তেওঁৰ বেডৰুমৰ দুৱাৰ বন্ধ দেখি মিষ্টাৰ এমাৰচন আচৰিত হল। কেনেকুৱা যেন কৌতূহল হল। বাগানৰ ফালে তেওঁ গ'ল। শোৱনী কোঠাৰ সোঁহাতেই তেওঁৰ বাগান। বাগানৰ ফালে এখন খিৰিকী। ধীৰ পদক্ষেপেৰে মিষ্টাৰ এমাৰচন খিৰিকীৰ কাষত ঠিয় হলহি। এয়াৰ কণ্ডিচন মেচিনৰ পৰা ওলোৱা গৰম বতাহ মুখত লাগিলহি। খিৰিকীৰ পৰ্দাখন সামান্যভাৱে ফাঁক হৈ আছে। কোঠাৰ ভিতৰত স্তিমিত পোহৰ। তেনে পোহৰতে মিষ্টাৰ এমাৰচনে দেখিলে তেওঁৰ বিচনাৰ ওপৰত দুটি নগ্নদেহ। মিষ্টাৰ এমাৰচনৰ কপালত ঘামৰ বিন্দু। তেওঁ আৰু অলপ মন দি চালে। কিহবাই

যেন তেওঁক হঠাৎ চপাংকৈ চাবুকেৰেহে কোবালে। তেওঁ স্পষ্টকৈ দেখা পালে তেওঁৰ ধক্‌ধকীয়া বগা বিচনাৰ ওপৰত দুটি নাৰীদেহ একাত্ম। এগৰাকী বগা, মাৰ্বলৰ দৰে বগা আন গৰাকী ক'লা। এগৰাকী স্ত্ৰী চিম্থিয়া আৰু অন্য গৰাকী নতুন মেইড-চাৰ্ভেন্ট যোল্ল বছৰৰ চম্পা। মিষ্টাৰ এমাৰচনৰ গা শিয়ৰি উঠিল। কিন্তু ইমান-দিনে ভাবি আছিল তেওঁ স্ত্ৰী ফ্ৰিজিড, কিন্তু এয়া কি? এয়াতো লেচবিয়ান। আৰু সেয়াও এগৰাকী চাকৰনীৰ লগত? এই কথা কেইদিন নজনাকৈ থাকিব? যদি জনাজনি হয় তেনেহ'লেতো এক বিৰাট ডিপ্লোমেটিক স্কেণ্ডেল হ'ব।

এবাৰ ভাবিলে এই বিষয়ে চিম্থিয়াৰ লগত কথা হ'ব। কিন্তু পিচ মুহূৰ্ত্তত ভাবিলে কোনো লাভ নহ'ব। তেওঁৰ অভিজ্ঞতাই তেওঁক কয় যে যদি কোনো লেচবিয়ান ধৰা পৰে তেনেহ'লে তেওঁ বেপৰোৱা হৈ উঠে। চিম্থিয়াক কৈ একো লাভ নহ'ব। এনেয়ে চিম্থিয়াৰ লগত তেওঁৰ সম্পৰ্ক কম। চিম্থিয়া ব্যস্ত থাকে আবেলি তেওঁৰ জীন-ৰামী লৈ আৰু দুপৰীয়া ডিপ্লোট স্ত্ৰীসকলৰ লগত কফি পাৰ্টি আৰু চোচিয়েল কামলৈ। তেওঁৰ লগত কিমানখিনিয়ে বা কথা হয়? কেতিয়াবা ককটেল পাৰ্টিলৈ জোৰ কৰি হাঁহি হাতত ধৰি সেইবোৰ পাৰ্টিলৈ যাব লগা হয় হঠাতে যেন মিষ্টাৰ এমাৰচনৰ মনত পৰিল। প্ৰতিটো পাৰ্টিতে চিম্থিয়া পুৰুষৰ লগ এৰি মহিলা-সকলৰ লগত হলিগলি কৰাহে। সকলো কথা পানীৰ দৰে পৰিষ্কাৰ হৈ গ'ল কন্সাল জেনেৰেল মিঃ লিওনাৰ্ড এমাৰচনৰ।

তাৰ পিচৰ পৰাই মিঃ এমাৰচনৰ তেওঁৰ ঘৰ হৈ উঠিল এক বিভীষিকা। ঘৰৰ কথা মনত পৰিলেই তেওঁ সেই দিনাখনৰ সেই দৃশ্যৰ কথা মনত পৰে। অফিচৰ পৰা ইচ্ছা কৰিয়েই তেওঁ পলমকৈ ঘৰলৈ যায়। মাজে মাজে ৰাতি দুটাও বাজে। সেই সময়ত ঘৰত টেলিফোন কৰি তেওঁৰ স্ত্ৰীক জনাই দিয়ে।

তেওঁ বেচ বুজিব পাৰিছিল—স্বস্তিৰ নিঃশ্বাস পেলাই চিম্থিয়াই কৈছে, "ইট ইজ ও, কেল্ল্ ডালিং। এনজয় ইয়োৰচেলফ্।"

কনচুলেট এৰি মিঃ এমাৰচন এনেকুৱা ককটেল পাৰ্টিলৈ যোৱা হল যিবোৰ পাৰ্টিলৈ আগতে তেওঁৰ যাবলৈ আত্মসন্মানত আঘাত লাগিছিল। এনেকুৱা এটা পাৰ্টিতে তেওঁৰ দেখা হয় বিখ্যাত বা কুখ্যাত চচিয়েল বাটাৰফ্লাই চিৰীনৰ লগত। বহুদিন আগতেই চিৰীনেই জাল পেলাইছিল সুপুৰুষ ধনী লিওনাৰ্ড এমাৰচনৰ কাৰণে। কিন্তু বহু চেষ্টা কৰিও তেওঁক ধৰিব পৰা নাছিল। এইবাৰ নিজেই এমাৰচনে ধৰা দিলে, চিৰীনে জাল কোঁচাবলৈ আৰম্ভ কৰিলে। কিবা নহয় কিবা অজুহাতত সদায় এমাৰচনৰ লগত চিৰীনৰ দেখা হয়েই। ককটেল পাৰ্টি পিচত এমাৰচনে চিৰীনক জুহু বীচৰ এটা ঘৰলৈ লৈ যায়। ৰাতি দুটালৈ একেলগে থাকি ঘৰলৈ উভতি যায়। তেতিয়া চিন্থিয়া শ্ৰান্ত কিন্তু পৰিতৃপ্ত, টোপনিত আছন্ন। চিৰীনক পোৱাৰ নিচা এমাৰচনৰ ইমান বেচি হল যে, তেওঁ কোনো দিনাখনে ভাবি চোৱা নাছিল প্ৰতিতো ককটেল পাৰ্টিত চিৰীনে কেনেকৈ আমন্ত্ৰিত হয়।

এদিনাখন ৰাতি এমাৰচন চিৰীনৰ বাহুবন্ধনৰ পৰা ওলাই উঠিছে। এনেসময়তে চিৰীনে কলে, "ইউ নো লু, আই থিংক আই এম ইন ট্ৰাবল।"

এমাৰচনে সুধিলে, "ইউ ইন ট্ৰাবল। টেল মী এণ্ড ইট উইল বী ওভাৰ।"

এমাৰচনৰ বুকুত হাত বুলাই বুলাই চিৰীনে কলে, "নো ইট ইজ ডিফাৰেণ্ট। আই থিংক আই এম কেৰীং ইয়োৰ চাইল্ড।'

"হোৱাট।" যেন এমাৰচন আকাশৰ পৰাহে পৰিল। চিৰীন অন্তঃসত্বা? এয়া হবই নোৱাৰে। তেওঁ সকলো সাৱধানতাই লৈছে। এমাৰচন চিঞৰি উঠিল, "এবচাৰ্ড, ইউ আৰ লাইং।" মুহূৰ্ত্ততে সকলো কথা পানীৰ দৰে এমাৰচনৰ চকুৰ আগত পৰিস্কাৰ হৈ গল। তেওঁক ব্লেকমেল কৰা হৈছে। কি সেই মুহূৰ্ত্ততে এক অজানা আশঙ্কাত তেওঁৰ বুকুখন কঁপি উঠিল। যদি চিৰীনে সঁচাকৈয়ে

তেওঁক ব্লেকমেল কৰে তেনেহলেতো তেওঁৰ স্ত্ৰীৰ চিম্থিয়াৰ লেচ বিয়ান হোৱাতকৈ ডাঙৰ ডিপ্লোমেটিক স্কেণ্ডেল হ'ব।

"হোৱাট ডু ইউ মীন আই এম লাইং"—চিৰীনে খৰধৰকৈ নাইট ড্ৰেছটো পিন্ধি বিছনাৰ পৰা ঠিয় হ'ল।

ইউ আৰ লাইং এণ্ড ইউ নো ইট।" খঙৰ কোবত মিঃ এমাৰচন চিঞৰি উঠে।

'অলৰাইট দেন লু। ইট ইজ অল ওভাৰ। আই এম গোয়িং এণ্ড ইউ উইল চাফাৰ ফৰ ইট্।" চিৰীনে ভয় দেখুৱালে। খৰ-ধৰকৈ কাপোৰ পিন্ধি চিৰীন কোঠাৰ পৰা ওলাই যাব খুজিলে। এমাৰচনৰ কপালত বিন্দু বিন্দু ঘাম। মাজপথত চিৰীনক বাট আগুচি কলে, "হোয়েৰ আৰ ইউ গোয়িং ?"

"হোৱেৰ ইট প্লীজেজ মী। মে বী টু ডেল্লী টু মীট ইয়োৰ এম্বেচডৰ।" নিজকে চিৰীণে এৰাই যাব খুজিলে। এমাৰচনৰ ভয় এইবাৰ আতঙ্কত পৰিণত হ'ল। যদি চিৰীণে এইবোৰ কথা দিল্লীত লগাইগৈ তেনেহলে তো "ডিচগ্ৰেচ"* হৈ তেওঁ এই দেশ এৰিব লাগিব। তাৰ কাৰণে তেওঁ প্ৰস্তুত নহয়। তেওঁ চাকৰী এৰি যাব কিন্তু এনে এটা অপমান মূৰত লৈ কেতিয়াও দেশলৈ উভতি নাযায়।

"চিৰীন, প্লীজ লিচেন টু মী"— এমাৰচনে আৰ্ত্তনাদ কৰি উঠিল।

"টু হেল ইউথ ইউ বাষ্টাৰ্ড"— বুলি ক'ৰ্পেটৰ ওপৰত থুই পেলাই চিৰীন দুৱাৰৰ ফালে আগুৱাই গল।

এমাৰচনে আৰু সহ্য কৰিব নোৱাৰি "ইউ বীচ" বুলি চিৰীনক দৌৰি ধৰিব খুজিলে। চিৰীনে পলাবলৈ চেষ্টা কৰিছে। কেইমুহূৰ্ত্তমান দুয়োৰে টনা আজোৰাত হঠাৎ চিৰীনৰ বেগ এমাৰচনৰ হাতত লাগি বেগৰ ভিতৰৰ সকলো বস্তু ছিটিকি ওলাই পৰিল।

একেলগে বিস্ফোৰিত চকুৰে চিৰীন আৰু এমাৰচনে দেখিলে সেই বস্তুবোৰৰ মাজতে "চিৰীন"ৰ টেবলেটৰ বটল।

নিঃশব্দে সকলো বস্তু গোটাই চিৰীন ওলাই গল।

"ওহ ক্ৰাইষ্ট" – বুলি মিঃ এমাৰচন চোফাৰ ওপৰত গা এৰি দিলে।

তাৰ দুদিন পিচত পোন্ধৰ দিনৰ ছুটি লৈ মিঃ এমাৰচন চিন্থিয়াক লগত লৈ কোভালাম বীচলৈ গ'ল। কিন্তু তালৈ গৈও তেওঁ শান্তি নাপালে। তেওঁৰ অভিজ্ঞতা হৈছে তিক্ত। অতৃপ্ত কামনাৰ জুইত পুৰি চিন্থিয়াই মাজে মাজে এনেকুৱা একোটা কামত নিজকে সাঙুৰি পেলাইছে যে তেওঁ বিব্ৰত আৰু হতবুদ্ধি হৈ পৰিছে। তেতিয়াই ঠিক কৰিছিল তেওঁ ত্যাগপত্ৰ দি নিজ দেশলৈ উভটি যাব। চিন্থিয়াক অৱশ্যে তেওঁ একোকে কোৱা নাই।

মাদ্ৰাজৰ পৰা ট্ৰেন আপত গৈ থাকোতে মিঃ লিওনাৰ্দ এমাৰ-চনে এইবোৰ কথাকে ভাবি আছিল। তেওঁৰ ডিপ্লোমেটিক কেৰিয়াৰ ইয়াতে শেষ। সেয়া হওঁক, কিন্তু তেওঁ এই অৱস্থাৰ মাজত থাকিব বিচৰা নাই। এই দেশৰ সকলোৱে জানে তেওঁ ভাৰতবৰ্ষৰ বন্ধু, খবৰৰ কাগজতে প্ৰায়েই তেওঁৰ প্ৰশংসা ওলায়। কেনেকৈ তেওঁ এই দেশৰ পৰা কলা মুখ লৈ যাবগৈ? নহয়, নহয়, বদনাম হোৱাৰ আগতে তেওঁ নিজ দেশলৈ উভটি যাব। তালৈ গৈ চিন্থিয়াৰ লগত বুজাপৰা কৰিলব।

এইবোৰ চিন্তা কৰি কৰি মিঃ এমাৰচন যেতিয়া বেচ বিচলিত হৈ পৰিছিল তেতিয়াই জাষ্টিচ চতুৰ্বেদীয়ে নিজৰ চুটকেচৰ পৰা ব্ৰেণ্ডীৰ বটল উলিয়াব খুজিছিল, আৰু সেই সময়তে মিঃ এমাৰচন আৰু চিন্থিয়াই দুয়োজনে একেলগে ক'লে, "প্লীজ ক্যান উই অফাৰ ইউ এ ড্ৰিংক। এ ফ্ৰেন্স কোনিয়াক পাৰহেপচ্।

জাষ্টিচ চতুৰ্বেদী কৈছিল, "আই উইল হ্যাভ ওৱান এণ্ড এ ফ্ৰেন্স কোনিয়াক এট দ্যাট।"

o o o

মিঃ জাষ্টিচ চতুৰ্বেদী কম কথা কোৱা মানুহ। বহু চেষ্টা কৰিও মিঃ এমাৰচন আৰু মিচেচ এমাৰচনে তেওঁৰ পৰা "ইয়েচ"

"নো"ৰ বাহিৰে উত্তৰ নাপালে। এসময়ত জাষ্টিচ চতুৰ্বেদী "আই এম টায়াৰ্ড। গুড নাইট।" বুলি নিজৰ বাৰ্থত গৈ শুলে। "আই থিংক আই উইল গো আউট ফৰ এ মোমেণ্ট" বুলি মিঃ এমাৰচন কৰিডোৰৰ ফালে আগবাঢ়িল। ওলাই যোৱাৰ আগতে এক মুহূৰ্তৰ কাৰণে তেওঁৰ স্ত্ৰীলৈ চালে। চিন্তিয়াৰ সোঁহাতত কোনিয়াকৰ গিলাচ। বাওঁহাতখন ক'ত মিঃ এমাৰচনে দেখা নাপালে।

"এফ" কম্পাৰ্টমেণ্টৰ শ্লাইডিং দুৱাৰ বন্ধ হৈ গ'ল আৰু মিঃ এমাৰচন কৰিডোৰত ঠিয় হললহি।

মিঃ জাষ্টিচ চতুৰ্বেদীয়ে শুবৰ কাৰণে যত্ন কৰিলে। চিন্থিয়া এমাৰচনে কথলখন ককাললৈ টানি ললে। ওপৰৰ বাৰ্থত হঠাতে জেক ব্লুমাৰৰ টোপনি ভাঙি গল। তেওঁৰ মূৰত বহুতো চিন্তা সোমালহি। কেনেকৈ বোম্বেৰ পৰা নিজে তোলা ফিল্মৰ ৰীলবিলাক আমেৰিকালৈ লৈ যাব পাৰে, তাৰেই চিন্তা। টেলিভিচন ডকুমেণ্টৰী কৰা তেওঁৰ কাম। যি চিত্ৰনাট্য তেওঁ ভাৰত চৰকাৰক দেখুৱাইছিল তাতে আছিল ভাৰতৰে প্ৰশংসা। আচলতে জেকৰ পৰিকল্পনা আছিল অন্য। তেওঁ ভাবিছিল তেওঁৰ ডকুমেণ্টৰীৰ নাম দিব "ইণ্ডিয়া বাই নাইট"— 'ৰাতিৰ আন্ধাৰত ভাৰতবৰ্ষ। কাম তেওঁৰ শেষ হৈছিল, কিন্তু কিছুদিনৰ পৰা তেওঁৰ অভিসন্ধিৰ কথা গম পাই কেইখনমান কাগজে তেওঁৰ বিৰুদ্ধে লিখালিখি কৰিছে। সেই কাৰণে তেওঁৰ চিন্তা। বোম্বেত তেওঁৰ যদি কোনো ফিল্ম-ৰীল বাজেয়াপ্ত হয়। কলিকতাৰ ফাইভ ষ্টাৰ হোটেলৰ কেবাৰে দৃশ্যৰ পৰা তেওঁৰ কেমেৰা 'জুম' কৰি সোনাগাছিলৈ আনিছিল। আকৌ বোম্বেৰ ফাইভ ষ্টাৰ কেবাৰেৰ পৰা জুম কৰি ফোৰাচ ৰোড আৰু জুহু, কোলোবাৰ পৰা ৰাতিৰ পৰীৰ গ্ৰাহকৰ কাৰণে টনা-আজোৰা দৃশ্যৰ ওপৰলৈ। জেক ব্লুমাৰৰ দুখ এই যে বোম্বেৰ কনচাল জেনেৰেলেও বোধহয় তেওঁক কোনো সাহায্য নকৰিব। যদি কেনেবাকৈ তেওঁ ফিল্ম-ৰীলবিলাক পাৰ কৰি

নিব পাৰে তেনেহলে তেওঁক কোনে পায় ? গৰীব সৰ্ব্বহাৰাৰ দেশ ভাৰতবৰ্ষৰ নগ্নচিত্র টি. ভিত দেখুৱাই তেওঁৰ জয় জয় ময় ময় হৈ যাব। কিন্তু কেনেকৈ এই ফিল্ম-ৰীলবোৰ বোম্বেৰ চান্তাক্রুজ এয়াৰপোৰ্টৰ পৰা উলিয়াই নিব পাৰিব ? এইবোৰ চিন্তাই কৰিছিল।

"ওহ্। টু হেল উইথ অল অব দেম"- কৈ জ্যাকব্লুমাৰ সিকাটি কৰি শুবলৈ চেষ্টা কৰিলে।

মিঃ জাষ্টিচ জগন্নাথ প্রসাদ চতুৰ্বেদী টোপনিত সুৰজৰ অট্টহাঁহি আৰু "চব ঝুট হ্যায়, ম্যায়নে খুন নহী ক্যায়া—" শুনি চমকি উঠিছে।

মিচেচ চিন্দিয়া এমাৰচনৰ সোঁহাতত কোনিয়াকৰ গিলাচ। ককাললৈ টানি লোৱা কম্বলখন মাজে মাজে কঁপি উঠিছে।

o o o

ট্রেন আপ খুব বেগেৰে গৈ আছে। ৰাতি প্রায় এক বাজিছে। ফাষ্ট ক্লাচ বোগীৰ কৰিডোৰত ঠিয় হৈ আছে অতনু, অৰুণ, চৰ্দাৰ ৰৌনক সিঙ, অনিমেষ, মিঃ লিওনাৰ্দ এমাৰচন আৰু ভাস্কৰ।

অতনুই তেতিয়াও ভাবি আছে বাৰ্থত থকা এই ৰহস্যময়ী মহিলা কোন ?

চৰ্দাৰ ৰৌনক সিঙৰ চকুত পানী। তেওঁৰ মনত পৰিল কেইদিন-মান আগতে পোৱা প্রীতমৰ সেই টেলিগ্রামৰ কথা, "পপ আই এম ডাইং। কাম এণ্ড টেক মী এবে।

অৰুণৰ মনৰ মাজতো চিন্তা। তেওঁ কেনেকৈ দেউতাকৰ মৃত্যু ৰহস্য উলিয়াব পাৰিব। এনেকুৱা কি হব পাৰে যে মাকে তেওঁক এই বিষয়ে কব নোখোজে।

বাহিৰত ঘন ক'লা অন্ধকাৰ। অনিমেষৰ ভাব হল এয়া বোধহয় তেওঁৰ নিজৰ জীবনৰেই প্ৰতিবিম্ব। নিজকে ভাব হয় তেওঁ অসহায়, ক্লান্ত-শ্রান্ত সৈনিকৰ দৰে— তেওঁ হেৰাই গৈছে। দিল্লীৰ পৰা

কলিকতা তাৰ পিচতেই ইতি। তেওঁ জীৱনযুদ্ধত টিকি থাকিব নোৱাৰা হৈছে। চাকৰী এৰি দি যিফালে মন যায় তেওঁ গুচি যাব। লাখ লাখ মানুহৰ ভিৰৰ মাজতে তেওঁ হেৰাই যাব। বিচাৰি পোৱাতকৈ হেৰাই যোৱাত আনন্দ বেছি। হঠাতে অনিমেষৰ শ্বেলীৰ স্কাইলাৰ্ক কবিতাটো মনত পৰি গ'ল। মনে মনে তেওঁ আবৃত্তি কৰিলে—

"We look before and after
And fine for what is not
Our Sincerest laughter
With some pain is fraught
Our sweetest songs are those
That tell of saddest thought."

"এক" কোম্পাৰ্টমেণ্টৰ বাহিৰত ঠিয় হৈ কন্সাল জেনাৰেল মিঃ লিওনাৰ্ড এমাৰচনে ভাবিছে তেওঁৰ ভবিষ্যতৰ কথা। চিৰীনৰ নেকমেলৰ পৰা তেওঁ কোনোমতে ৰক্ষা পাইছে। কিন্তু দেশলৈ উভতি গৈ চিল্ভিয়াৰ কি ব্যৱস্থা কৰিব? তেওঁ ৰোমান কেথলিক, গতিকে ডাইভোৰ্চৰ দুৱাৰ বন্ধ। চিল্ভিয়াক এৰি দিব পৰা নাযাব কিন্তু তেওঁৰ নিজৰ জীৱনৰ মূল্য কি? নে তেওঁ আত্মহত্যাই কৰিব। কিন্তু সেয়াতো পাপ। সেই কাৰণে জানো তেওঁ গোটেই জীৱন এই আত্মগ্লানি, প্ৰবঞ্চনা লৈ জীয়াই থাকিব? হওঁক পাপ, তেওঁ দেশলৈ উভতি গৈ আত্মহত্যা কৰিব।

আৰু ভাস্কৰ? তেওঁ চিন্তা কৰিছে কলিকতালৈ উভতি গৈ সেই অসম্পূৰ্ণ স্কেচ—"দ্য ওমেন" অসম্পূৰ্ণ সৃষ্টিৰ যি বেদনা শিল্পীয়ে অনুভৱ কৰে, সেয়া বোধহয় আনে নুবুজিব। এইবাৰ তেওঁ অদিতিৰ লগত বিয়াখনলৈ কথা পাতিব। অদিতিৰ ঘৰৰ পৰা হয়তো আপত্তি কৰিব কিন্তু নিশ্চয় শেষলৈ সন্মত হব।

কিন্তু অনিমেষক দেখি ভাস্কৰৰ ভাল লগা নাই। যিজন মানুহে হাঁহি স্ফূৰ্তি কৰি থকাতো ভাল পাইছিল সেই মানুহজন হঠাতে

যেন কেনেকুৱা হল । কলিকতালৈ গৈ ইয়াৰো এটা বিহিত ব্যৱস্থা কৰিব লাগিব ।

ভাস্কৰে কৰিডোৰৰ খিৰিকীৰে বাহিৰলৈ চালে । ঘন কলা অন্ধকাৰ । ভাস্কৰৰ ভীষণ ভাল লাগিল । এনে অন্ধকাৰৰ ৰূপ লৈ যদি এটা ষ্টেচু বনোৱা হয় কেনে হব । এইবাৰ উভতি গৈ 'দ্য ওমেন শেষ কৰি আন এটা ষ্টেচু আৰম্ভ কৰিব । নাম দিব 'বিউটিফুল ডাৰ্কনেচ ।'

ট্ৰেনৰ গতি বাঢ়ি গৈ আছে। ভাস্কৰে তেতিয়াও বাহিৰলৈ চাই আছে। ট্ৰেনৰ ডবাৰ ঘৰ ঘৰ শব্দ । কিন্তু ভাস্কৰৰ কাণত অদিতিৰ সেই কথা ভাঁহি আহিল— "ভাস্কৰ, ভাস্কৰ, ডালিং উভটি আহা ।"

হঠাতে ভাস্কৰে হাঁহি দিলে। ৰবীন্দ্ৰনাথৰ কবিতা এটা মনত পৰিল । নিজৰ মনতেই আবৃত্তি কৰিলে।

"এ প্ৰাণ ৰাতেৰ ৰেলগাড়ী
দিল পাড়ি—
কামৰায় গাড়ী ভৰা ঘুম
ৰজনী নিঝুম ।
অসীম আঁধাৰে
কালি-লেপা কিছু নহয় মনে হয় যাৰে
নিদ্ৰাৰ পাৰে ৰয়েছে সে
পৰিচয় হাৰা দেশে ।"

"ৰাতি প্ৰায় দেড়টা । টেন আপ হু হু কৈ গৈ আছে ।

"আটাইবোৰ কম্পাৰ্টমেণ্টত সকলো টোপনিত । যিসকলক কৰিডোৰত আছিল তেওঁলোকৰো চকুত টোপনি নামি আহিছে। পিচৰ ষ্টেচন "কিৰকী" (এতিয়া নাম হৈছে "খড়কী")। মাত্ৰ পাঁচ মিনিটৰ পথ । "কিৰকী"ৰ ষ্টেচনৰ পোহৰ ভাস্কৰৰ চকুত পৰিল। বোম্বে এতিয়াও চাৰিঘণ্টা সময়ৰ পথ ।

ভাস্কৰে খিৰিকীৰ আৰু ওচৰলৈ গৈ বাহিৰৰ অন্ধকাৰৰ ৰূপ চাবলৈ ধৰিলে। 'বিউটিফুল ডাৰ্কনেচ"— নিজে নিজে আওৰালে । দূৰৈত দেখিলে অনিমেষে আৰু এডাল চিগাৰেট লগাইছে। অনিমেষৰ ওচৰলৈ যোৱাৰ কাৰণে ভাস্কৰ আগবাঢ়িল। হঠাতে তেওঁৰ ভৰি কঁপি উঠিল। পুনৰ একো মনত নাই। নিমিষতে ঘটনাটো ঘটি গল। জ্ঞান হেৰোৱাৰ আগতে তেওঁ শুনিবলৈ পালে কাণ ফাটি যোৱা এক বিৰাট শব্দ ।

॥ আঠ ॥

চকুত লগা পোহৰত অনিমেষৰ জ্ঞান ফিৰি আহিল। চকু মেলি দেখিলে খাকী ইউনিফৰ্ম পিন্ধা মানুহ তেওঁৰ ওচৰলৈ দৌৰি আহিছে। চাৰিওফালে টৰ্চলাইট। অন্ধকাৰৰ ৰূপ নাই। চাৰিও-ফালে পোহৰ। ইমান পোহৰ অনিমেষে দিনতো দেখা নাছিল। ঘটনাটো বুজিবলৈ অনিমেষৰ কেইমিনিটমান সময় ললে। ট্ৰেন আপৰ এক্সিডেণ্ট হৈছে। তেওঁৰ বোধহয় বেচি একো হোৱা নাই। কিৰকীৰ মিলিটাৰী হস্পিতালৰ পৰা ডাক্তৰ আহিছে আৰু তেওঁ-লোকে জ্বলাইছে টৰ্চলাইট।

অনিমেষে বাওঁহাতত ভৰ দি উঠিব খুজিলে। এনেতে খাকী কাপোৰ পিন্ধা এজন মানুহ আহি তেওঁৰ চকুৰ পতা বন্ধ কৰি দিলেহি। তেওঁ মানুহজনে কোৱা কাণত পৰিল— "চাৰ দীচ্ ইজ এ লাকী চেপ। নাথিং হেজ হেপেনড্ টু হীম একচেপট্ চক্।"

তেওঁৰ চকুৰ পতা তেতিয়াও জাপ খোৱা আছে কিন্তু অনিমেষে শুনিবলৈ পালে সেই আৰ্তনাদ, সেই ত্ৰাহি ত্ৰাহি মাত— "পানী" পানী-জল-জল-ওৱাটাৰ। মা বচোৱা। প্ৰীতম, অদিতি, বাবুভাই, সুৰজ, ওহ ক্ৰাইষ্ট।" এটা কুকুৰ যন্ত্ৰণাত চিঞৰি উঠিল। তেওঁ গম পালে বাওঁহাতত কোনোবাই এটা ইনজেক্চন দিছে। অনিমেষৰ

ভাব হল যেন গোটেই পৃথিবীখনৰ টোপনিয়ে তেওঁক হেঁচা মাৰি ধৰিছেহি। টোপনি অহাৰ আগতে অনিমেষৰ কিছুমান কথা কাণত পৰিলহি। বেচি ভাগেই তেওঁ বুজিব নোৱাৰিলে। কোনোবাই যেন কৈছে— "কৰ্ণেল সেন, হী হেজ এ চাকিং উণ্ড অফ দি চেষ্ট।" দিচ মেন ইজ বিয়ণ্ড মেডিকেল এইড।" কোনোবাই অৰ্ডাৰ দিলে— "ৰিমুভ হিজ লেফট লেগ।" "এৰেনজ ব্লাড-ট্ৰানচফিউচন।" "হেভী চেডেচন উইথ মৰ্ফিন।" ফেচিয়াল ইনজুৰী।" "ইন্ট্ৰা এবডোমিনাল হেমাৰেজ। কান্ট বী হেলপড্," অল লিম্বচ চিভিয়াৰড"। "লেট আচ ড় এ ক্ৰেনিযেক্টমী।" "ইন্ট্ৰা ক্ৰেনিয়াল ইনজুৰী।"

নাৰীকণ্ঠৰ এক তীব্ৰ আৰ্তনাদ শুনা গল। মিলিটাৰী হচপিতালৰ ডাক্তৰে বুজিব নোৱাৰিলে কৰপৰা চিঞৰটো আহিছে। মেজৰ চোপৰাৰ চকু পৰিল কেইটিমান মৃতদেহৰ ওপৰত। মৃতদেহ কেইটা আঁতৰাই দেখিলে। দুটি দেহ সাবটাসাবটি কৰি পৰি আছে। দুযোজনৰে আঘাত সামান্য। চক্ পাই দুয়োজনে অজ্ঞান, কিন্তু সম্পূৰ্ণ সুস্থ। দুযোটা দেহ বেলেগ কৰি দুযোজনকে টোপনি অহাৰ ইনজেকচন দিলে তাৰপিচত হৈচাৰত হচপিতালৈ পঠিয়াই দিলে।

দুয়োজনৰ ভিতৰত এজন স্বাতী, আনজন অতনু। স্বাতীয়ে হাতত বেটৰ হেণ্ডবেগটো ধৰি আছে।

এই দুখন ষ্ট্ৰেচাৰৰ পিচত আন এখন ষ্ট্ৰেচাৰ, তাত অনিমেষ।

মেজৰ চোপৰাৰ এটা মৃতদেহৰ ওপৰলৈ বাৰে বাৰে চকু গল। অপূৰ্ব বিদেশী মহিলা। মুখখন একোৱে হোৱা নাই। মুখত মনকাচন হৈছে। মহিলাৰ সোঁহাতখনৰ তালুত আয়নাৰ ভঙা টুকুৰা মহিলাৰ নিম্নাংশ সম্পূৰ্ণ নগ্ন। বগা বাওঁহাতখন দহহাতমান দূৰৈত পৰি আছে। হাওঁহাতৰ ঘৰীৰ ৰেডিয়াম ডায়েলত সময় এটা ত্ৰিশ। টেন আপৰ কিৰকী পোৱা সময় এটা পয়াত্ৰিশ। মিচেচ চাণ্ডয়া এমাৰচনৰ মুখ ক্লান্ত কিন্তু মুখত পৰিতৃপ্তিৰ হাঁহি।

কণচাল জেনেৰেল মিঃ লিওনাৰ্ড এমাৰচনৰ মৃতদেহ প্ৰায় দুশগজ দূৰৈত ছিটিকি পৰিছিল। তেওঁ শৰীৰৰ নিম্নাংশ ক'ত যে

পৰিছিল বিচাৰি পোৱা নগল। কিন্তু তেওঁৰ টুইডৰ কোটৰ পকেটৰ পৰা পোৱা গৈছিল বিখ্যাত এক ইংৰাজী ক্ৰাইম-থ্ৰীলাৰ লেখকৰ কিতাপ। কিতাপৰ নাম “এপয়েন্টমেণ্ট উইথ ডেথ।”

তেওঁৰ পকেটৰ পৰা আন এখন কাগজ পোৱা গৈছিল। বন্ধ লেফাফা সেই কাগজত তেওঁৰ ত্যাগপত্ৰ তেওঁৰ দেশৰ “ডিপ্লোমেটিক চাৰ্ভিচৰ পৰা “ফৰ ডোমেষ্টিক ৰিজনচ্।”

o o o

অদিতি আৰু ভাস্কৰৰ জীৱনত আৰু এটি লটাৰী হল। সেই অদৃষ্টৰ লটাৰীত দুটি জীৱন ছিন্নভিন্ন হৈ গল। ৰাতিপুৱাৰ বাতৰি কাগজ দেখি চমকি উঠিলো। বেনাৰ হেড লাইনত কাগজৰ ফাষ্ট লীড। হাতখন মোৰ কঁপিবলৈ ধৰিলে। টেন আপৰ যাত্ৰী-তালিকাৰ মাজত মোৰ সম্পৰ্ক চাৰিটা নামৰ লগত— অতনু, অনিমেষ, অৰুণ আৰু ভাস্কৰ, আচল খবৰটো পঢ়ি হতাহতৰ লিষ্টখন পঢ়িলো। বিশ্বাস হোৱা নাই। একেবাৰে বিশ্বাস হোৱা নাই। কিন্তু বাতৰি কাগজত কলা আখৰেৰে স্পষ্টভাবে দেখালো সেই লিষ্ট।

মৃত—চৰ্দাৰ ৰৌনক সিং, ইডপুগেণ্টী সত্যনাৰায়ণ ৰাও, অঘোৰ সেনশৰ্ম্মা, ঠাকুৰ শিৱপ্ৰসাদ সিং, বাবুভাই, ভামন তামন যোশী, কৃষ্ণ কুমাৰ মিশ্ৰ, ওমি কাপুৰ. অৰুণ ৰায়, সুপ্ৰতিম বেনাৰ্জী, তপন বোস, কল্যান চৌধুৰী, লিওনাৰ্দ এমাৰচন, চিন্থিয়া এমাৰচন, মিঃ জাষ্টিচ চতুৰ্বেদী।

সাংঘাতিক ভাবে আহত-- বী-সেন, জেক ব্ৰুমাৰ।

প্ৰাথমিক চিকিৎসাৰ পিচত এৰি দিয়া সকল— অতনু বাগচী, স্বাতী ৰায়, অনিমেষ লাহিড়ী। ইয়াৰ বাহিৰেও বহুতোৰে নাম আছে যি সকলৰ সতে মোৰ চা-চিনাকি আছে।

বাতৰি কাগজ তেতিয়াও পঢ়া হোৱা নাই। পাগলৰ দৰে অদিতি দৌৰি আহিছে। বুজাবলৈ চেষ্টা কৰিছো বী, সেন, ভাস্কৰ

সেন নহবও পাৰে। ভাস্কৰে হয়তো সেই ট্ৰেনত অহাই নাই। তেওঁতো প্লেনত যোৱাৰ কথা আছিল।

কিন্তু মই অদিতিক বুজাব পৰা নাছিলো, কান্দোনত অধৈৰ্য্য হৈ পৰিছিল—"মই জোৰ নকৰাহেঁতেন তেওঁ মাদ্ৰাজলৈ নগলহেঁতেন, আৰু মাদ্ৰাজ নোযোৱাহেঁতেন এয়া নহলহেঁতেন, এয়া মই কি কৰিলো।"

"ময়েতো জোৰ কৰি পঠিয়াইছিলো। তোমাৰ দোষ ক'ত ?" দোষীৰ নিচিনা অদিতিক কৈছিলো।

"কিন্তু আপুনিয়েতো সেইদিনাখন কৈছিল যে মোৰ কথা ৰখাৰ কাৰণেই ভাস্কৰ যাবলৈ সন্মত হৈছিল। আজি আকৌ এই কথা কিয় কৈছে ?" অদিতিয়ে কৈছিল।

এই কথাৰ উত্তৰ মই অদিতিক দিব পৰা নাছিলো।

ইয়াৰ পিচদিনাখন অনিমেষে বোম্বেৰ পৰা টেলিগ্ৰাম কৰিছিল। ভাস্কৰ যি হস্পিতালত আছে তাৰ নাম জনাই মোক অতি সোনকালে মাতি পঠিয়াইছে। মই হয়তো যাম। ইফালে-সিফালে বহু টেলিফোন কৰি কোনোমতে চাৰিদিন পিচত বোম্বেৰ ট্ৰেনত ৰিজাৰ্ভেচন পাইছিলো।

o o o

ৰেডক্ৰচ ৰিলিফ ট্ৰেনখন যেতিয়া বোম্বেৰ ভিক্টোৰিয়া টাৰমিনাচ ষ্টেচনত ৰলহি তেতিয়া প্লেটফৰ্মত হাজাৰ হাজাৰ মানুহৰ ভিৰ। কিমান মানুহৰ কিমান আপোন মানুহে টেন আপত যাত্ৰা কৰিছিল। যিসকল জীয়াই আছে তেওঁলোক এই ট্ৰেনতে আছে।

অতনু, স্বাতী, অনিমেষ একেলগে ট্ৰেনৰ পৰা নামিল। অনিমেষে দূৰৈৰ পৰা দেখা পালে এটা কম্পাৰ্টমেণ্টৰ সন্মুখত ঠিয় হৈ আছে ব্লাড ট্ৰান্সফিউচন ইউনিট আৰু বহু ডাক্তৰ। বোধহয় ভাস্কৰৰ কাৰণে। দিল্লীৰপৰা কোনোবাই ভাস্কৰৰ কাৰণে ফোন

কৰিছিল। অনিমেষে সেই ফালে নাচাই পোনে পোনে টেলিগ্ৰাফ অফিচলৈ গ'ল। সেই টেলিগ্ৰামে মই পাইছিলোঁ।

অতনু আৰু স্বাতী দুয়োজনে মূৰত সামান্য আঘাত পাইছিল। দুয়োৰে মূৰত বেণ্ডেজ। দুয়ো প্ৰায় একেলগে ষ্টেচনৰ গেট পাৰ হৈ ওলাই আহিল। হঠাতে বৰষুণ পৰিবলৈ ধৰিলে। ইজনে সিজনলৈ চালে। বেতৰ পাচ খুলি স্বাতীয়ে সৰু এটা পেৰাচল উলিয়ালে। মূৰ তল কৰি কলে—"আহক"।

মৃদু হাঁহি মাৰি অতনুই কলে, "দুয়ো ভিজিম।"

"নহলেতো আপুনি সম্পূৰ্ণ ভিজিব।" স্বাতীয়ে কলে।

বেগাই টেক্সী ষ্টেণ্ডলৈ আহিলোঁ। মুহূৰ্তৰ কাৰণে দৃষ্টি বিনিময় হল। এখন দুৱাৰ খুলি স্বাতীয়ে কলে "জুহুলৈ ব'লা।"

আন এখন টেক্সী ধৰি অতনুই কলে, "কোলবালৈ ব'লা।"

নিজ নিজ ঠিকনাত তেওঁলোক আঁতৰি গলগৈ। এজন বোম্বেৰ উত্তৰলৈ আনজন দাক্ষিণলৈ। দুদিনৰ দীঘলীয়া সহযাত্ৰা এক নিমিষতে শেষ হল। গুচি গল। নিজৰ নিজৰ ঠাইলৈ। ইজনে সিজনক চিনি নাপালে, নাজানিলে। সন্দেহৰ দংশন যেনেকৈ আছিল ঠিক তেনেকৈয়ে থাকিল।

o o o

বোম্বেত ভাস্কৰৰ ওচৰত মই দুমাহ থাকিব লগা হৈছিল। প্ৰথম পোন্ধৰ দিন মোক ভাস্কৰৰ লগত দেখা কৰিবলৈ দিয়া নাছিল। যিদিনাখন প্ৰথম ভাস্কৰক দেখা কৰাৰ অনুমতি পালো মই চিনিয়ে নাপালো। যেন কোনোবা আন এজন মানুহহে। সুন্দৰ মুখ হৈছে বীভৎস আৰু বিকৃত। বাওঁ গালখন জ্বলি গৈছে আৰু তাৰ ওচৰত গোট গোট মাংস টুপ খাইছে। চমকি উঠিছিলোঁ।

মৃদু হাঁহি মাৰি ভাস্কৰে কলে, "চমকি উঠিলি যে। জান

এওঁলোকে মোক আয়না এখন দিব খোজা নাই। আয়নাত নিজকে দেখিলে হয়তো নিজেই চমকি উঠিলোহেঁতেন।

"ভাস্কৰ।"

"দুখ কৰিছ কিয়। তইঁতৰ কথা ৰাখিছোঁ। মাদ্ৰাজলৈ গৈছিলো নাম, যশ, সুখ্যাতি পাইছো। এজন শিল্পীয়ে ইয়াতকৈ বেছি আশা কৰা ভুল।"

"কিয় সেইবোৰ কথা কৈছ। কেইদিনমানৰ ভিতৰত সুস্থ হৈ উঠিবি। তাৰ পিচতে পুনৰ কাম আৰম্ভ কৰিবি। তোৰ ষ্টুডিওৰ চকু এতিয়াও শেষ হোৱা নাই? সোনকালে ভাল হৈ উঠি কাম আৰম্ভ কৰিবি।"

"এৰা, অদিতিয়ে কৈছিল, চকু সাজি উলিওৱাতো এদিনৰ কাম। সেয়াতো বাওঁহাতৰ কাম, অদিতিয়েতো কৈছিল নহয়।"

"নিশ্চয়, সেয়াতো তোৰ বাওঁহাতৰে কাম।

"বাওঁ হাতৰ কাম নহয়?"

"ঠিকেইতো।"

তাৰ পিচতেই ভাস্কৰে ডাঙৰকৈ হাঁহিছিল। তেনে অদ্ভুত হাঁহি মই কেতিয়াও শুনা নাই। হস্পিতালৰ নাৰ্চ, ডাক্তৰ সকলো দৌৰি আহিছিল। —"বাওঁ হাতৰ কাম, বাওঁ হাতৰ কাম।" বুলি কৈ কৈ ভাস্কৰে গাৰ ওপৰৰ কম্বলখন দলিয়াই দিছিল।

মই চমকি পিচুৱাই আহিছিলো। ভাস্কৰে তেতিয়াও হাঁহি আছে—"বাওঁ হাতৰ কাম, বাওঁ হাতৰ কাম।"

ভাস্কৰৰ বাওঁহাত কাটি পেলোৱা হৈছিল।

সেইদিনাখন হস্পিতালৰ পৰা মূৰ তল কৰি ওলাই আহিছিলোঁ। ভাস্কৰক কি সান্ত্বনা দিম। মই যে নিজকে নিজে বুজাব পৰা নাছিলো। এক বিৰাট প্ৰতিভাৰ যে এনেকুৱা পৰিণতি হব—সেয়া জানো মই সপোনতো কল্পনা কৰিছিলোঁ। আৰু অদিতি? অদিতিক মই কেনেকৈ বুজাম? অদিতিৰ জীৱনৰ কথা ভাবি কোনো পাৰ পোৱা নাছিলো। কিছুমান মিছা কথা লিখি

অদিতিলৈ চিঠি দিছোঁ। ভাস্কৰৰ বিশেষ বেছি একো হোৱা নাই। সোনকালে ভাল হৈ উঠিব। আৰু কিবাকিবি লিখি অদিতিক বুজাবলৈ চেষ্টা কৰিছিলো। এদিনাখন হস্পিতালৰ পৰা ভাস্কৰক লৈ ট্ৰেনত কলিকতালৈ উভতিছোঁ। গোটেই পথত মাত্ৰ এটা কথাকে ভাবিছোঁ—অদিতিয়ে যেতিয়া প্ৰথম ভাস্কৰক দেখিব তেতিয়া কি হব? দুয়ো সন্মুখাসন্মুখিকৈ বহিছিলো—ভাস্কৰে বাহিৰলৈ চাই আছিল। মাজে মাজে নিজৰ কটা হাতখনলৈ চাইছিল। সি বোধহয় মোৰ মনৰ কথা বুজিব পাৰিছিল, "মই জানো, তই কি ভাবিছ।"

"কি ভাবিছো?"

"তই ভাবিছ অদিতিৰ সন্মুখত মোক কেনেকৈ ঠিয় কৰাবি?"

"নহয়, সেই কথা নহয়।"

"নহয় আকৌ কি? তেওঁক মিছা কথা কে কিয় ঠগালি? সচাঁ কথা লিখাহেঁতেন কি লোকচান আছিল।

এই কথাৰ কোনো উত্তৰ দিয়া নাই। কিন্তু সচাঁকৈ মই ঠগাইছো? তাৰ পিচততে ভাস্কৰে সেই কথা কৈছিল। যি ভয় মই কৰিছিলো, সেয়াই ভাস্কৰৰ মনত বিৰাট প্ৰশ্ন হৈ উঠিছিল। মই গম পাইছিলো ভাস্কৰে কি সুধিব আৰু জানিব খোজে, তথাপিও নজনাৰ ভাওঁ জুৰি সুধিছিলো।

"এটা প্ৰশ্নৰ উত্তৰ দিবি।"

"কি প্ৰশ্ন?"

"মোৰ শিল্পী জীৱনৰতো ইতি হল ...... কিন্তু ......"

"কিন্তু কি?"

"অদিতিয়ে জানো মোক ......"

"কি বাজে কথা কৈছ?"

"যাওঁক বাৰু, মই নকওঁ, মই ইয়াৰ উত্তৰ জানো।" বুলি কৈ ভাস্কৰে মনে মনে আছিল। অদিতিক ইচ্ছা কৰিয়েই আমি অহাৰ তাৰিখ জনোৱা নাছিলো। ভাস্কৰক ঘৰত থৈ মই অদিতিক ফোন

কৰি দিছিলোঁ। কিন্তু ভাস্কৰৰ ঘৰলৈ গৈ যি দৃশ্য মই দেখিছিলোঁ সেয়া মই জীৱনত নাপাহৰো। চিৰকালৰ অভ্যাসৰ দৰে দুয়ো ভাস্কৰৰ ষ্টুডিওলৈ গৈছিলো। ভাস্কৰে অদিতিৰ অসম্পূৰ্ণ মূৰ্ত্তিৰ ওপৰৰ কাপোৰখন টানি খুলি পেলাই মন্ত্ৰমুগ্ধৰ দৰে থমকি চাই আছিল। তাৰপিচতেই মূৰ্ত্তিটো সাবট মাৰি ধৰি শিশুৰ দৰে কান্দিছিল। সেই কান্দোন বন্ধ কৰ নোখোজে। কেতিয়া যে অদিতি পিচত আহি থিয় হৈছিল গমেই পোৱা নাছিলোঁ। ভাস্কৰে তেতিয়াও মূৰ্ত্তিটো সাবটি ধৰিয়ে কান্দি আছে, পিচৰ পৰা অদিতি ভাস্কৰৰ কান্ধত হাত থৈ কলে, "ভাস্কৰ কি হৈছে ? চোৱা এয়া মই আহিছো।"

ইলেকট্ৰিক শ্বক লাগিলে মানুহ যেনেকৈ হঠাতে চমকি উঠে ; ভাস্কৰেও তেনেকৈ উভতি চালে। মুহূৰ্ত্ততে ঘটনা ঘটি গল ; মই কিবা কৰাৰ আগতে শুনিলো অদিতিৰ বুকু ফটা তীব্ৰ চিঞৰ এক হাতেৰে মুখখন ঢাকি ভাস্কৰ দৌৰি ওলাই গল আৰু সন্মুখত হঠাতে যেনেকৈ কোনোবাই অশৰীৰী প্ৰেতাত্মাৰ ছায়া দেখি ভয়ত চমকি উঠে ঠিক তেনেকৈ ভীষণ এক ভয়ত চিঞৰ মাৰি অদিতি তাতেই অজ্ঞান হৈ পৰি গল। ভিতৰৰ পৰা তেতিয়া আৰম্ভ হৈছে ভাস্কৰৰ সেই কৰুণ মিনতি, "প্লীজ, তোৰ ভৰিত পৰিছোঁ অদিতিক ইয়াৰ পৰা লৈ যাগৈ। মোৰ চেহেৰা দেখিলে তেওঁ পাগল হৈ যাব। প্লীজ তেওঁক লৈ যা।"

কিয় জানো নিজকে দোষীৰ দৰে লাগিল। সঁচাকৈয়ে মোৰ কিমানখিনি দোষ সেয়া কেতিয়াও ভাবি চোৱা নাই। তথাপিও এই ট্ৰেজেডী অদিতি আৰু ভাস্কৰৰ জীৱনত নঘটিবও পাৰিলে-হেঁতেন। ভাস্কৰে বেচ বুজিছিল যে অদিতি এইবাৰ তেওঁৰ পৰা আতৰি যাব। সেয়া হয়তো স্বাভাবিক। কিন্তু মই বেচকৈ বুজি-ছিলো যে মনৰ কোণত ভাস্কৰৰ এটা ক্ষীণ আশা আছিল যে অদিতি হয়তো তেওঁৰ হৈয়ে থাকিব। হয়তো ভাস্কৰে এই আশা ৰখাৰ কোনো মানেই নাছিল। তাৰ কোনো যুক্তিসঙ্গত

কাৰণো নাছিল। অদিতিয়ে ভাস্কৰক ভাল পাইছিল। খুব ভাল পাইছিল। কিন্তু সেই বুলিয়ে জানো তেওঁ গোটেই জীৱন এজন পঙ্গু কদৰ্য্য ভয়াবহ মানুহৰ লগত থাকিব লাগিব? অদিতি হয়তো কোনদিনাখনে ভাস্কৰক পাহৰিব নোৱাৰিব, কিন্তু সেই কাৰণে জানো অদিতিক ভাস্কৰক প্ৰেমৰ দাবীত বিয়া কৰাব লাগিব?

ভাস্কৰ আৰু অদিতিৰ লগত মোৰ এই বিষয়ে পুনৰ কথা হোৱা নাছিল। আৰু এইবোৰ প্ৰশ্নৰ উত্তৰো মই বিচৰা নাছিলো। এই কথা ঠিক, ভাস্কৰে নিজকে এই নতুন পৰিস্থিতিত খাপ খুৱাব পৰা নাছিল। গোটেই দিনটো মনে মনে অসম্পূৰ্ণ মূৰ্তিটোৰ ফালে একেভাবে ঘণ্টাৰ পিচত ঘণ্টা বহি চাই আছিল। তাৰ আশে-পাশে যে পৃথিৱীত কোনোবা মানুহ আছে সেই অনুভূতিও বোধহয় নাছিল।

অদিতি মাজে মাজে মোৰ ওচৰলৈ আহি ভাস্কৰৰ খবৰ লৈছিলহি। চকুৰ পানী হয়তো পেলাইছে। অদিতিয়ে হয়তো যোৱা দিনবোৰৰ কথা পাহৰি যাব খুজিছে। তেওঁৰ পক্ষে হয়তো সেয়াই স্বাভাবিক। কোনো দোষ এতিয়াও নিদিও, আজিও দিয়া নাই।

কিন্তু এদিনাখন ভাস্কৰৰ ষ্টুডিওত সোমাই আচৰিত হৈ গৈছিলো। মূৰ্তিটোৰ সন্মুখত ঠিয় হৈ নিজে নিজে বকি আছে। "এয়া মই শেষ কৰিবই লাগিব। আই মাষ্ট। আই মাষ্ট "মই সোমাই অহাৰ শব্দ পাই ঘূৰি চাই মোক কলে, "জান মই ঠিক কৰিছো এয়া মই শেষ কৰিবই লাগিব, যেনেকৈ হওঁক চকুদুটি মই তৈয়াৰ কৰিমেই।"

"কিন্তু ভাস্কৰ সেয়া কেনেকৈ সম্ভৱ হব?"

"মই জানো তই কবি, মোৰ বাওঁহাতখন যে কটা তেনেহলে মই কেনেকৈ শেষ কৰিম। মই জানো তথাপিও মই শেষ কৰিবই লাগিব। "বুলি কৈ ভাস্কৰে সোঁহাতেৰে হাতুৰীটো তুলি লৈছিল।

"তই মোৰ বাওঁহাতৰ কিলাকুটিৰ মাজত ছেনীটো গুজি দে....।" মই আচৰিত হৈছিলো কিন্তু কোনো প্ৰতিবাদ কৰা নাছিলো

যি কৈছে তাকে কৰিছো— আৰু ঠিয় হৈ হৈ চাইছো ভাস্কৰৰ সেই অমানুষিক চেষ্টা। "নহব, নহব" বুলি ভাস্কৰে চেয়াৰৰ ওপৰত পৰি পুনৰ কান্দোনত ভাঙি পৰিছিল।

তাৰপিচৰ পৰা সদায় ভাস্কৰৰ ষ্টুডিওলৈ গৈছো আৰু চাইছো ঘণ্টাৰ পিচত ঘণ্টা ভাস্কৰৰ সেই মানসিক যন্ত্ৰণা। সেই দৃশ্য মই বৰ্ণনা কৰিব নোৱাৰে। । অসম্পূৰ্ণ মূৰ্তিটো সম্পূৰ্ণ কৰাৰ সেই যন্ত্ৰনাময় চেষ্টা আৰু প্ৰতিবাদৰ চেষ্টা বিফল হোৱাৰ সেই অব্যক্ত বেদনা। কপালত বিন্দু বিন্দু ঘাম। চকুৰে মুখে অসহ্য যন্ত্ৰনাৰ ছাপ। চকুৰ পানী ওলাইছে, পৰিশ্ৰমত শৰীৰ ভাঙি পৰিছে আৰু ব্যৰ্থতাৰ অনুতাপত আৰু খঙত হাতুৰী আৰু ছেনী দলিয়াই পেলাই বাউচি জুৰি কান্দিছে। সেয়া এক অবৰ্ণনীয় দৃশ্য। ভাব হৈছিল আৰু কেইদিনমান এনেকৈ গলে মনেই পাগল হৈ যাম। কিন্তু বেচিদিন এই দৃশ্য চাব লগা নহল।

কিছুদিন পিচত ভাস্কৰ আকৌ অসুস্থ হৈ পৰিল। কিন্তু জ্বৰৰ মাজতো সেই একেই কথা—এইটো মই শেষ কৰিবই লাগিব। বেছিপৰ চিঞৰিব নোৱাৰিলে, অচেতন হৈ পৰিল। যিমান সময় অচেতন হৈ থাকে সিমানেই শান্তি। চেতনা ঘূৰি আহিলে আকৌ আৰম্ভ হয় মনৰ সেই দ্বন্দ্ব। এক মিনিটো মোক নেৰে। সেঁ হাতেৰে জোৰ কৰি মোৰ হাতখন চেপি ৰাখিছে আৰু মাজে মাজে তেওঁৰ নিজৰ কটা বাওঁহাতখনৰ পিনে করুণ দৃষ্টিৰে চাই আছে। নিজৰ অজ্ঞাতেই তেওঁৰ দুচকুৰে দুটোপাল চকুলো বৈ আহিছে। ব্যৰ্থতাৰ চকুলো সান্ত্বনা দিবলৈ মই চেষ্টা কৰা নাই, কাৰণ মই নিজেই জানো সান্ত্বনা দি কোনো লাভ নাই। এদিনাখন ভাস্কৰক লৈ চেঞ্জলৈ গলো। কিমান ঠাইত ফুৰিছিলো তাৰ হিচাব নাই, কিন্তু কতো শান্তি পোৱা নাই। খজুৰাহো, কোনাৰক, তাজমহল সকলোতে ঘূৰিছো। খজুৰাহো আৰু কোনাৰক মন্দিৰৰ বাহিৰত ঘণ্টাৰ পিচত ঘণ্টা মই অপেক্ষা কৰিছো আৰু ভাস্কৰে ঘূৰি ফুৰিছে পালবিহীন, লক্ষ্যহীন নাওঁৰ দৰে। যেতিয়া

মাতি আনিব খুজিছিলোঁ, দেখিছোঁ কোনো মূৰ্ত্তিৰ সম্মুখত স্থাণুৰ দৰে নিশ্চল হৈ ঠিয় হৈ আছে।

এদিনাথন কলে, "বল বহুতো ঘূৰিলো—এইবাৰ উভটি যাওঁ।"

"কলৈ যাবি?"

"কলৈ যাম। কলিকতালৈ উভটি যাওঁগৈ। ভাল নলগা হৈছে। এইবাৰ গৈ আৰু এবাৰ চেষ্টা কৰিব লাগিব। মূৰ্ত্তিটো সম্পূৰ্ণ কৰিব পাৰো নে নাই চেষ্টা কৰি চাব লাগিব। এতিয়াটো বেচ সুস্থ হৈ উঠিছোঁ।"

বুকুখন মোৰ কঁপি উঠিল।

কিন্তু কলিকতালৈ উভতি অহাৰ পিছত ভাস্কৰৰ কাৰণে যি আঘাট অপেক্ষা কৰি ৰৈ আছিল তাৰ কাৰণে ভাস্কৰ নাইবা মই কোনো প্ৰস্তুত নাছিলোঁ। এনেকুৱা হয়তো অপ্ৰত্যাশিত নহয়, কিন্তু মোৰ ভাব হৈছিল যেন আঘাতটোৱে ভাস্কৰক খুব নিৰ্মমভাবে আঘাট দিছিল।

ঘৰ সোমাই ভাস্কৰে পোনে পোনে ষ্টুডিওলৈ গৈ মূৰ্তিৰ ওপৰৰ কাপোৰখন আতৰাই ছেনী আৰু হাতুৰীতো হাতত তুলি লোৱাৰ কাৰণে হাতখন আগবঢ়াইছিল। ভাস্কৰ অহাৰ খবৰ পাই তেওঁৰ ছাত্ৰ আৰু সহকাৰী বৰুণ আহিছিল তেওঁক দেখা কৰিবলৈ।

বৰুণক দেখা পাই ভাস্কৰৰ মুখত হাঁহি দেখা গৈছিল। বহু দিন পিচত ভাস্কৰে হাঁহিলে, 'আহা বৰুণ—মোক অলপ সহায় কৰাহি। আমি দুয়োজনে মিলি অলপ চেষ্টা কৰিলে চকু দুটা শেষ হব। হাতুৰী আৰু ছেনী হাতত লৈ ভাস্কৰে কৈছিল।

বৰুণে একো কথা কোৱা নাই। মনে মনে মূৰ তলকৰি নিৰ্বিকভাবে ঠিয় হৈ থাকিল।

"উত্তৰ নিদিয়া কিয়, মোৰ বাৰু বাওঁ হাতখন কটা গৈছে, তুমি বোবা হলা নকি?" বেচ জোৰ দি ভাস্কৰে কথাখিনি কলে। বৰুণ তেতিয়াও মনে মনে আছে। ভাস্কৰে দেখিলে

বৰুণৰ চকুৰ কোনত পানী। "কি হৈছে তোমাৰ ?" ভাস্কৰে চিঞৰি উঠিল।

বৰুণে কলে, "চাৰ, এই ষ্টেচুটো আপুনি পুনৰ নকৰিব।

মই আৰু ভাস্কৰ দুয়ো বৰুণৰ কথা শুনি যেন আকাশৰ পৰা পৰিলো। কি কব খোজে বৰুণে ?

"কিয় ?" ভাস্কৰে দৃঢ়স্বৰে জানিব খুজিলে।

"কি দৰকাৰ চাৰ সেইটো শেষ কৰি—" বৰুণে কলে।

"কি দৰকাৰ আৰু দৰকাৰ নহয় সেয়া মই তোমাৰ পৰা শিকিব নোখোজো ?" খঙত ভাস্কৰে কথাখিনি কলে।

"নহয়, চাৰ, আপোনাৰ ভৰিত পৰিছো। আপুনি এয়া শেষ নকৰিব।" বৰুণে প্ৰায় কান্দি দিলে। এইবাৰ ভাস্কৰ আগুৱাই আহি হঠাতে বৰুণৰ কলাৰত ধৰি উত্তেজিত হৈ কলে, "কিয় শেষ কৰিব নালাগে— কিয় শেষ কৰিব নালাগে – কোৱা কোৱা ?"

নিজৰ কলাৰৰ পৰা ভাস্কৰৰ হাতখন আঁতৰাই দি বৰুণে কোঠাৰ পৰা প্ৰায় দৌৰি ওলাই যোৱাৰ আগতে কলে, "কালি অদিতিৰ বিয়া।"

"কাৰ বিয়া ?" মই আৰু ভাস্কৰ একেলগে প্ৰায় চিঞৰি উঠিছিলোঁ।

বৰুণ তেতিয়া ভাস্কৰৰ পাঁচমহলা ফ্লেটৰ লোৰে ঘেৰা চিৰিয়েদি নামি গৈছে। মাত্ৰ শুনা গল ?

"অদিতিৰ কালি বিয়া।"

প্ৰথমতে স্তম্ভিত হৈ পৰিছিলোঁ। চেতনা ওভোটাই পালো আয়না ভঙাৰ শব্দত। এক নিমিষতে ভাস্কৰে ছেনী আৰু হাতুৰী হাতত তুলি লৈ খিৰিকীৰ আয়নাৰ ওপৰত দলিয়াই দিলে। খিৰিকীৰ আয়না ভাঙি হাতুৰী আৰু ছেনী ক'ত পৰিল কোনে জানে। মই এই ভয়ে কৰিছিলো। যিটো কোনত মূৰ্ত্তিটো ৰখা আছিল— এইবাৰ ভাস্কৰ তাৰ ওচৰলৈ দৌৰি গল। মূৰ্ত্তিটো ধৰাৰ আগতেই মই ভাস্কৰক ধৰিছিলোঁ।—কি পাগলামী কৰিছ ভাস্কৰ।"

"কিয়, এয়াতো মোৰ হাতৰ কাম, নহয় জানো ? কটা হাতেৰেই এইটো ভাঙি চুৰমাৰ কৰি দিব পাৰোঁ। সাজিব নোৱাৰিম, কিন্তু ভাঙিবতো পাৰিম।"

ভাস্কৰে ৰীতিমত মোৰ স'তে টনা-আজোৰা লগাইছিল।

কিবা ভাবি হঠাতে ভাস্কৰৰ গালত এক চৰ বহুৱাই দিলোঁ। ভাস্কৰৰ দুই চকুৰে ধাৰাসাৰে পানী পৰিবলৈ ধৰিলে। ওচৰলৈ গৈ কান্ধত হাত থৈ কলো, "আই এম চৰী। ক্ষমা কৰিবি ভাই। খঙৰ কোবত কি যে কৰিলো। ছি ছি ছি।"

মোক সাবটি ধৰি কান্দি কান্দি ভাস্কৰে কলে, "ডোণ্ট বী চীলি। মোৰেই ভুল হৈছিল।" তাৰ পিচত লাহে লাহে শোৱনী কোঠাত গৈ সোমাইছিল। ময়ো তাৰ পিচত বেচি সময় থকা নাছিলো। ঘৰলৈ গৈ মোৰ চিন্তা আঁতৰা নাছিল। অদিতিয়ে যে আন কাৰোবাক বিয়া কৰাব, তাতে আচৰিত হবলগীয়া একো নাই। কিন্তু ভাস্কৰে যে কথাতো এনেকৈ লব সেয়া মই বুজিব বা ভাবিব পৰা নাই।

পিচদিনাখন ৰাতিপুৱা বকুণ মোৰ ঘৰলৈ আহিছিল। আহি মোক খৰখৰকৈ ভাস্কৰৰ ঘৰলৈ যাবলৈ কলে— কি জানো দাদা কি হৈছে চাবে ৰাতিপুৱাৰ পৰাই ভীষণভাবে মদ খাব ধৰিছে। বহুত কৈছিলো একোতেই কথা নুশুনিলে। মোক ঘৰৰ পৰা উলিয়াই দিছে।

বকুণক লগতলৈ মই ভাস্কৰৰ ঘৰলৈ গৈছোঁ। দুৱাৰত বহুবাৰ খুন্দিয়াইছোঁ কিন্তু ভাস্কৰে একোতেই দুৱাৰ নুখুলিলে। বহু মিনতি কৰাৰ পিচত যেতিয়া দুৱাৰ খুলি দিছে ভাস্কৰৰ তেতিয়া স্থিৰতা নাই। "কি লাগে তোমালোকক ? লীভ মী এলোন।" দুৱাৰ আকৌ বন্ধ কৰাৰ চেষ্টা কৰিছে।

"ভাস্কৰ শুন, মই কথা দুটা কৈয়ে যামগৈ।" বুলি কৈ তাক ঠেলি কোঠাৰ ভিতৰলৈ সোমাই লৈ আহিলোঁ। মূৰ্ত্তিটোৰ সম্মুখত মদৰ বটল আৰু চোডাৰ বটল সিচঁৰিত হৈ পৰি আছে। বহু সময়

হয়তো মনে মনে বহি আছিলো। ভাস্কৰে সেই নিস্তব্দতা ভঙ্গ কৰি কথা কৈছে, "আজিতো অদিতিৰ বিয়া ?"

"শুনিলো।"

"আজিৰ দিনত কিবা উপহাৰ অদিতিলৈ পঠোৱা উচিত হব। কি কৰ ?" এটা এটাকৈ ভাস্কৰে কথাখিনি কলে।

"কি দৰকাৰ ? মই বাৰু এটা সময়ত অভিনন্দন জনাই আহিম।"

"কিন্তু মোৰোতো এটা কৰ্ত্তব্য আছে। আজিৰ দিনত মই জানো উপহাৰ নিদিম ? শুনিছো আজি আবেলি তেওঁলোকৰ ঘৰত বিৰাট পাৰ্টি আছে। তালৈকে উপহাৰটো পঠিয়াই দিয়া যাব, কি কৰ ?

"মইতো নাজানো পাৰ্টিৰ কথা, তোক কোনে কলে ?"

"শুনিছো। সকলোৱে জানে, মই আৰু নাজানিম কিয় ?"

"আবেলি বাৰু দেখা যাব।"

"ঠিক আছে আবেলি তই আহিবি, তেতিয়া কিবা এটা পঠোৱা হব।"

আবেলি ভাস্কৰৰ ঘৰলৈ অহাৰ আগতে অদিতিৰ ঘৰৰ কাষৰ পৰা ঘূৰি আহিলোঁ। পোহৰত অদিতিৰ ঘৰ জ্বলমলাই উঠিছে। ভিতৰৰ পৰা বিলাতী সঙ্গীতৰ সুৰৰ বেশ ভাঁহি আহিছিল। ঘৰৰ সন্মুখত বহুতো গাড়ী। মোৰ মনত এতিয়া এটাই চিন্তা—কেনেকৈ ভাস্কৰক তাৰ বলিয়ালিৰ পৰা নিৰস্ত কৰা যায়। একো ঠিক নাই, হয়তো নিজেই অদিতিৰ ঘৰলৈ যাব আৰু তাত হয়তো কিবা ঘটনা ঘটাব। তাৰ উপৰি অদিতিৰ জীৱনৰ এই শুভ মুহূৰ্ত্তও কি দৰকাৰ ভাস্কৰৰ অদিতিৰ জীৱনত এনেকুৱা এক সুন্দৰ ক্ষণক অতীতৰ স্মৃতি জগাই ম্লান আৰু বিষাদময় কৰি তোলাৰ ?

মই বেছি চিন্তা কৰিব লগা নহল। বেচিদূৰ মই যাব লগীয়াও নহল। ভাস্কৰৰ ঘৰৰ ওচৰ পাওঁতেই দেখিলোঁ পাগলৰ দৰে বৰুণ দৌৰি আহিছে। মোৰ গাড়ীখন দেখি হয়তো হাতত স্বৰ্গ পোৱা

যেন পালে। ক্লান্ত, শ্রান্ত বৰুণে কোনোমতে কলে, "দাদা থৰথৰকৈ বলক। চাবে আকৌ বলিয়ালি কৰিছে।"

"কিয় আকৌ কি হল।" বিস্ময়ৰ সুৰত সুধিলে।।

"সেই মূৰ্ত্তিতো হেনো সম্পূৰ্ণ কৰিব। মদৰ নিচাত মহুৰ্ত্তল হৈ আছে।"

বৰুণক গাড়ীত তুলি লৈ ভাস্কৰৰ ঘৰলৈ আহি এক মুহূৰ্ত্ত সময় নষ্ট নকৰাকৈ পোনে পোনে ষ্টুডিওলৈ গলো। তালৈ গৈ যি দৃশ্য দেখিলো সেয়াই মোক আৰু বৰুণক বিস্মিত কৰি তুলিছিল।

মদৰ নিচাত ভাস্কৰ ঢলংপলং কৰিছে আৰু এপাত ব্ৰাচ লৈ পাগলৰ দৰে মূৰ্ত্তিটোৰ ওপৰত আলকাতৰা লগাইছে। বগা মূৰ্ত্তিতো কলা আৰু ভয়াবহ আকৃতিৰ হৈ উঠিল। দৌৰি ভাস্কৰক ধৰাৰ আগতেই হঠাৎ এক অদ্ভুত কাম কৰিলে। কৰপৰা যেন তাৰ সেই পঙ্গু শৰীৰৰ অমানুষিক শক্তি পালে। মুহূৰ্ত্ততে বিৰাট সেই ষ্টেচুটোক সাবট মাৰি ধৰি নিজৰ কান্ধৰ ওপৰত তুলি ললে। দৌৰি মই আৰু বৰুণ গৈছোঁ। চিঞৰি কৈছো, "ভাস্কৰ, আকৌ কি বলিয়ালি কৰিছ?"

মাত্ৰ এক মুহূৰ্ত্তৰ কাৰণে ভাস্কৰ থমকি ৰৈছিল। পিচ মুহূৰ্ত্ততে অদ্ভুত ভাবে হাঁহি কলে, "মনত নাই আজি অদিতিৰ বিয়া। তেওঁক কিবা এটা উপহাৰ দিব লাগিবতো?"

"সেই কাৰণেতো মই আহিছোঁ।"

"কোনো আহিব নালাগে। মই মোৰ উপহাৰ বাচি লৈছোঁ। সেই উপহাৰেই মই অদিতিক দিব যাও।" আমি কিবা কৰাৰ আগতে আমাক ঠেলা মাৰি ভাস্কৰে সেই বিৰাট মূৰ্ত্তিটো কান্ধত লৈ কোঠাৰপৰা ওলাই গ'ল। "ভাস্কৰ, ভাস্কৰ" বুলি চিঞৰিছোঁ, কিন্তু ইতিমধ্যে ভাস্কৰে সেই ঘূৰোৱা চিৰিৰে ঢলংপলং কৈ পাঁচ মহলাৰ পৰা নামিব ধৰিছে। দৌৰি গৈছো তেওঁক বাধা দি ৰাখিবলৈ, কিন্তু বেচি দূৰ যাব লগা নহল। মোৰ মুখৰ পৰা অস্ফুট আৰ্তনাদ ওলাই আহিল। ভৰি পিচলি সেই ঘূৰোৱা চিৰিৰে ভাস্কৰ মোৰ

চকুৰ সন্মুখতে বাগৰি বাগৰি তললৈ পৰি গ'ল আৰু লগে লগে চূৰ্ণ-বিচূৰ্ণ হৈ গল সেই মূৰ্ত্তিটো। যেতিয়া মাটিত পৰিলহি তেতিয়া ভাস্কৰ আৰু মূৰ্ত্তিটো দুয়োটাকে চিনিব পৰা নগল। এটা হৈছে মাংসৰ স্তূপ আৰু এটা হৈছে শিলৰ গুৰি।

অদিতিৰ ঘৰৰ পৰা তেতিয়া ভাঁহি আহিছে সঙ্গীতৰ বেশ।

॥ ন ॥

মোৰ ভায়েৰীৰ ফটা মলিয়ন পাতত ভাস্কৰৰ কথা ইমানতে শেষ হৈছে। কিন্তু আৰু বহুতবে কথা লেখা আছে— আৰু বহু কথা বাকী আছে। তেওঁলোকৰ কথাতো কোৱা হোৱা নাই। তেওঁ লোকৰ কথা নকলেতো বহু কথাই কোৱা নহব। কাৰণ তেওঁ-লোকৰ কথা নকলে মোৰ নিজৰে বহু কথাই বাকী ৰৈ যাব। নীলি, বসন্ত, অপূৰ্ব, ভাস্কৰ, অৰুণ, অতনু—সকলোৰে কথা এটা এটাকৈ শেষ হৈ গৈছে, কিন্তু বহুতৰে কথা বাকী ৰৈ গল।

অদিতিৰ বিয়া হৈ গৈছে। মোৰ লগত অদিতিৰ কোনো কথা এই বিষয়ে হোৱা নাছিল। ভাস্কৰৰ জীৱনৰ মৰ্মান্তিক পৰিণতিৰ কথাও অদিতিয়ে জানিছিল। অদিতিয়ে পুনৰ মোৰ লগত দেখা কৰা নাছিল। মষো দেখা কৰা নাই। কিন্তু মই আজিও অদিতিক দোষ দিব পৰা নাই।

মৃত্যু পথ যাত্ৰী অপূৰ্বক মই কথা দিছিলো যে মানুহৰ সন্তান—এই পৃথিৱীৰ সন্তানক মই চাম। নীলিৰ কোলাত যেতিয়া বসন্তৰ শিশুকন্যা আহিছিল তেতিয়া মই তেওঁক বুকুত তুলি লৈছো। নীলিয়ে এবাৰো প্ৰতিবাদ কৰা দূৰৈৰ কথা, নীলিয়ে মোক কথা দিছিল যে তেওঁ কোনোদিনাখন তেওঁৰ মাতৃত্বৰ দাবী

লৈ সন্তানৰ সন্মুখলৈ নাহে। সেই কথা এতিয়া অবাস্তৱ, কাৰণ নীলিও আজি হাতৰ বাহিৰত।

তাৰপিচত বহুদিন গৈছে। নীলি আৰু বসন্তৰ ছোৱালী— মানুহৰ সন্তান, এই পৃথিৱীৰ সন্তান— মোৰ ওচৰতে মানুহ হৈছে। তেওঁ গম পাইছিল, তেওঁ মাক বাপেক নোহোৱা অনাথ। যেতিয়া ডাঙৰ হৈছিল তেতিয়া মই তেওঁক দিল্লীত পঢ়িবলৈ পঠিয়াইছিলো অপূৰ্ব সুন্দৰী হৈছিল নীলিৰ ছোৱালী। ময়ে চখ কৰি নাম থৈছিলো নীলিমা। ছুটীত প্ৰতিবাৰে মোৰ ওচৰলৈ আহিছে। অতীতৰ কোনো ছায়া তেওঁৰ জীৱনত মই পৰিবলৈ দিয়া নাই।

নীলিমা ডাঙৰ হৈছে। বি, এ, পাচ কৰিছে। তাৰপিচত মোৰ সন্মুখলৈ আহিছে সেই বিবাত সমস্যা। কিমানদিন নীলিমাৰ অতীত লুকুৱাই ৰাখিম? তেওঁৰ বিয়াৰ সময়ত জানো প্ৰশ্ন নুঠিব, তেওঁৰ মাক-বাপেক সম্বন্ধে? তেতিয়া কি উত্তৰ দিম? আৰু নীলিমাক ময়ে বা কেনেকৈ মুখ দেখুৱাম? আৰু নীলিমাই বা তেতিয়া কেনেকৈ সভ্য সমাজৰ আগত মুখ দেখুৱাব? এই সমস্যাৰ সমাধান মোৰ নাছিল।

o o o

লিলিৰ একোতেই টোপনি নাহিল। চাৰিটা শ্লিপিং পিল খাইও তেওঁৰ টোপনি নাহিল। মূৰটোত মাথো এটা চিন্তা। দুদিন পিচত অৰুণ কলিকতালৈ আহিব। তাৰ পিচত? তাৰ পিচত কি হব? অৰুণে যদি খবৰ লৈ আহি প্ৰশ্ন কৰে, “মা তুমি ইমান দিনে কিয় মোক মিছা কথা কৈছিলা?”—তেতিয়া কি উত্তৰ দিব? তেওঁৰতো হাতত কোনো উত্তৰ নাই। আৰু দুটা পিল খাবনেকি? নহয়, তেওঁৰ পিলৰ মাত্ৰা বাঢ়ি গৈ আছে। গোটেই ৰাতি লিলি সাৰ পাই থাকিল। এসময়ত মনত পৰিল যে অৰুণৰ জেঠাকক তেওঁ যে কলিকতালৈ উভটি

আহিছে সেই কথা জনোৱাই নাই। লিলিয়ে মনে মনে ঠিক কৰিলে যে তেওঁ তেওঁৰ ওচৰলৈ যাব, প্ৰত্যেক মাহত টকা পঠোৱা কাৰণে ধন্যবাদ দিবলৈ নহয়, এয়া জনাবলৈ যে এতিয়া তেওঁৰ কি কৰ্ত্তব্য। তেওঁ জানো সকলো কথা অকণ্ঠক কৈ দিব ?

একোতেই লিলিৰ টোপনি অহা নাই। চিন্তা ভাবনাত মূৰটো টনটনাই উঠিল। যেতিয়া ৰাতিপুৱাৰ পোহৰ তেওঁৰ কোঠাত পৰিছে তেতিয়াও লিলি জাগি আছে। হঠাতে কি ভাব হ'ল লিলিৰ। বহুদিন পিচত আঠুকাঢ়ি প্ৰাৰ্থনা কৰিবলৈ বহিল। বুকুৰ ওপৰত "ক্ৰচ"ত হাত দিছে মাত্ৰ এনেতে বাতৰি কাগজ খন খিৰিকীৰে আহি তেওঁৰ সন্মুখত পৰিলহি। "আমেন" বুলি কৈছে লিলিয়ে, আৰু তেওঁৰ দৃষ্টি বাতৰি কাগজত পৰিছে।

কেইমিনিটমান কাগজখন পঢ়ি এক তীক্ষ্ণ আৰ্ত্তনাদ কৰি লিলি লুটিখাই মাটিত পৰিছে আৰু তাৰ পাচতেই স্লিপিং পিলৰ বটলটো খালি কৰি খাই পেলাইছে।

সেইদিনাখন ৰাতিপুৱা মযো বাতৰি কাগজ পঢ়িছিলোঁ। মোৰ যিসকল অতি নিজস্ব তাৰ ভিতৰত আছিল অতনু, অনিমেষ, অৰুণ আৰু ভাস্কৰ। লিলিয়ে মোক কলিকতালৈ অহা কথা জনোৱা নাছিল। সেই কাৰণে তেওঁৰ কোনো খবৰে মই পোৱা নাছিলো। যোৱা কেইমাহমান মই পঠোৱা মনি অৰ্ডাৰ উভতি আহিছে সেই চিৰ পুৰাতন লেখা লৈ "এড্ৰেচী নট ফাউণ্ড।" মোৰ ডায়েৰীত এইবোৰ লেখা আছে কাৰণ মই সকলো গম পাইছিলো ভাস্কৰক লৈ উভতি অহাৰ পিচত। সেই কথাৰ আগতেই কৈছো। এতিয়া যি লিখিছো সেই ঘটিছিল ট্ৰেন আপৰ একচিডেণ্ট হোৱা আৰু ভাস্কৰক আনিব যোৱাৰ ব্যৱধানৰ মাজত।

কিন্তু আচৰিত, অনিমেষ যে ক'ত হেৰাই গ'ল সেয়া জানিব বা বুজিব নোৱাৰিলো।

টেন আপৰ দুৰ্ঘটনাৰ দুদিন আগতে নীলিমা ধৰদিনৰ ছুটিত আহিছিল। হৈ চৈ কৰি গোটেই ঘৰ ভৰাই তুলিছিল। এদিনাখন বাতিপুৱা কিবা কাৰণত নীলিমাৰ কোঠাত সোমাইছিলো। নীলিমা ওলাই গৈছে টেবুলৰ ওপৰত পুৰুষৰ সুন্দৰ হাতৰ লেখা এখন চিঠি। অনিচ্ছাসত্বেও চিঠিখনৰ ওপৰত চকু ফুৰাইছিলো। মাজৰ কেইটামান লাইনত চকু পৰিল।

"বোধহয় চাকৰীতো হব। মই মাদ্ৰাজৰ পৰা বোম্বেৰৈহে কলিকতালৈ উভটিম। আৰু কিমানদিন এনেভাবে লুকাই থাকিম ? তুমি খুৰাদেউৰ অনুমতি লবা। এই মাহতে আমাৰ বিয়া হব লাগিব।

স্বস্তিৰ নিশ্বাস পেলালো। যাওঁক বিয়াৰ ভাবনা মই ভাবিব নালাগে।

নীলিমা যেতিয়া ঘৰলৈ আহিছে তেতিয়া একো কোৱা নাই। আবেলি ড্ৰয়িংৰুমত বহি গল্প কৰোতে হঠাতে কথাতো উলিয়ালো। "এখন বেচ গধুৰ চিঠি পাইছা বোধহয় নীলিমা।"

নীলিমাৰ কানদুখন ৰঙা হৈ উঠিল। —"খুড়াদেউ তুমি কিয় মোৰ চিঠি পঢ়িছা ? তুমি ভীষণ দুষ্ট।"

"তুমি চিঠিখন খুলি টেবুলৰ ওপৰত থব পাৰা, মই পঢ়ি চোৱাতনো কিহৰ দোষ ? চিঠি চোৱা আৰু পঢ়া একেতো নহয়। কিন্তু এই ভাগ্যবান মানুহজন কোন ?"

"দেখিছাই যেতিয়া কিয় সুধিছা ?

"তেওঁ কোন তাকেহে সুধিছো ?

অৰুণ ৰায়। ব্ৰিলিয়াণ্ট লৰা। ভালদৰে ইঞ্জিনিয়াৰীং পাচ কৰিছে। মোৰ লগত দিল্লীৰ ইয়ুথ ফেষ্টিভেলত" দেখা হৈছিল।

অৰুণ ৰায় বুলিলেইতো সকলো কথা কোৱা নহয়। আৰু কোনো পৰিচয় নাই জানো ?"

"নেজানো খুৰাদেউ, সুধিলে নিজৰ কথা বেছি কব নোখোজে। জীৱনত কৰবাত যেন এক বিৰাট ট্ৰেজেডী লুকাই আছে। এদিনাখন

কৈছিল তেওঁৰ দেউতাকক কোনোবাই বোলে খুন কৰিছিল ।”

“কি নাম তেওঁৰ দেউতাকৰ ? প্ৰায় চিঞৰি মই সুধিছিলো ।

মোৰ মাত শুনি নীলিমা চক খাই উঠিছিল ।

“তেওঁৰ দেউতাকৰ নাম আছিল বসন্ত ৰায় ।”

“কি ?” মোৰ ভাব হল যেন ঘৰটো কঁপিছে । হাতৰ পৰা হুইস্কীৰ গিলাচটো মাটিত পৰি ঝন্-ঝঁনাই ভাঙি গ'ল ।

“কি হল খুৰাদেউ”— নীলিমা দৌৰি আহিছিল ।

“মূৰটো হঠাতে ঘূৰা যেন পাইছিলো”— বুলি কৈ শোৱা কোঠালৈ সোমাই গলো ।

অদৃষ্টৰ নির্মম পৰিহাস । বসন্তৰ স্ত্রী লিলি আৰু তেওঁৰ লৰা অৰুণৰ সমস্ত ভৰণ-পোষণৰ দায়িত্ব মোৰ ওপৰতেই আছিল । কিন্তু কোনোদিনাখনে জানো ভাবিছিলো সেই লৰাই নীলিমাৰ জীৱনত এনেভাবে অভিশাপ হৈ উঠিব ? তাৰ উপৰি এয়াতো অসম্ভৱ । একেজন পিতৃৰ সন্তান নীলিমা আৰু অৰুণ । মই কোনো পাৰ নোপোৱা হলো । কাৰ ওচৰলৈ যাওঁ ? নীলি আজি নাই । আৰু লিলি ? তেওঁ ক'ত সেয়াও মই নাজানো । কোনে মোক বাট দেখুৱাব ? চিন্তাত মোৰ টোপনি নোহোৱা হল ।

শেষত বাট দেখুৱাই দিলে ট্রেন আপে ।

মোৰ লেখা ডায়েৰী বোধহয় সেইদিনাখনে ইতি হৈছিল ।

০ ০ ০

বহুদিন পিচত সেইদিনাখন মোৰ মলিয়ন ডায়েৰীৰ মলিয়ন হৈ যোৱা পাতবিলাক লুটিয়াইছিলো । চকু মুদ খাই আহিব খুজিছিল । ওচৰৰ ফ্লেটৰ মৰম লগা পাঁচ বছৰীয়া পুপুল কেতিয়া যে মোৰ ওচৰত আহি ঠিয় হৈ আছিল । যেতিয়া গম পালো, সদায় দিয়াৰ দৰে ড্ৰেচিং গাউনৰ পকেটৰ পৰা চকলেট উলিয়াই দিব খুজিছিলো । পুপুলৰ কিন্তু আজি চকোলেটৰ প্ৰতি লোভ

নেদেখিলোঁ। "কি চকোলেট নালাগে" হাঁহি পুপুলক কোলাত বহুৱাই ললোঁ।

বাহিৰত হঠাতে বৰষুণ দিবলৈ আৰম্ভ কৰিলে।

"আঙ্কল চকোলেট নিম, কিন্তু তাৰ আগতে তাৰ পৰা কেই-খিলামান কাগজ দিয়া।" পুপুলে মোৰ ডায়েৰীটো দেখুৱাই দিলে।

"ইয়াৰ পাত লৈ কি কৰিবা পুপুল?"

"আঙ্কল এই পাতেৰে মই কাগজৰ নাওঁ বনাম। দিয়া না আঙ্কল।"

কেইখনমান পাত ফালি পুপুলক দিলোঁ। দৌৰি পুপুল নামি গ'ল। ফ্লেটৰ সমুখৰ পথাৰত তেতিয়ালৈকে বৰষুণৰ বেচ পানী জমিছে। কিছু সময় পিচত পুপুলৰ হাত চাপৰিৰ শব্দ শুনিলো। সেই বৰষুণৰ পানীৰ ওপৰত পুপুলৰ কাগজৰ কেইখনমান নাওঁ ভাহি গৈছে।

আকৌ কোঠালৈ উভতি আহিলোঁ। নিজৰ অজানিতে জুইকাঠী জ্বলাই ডায়েৰীটোত জুই লগাই দিলোঁ। দপ দপ কৈ জ্বলি উঠিল, আৰু কেইটিমান মুহূৰ্ত্তৰ ভিতৰতে সকলো পুৰি ছাই হৈ গল। ছাইখিনি হাতত লৈ বাহিৰলৈ দলিয়াই পেলাই দিলোঁ।

মোৰ কাৰণে যিসকল প্ৰিয় সকলো এক নিমিষতে শেষ হৈ গ'ল। ৰৈ গ'ল মাত্ৰ এমুঠি জীয়া স্মৃতি।